● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

■ স্বাধীনতাৰ ৭৯ বছৰৰ পাছতো এই অসমত বাঁহৰ সাঁকোৰেই আহ-যাহ
■ চৰকাৰী কাৰ্যালয়ৰ ফাইল ব্যৱস্থাপনা

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**



অৱস্থাই নহয়, গ্ৰহণ কৰা সিদ্ধান্তইহে এজন মানুহৰ স্বৰূপ প্ৰতিফলিত কৰে।

ভিক্টৰ ফ্ৰাংকল
*অষ্ট্ৰিয়াৰ মনোবিজ্ঞানী*

৭ — ধৰ্ষণ-হত্যাৰ অপৰাধত ২০ বছৰৰ কাৰাদণ্ড প্ৰাপ্ত ৰাম ৰহিমক ১৭বাৰলৈ পেৰ'লত মুক্তি
৪ — পৰ্যটন, জনজাতীয় পৰিচয় আৰু হিংসাৰ চক্ৰ ভাঙি ওলোৱাৰ সময়
১৩ — ফল'অন ৰক্ষাৰ বাবে যুঁজিছে শ্ৰীলংকাই

RNI-Regd No. 62953/96 ■ একত্ৰিংশত্তম বছৰ ● ৩১৮ তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ৮ ভাদ ১৪৩৩ ভাস্কৰাব্দ ২৬ আগষ্ট ২০২৬ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 26 August 2026 মূল্য ঃ ৯.০০ টকা

**কোনে লাভ কৰিব মন্ত্ৰিত্ব, কোনে হেৰুৱাব চকী ■ নতুন দিল্লীৰ ক্ষমতাৰ গলিত চৰ্চাৰ অন্ত নাই ■ তৰুণ-মহিলা মুখক আগস্থান দিয়াত গুৰুত্ব ■ নতুন মিত্ৰকো সন্তুষ্ট কৰিব লাগিব**





## বিজেপিৰ সমিতি গঠনৰ পাছত মোদী মন্ত্ৰীসভাৰ ৰদবদলক লৈ জল্পনা-কল্পনা

■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৫ আগষ্ট ঃ** আগন্তুক ২০২৯ৰ লোকসভা নিৰ্বাচন আৰু ইয়াৰ পূৰ্বে ২০২৭ত কে'বাখনো ৰাজ্যৰ বিধানসভা নিৰ্বাচনলৈ লক্ষ্য ৰাখি বিজেপিয়ে ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনৰ সমিতি গঠনৰ পাছত এইবাৰ নৰেন্দ্ৰ মোদীৰ মন্ত্ৰীসভাৰ বৃহৎ ৰদবদল অনিবাৰ্য। এই চৰ্চাই এতিয়া দিল্লীৰ ক্ষমতাৰ গলিত ৰজনজনাইছে। সূত্ৰত প্ৰকাশ যে আগন্তুক লোকসভা আৰু বিধানসভা নিৰ্বাচনসমূহলৈ লক্ষ্য ৰাখিয়ে কেন্দ্ৰীয় মন্ত্ৰীসভাৰ সালসলনি কৰিবলৈ বিভিন্ন সমীকৰণ ৰচিছে মোদী-অমিত শ্বাহে। নতুন মুখ, তৰুণ প্ৰজন্মক আগস্থান দিয়াৰ লগতে মিত্ৰ দলসমূহৰ প্ৰতিনিধিত্ব দিয়াৰ লগতে একাধিক *দুই পৃষ্ঠাত চাওক*

**■ লোকপিয়লৰ জাতি পৰিচয় সংক্ৰান্তীয় প্ৰশ্ন বিভ্ৰান্তিকৰ ■ শুধৰণিৰ দাবীত প্ৰধানমন্ত্ৰীলৈ পত্ৰ ৰাহুল-খাৰ্গেৰ ■ একেটা জাতিয়েই বিভিন্ন অঞ্চলত ভিন্ন নাম-উপজাতিৰে পৰিচিত**




## দেশত জাতিগত জনসংখ্যাৰ তথ্য প্ৰকাশ পোৱাটো নিবিচাৰে এনডিএ চৰকাৰে!

■ বৰ্তমানৰ প্ৰক্ৰিয়াত শুদ্ধ জনগণনাৰ পৰিসংখ্যা নিশ্চিত কৰাটো পৰ্বতত কাছ কণী বিচৰাৰ লেখীয়াহে হ'ব

■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৫ আগষ্ট ঃ** দেশত জাতিগতভাৱে কিমান লোক আছে তাৰ সঠিক তথ্য ৰাজহুৱা হোৱাটো নৰেন্দ্ৰ মোদী চৰকাৰে নিবিচাৰে নেকি? দেশত প্ৰথমবাৰৰ বাবে এইবাৰ লোকপিয়লৰ স'তে জাতি গণনাৰ ব্যৱস্থা কৰা হৈছে যদিও জাতিগত তথ্য সংগ্ৰহৰ ক্ষেত্ৰত বিভ্ৰান্তিৰ সৃষ্টি হৈছে। জাতিগত পৰিচয় তথ্য লাভৰ বাবে লোক গণনাকাৰীয়ে কৰিবলগীয়া প্ৰশ্নসমূহ ভুল-ত্ৰুটিৰে পৰিপূৰ্ণ হোৱাৰ লগতে প্ৰক্ৰিয়াটো শুদ্ধভাৱে সম্পন্ন কৰিবলৈ স্পষ্ট চৰকাৰী নিৰ্দেশনাও নাই। লক্ষ্যণীয় যে জানি-বুজিয়ে *১০ পৃষ্ঠাত চাওক*

## পুৰণি পেন্সন নীতি পুনৰ বাহালৰ দাবীত আন্দোলনৰ সংকল্প গ্ৰহণ

### অ'পিএছৰ বিকল্পৰূপে ইউপিএছ গ্ৰহণযোগ্য নহয়

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ২৫ আগষ্ট ঃ** পুৰণি পেন্সন নীতি (অ'পিএছ) পুনৰ বাহালৰ দাবীত আন্দোলন অব্যাহত ৰখাৰ সংকল্প লৈছে উত্তৰ-পূৰ্ব সীমান্ত ৰেলৱে কৰ্মচাৰী সংঘ (এনএফআৰইইউ)ই। যোৱা ২৩ আগষ্টৰ পৰা *১০ পৃষ্ঠাত চাওক*

**■ ব্যক্তিগত প্ৰতিষ্ঠানলৈ কৃত্ৰিম উপগ্ৰহৰ পৰা মহাকাশযান নিৰ্মাণলৈ ১২০টা প্ৰযুক্তি হস্তান্তৰিত ■ ইছৰ'ক নখ-দন্তহীন বাঘত পৰিণত কৰাৰ প্ৰক্ৰিয়া আৰম্ভ মোদী চৰকাৰৰ**

# দেশৰ মহাকাশ গৱেষণাও ব্যক্তিগত খণ্ডলৈ

**■ হাত এৰি হেতালি! সামৰিক বাহিনীৰ ৩১টা উপগ্ৰহ নিৰ্মাণৰ দায়িত্বও বেচৰকাৰী সংস্থাক ■ প্ৰসিদ্ধ সংস্থাৰ সাতশ বিজ্ঞানী-অভিযন্তাৰ পদত্যাগৰ ৰহস্যও ওলাই পৰিল**




■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৫ আগষ্ট ঃ** সমগ্ৰ বিশ্বৰ স'তে মহাকাশ গৱেষণা ক্ষেত্ৰত দেশক আগুৱাই নিয়াৰ উদ্দেশ্যে ১৯৬০ৰ দশকত ভাৰত চৰকাৰে প্ৰতিষ্ঠা কৰা ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ইছৰ')ক সম্প্ৰতি নৰেন্দ্ৰ মোদী চৰকাৰে নখ-দন্তহীন বাঘত পৰিণত কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিলে বুলি ব্যাপক চৰ্চা হৈছে। আনকি একপ্ৰকাৰ হাত এৰি হেতালি খেলাৰ লেখীয়াকৈ এনেদৰে মোদী চৰকাৰে দেশৰ সামৰিক বাহিনীৰ ৩১টা কৃত্ৰিম উপগ্ৰহ নিৰ্মাণৰ দায়িত্বও বেচৰকাৰী সংস্থাক অৰ্পণ কৰিলে বুলি উচ্চস্তৰীয় সূত্ৰই প্ৰকাশ কৰিছে। কেৱল সেয়াই নহয়, কৃত্ৰিম উপগ্ৰহৰ পৰা মহাকাশযান নিৰ্মাণলৈ ১২০টা প্ৰযুক্তি ব্যক্তিগত প্ৰতিষ্ঠানলৈ হস্তান্তৰ কৰিবলৈ ইছৰ'ক মোদী চৰকাৰে বাধ্য কৰা বুলিও অভিযোগ উত্থাপন হৈছে। সূত্ৰৰ মতে, ইছৰ'ৰ দ্বাৰা কেৱল মহাকাশ গৱেষণা কাম-কাজ সম্পন্ন কৰোৱাৰ অজুহাতত এইদৰে সংস্থাটোক গুৰুত্বপূৰ্ণ প্ৰযুক্তি একাধিক ব্যক্তিগত সংস্থাক তুলি দিবলৈ চৰকাৰে বাধ্য কৰাইছে। ফলত আগন্তুক সময়ত অতি সাধাৰণ মানৰ কৃত্ৰিম উপগ্ৰহহে দেশত নিৰ্মিত হ'ব বুলি একাংশ বিশেষজ্ঞই উদ্বেগ প্ৰকাশ কৰিছে। এই সম্পৰ্কত ইন-স্পেচ শীৰ্ষক সংস্থাৰ অধ্যক্ষ পৱন গোৱেংকাই সংবাদ মাধ্যমৰ আগত কয়, 'ইছৰ'ৱে বেচৰকাৰী আৰু ৰাষ্ট্ৰীয়কৃত সংস্থাক প্ৰযুক্তি হস্তান্তৰ কৰিব। এই প্ৰযুক্তিৰ ভিত্তিত তৈয়াৰ হ'ব মহাকাশযান আৰু অতি *১০ পৃষ্ঠাত চাওক*

## সত্ৰ সংস্কৃতিৰ পীঠস্থান মাজুলীতো স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ মাজতো ড্ৰাগছ আসক্ত

**অগ্ৰদূত বাৰ্তা**
**মাজুলী, ২৫ আগষ্ট ঃ** ৰাজ্যত ভয়াৱহ হাৰত বৃদ্ধি পাইছে এইছআইভি আক্ৰান্তৰ সংখ্যা। চৰকাৰ-প্ৰশাসন অস্তিত্বহীন হোৱাত নিৰ্দিষ্ট ড্ৰাগছৰ অবাধ প্ৰচলনৰ ফলত ৰাজ্যত *১০ পৃষ্ঠাত চাওক*



**■ চৰকাৰী সাহায্য প্ৰদানৰ সময়সীমা বান্ধি দি অখিলৰ হুংকাৰ ■ ২৮ আগষ্টত জিলা আয়ুক্তৰ কাৰ্যালয় ঘেৰাও-৩০ আগষ্টৰ পাছত মুখ্যমন্ত্ৰীৰ কাৰ্যালয়লৈ যাম ■ ধাৰাবাহিক আন্দোলনৰ ভাবুকি দিলে**

## শিৱসাগৰত বান সাহায্য বিচাৰি হেজাৰ হেজাৰ বন্যাৰ্তৰ 'আৰ্তনাদ'

**■ অভূতপূৰ্ব বান সৃষ্টিৰ আঁৰৰ ৰহস্য উদ্‌ঘাটনৰ বাবে চিবিআই তদন্ত দাবী ■ ৩৬ দিন পাৰ হৈ যোৱাৰ পাছতো ক্ষতিগ্ৰস্তই নাপালে তাৎক্ষণিক সাহায্য**

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ২৫ আগষ্ট ঃ** পূব অসমৰ শেহতীয়া বিধ্বংসী বানত বিধ্বস্ত সকলো পৰিয়ালক চৰকাৰী ১৫ হেজাৰ টকাৰ সাহায্য প্ৰদানৰ সময়সীমা বান্ধি দি আজি ৰাইজৰ দলৰ সভাপতি বিধায়ক অখিল গগৈয়ে ৰাজ্য চৰকাৰলৈ কঠোৰ সকীয়নি জাৰি কৰিলে। চৰকাৰী বান সাহায্য শীঘ্ৰে মুকলিৰ দাবীত আজি ৰাইজৰ দলৰ উদ্যোগত শিৱসাগৰ, যোৰহাট আৰু চৰাইদেউ জিলাৰ হেজাৰ হেজাৰ বানবিধ্বস্ত লোকৰ অংশগ্ৰহণত ইয়াত এক গণ সমাৱেশ অনুষ্ঠিত হয়। এই সমাৱেশত ভাষণ দি গগৈয়ে কয়, 'আজি হেজাৰ হেজাৰ বানাক্ৰান্তৰ উপস্থিতিত অনুষ্ঠিত এই বিশাল গণ সমাৱেশক মই গণ সমাৱেশ বুলি ক'ব নোখোজো। আজি আৰ্তজনে আৰ্তনাদ প্ৰকাশ কৰিছে। অহা ২৭ আগষ্টৰ নিশা ১২ বজাৰ ভিতৰত সকলো বানাক্ৰান্ত লোকৰ একাউণ্টত চৰকাৰী সাহায্যৰ ১৫ হেজাৰ টকা নোসোমালে আমি পিছদিনা জিলা আয়ুক্তৰ কাৰ্যালয় ঘেৰাও কৰিম। তাৰ পাছতো *১০ পৃষ্ঠাত চাওক*

**■ চৰকাৰী বিজ্ঞাপন বন্ধ কৰি দিয়া হৈছে ৰাজ্যৰ একাংশ বাতৰি কাকতৰ ■ ৰাজ্যত বিত্তীয় অনিয়ম-শিক্ষা স্বাস্থ্যৰ দুৰৱস্থা-ছিণ্ডিকেটক লৈ শ্বেতপত্ৰ প্ৰকাশৰ দাবী প্ৰদেশ কংগ্ৰেছৰ**



## মুখ্যমন্ত্ৰী পত্নীৰ মালিকানাধীন সংবাদ প্ৰতিষ্ঠানলৈ তিনি বছৰত বিজ্ঞাপন ২০ কোটিলৈ বৃদ্ধি

দক্ষ বুলি প্ৰচাৰ চলালেও হিমন্ত বিশ্ব শৰ্মাই হৈছে অসমৰ ইতিহাসৰ চূড়ান্ত ব্যৰ্থ মুখ্যমন্ত্ৰী ঃ বিনন্দ শইকীয়া

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৫ আগষ্ট ঃ** গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ ৰাজ্যৰ সংবাদ মাধ্যমৰ প্ৰতি ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰে চৰম বৈষম্যমূলক নীতি গ্ৰহণ কৰি অহা বুলি সৰৱ হৈছে প্ৰদেশ কংগ্ৰেছ। চৰকাৰে এনে বৈষম্যমূলক আচৰণ কৰি মুখ্যমন্ত্ৰীৰ পত্নীৰ মালিকানাধীন প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্ট নামৰ সংবাদ প্ৰতিষ্ঠানলৈ বিগত তিনি বছৰত চৰকাৰী বিজ্ঞাপনৰ পৰিমাণ ২০ কোটি টকালৈ বৃদ্ধি কৰিলে বুলি আজি ইয়াত এখন সংবাদমেলত প্ৰকাশ কৰে কংগ্ৰেছ নেতাদ্বয় বেদব্ৰত বৰা আৰু বিনন্দ শইকীয়াই। সংবাদমেলত কংগ্ৰেছ নেতাদ্বয়ে কয়, 'গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰূপে পৰিচালিত অসমৰ সংবাদ প্ৰতিষ্ঠানসমূহ চৰকাৰী বিজ্ঞাপনৰ ওপৰত *১০ পৃষ্ঠাত চাওক*

## পিতৃক হত্যা কৰি আৰক্ষী থানাত উপস্থিত পুত্ৰ

**অগ্ৰদূত বাৰ্তা**
**ঠেলামৰা, ২৫ আগষ্ট ঃ** মাত্ৰ দুশ টকাৰ বাবেই পিতৃক হত্যাৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে ঢেকিয়াজুলিৰ চপাই চাহ বাগিচাত। মৃত লোকজনক চপাই চাহ বাগিচাৰ নতুন লাইনৰ বাসিন্দা ছামচন গুৰিয়া (৬৫) বুলি চিনাক্ত কৰা হৈছে। চপাই চাহ *দুই পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩১° | ২৭° |
| ডিব্ৰুগড় | ৩০° | ২৭° |
| দিল্লী | ৩৩° | ২৬° |
| কলকাতা | ৩২° | ২৮° |
| মুম্বাই | ৩১° | ২৭° |
| চেন্নাই | ৩৩° | ২৭° |
| বাংগালুৰু | ২৭° | ২১° |
| শ্বিলং | ২৮° | ২২° |

*২৫ আগষ্ট, ২০২৬*

## প্ৰেমিকাক সন্তুষ্ট কৰিবলৈ গৈ ৰঙাঘৰৰ অতিথি য়শ ধনুকা



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ২৫ আগষ্ট ঃ** প্ৰেমত হাবুডাবু খাই পিতৃৰ আৰ্জিত সোণৰ অলংকাৰ আৰু নগদ ধন চুৰি কৰি প্ৰেমিকাক সন্তুষ্ট কৰাৰ চেষ্টা চলাই *১০ পৃষ্ঠাত চাওক*

**ককৰোচৰ প্ৰতিবাদৰ পৰা শিক্ষা! প্ৰতিবাদ নিয়ন্ত্ৰণৰ নতুন কৌশল দিল্লী আৰক্ষীৰ**

## প্ৰত্যেকজন প্ৰতিবাদকাৰী, নেতাৰ তথ্য আগতীয়াকৈ সংগ্ৰহ কৰিব চোৰাংচোৱাই

■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৫ আগষ্ট ঃ** দেশৰ ৰাজধানী দিল্লীত চৰকাৰ বিৰোধী প্ৰতিবাদ নিয়ন্ত্ৰণৰ এক নতুন কৌশল উদ্ভাৱন কৰিছে আৰক্ষীয়ে। যোৱা ২০ জুলাইত ককৰোচ জনতা পাৰ্টিৰ নেতৃত্বত লক্ষাধিকে ৰাজধানী মহানগৰ উত্তাল কৰাৰ পাছত আগন্তুক সময়ত প্ৰতিবাদ নিয়ন্ত্ৰণৰ কৌশলৰূপে দিল্লী আৰক্ষীয়ে প্ৰতিবাদকাৰীৰ তথ্য সংগ্ৰহ কৰি মজুত ৰখাৰ লক্ষ্য লৈছে। এনেদৰে প্ৰতিবাদকাৰী সম্পৰ্কীয় ১০ টা তথ্য দিল্লী আৰক্ষীয়ে হাতত ৰখাৰ প্ৰস্তুতি চলাইছে। উচ্চস্তৰীয় সূত্ৰই প্ৰকাশ কৰা অনুসৰি দিল্লী আৰক্ষী আয়ুক্ত অনুৰাগ কুমাৰৰ নিৰ্দেশৰ ভিত্তিত দিল্লী আৰক্ষীৰ *১০ পৃষ্ঠাত চাওক*

## ধৰ্মীয় সংখ্যালঘু পৰিষদৰ প্ৰতিষ্ঠাপক সভাপতি বক্তাৰ আলীৰ বিয়োগ



**অগ্ৰদূত বাৰ্তা**
**শ্ৰীৰামপুৰ, ২৫ আগষ্ট ঃ** বিটিচি ধৰ্মীয় সংখ্যালঘু পৰিষদৰ প্ৰতিষ্ঠাপক সভাপতি তথা বিপিএফৰ প্ৰাক্তন উপ-সভাপতি বক্তাৰ আলী আহমেদ (৬৬)ৰ কালি সন্ধিয়া মৃত্যু হয়। বিপিএফৰ *১০ পৃষ্ঠাত চাওক*

**■ ডিব্ৰুগড়ত চিকিৎসাধীন অৱস্থাত মৃত্যুক সাবটিলে ■ শিমলুগুৰিত শোকৰ ছাঁ**

## সাহায্য দি ওভতাৰ পথত বীৰ লাচিত সেনাৰ নেতাৰ ৰহস্যজনক দুৰ্ঘটনাত মৃত্যু



**অগ্ৰদূত বাৰ্তা**
**শিমলুগুৰি, ২৫ আগষ্ট ঃ** বীৰ লাচিত সেনাৰ শিমলুগুৰি আঞ্চলিক সমিতিৰ সভাপতি মানসজ্যোতি চেতিয়া (৩৪)ই আজি পুৱতি নিশা চিকিৎসাধীন অৱস্থাত ডিব্ৰুগড়স্থিত অসম চিকিৎসা মহাবিদ্যালয়ত মৃত্যুক সাবটি লয়। যোৱা ২৩ আগষ্টত বানবিধ্বস্ত বিহুবৰৰ এজন বৃদ্ধ লোকৰ সহায়ৰ বাবে গৈ পৰৱৰ্তী সময়ত নিশা ঘৰলৈ মটৰ *১০ পৃষ্ঠাত চাওক*

## বৰদলনিত কালভাৰ্টৰ পৰা পিছলি শিশুৰ সলিল সমাধি



**অগ্ৰদূত বাৰ্তা**
**ধেমাজি, ২৫ আগষ্ট ঃ** ধেমাজি জিলাৰ বৰদলনিত চাইকেলেৰে ৰঙাজান নৈৰ কালভাৰ্ট এটাত ৰোৱাৰ সময়তে পিছলি বোঁৱতী জানত পৰি এটি শিশুৰ মৃত্যু হয়। ৰঙাজান নামৰ *১০ পৃষ্ঠাত চাওক*

চেঙা তেল



*ৰাইজৰ স'তে সংযোগ নাই যে, সেই কাৰণে টুইটাৰ-ফেচবুকতে যুঁজ-বাগৰ চলাই আছে!*

**■ তাঁত-বাটি কৰাৰ পাছতো আৰক্ষীয়ে নিদিলে সঁহাৰি ■ হত্যাৰ ঘটনাক দুৰ্ঘটনাৰ ৰূপ দিয়া বুলি আৰক্ষীৰ অভিযোগ ■ মুখ্যমন্ত্ৰীক সাক্ষাতৰ বাবে কাতৰ আবেদন ধেমাজিৰ লক্ষ্মী বৰাৰ**

## একমাত্ৰ পুত্ৰক হেৰুৱাই ন্যায় বিচাৰি জনতা ভৱনত কান্দি কান্দি প্ৰতিবাদ মহিলাৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৫ আগষ্ট ঃ** ধেমাজিৰ ৰাকেশ দাস নামৰ যুৱকজনৰ মৃত্যুৰ ঘটনাৰ ছমাহ উকলাৰ পাছতো আৰক্ষীৰ পৰা কোনো সঁহাৰি নাপাই আজি দিছপুৰৰ জনতা ভৱনৰ সন্মুখত ন্যায়ৰ দাবীত কান্দি কান্দি প্ৰতিবাদ কৰে তেওঁৰ মাতৃ লক্ষ্মী বৰা ওৰফে জেৰিনাই। ঘৰৰ একমাত্ৰ উপাৰ্জনকাৰী পুত্ৰ সন্তানক হেৰুওৱাৰ পাছত আৰক্ষীৰ থানা থানাই তাঁত-বাটি কাঢ়িও কোনো সঁহাৰি নাপাই তেওঁ আজি গুৱাহাটীলৈ আহি প্ৰতিবাদ কৰে আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰিবলৈ বিচাৰে। বিগত যোৱা ২৮ ফেব্ৰুৱাৰীত লখিমপুৰৰ বগীনদী ক'লাপানীত পুত্ৰ ৰাকেশৰ ৰহস্যজনক অৱস্থাত মৃতদেহ উদ্ধাৰ হৈছিল। মাতৃগৰাকীয়ে অভিযোগ কৰে যে আৰক্ষীয়ে এই ঘটনাক সাধাৰণ পথ *১০ পৃষ্ঠাত চাওক*

**মৃত যুৱতীৰ মাতৃক ওলোটাই ফোনযোগে ভাবুকি দিয়াৰ অভিযোগ চিকিৎসকৰ বিৰুদ্ধে ■ এইছজিএম নাৰ্ছিংহোম ছীল কৰি দিয়াৰ দাবী**

## ভুল অস্ত্ৰোপচাৰত যুৱতীৰ অকাল মৃত্যুৰ অভিযোগ, ৩০ৰো অধিক দল-সংগঠনৰ প্ৰতিবাদত উত্তাল হৈ পৰিল গোলাঘাট

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**গোলাঘাট/খুমটাই, ২৫ আগষ্ট ঃ** চিকিৎসকৰ ভুল অস্ত্ৰোপচাৰৰ বাবে এগৰাকী ১৮ বছৰীয়া মেধাৱী ছাত্ৰীৰ অকাল মৃত্যুৰ অভিযোগ তুলি আজি গোলাঘাটত ৩০টাৰো অধিক দল-সংগঠনে উত্তাল প্ৰতিবাদ সাব্যস্ত



কৰে। গোলাঘাটৰ এইছজিএম নাৰ্ছিংহোমৰ সন্মুখত এই সংগঠনৰ সদস্যই প্ৰতিবাদ সাব্যস্ত কৰি নাৰ্ছিংহোমখন ছীল কৰি দিয়াৰো দাবী জনায়। প্ৰতিবাদস্থলীত দণ্ডাধীশ উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণৰ লগতে জিলা আয়ুক্তৰ নিৰ্দেশ মৰ্মে জ্যেষ্ঠ *১০ পৃষ্ঠাত চাওক*

**NAME CORRECTION**

My correct name is Eyarjan Nessa, C/O Iman Ali, which has been wrongly recorded in the land document Jamabandi of covered by Patta No,51 Dag No,456 situated at village Bheragaon Mouza, Rupshi under Kalgachia rev, circle as Eyaran Nessa instead of Eyarjan Nessa. So, Eyarjan Nessa and Eyaran Nessa is the same person i.e. myself.

Eyarjan Nessa
C/O-Iman Ali
Vill, Bheragaon

**NAME CHANGE**

I Sbaharabanu do hereby declare vide affidavit no Reg. no 10495 UDL 08 notary Udalguri on 20/08/2026, that my name has been changed from Saha Bhanu to Sbahara Banu which is inserted my AADHAR card no 4471-6095-5898, Pan no VFOPS7736M

**NAME CHANGE**

I, Putuli Rabha, do hereby declare vide affidavit no Reg. no 5302 UDL 07 notary Udalguri on 26/11/2024, that my name has been changed from Putuli Rabha Deka to Putuli Rabha which is inserted my AADHAR card no 3125-8648-1529,Pan no BVSPR2139H.

**NAME CORRECTION**

My actual and correct name is Jaharul Islam as per my relevant documents. The land document, Dag no. 109 and Patta no. 153, and also another plot covered by Dag no. 24 & 232 and Patta no. 149 of Vill: Bahadurpara under Dotma Revenue Circle, my name has been wrongly recorded as Jahirul Sheikh instead of Jaharul Islam. Both names refer to the same identical person.

**NAME CORRECTION**

I, Mrs SMRITIREKHA HAZARIKA, W/O,- Mr. Ghanakanta Saikia, 2 No Ponka Grant, Bishnupur, P.O Kanaighat, P.S : Numaligarh Rural, District- Golaghat, Assam, do hereby declare before the Notary Golaghat on 09-06-2026 that in my daughter's birth Certificate named Smti JYOTISHI SAIKIA, bearing Reg. No.- 88/2010, date of Reg. 30/03/ 2010,my name was recorded as "Mrs SMITRIREKHA (SAIKIA)HAZARIKA " instead of "Mrs SMRITIREKHA HAZARIKA" and our address has been recorded as "BISHNUPUR, P.0-KANAIGHAT" instead of "2 No Ponka Grant, Bishnupur, P.O : Kanaighat, Mouza : Morangi, P.S: Numaligarh Rural, District - Golaghat, Assam".

**NAME CORRECTION**

I, Nareswar Rabha, S/O Lt. Mani Ram Rabha, R/O Vill : No. 2 Purani Bhergaon ,P.O : Khoirabari, P.S : Tangla . Dist- Udalguri (BTR) Assam declared vide an Affidavit before NOTARY UDALGURI dtd 06/08/26. that in my Land documents vide Dag No. 534 , Patta No. 214, situated at Village : Pub Jangalpara , P.O. Meskapukhuri, P.S. Kalaigaon ,Mouza : Silpota, Dist. Udalguri, my name has recorded as Narendra Rabha instead of Nareswar Rabha . Both are same and one person having single identity.

**NAME CORRECTION**

I hereby declare by an affidavit before executive Magistrate Golakganj (Dhubri) on 23-6-2026, that ,my name has been wrongly recorded in my AGV bank pass book, Alomganj Branch vide A/C No.7141029002685 as CHAINA BIBI in place of my correct & actual name CHAYNA BIBI.

CHAYNA BIBI
WO: Saib Ali
Vill: Alomganj PT 6
Dist: Dhubri ,Assam.

**LOST**

I have lost my Original Mark Card of 5 Year B.A. LL.B. (MajMin Sys) III Semester (80-20 Pattern) EXAMINATION: 2022 and IV Semester EXAMINATION: 2023 (80-20 Pattern) of Kristu Jayanti College of Law, Bengaluru vide REGISTRATION NUMBER 45321231049 under Karnataka State Law University (KSLU)

STELLA MARANDI
Gossaigaon

**নাম শুধৰণি**

মোৰ প্ৰকৃত নাম Archana Deka নামটো আধাৰ কাৰ্ড নং 5230 7440 3073ত ভুলকৈ Archana Deka Kalita হ'ল। সেয়ে মই ৰঙিয়াৰ আদালতত ন'টাৰী যোগে মোৰ নামটো পুনৰ Archana Deka কৰিলো।

Archana Deka
গাঁও ঃ বটাকুছি
ডাক ঃ জামতোলা
থানা ঃ ৰঙিয়া
জিলা ঃ কামৰূপ (অসম)

**নাম শুধৰণি**

মোৰ প্ৰকৃত নাম Anujyoti Baruah, আধাৰ কাৰ্ডত নম্বৰ 5960 3834 9018 ভুলবশতঃ Anujjoti Barua হৈছে । সেয়ে দৰঙৰ আদালতত ন'টাৰী যোগে নামটো শুধৰণি কৰিলো।

Anujyoti Baruah
Balipota, Lakshimpur

**DECLARATION**

I, ANITA DAS, W/O- Buddheshwar Das, Vill- Niz Barsola, P.O.- Barsola, P.S.- Dhekiajuli, Dist- Sonitpur, Assam, declared vide an Affidavit before Notary at Tezpur on 22-06-2026 that my correct name is ANITA DAS as recorded in my Aadhaar Card. However, in my PAN Card and Bank Passbook (Assam Gramin Vikash Bank, A/C No. 7034010004576), my name has been incorrectly recorded as ANITA MANDAL. Both ANITA DAS and ANITA MANDAL refer to the one and same person, i.e. myself.

**NAME CORRECTION**

I, MINATI PAUL, C/o.- Samrendra Paul, Vill. Chowk Bazar,W/No-2, P.0. & P.S. Basugaon, Dist- Chirang BTAD. Assam, do hereby declared vide an Affidavit before Notary at Chirang on 02-08-2026 that in the " Jamabandi under Sidli Revenue Circle, District - Chirang, Assam of Dag No 371 Patta No 273 , my name has been recorded as "MINATI RANI RAY" instead of the correct name "MINATI PAUL.

**নাম শুধৰণি**

মই আদালতৰ শপতনামা যোগে জনাওঁ যে মাটিৰ নথি পত্ৰত মোৰ নামটো ভুলক্ৰমে মনমোহন ৰায় বুলি উল্লেখ আছে। প্ৰকৃততে মনমোহন মণ্ডলহে হয়।

মনমোহন মণ্ডল
গাঁও, পোঃ অঃ -নিজ ডিমৰীয়া
থানা ঃ ক্ষেত্ৰী
জিলা ঃ কামৰূপ (ম) অসম
পিন ঃ ৭৮২৪০৩

**নাম শুধৰণি**

মোৰ প্ৰকৃত নাম Hirumoni Bania Baruah, আধাৰ কাৰ্ডত নম্বৰ 4362 1641 6696 ভুলবশতঃ Hiru Mani Bania Barua হৈছে । দৰঙৰ আদালত ন'টাৰী যোগে নামটো পুনৰ Hirumoni Banin Baruah কৰিলো।

Hirumoni Bania Baruah
W/O Anujyoti Baruah
Balipota, Lakshimpur

**LOST**

I have lost my ASTU 2nd semester mark sheet bearing Roll no: 230810017009.

Anuran Buragohain
SO: Bichitra Buragohain
Sivasagar, Joysagar

**DECLARATION**

I RUPESWARI DAS, W/O Timok Das, Vill- Barbhogia, P.O.- Barsola, P.S.- Dhekiajuli, Dist- Sonitpur, Assam, declared vide an Affidavit before Notary at Tezpur on 22-06-2026 that my correct name is RUPESWARI DAS as per my Voter ID, PAN Card, and Aadhaar Card. However, in my Assam Gramin Vikash Bank passbook (A/C No. 7034010004127), my name is written as RUPESWARI DEVI. Both RUPESWARI DAS and RUPESWARI DEVI refer to the same person.

**AFFIDAVIT**

নদুৱাৰ ৰাজহ চক্ৰ কাৰ্যালয়ৰ ভূমিৰ নথিপত্ৰত মোৰ নাম Durna Kumari Deviৰ পৰিৱৰ্তে Dun Kumari Sitala হৈ আছে। Durna Kumari Devi আৰু Dun Kumari Sitala একেগৰাকী মহিলা বুলি তেজপুৰ ন'টাৰীৰ জৰিয়তে affidavit কৰিলো।

Durna Kumari Devi.
Nabil.Naharbari.

**নাম শুধৰণি**

মই আদালতৰ শপতনামা যোগে জনাওঁ যে মাটিৰ নথি পত্ৰত মোৰ নামটো ৰাজহ গাঁও ৰেৱা পথাৰ দাগ নং 86,365 আৰু পট্টা নং 49ৰ জমিত ভুলক্ৰমে ইন্দ্ৰবলি গৌড় বুলি উল্লেখ আছে প্ৰকৃততে ইন্দ্ৰ কাঠাৰহে হয়।

ইন্দ্ৰ কাঠাৰ
গাঁও ঃ দপতা, মালয়বাৰী
পোঃ অঃ - মালয়বাৰী
থানা ঃ ক্ষেত্ৰী
জিলা ঃ কামৰূপ (ম)
পিন ঃ ৭৮২৪০৩

# অসম-অৰুণাচলৰ সীমা বিবাদ

## ধেমাজিৰ গোগামুখৰ মিংমাং-বদতি আৰু হিমে বস্তিৰ ঘটনাৰ সন্দৰ্ভত টিএমপিকেৰ সংবাদমেল

অগ্ৰদূত বাৰ্তা

**ধেমাজি, ২৫ আগষ্ট ঃ** এটা জনগোষ্ঠীৰ সংঘাত নহয় এয়া মূলতঃ দুখন গাঁৱৰ মাজত সৃষ্টি হোৱা স্থানীয় ভূমি সম্পৰ্কীয় সংঘাত। অসম-অৰুণাচল সীমান্তৱৰ্তী বদতি আৰু হিমে গাঁৱৰ মাজত যোৱা ১০ আগষ্টত সংঘটিত উদ্বেগজনক ঘটনা সন্দৰ্ভত আজি এক সংবাদমেলত এইদৰে কয় টিএমপিকেৰ কেন্দ্ৰীয় সমিতিয়ে। গোগামুখৰ চিলিমপুৰৰ আবুতানি লত্তাত অনুষ্ঠিত এক সংবাদমেলত টিএমপিকেৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক ছান দঞিও পাংগিঙে কয়, 'ঘটনাটোৰ স'তে জড়িত দোষীক শীঘ্ৰে কৰায়ত্ত কৰি আইনগত ব্যৱস্থা গ্ৰহণ কৰা, গুলিত আহতক ক্ষতি পূৰণ আদায়, বদতি গাঁৱৰ ৰাইজৰ নিৰাপত্তা সুনিশ্চিত কৰা আৰু সমগ্ৰ সীমান্ত সমস্যা ১/৩ পদ্ধতিৰে সমাধান কৰাৰ বাবে টিএমপিকেই চৰকাৰৰ ওচৰত দাবী জনাই আহিছে।' তেওঁ কয় যে চৰজমিন তদন্ত আৰু স্থানীয় পৰিস্থিতি পৰ্যবেক্ষণ কৰাৰ পাছত এটা কথা স্পষ্ট হৈছে যে বদতি আৰু হিমে গাঁৱৰ মাজত সংঘটিত এই সংঘাতক পোনপটীয়াকৈ অসম-অৰুণাচল সীমা বিবাদৰ স'তে জড়িত কৰাটো উচিত নহয়। এই ঘটনাটো মূলতঃ দুয়োখন গাঁৱৰ মাজত থকা এটা ভূমিখণ্ডৰ ভাগ-বাটোৱাৰা দখলক কেন্দ্ৰ কৰি সৃষ্টি হোৱা স্থানীয় ভূমি সম্পৰ্কীয় সংঘাত বুলিহে আজি টিএমপিকেই উল্লেখ কৰে। সেয়েহে ইয়াক সামগ্ৰিকভাৱে অসম-অৰুণাচল সীমা বিবাদৰ ৰূপ দি উপস্থাপন কৰাটো বাস্তৱ পৰিস্থিতিক বিভ্ৰান্ত কৰা বুলি অভিযোগ কৰে। তদুপৰি কয়, 'একেদৰে এই ঘটনাক মিচিং আৰু গাল জনগোষ্ঠীৰ মাজত হোৱা সংঘাত হিচাপেও চিহ্নিত কৰাটো সঠিক নহয়। এয়া কোনো জনগোষ্ঠীৰ বিৰুদ্ধে আন এটা জনগোষ্ঠীৰ সংঘাত নহয় এয়া মূলতঃ দুখন গাঁৱৰ মাজত সৃষ্টি হোৱা স্থানীয় ভূমি সম্পৰ্কীয় সংঘাত। সেয়েহে কোনো জনগোষ্ঠীৰ মাজত বিভাজন, বিদ্বেষ বা উত্তেজনা সৃষ্টি কৰিব পৰা বক্তব্যৰ পৰা সকলো পক্ষই বিৰত থকা উচিত।'

বিঅ'পি আঁতৰোৱাৰ ক্ষেত্ৰত মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ ভূমিকা ঘটনাৰ পাছত পৰিস্থিতি নিয়ন্ত্ৰণ আৰু অঞ্চলটোত শান্তি-শৃংখলা বজাই ৰখাৰ উদ্দেশ্যে দুয়োখন ৰাজ্যৰ আৰক্ষী-প্ৰশাসনে নিজ নিজ দায়িত্ব অনুসৰি বিঅ'পি স্থাপন কৰিছিল। ইপিনে, কংগ্ৰেছৰ সমালোচনাত মুখৰ হৈ টিএমপিকেই প্ৰশ্ন কৰে যে দীৰ্ঘদিন ধৰি অমীমাংসিত হৈ থকা অসম-অৰুণাচল সীমা বিবাদৰ স্থায়ী সমাধানৰ বাবে পূৰ্বৰ কংগ্ৰেছ চৰকাৰে কিয় কোনো ঐতিহাসিক আৰু ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ নকৰিলে।

সংগঠনটোৱে কয় যে দীৰ্ঘদিনীয়া সমস্যাটো সময়মতে সমাধানৰ দিশত ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ নকৰাৰ বাবেই সীমান্ত সমস্যাই ক্ৰমাৎ জটিল ৰূপ ধাৰণ কৰিলে আৰু সীমান্তৱৰ্তী অঞ্চলত বসবাস কৰা বিভিন্ন জনগোষ্ঠীৰ মাজত কেতিয়াবা অনাকাংক্ষিত পৰিস্থিতিৰ সৃষ্টি হৈছে। সমস্যা সমাধানৰ ক্ষেত্ৰত পূৰ্বৰ চৰকাৰৰ ভূমিকা আৰু ব্যৰ্থতাৰ বাবেও কংগ্ৰেছে ৰাইজৰ ওচৰত জবাবদিহি হ'ব লাগে বুলি কয়।

টিএমপিকে সাধাৰণ সম্পাদকজনে কয়, 'এটা স্থানীয় ভূমি সম্পৰ্কীয় সংঘাতক জনগোষ্ঠীয় সংঘাত অথবা অসম-অৰুণাচল সীমা বিবাদৰ ৰূপ দি ৰাইজৰ মাজত বিভ্ৰান্তি আৰু উত্তেজনা সৃষ্টি কৰাটো কোনোপধ্যে গ্ৰহণযোগ্য নহয়। সীমান্ত আৰু ভূমি সম্পৰ্কীয় বিষয় অতি স্পৰ্শকাতৰ। এনে বিষয়ক কোনো ৰাজনৈতিক দল বা সংগঠনে নিজৰ ৰাজনৈতিক মুনাফা আহৰণৰ আহিলা হিচাপে ব্যৱহাৰ কৰাটো অত্যন্ত দুৰ্ভাগ্যজনক।' বদতি-হিমে ঘটনাটোৰ তাৎক্ষণিক সমাধানৰ লগতে ভৱিষ্যতে এনে ঘটনা যাতে পুনৰ সংঘটিত নহয়, তাৰ বাবে প্ৰশাসনক অধিক ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। একে সময়তে, অসম-অৰুণাচল সীমা বিবাদৰ স্থায়ী সমাধানৰ বাবে দুয়োখন চৰকাৰক চলিত আলোচনা আৰু মীমাংসা প্ৰক্ৰিয়াক অধিক শক্তিশালী কৰি এক গ্ৰহণযোগ্য, শান্তিপূৰ্ণ আৰু স্থায়ী সমাধান উলিয়াবলৈ দাবী জনায় সংগঠনটোৱে।

# হাজোত শিক্ষাৰ পোহৰ বিলোৱা শিক্ষা হিতৈষী কান্দাৰাম ভৰালীৰ প্ৰতিমূৰ্তি স্থাপনৰ নিৰ্মাণ কাৰ্য আৰম্ভ

অগ্ৰদূত বাৰ্তা

**হাজো, ২৫ আগষ্ট ঃ** বৈষ্ণৱোত্তৰ কালৰ অনন্ত কন্দলী আৰু ৰাম সৰস্বতীৰ স্মৃতি বিজড়িত ঐতিহাসিক হাজো ভূমিত আধুনিক শিক্ষাৰ বীজ সিঁচোতা শিক্ষাহিতৈষী তথা সমাজ সংস্কাৰক কান্দাৰাম ভৰালীৰ স্মৃতি যুগমীয়া কৰাৰ উদ্দেশ্যে দানবীৰ কান্দাৰাম ভৰালীৰ এটি ব্ৰঞ্জৰ প্ৰতিমূৰ্তি তেওঁৰেই মানস সন্তান 'হাজো শিক্ষা বিস্তাৰ সমিতিৰ কান্দাৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়' চৌহদত স্থাপনৰ নিৰ্মাণ কাৰ্যৰ আৰম্ভ কৰা হয়। কালি দিনৰ ১১ বজাত হাজো-শুৱালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে প্ৰতিমূৰ্তি স্থাপনৰ নিৰ্মাণ কাৰ্যৰ আৰম্ভণি কৰি কয় যে কান্দাৰাম ভৰালীৰ অৱদান আমাৰ সমাজখনৰ বাবে সদায়েই স্মৰণীয়। তেওঁৰ আদৰ্শ আৰু কৰ্মৰাজিয়ে নতুন প্ৰজন্মক দায়িত্ববোধ, নিষ্ঠা আৰু সমাজৰ প্ৰতি দায়বদ্ধতাৰে আগবাঢ়ি যাবলৈ অনুপ্ৰেৰণা যোগাই আহিছে। তেওঁৰ স্মৃতি যুগমীয়া কৰি ৰখাৰ লগতে ছাত্ৰ-ছাত্ৰী তথা ভৱিষ্যৎ প্ৰজন্মক তেওঁৰ জীৱন আৰু আদৰ্শৰ স'তে পৰিচিত কৰোৱাৰ এক সুন্দৰ পদক্ষেপ হিচাপে এই প্ৰতিমূৰ্তিটো স্থাপনে বিশেষ তাৎপৰ্য বহন কৰিব। মাংগলিক ৰীতি-নীতিৰে প্ৰতিমূৰ্তিৰ শিলান্যাস স্থাপন অনুষ্ঠানৰ আদৰণি ভাষণ ৰাখে প্ৰতিমূৰ্তি স্থাপন সমিতিৰ সভাপতি মোহন চন্দ্ৰ মালাকাৰে। সম্পাদক দিপাংকৰ মজুমদাৰে আঁত ধৰা অনুষ্ঠানত হয়গ্ৰীৱ মাধৱ মন্দিৰ পৰিচালনা সমিতিৰ দলৈ শিৱপ্ৰসাদ শৰ্মা, ডেকা দলৈ নৱ কুমাৰ শৰ্মা, বিদ্যালয়ৰ শৈক্ষিক তত্বাৱধায়ক প্ৰদীপ চন্দ্ৰ ডেকা, হাজো ৰাইজ সমিতিৰ সভাপতি নৃপেন কুমাৰ দাস, সম্পাদক মহিম কুমাৰ দাস, অৱসৰপ্ৰাপ্ত শিক্ষক ধনেশ্বৰ দাস, বুলুপ্ৰভা মালাকাৰ, হাজো জ্যেষ্ঠ নাগৰিক সুৰক্ষা মঞ্চৰ সভাপতি হাঁহিৰাম কলিতা, প্ৰতিমূৰ্তি স্থাপন সমিতিৰ কাৰ্যকৰী সভাপতি শৰৎ নায়ক, নগেন মালাকাৰ, নৃপেন মেধি, মৃণাল কুমাৰ দাস, হৰেন চন্দ্ৰ দাস, মনোজ মেধি, ভবানন্দ আঠপৰীয়া, মদন মোহন দাস, ধ্ৰুৱজ্যোতি মালাকাৰ, কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি নৱজ্যোতি দাস, হাজো ক্ৰীড়া সন্থাৰ সভাপতি বীৰেন্দ্ৰ কুমাৰ দাস, হাজো আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক নিপু কলিতা, হাজো শিক্ষা বিস্তাৰ সমিতিৰ কান্দাৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ লগতে হাজোবাসী ৰাইজে স্বতঃস্ফূৰ্তভাৱে প্ৰতিমূৰ্তি স্থাপনৰ নিৰ্মাণ কাৰ্যৰ আৰম্ভণি অনুষ্ঠানত অংশগ্ৰহণ কৰে। কান্দাৰাম ভৰালী প্ৰতিমূৰ্তি স্থাপন সমিতিয়ে অহা নৰেম্বৰত প্ৰতিমূৰ্তিটো উন্মোচন কৰা হ'ব বুলি জানিবলৈ দিয়ে ।

# আৰক্ষী অস্তিত্বহীন হৈ পৰিছে ৰঙিয়াত

অগ্ৰদূত বাৰ্তা

**ৰঙিয়া, ২৫ আগষ্ট ঃ** ৰঙিয়া চহৰত সম্প্ৰতি চুৰি-ডকাইতি, ধন-সোণ লুট, হত্যা, ড্ৰাগছসহ অন্যান্য নিচাজাতীয় সামগ্ৰীৰ সৰবৰাহ আদি অপৰাধ যেন নিত্য-নৈমিত্তিক ঘটনাত পৰিণত হৈছে। অপৰাধী চক্ৰই আৰক্ষীক অংগুষ্ঠ প্ৰদৰ্শন কৰি অবাধে নিজৰ কৰ্মকাণ্ড অব্যাহত ৰখাত ৰঙিয়াত ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াই দেখা দিছে। আজিও দিন দুপৰতে ৰঙিয়াৰ সদা ব্যস্ত মুৰাৰা চ'কত থকা এটা অট্টালিকাত চুৰি কাৰ্য সংঘটিত কৰি একপ্ৰকাৰ সন্ত্ৰাসৰ সৃষ্টি কৰিছে। ৰঙিয়া চহৰৰ নাগৰিক, প্ৰাক্তন পৌৰ প্ৰতিনিধি, বিজেপিৰ আগশাৰীৰ কৰ্মকৰ্তা প্ৰদীপ কাকতিৰ দুৰ্গস্বৰূপ অট্টালিকাত দুজনীয়া চোৰৰ দলে চিনেমাৰ কায়দাত মূল্যবান সামগ্ৰী লুটি নিয়ে। চোৰৰ সমগ্ৰ কৰ্মকাণ্ড চিচি কেমেৰাত বন্দী হয় যদিও আৰক্ষীয়ে চোৰৰ শুংসূত্ৰ উলিয়াবলৈ ব্যৰ্থ হয়।

ঘৰৰ প্ৰথম মহলাত মানুহ থকা সত্বেও দ্বিতীয় মহলাত কাকতিৰ পুত্ৰৰ কোঠাত কোনো নথকাৰ সুযোগৰ সদ্ব্যৱহাৰ কৰি দুজনীয়া চোৰৰ দলে দিনৰ এক বজাত ঘৰৰ দৰ্জা ভাঙি আইফোন ১৭ , দুটাকৈ লেপটপ আৰু এখন ড্ৰ'নসহ বহু মূল্যবান সামগ্ৰী লুটি লৈ যায়। লগতে চোৰৰ দলে আলমাৰীৰ দৰজা খুলি সকলো বয়বস্তু মজিয়াত সিঁচৰতি কৰি থৈ যায়। চিচি কেমেৰাৰ দৃশ্য অনুসৰি এজন দুৰ্বৃত্তই হেলমেট পৰিধান কৰিয়েই ভিতৰত সোমায়। আন এজনে ক'লা চছমা পিন্ধি চিনেমাৰ কায়দাত চুৰিকাৰ্য সংঘটিত কৰে। চোৰৰ দলটোৱে কিছু সময় প্ৰথম মহলাত অৱস্থান কৰি সমগ্ৰ গতিবিধি লক্ষ্য কৰে। পাছত মাত্ৰ ১৫ মিনিটৰ ভিতৰত মূল্যবান সামগ্ৰী লৈ নিৰ্বিঘ্নে পলাই যায়। ইতিমধ্যে কাকতিৰ পুত্ৰই ৰঙিয়া আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। আৰক্ষীয়ে ঘটনাৰ তদন্ত আৰম্ভ কৰিছে।

# জ্যেষ্ঠ নাগৰিক আৱাস গৃহলৈ 'মানৱ সেৱা সন্মান

অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ২৫ আগষ্ট ঃ** যোৱা ২৩ আগষ্টত জাগৃতি সন্মিলিত উন্নয়ন কেন্দ্ৰৰ পৰিচালনাত তথা ভাৰত চৰকাৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰণালয়ৰ অধীনত পৰিচালিত জ্যেষ্ঠ নাগৰিক আৱাস গৃহৰ চৌহদত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত আৱাস গৃহটোক 'মানৱ সেৱা সন্মান—২০২৫-২৬' প্ৰদান কৰা হয়। কামৰূপ (গ্ৰাম্য)ৰ ৰূপান্তৰ সাহিত্য মঞ্চ, অসমৰ উদ্যোগত আৰু স্বপ্নযাত্ৰা অসম গোটৰ সহযোগত আয়োজিত অনুষ্ঠানটোত জ্যেষ্ঠ নাগৰিকসকলৰ সেৱা-যত্নৰ ক্ষেত্ৰত আগবঢ়োৱা উল্লেখযোগ্য অৱদানৰ লগতে সামাজিক ক্ষেত্ৰত বৃদ্ধ লোকসকলক সেৱাৰ জৰিয়তে এখন সুন্দৰ আৰু মানৱীয় সমাজ গঢ়াৰ নিৰলস প্ৰচেষ্টা আৰু ত্যাগৰ স্বীকৃতি হিচাপে এই সন্মান প্ৰদান কৰা হয়। লগতে যুৱ সমাজক সমাজ সেৱাৰ প্ৰতি গভীৰভাৱে অনুপ্ৰাণিত কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা ভূমিকা বিশেষভাৱে শলাগ লোৱা হয়।

অনুষ্ঠানত সন্মান গ্ৰহণ কৰি জাগৃতি সন্মিলিত উন্নয়ন কেন্দ্ৰৰ কাৰ্যকৰী সভাপতি ধৰ্মেন্দ্ৰ কুমাৰ হাজৰিকাই নিজৰ বক্তব্যত কয় যে বয়োজ্যেষ্ঠসকল এখন সমাজৰ পথপ্ৰদৰ্শক।

# পিতৃক হত্যা কৰি আৰক্ষী থানাত উপস্থিত পুত্ৰ

*এক পৃষ্ঠাৰ পৰা* বাগিচাৰ নতুন লাইনৰ নিৰাসী ছামচন গুৰিয়াৰ পুত্ৰ আলেক্সিউছ গুৰিয়াই কৰ্মস্থলীলৈ অহা-যোৱা কৰা চাইকেলখন মাত্ৰ দুশ টকাত ক'ৰবাত বন্ধকত থৈছিল। পিতৃ ছামচনে চাইকেলখন বন্ধকত থোৱা দেখি পুত্ৰক কয়, 'তুমি বাগানত কামলৈ অহা-যোৱা কৰা চাইকেলখন বন্ধকত দিছা, মই সেইখন এৰুৱাই লৈ আনিম।' এই কথাটোক লৈয়ে নিশা পিতা-পুত্ৰৰ মাজত তীব্ৰ বাকবিতণ্ডাৰ সৃষ্টি হয়। অভিযোগ অনুসৰি কাজিয়াই চৰম পৰ্যায় পোৱাত সুৰাসক্ত অৱস্থাত থকা আলেক্সিউছে জুই ফুৰাবলৈ ব্যৱহাৰ কৰা এডাল লোহাৰ শলাৰে পিতৃ ছামচনৰ মূৰত আঘাত কৰে। লোহাৰ কোব খাই থিতাতে নিহত হয় বৃদ্ধ ছামচন গুৰিয়া। নিশাৰ ভাগত ঘটা এই লোমহৰ্ষক ঘটনাটো পুৱাৰ ভাগতহে সমগ্ৰ অঞ্চলটোত পোহৰলৈ আহে। ঘটনা সংঘটিত কৰাৰ পাছত অভিযুক্ত পুত্ৰ আলেক্সিউছে ৰাক্ষসমাৰী আৰক্ষী থানাত 'মই মোৰ পিতৃক হত্যা কৰিলো' বুলি স্বীকাৰ কৰি আত্মসমৰ্পণ কৰে।

ইপিনে, ঢেকিয়াজুলি আৰু ৰাক্ষসমাৰী আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে। আলেক্সিউছ গুৰিয়াই আৰক্ষী থানাত আত্মসমৰ্পণ কৰাৰ পাছত আৰক্ষীয়ে স্বাস্থ্য পৰীক্ষা সম্পন্ন কৰি তেজপুৰ আদালতত হাজিৰ কৰোৱাৰ পাছত আদালতৰ নিৰ্দেশত জেল হাজোতলৈ প্ৰেৰণ কৰে। আৰক্ষীয়ে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে তেজপুৰ চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰাৰ লগতে ঘটনা সন্দৰ্ভত অধিক তদন্ত অব্যাহত ৰাখিছে। মাত্ৰ কেইটামান টকাৰ বাবে পুত্ৰই পিতৃক এনেদৰে হত্যা কৰা ঘটনাক কেন্দ্ৰ কৰি সমগ্ৰ চপাই চাহ বাগিচা অঞ্চলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হোৱাৰ লগতে গভীৰ শোকৰ ছাঁ পৰিছে।

# বিজেপিৰ সমিতি গঠনৰ পাছত মোদী

*এক পৃষ্ঠাৰ পৰা* বিষয়ক মনত ৰাখি এই ৰদবদলৰ পৰিকল্পনা কৰা বুলি বিভিন্ন বাতৰি প্ৰকাশিত হৈছে। সম্প্ৰতি প্ৰধানমন্ত্ৰীসহ তেওঁৰ কেবিনেটত মুঠ ৬৯ জন সদস্য আছে। দেশৰ সংবিধান অনুসৰি কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰীসভাত সৰ্বাধিক ৮১ জন মন্ত্ৰী থাকিব পাৰে। অথচ এতিয়াও ১২ খন আসন খালী আছে। এই শূন্য আসন পূৰণ কৰি নতুন মন্ত্ৰীৰ অন্তৰ্ভুক্তিৰ চেষ্টা অব্যাহত আছে।

বিজেপিৰ এক ব্যক্তি এক পদ নীতিৰ বাবে সদ্য দলৰ সাংগঠনিক দায়িত্বত নিযুক্ত হোৱা কেইজনমান মন্ত্ৰীৰ ভৱিষ্যতক লৈয়ো প্ৰশ্ন হৈছে। উদাহৰণস্বৰূপে দিল্লী আৰু উত্তৰ প্ৰদেশৰ বিজেপিৰ ৰাজ্যিক সভাপতিৰূপে দায়িত্ব দিয়া হৈছে হৰ্ষ মালহোত্ৰা আৰু পংকজ চৌধুৰীক। ইপিনে, কেন্দ্ৰীয় বাণিজ্য মন্ত্ৰী পীয়ুষ গোৱেলক দলৰ কোষাধ্যক্ষৰ দায়িত্ব দিয়াৰ ফলত তেওঁক মন্ত্ৰীসভাত ৰাখিব নে নাই তাকে লৈ জল্পনা-কল্পনা আৰম্ভ হৈছে। একেদৰে স্মৃতি ইৰাণী, বিনোদ তাৱৰে, সতীশ পুনিয়া আৰু তৰুণ চুঘৰ দৰে কেইজনমান মন্ত্ৰীৰ নাম সম্ভাব্য মন্ত্ৰীসভাৰ তালিকাত অন্তৰ্ভুক্ত হ'ব বুলি চৰ্চা চলিছিল যদিও তেওঁলোকক দলৰ সাংগঠনিক গুৰু দায়িত্বত ন্যস্ত কৰা হয়।

মনকৰিবলগীয়া যে দিল্লীত ককৰোচ জনতা পাৰ্টি (চিজেপি)ৰ তীব্ৰ প্ৰতিবাদত শিক্ষামন্ত্ৰীৰ পদ ত্যাগ কৰে ধৰ্মেন্দ্ৰ প্ৰধানে। একে সময়তে ৰাজ্যসভাৰ ম্যাদ উকলাত সংখ্যালঘু বিভাগৰ ৰাজ্যিক মন্ত্ৰী জৰ্জ কুৰিয়েন আৰু ৰেল বিভাগৰ ৰাজ্যিক মন্ত্ৰী ৰৱনীত সিং বিট্টুৱে পদত্যাগ কৰিছে। তদুপৰি কে'বাজনো মন্ত্ৰী ৰাজ্যসভাৰ কাৰ্যকালৰ অন্ত কৰাৰ সময় হৈছে। পেট্ৰ'লিয়াম মন্ত্ৰী হৰদীপ সিং পুৰী আৰু সামাজিক ন্যায় বিচাৰ বিভাগৰ ৰাজ্যিক মন্ত্ৰী বি এল বাৰ্মাৰ কাৰ্যকাল নৱেম্বৰত অন্ত পৰিব। এইসকলৰ ক্ষেত্ৰতো পৰৱৰ্তী সিদ্ধান্ত গুৰুত্বপূৰ্ণ বিবেচিত হৈছে। সূত্ৰত প্ৰকাশ যে মন্ত্ৰীসভাত নতুন মুখ অনাৰ ক্ষেত্ৰত বয়স গুৰুত্বপূৰ্ণ বিষয় হ'ব। ২০২৪ত মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালত মন্ত্ৰীসভা গঠনৰ সময়ত ৫১ৰ পৰা ৭০ বছৰৰ বয়সৰ মন্ত্ৰীৰ সংখ্যা আছিল ৬৫ শতাংশৰ অধিক। ৩১ৰ পৰা ৫০ বছৰ বয়সৰ মন্ত্ৰী আছিল মাত্ৰ ২৪ শতাংশ। বৰ্তমান মোদী মন্ত্ৰীসভাত কমেও ১২ জন কেবিনেট মন্ত্ৰী বা স্বতন্ত্ৰ ৰাজ্যিক মন্ত্ৰীৰ বয়স ৭০ বছৰৰ অধিক। উল্লেখ্য যে ৮১ বছৰীয়া জিতন ৰাম মাঝি বৰ্তমানৰ মন্ত্ৰীসকলৰ ভিতৰত জ্যেষ্ঠ। ইপিনে, ৩৮ বছৰীয়া ৰামমোহন নাইডু সৰ্বকনিষ্ঠ। সম্ভাব্য ৰদবদলত তৰুণ আৰু মহিলা মুখৰ সংখ্যা বৃদ্ধি হ'ব বুলিও চৰ্চা হৈছে। হিমাচল প্ৰদেশ আৰু কৰ্ণাটকৰ পৰা নতুন মুখে মন্ত্ৰীসভাত স্থান পাব পাৰে। তদুপৰি মধ্য প্ৰদেশ, ৰাজস্থান, মহাৰাষ্ট্ৰ, উত্তৰ প্ৰদেশ আৰু গুজৰাটৰ দৰে ৰাজ্যসমূহো গুৰুত্বপূৰ্ণ। উত্তৰ প্ৰদেশত আগন্তুক বৰ্ষত বিধানসভা নিৰ্বাচন হ'ব। একেদৰে গুজৰাটতো ২০২৭ৰ শেষৰফালে নিৰ্বাচন অনুষ্ঠিত হোৱাৰ কথা আছে। ফলত এই দুই ৰাজ্যৰ প্ৰতিনিধিয়ে গুৰুত্ব লাভ কৰিব পাৰে। একেদৰে পঞ্জাৱসহ গুৰুত্বপূৰ্ণ ৰাজ্যসমূহৰ নিৰ্বাচনী সমীকৰণ বিবেচনা কৰা হৈছে। ২০২৯ৰ লোকসভা নিৰ্বাচনক লক্ষ্য ৰাখি মন্ত্ৰীসভাৰ দায়িত্ব বিতৰণ, নতুনকৈ মিত্ৰতা হোৱা সকলৰ লগতে তৰুণ নেতৃত্বক আগস্থান দিয়াৰ পৰিকল্পনা কৰা বুলিও সূত্ৰৰ দাবী। একেদৰে একাধিক গুৰুত্বপূৰ্ণ দায়িত্ব থকা সকলৰ পৰাও দপ্তৰ কৰ্তন হ'ব পাৰে। মন্ত্ৰীসকলৰ পাৰদৰ্শিতাৰ বিষয়েও বিবেচনা কৰা হৈছে।

## আজিৰ দিনটো



কিৰো ইয়ং, ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ৮৮২২৯-১১১৭১, ৯০৮৫৯৪৯৩০৯

**৮ ভাদ বুধবাৰ ২৬ আগষ্ট**

**সূৰ্যোদয় ঃ** ঘঃ ৫ ।৩ ।২ । **সূৰ্যাস্ত ঃ** ঘঃ ৫ ।৪৭ ।১১ । **তিথি ঃ** শুক্লা, ত্ৰয়োদশী, দং ৫ ।৩২ ।৪৭ ঘঃ ৭ ।১৬ ।৯ । **নক্ষত্ৰ ঃ** শ্ৰৱণা, দং ৫০ ।৪৪ ।৯ ৰাঘ ১ ।২০ । ৪২ । **যোগ ঃ** সৌভাগ্য, দং ১১ ।১৮ ।২২ ঘঃ ৯ ।৩৪ ।২৩ । **কৰণ ঃ** তৈতিল। **জন্মত ঃ** মকৰৰাশি, শূদ্ৰবৰ্ণ মতান্তৰে বৈশ্যবৰ্ণ, দেৱগণ, কুম্ভীৰৰ অস্থি, অগ্নিযোগ, অষ্টোত্তৰী বৃহস্পতি, বিংশোত্তৰী চন্দ্ৰৰ দশা, ৰাঘ ১ ।২০ ।৪২ যোৱাত দেৱাৰিগণ অষ্টোত্তৰী ৰাহু, বিংশোত্তৰী মঙ্গলৰ দশা। **আদ্যঋতু হ'লে ঃ** সাতদিনীয়া সুভগা যোগ। **মৰণত দোষ ঃ** নাই। **যোগিনী ঃ** দক্ষিণত ঘঃ ৭ ।১৬ ।৯ যোৱাত পশ্চিমত। **যাত্ৰা ঃ** শুভ, ত্ৰ্যমৃতযোগ উত্তৰত নাই, ঘঃ ৭ ।১৬ ।৯ যোৱাত নাই ৰিক্তাদি দোষ। **শুভকৰ্ম ঃ** দীক্ষা, আৰোগ্যস্নান, ক্ৰয়-বিক্ৰয়। **ভক্ষ্যাভক্ষ্য ঃ** বেঙেনা ঘঃ ৭ ।১৬ ।৯ যোৱাত মাটিমাহ, মাছ-মাংস, তেল খোৱা আৰু প্ৰায়শ্চিত্ত নিষেধ।

***দিনটোৰ ৰাশিফল***

**মেষ ঃ** সম্পত্তি লেন-দেন কৰাৰ পৰা দূৰত থাকক। কৰ্মত উন্নতি হ'ব। শুভ সংবাদ পাব পাৰে। ৰঙা ৰং ব্যৱহাৰ কৰিব। শুভ সংখ্যা ৩।

**বৃষ ঃ** ব্যৱসায়-বাণিজ্যত ভবা মতে উন্নতি লাভ কৰিব পাৰিব। পৰিয়ালৰ পৰা আনন্দিত হ'ব। স্বাস্থ্যৰ প্ৰতি যত্ন লোৱা উচিত। শুভ ৰং নীলা। শুভ সংখ্যা ৫।

**মিথুন ঃ** শত্ৰুৰ পৰা সাৱধান হওক। নিজ কৰ্মৰ ওপৰত সমাজৰ লগতে পৰিয়ালৰ পৰা প্ৰশংসা পাব। ভ্ৰমণত শুভ। শুভ ৰং কমলা। শুভ সংখ্যা ৮।

**কৰ্কট ঃ** মন্দিৰ দৰ্শন কৰিলে অধিক লাভবান হ'ব। পাৰিবাৰিক অশান্তি হ'ব পাৰে। কৰ্মক্ষেত্ৰ শুভ। শুভ ৰং বগা। শুভ সংখ্যা-৫।

**সিংহ ঃ** বন্ধুবৰ্গৰ পৰা দূৰত থাকক। নতুন বস্তু বা বাহন ক্ৰয় কৰাৰ যোগ আছে। মনৰ স্থিৰতা ৰাখক। হতাশা নহ'ব। শুভ ৰং হালধীয়া। শুভ সংখ্যা ২।

**কন্যা ঃ** ব্যৱসায়-বাণিজ্যত লাভবান হ'ব। মনৰ দুৰ্বলতা বাঢ়িব যদিও কিছু বাৰ্তাই আনন্দিত দিব। চাকৰি প্ৰাৰ্থীৰ চাকৰি যোগ আছে। সেউজীয়া কাপোৰ ব্যৱহাৰ কৰক। শুভ সংখ্যা ১।

**তুলা ঃ** নতুন চিন্তা মনলৈ আহিব। কঠিন পৰিস্থিতিৰ সন্মুখীন হ'ব। পাৰিবাৰিক অশান্তি হ'ব পাৰে। শুভ ৰং গেৰুৱা। শুভ সংখ্যা ৩।

**বৃশ্চিক ঃ** নতুন ব্যক্তিৰ সংগই আনন্দ দিব। কৰ্মক্ষেত্ৰত নিজৰ দক্ষতাৰ ওপৰত স্থিতি গঢ় দিব পাৰিব। আৰ্থিক দিশত লাভবান হ'ব। শুভ ৰং বেঙুনীয়া। শুভ সংখ্যা ৯।

**ধনু ঃ** ব্যৱসায়ীসকলৰ ক্ষেত্ৰত পুৰণি সমস্যা সমাধান হ'ব। অধিক ধন খৰচ নকৰিব। বিদ্যাত শুভ। প্ৰেমত মধ্যম। শুভ ৰং বগা, শুভ সংখ্যা ৮।

**মকৰ ঃ** অধিক বিশ্বাসে বিপদত পেলাব পাৰে। সময় আৰু ধৈৰ্যৰ ফলত লাভান্বিত হ'ব। বিবাহ প্ৰাৰ্থীৰ বিবাহৰ যোগ আছে। কৰ্মত শুভ। শুভ ৰং বেঙুনীয়া। শুভ সংখ্যা ৪।

**কুম্ভ ঃ** কৰ্মক্ষেত্ৰত নিজৰ কৰ্মৰ ওপৰত প্ৰশংসা পাব। শত্ৰু বাঢ়িব যদিও একো ক্ষতি কৰিব নোৱাৰিব। শুভ ৰং গেৰুৱা। শুভ সংখ্যা ৫।

**মীন ঃ** কৰ্মক্ষেত্ৰত কঠিন সমস্যাৰ সন্মুখীন হ'ব পাৰে। খৰচ বৃদ্ধি। বিদ্যাত শুভ। ভ্ৰমণৰ যোগ। শুভ ৰং চকলেট। শুভ সংখ্যা ৯।

## শব্দবেহু ঃ ২৬ আগষ্ট ২০২৬

**পথালিয়ে**

৩। অসমৰ বৈষ্ণৱসকলৰ সমূহীয়া উপাসনাৰ ঘৰ (৪)
৫। তেজ, শোণিত (২)
৬। ফাটেক, বন্দীশাল (৪)
৭। মানুহ বা জন্তুৰ সমূহ, জুম (২)
৮। যিহক ইচ্ছামতে দোঁৱাব বা ভিৰাব পাৰি (৪)
১০। ইচলামীয় পঞ্জিকাৰ নৱম মাহ (৪)
১৪। বিগ্ৰহ, ভাগৱত আদি স্থাপন কৰা সৰু ঘৰ (৪)
১৫। খিৰিকী (৪)
১৭। অগ্ৰভাগ, সমুখ (২)
১৮। ৰজা নথকা, শাসনহীন (৪)
২০। একেলগে জন্মা, গাত গা লাগি উৎপন্ন হোৱা (২)
২১। পৰশুৰামৰ পিতৃ, অতি খঙাল লোক (৪)

**থিয়কৈ**

১। উৰু, আঁঠুৰ ওপৰ ছোৱা (৪)
২। নক্ষত্ৰ, জ্যোতিষ্ক (২)
৩। এবিধ দীঘলীয়া আকৃতিৰ সৰু মাছ (২)
৪। কৌতুকপ্ৰিয়, ধেমেলীয়া (৩)
৬। বাকী, টকা পাছত দিম বুলি বস্তু কিনা কাৰ্য (৪)
৭। সৰু সুঁতি, জীৱন, প্ৰাণ (২)
৯। দেৱালয়, দ'ল, গপ (২)
১০। নিষ্পত্তি, গোচৰৰ সমাপ্তি (২)
১১। পথ, আলি, বিন্ধা (২)
১২। কম বয়সৰ ল'ৰা (৪)
১৩। নাশ, ধ্বংস, বিলীন হোৱা (২)
১৪। এবিধ নাল লগোৱা পাত্ৰ (২)
১৬। অলপতে ওপজা (৪)
১৭। এটা সন্তান হোৱাৰ পৰা আন এটা সন্তান হোৱালৈকে সময় (৩)
১৮। জুই, অনল (২)
১৯। মিছা তৰ্ক (২)

**উত্তৰ অহা সংখ্যাত**

**২৫ আগষ্ট ২০২৬ সংখ্যাৰ উত্তৰ**

**পথালিয়ে**

১। অৱসৰ ৫। অলৰ ৬। পৰ্ব ৭। তলব ৮। কাজল ৯। জাকজমক ১০। মৰ ১২। কানুন ১৫। সাউদ ১৬। ৰদ ১৮। ৰাজনন্দন ১৯। হ্ৰেক ২০। মিতিৰ ২২। ব্যান ২৩। ৰহম ২৪। কলিকাল

**থিয়কৈ**

১। অমৃত ২। সৰবজান ৩। বৰকাকতী ৪। গৰ্ব ৫। অভাজন ৬। পলম ১১। ৰচিদ ১২। কান্তাৰ ১৩। নিৰাকৰণ ১৪। মনস্কাম ১৫। সানমিহলি ১৭। দহন ২১। ৰসাল ২২। ব্যাধি

**ৰঙিয়া সংমণ্ডলত চেছ মেৰামতি**

**নিবিদা জাননী নং. ঃ ৪৯-ইএনজিজি-আৰএনৱাই-২০২৬-২৭, তাৰিখ ঃ** ২০-০৮-২০২৬; নিম্নলিখিত কামৰ বাবে নিম্নস্বাক্ষৰকাৰীৰ দ্বাৰা ই-নিবিদা আহ্বান কৰা হৈছে। **সামগ্ৰীৰ সংক্ষিপ্ত বিৱৰণ ঃ** (i) যোগীঘোপা-ধূপধৰা-চেছ মেৰামতি, (ii) ধূপধৰা-আজাৰা-চেছ মেৰামতি। **নিবিদা মূল্য ঃ** ৯,৩৩,৪৪,০৬৩.৯১/-টকা; **আমানত ধন ঃ** ১৮,৬৬,৯০০/- টকা; নিবিদাৰ **বন্ধৰ** তাৰিখ আৰু সময় **১১-০৯-২০২৬ৰ ১৫:০০** ঘণ্টাত আৰু **মুকলি** কৰা হ'ব **১৫:৩০** ঘণ্টাত। ওপৰোক্ত ই-নিবিদাৰ সম্পূৰ্ণ তথ্য আৰু নিবিদাৰ নথি পত্ৰ ৱেবছাইট **www.ireps.gov.in**ত উপলব্ধ হ'ব।

ডিআৰএম (ৱৰ্কচ), ৰঙিয়া

**উত্তৰ-পূব সীমান্ত ৰে'লৱে**
হাঁহিমুখে গ্ৰাহকৰ সেৱাত

**লামডিং সংমণ্ডলত বৈদ্যুতিক কাম**

**নিবিদা জাননী নং. ঃ এছআৰ. ডিইই/ এলএমজি/১৯ অৱ ২০২৬-২৭; তাৰিখ ঃ ২০-০৮-২০২৬;** নিম্নলিখিত কামৰ বাবে নিম্নস্বাক্ষৰকাৰীৰ দ্বাৰা ই-নিবিদা আহ্বান কৰা হৈছে। **ক্ৰ.নং.ঃ ১; নিবিদা নং ঃ ইএল-এলএম-২৬-২৭-১৮; কামৰ নাম ঃ** **(i)** শেনচোৱা - সামগ্ৰী প্ৰচলন এলেকা, সংযোগী পথ, গুড্ছ অফিচ, হাই মাষ্ট টাৱাৰ, ব্যৱসায় কক্ষ/শ্ৰমিক কক্ষ, চিচিটিভি, আচবাব আদিৰ নিৰ্মাণ (বৈদ্যুতিক অংশ), **(ii)** অমৃত ভাৰত ষ্টেচন আঁচনিৰ সৈতে সংগতি ৰাখি উদয়পুৰ, নিউ কৰিমগঞ্জ, ধৰ্মনগৰ, কুমাৰঘাটত দুটাকৈ লিফ্ট আৰু কামাখ্যা ষ্টেচনত তিনিটা লিফ্টৰ ব্যৱস্থা (বৈদ্যুতিক অংশ) আৰু **(iii)** ছিনিয়ৰ ডিইএন/।/লামডিঙৰ অধীনত জাগীৰোড (১২ বে), চাপৰমুখ (১৬ বে), হয়বৰগাঁও (৬ বে), হোজাই (৬ বে) আৰু লংকাত (৮ বে) পিপি শ্বেড নিৰ্মাণৰ ব্যৱস্থা (বৈদ্যুতিক অংশ), **(iv)** ন্যূনতম অত্যাৱশ্যকীয় সুবিধাসমূহৰ ব্যৱস্থা যেনে- ষ্টেচনসমূহ (ঠাকুৰকুচি, জখলাবন্ধা আৰু মৈৰাবাৰী)ত হাই-লেভেল প্লেটফৰ্ম, আৰু ষ্টেচনসমূহ (পানীখাইতি, ঠাকুৰকুচি, বৰলাংফাৰ, ৰহা, বেবেজীয়া, ৰূপহীগাঁও, ধিং বজাৰ, ধিং, মৈৰাবাৰী, পুৰণিগুদাম আৰু জখলাবন্ধা) পিএফ শ্বেল্টাৰ, খোৱাপানীৰ সুবিধা, টেক্টাইল পথ, প্ৰৱেশৰ ৰেম্প আৰু পাৰ্কিং আদিকে ধৰি দিব্যাংগজনৰ বাবে শৌচাগাৰ আদিৰ ব্যৱস্থা বৈদ্যুতিক অংশ)। **নিবিদা মূল্য ঃ** ২,২১,৩৮,৭৮৬.৭৪/-টকা; **আমানত ধন ঃ** ৪,৪২,৮০০/-টকা; নিবিদা **বন্ধ** কৰাৰ **তাৰিখ** আৰু **সময় ১৬-০৯-২০২৬ৰ ১১:০০** ঘণ্টাত আৰু **মুকলি** কৰা হ'ব **১১:৩০** ঘণ্টাত। ওপৰোক্ত ই-নিবিদাৰ সম্পূৰ্ণ তথ্য আৰু নিবিদাৰ নথি পত্ৰ **১৬-০৯-২০২৬ৰ ১১:০০** ঘণ্টালৈকে ৱেবছাইট **www.ireps.gov.in**ত উপলব্ধ হ'ব।

**ছিনিয়ৰ ডিইই (জি এণ্ড চিএইচজি), লামডিং**

**উত্তৰ-পূব সীমান্ত ৰে'লৱে**
হাঁহিমুখে গ্ৰাহকৰ সেৱাত

*No.BTDB/15th FC (Tender)/2026-27/14* *Dated Borobazar,the 24th Aug.,2026*

**Tender No : 7 of 2026-27**

**E-TENDER NOTICE**

The Block Dev. Officer ,Borobazar T.D. Block on behalf of the Governor of Assam invites bid from the approved and eligible contractors Registered with Public Works Department (Roads), Assam Contractors registered with Bodoland Territorial Council (BTC) in the category of Class –I (A, B C,) & Class–II for the one no. of scheme/work under 15th FC (Untied Grant) for the year 2025-26 during 2026-26 an amounting **Rs. 50,00,000.00 (Rupees fifty lakh)** only.

Details may be seen at website http://assamtenders.gov.in and also in the office of the undersigned during office hours.

Sd/- Block Development Officer,
Borobazar T.D. Block

*IPR(BTC)/C/2026-27/1405*

দৈনিক অগ্রদূত
গুৱাহাটী, ২৬ আগষ্ট, ২০২৬ বুধবাৰ পৃষ্ঠা তিনি

# শ্ৰীৰামপুৰত বৃহৎ পৰিমাণৰ ড্ৰাগছ জব্দ ঃ দুজনক আটক

অগ্ৰদূত বাৰ্তা
**শ্ৰীৰামপুৰ, ২৫ আগষ্ট ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-বংগ সীমান্তৰ শ্ৰীৰামপুৰত এদিন আগত ২.৯০ টন গাঞ্জা জব্দ কৰাৰ পাছত আজি পুনৰ আৰক্ষীয়ে এখন গাড়ীত তালাচী চলাই কোটি টকা মূল্যৰ ড্ৰাগছ জব্দ কৰে। বিশেষ খবৰৰ ভিত্তিত শিমুলটাপু আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া সঞ্জীৱ সন্দিকৈৰ নেতৃত্বত আৰক্ষীৰ দলে অসমৰ পৰা পশ্চিমবংগ অভিমুখী এ এছ-



০১ পি চি-৫৬৭৩ নম্বৰৰ ছচকীয়া কণ্টেইনাৰখন আৰক্ষীৰ নাকাত ৰখাই তালাচী চলাই গোপন চেম্বাৰত লুকুৱাই অনা বৃহৎ পৰিমাণৰ ড্ৰাগছ উদ্ধাৰ কৰাৰ লগতে ছয় পৃষ্ঠাত চাওক

# ৩০ আগষ্টলৈকে জৰীপ শিৱসাগৰ জিলাৰ বানত ক্ষতিগ্ৰস্ত লোকৰ

বিশেষ সংবাদদাতা
**শিৱসাগৰ, ২৫ আগষ্ট ঃ** শিৱসাগৰ জিলাৰ বানত ক্ষতিগ্ৰস্ত লোকসকলৰ জৰীপ অহা ৩০ আগষ্টলৈ অব্যাহত থাকিব। জৰীপত যদি কোনো পৰিয়াল বাদ পৰি গৈছে, তেন্তে জৰীপকাৰী দল, গাঁওপ্ৰধান অথবা ৱাৰ্ড সদস্যক অনতিপলমে যোগাযোগ কৰিবলৈ জিলা প্ৰশাসনে আহ্বান জনাইছে। উল্লেখ্য যে যোৱা ১৯ জুলাইত ছয় পৃষ্ঠাত চাওক

# নগাঁও-হোজাইত অবৈধ শিলৰ কুৱেৰীৰ ৰমৰমীয়া ব্যৱসায়

## বনকৰ্মীৰ সকীয়নিৰ পাছতো থমকা নাই বন মাফিয়াৰ দৌৰ, চৰকাৰে হেৰুৱাইছে কোটি কোটি টকাৰ ৰাজহ



অগ্ৰদূত বাৰ্তা
**হোজাই, ২৫ আগষ্ট ঃ** ৰাজ্য চৰকাৰে বন ধ্বংস, অবৈধ খনন আৰু প্ৰাকৃতিক সম্পদৰ লুণ্ঠনৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণৰ কথা ঘোষণা কৰি অহাৰ সময়তে নগাঁও আৰু হোজাই জিলাৰ সীমান্তৱৰ্তী অঞ্চলত অব্যাহত আছে অবৈধ শিলৰ কুৱেৰীৰ ৰমৰমীয়া ব্যৱসায়। বন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই অবৈধ খনন চক্ৰৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ সকীয়নি দিয়াৰ পাছতো একাংশ অসাধু চক্ৰই বন বিভাগৰ চকুত ধূলি দি পুনৰ সক্ৰিয় কৰি তুলিছে শিল খননৰ অবৈধ ঘাটি। অভিযোগ অনুসৰি, ডবকা পাহাৰৰ মাদাতলি, ভেলৌগুৰি আদি অঞ্চলত একাধিক অবৈধ শিলৰ কুৱেৰী দীৰ্ঘদিন ধৰি চলি আছে। নগাঁও বন সংমণ্ডল আৰু হোজাই দক্ষিণ বন সংমণ্ডলৰ অধীনস্থ এই অঞ্চলসমূহত কোনো ধৰণৰ চৰকাৰী অনুমতি, নিবিদা অথবা বৈধ নথিপত্ৰ অবিহনেই দিনে-নিশাই চলি আছে শিল খননৰ কাম। স্থানীয় লোকৰ অভিযোগ অনুসৰি, এই অবৈধ কুৱেৰীসমূহৰ পৰা প্ৰতিদিনে শ শ ডাম্পাৰে চালানবিহীনভাৱে শিল সৰবৰাহ কৰি আছে নগাঁও, হোজাইসহ বিভিন্ন প্ৰান্তলৈ। ইয়াৰ ফলত চৰকাৰে প্ৰতিদিনে লাখ লাখ টকাৰ ৰাজহ হেৰুৱাবলগীয়া হৈছে বুলি অভিযোগ উত্থাপন হৈছে। ইফালে, ইমান বৃহৎ পৰিসৰত চলি থকা অবৈধ শিলৰ ব্যৱসায়ৰ ক্ষেত্ৰত বন বিভাগৰ ভূমিকা সন্দৰ্ভতো প্ৰশ্ন উত্থাপন হৈছে। স্থানীয় সচেতন মহলে অভিযোগ কৰিছে যে বিভাগীয় একাংশ বিষয়াৰ গাফিলতি অথবা একাংশ অসাধু চক্ৰৰ স'তে গোপন বুজাবুজিৰ বাবেই এনে অবৈধ ব্যৱসায় অব্যাহত ৰাখিবলৈ সক্ষম হৈছে। আনহাতে, অবৈধ শিল কঢ়িওৱা ডাম্পাৰৰ বিৰুদ্ধে হোজাই জিলা পৰিবহণ ছয় পৃষ্ঠাত চাওক

# ঘগ্ৰাপাৰত ভেঁকোভাওনা জল জীৱন মিছন আঁচনিত

অগ্ৰদূত বাৰ্তা
**ঘগ্ৰাপাৰ, ২৫ আগষ্ট ঃ** 'হৰ ঘৰ নল, হৰ ঘৰ জল' শীৰ্ষক শ্ল'গানেৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশত আৰম্ভ কৰা এখন জল জীৱন আঁচনি ধোঁৱা চাঙত উঠাৰ অভিযোগ উঠিছে। ৰাইজক এটুপি বিশুদ্ধ খোৱা পানী যোগান ধৰাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগে কোটি কোটি টকা ব্যয় কৰি জল জীৱন আঁচনিখন ৰূপায়ণ কৰিছে যদিও কাৰ্যতঃ একাংশ জল জীৱন মিছন আঁচনিৰ পৰা ৰাইজে বিশুদ্ধ খোৱা পানী লাভ কৰিবলৈ সক্ষম হোৱা নাই। সম্প্ৰতি নলবাৰী বিধানসভা সমষ্টিৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ছয় পৃষ্ঠাত চাওক

## পৰিয়ালকেন্দ্ৰিক বিবাদৰ মাজতে দুজাইই গুলি ফুটোৱাৰ অভিযোগ ঃ আটক অভিযুক্তক

# টীয়কত অবৈধ সক্ৰিয় গুলিসহ পিষ্টল উদ্ধাৰ



অগ্ৰদূত বাৰ্তা
**জাঁজী, ২৫ আগষ্ট ঃ** টীয়ক আৰক্ষী থানাৰ অন্তৰ্গত কাকজান কমাৰ খাটোৱাল গাঁৱত পৰিয়ালৰ স'তে বাক-বিতণ্ডাৰ মাজতে পিষ্টলৰে দুজাঁই গুলি ফুটোৱাৰ ঘটনাত জড়িত এজন লোকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি আদালতত হাজিৰ কৰাত ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। তথ্য মতে, অমিতাভ ভূঞা নামৰ লোকজনে পৰিয়ালৰ স'তে যোৱা নিশা বাক-বিতণ্ডাত লিপ্ত হৈ তাৰ মাজতে তেওঁৰ হাতত থকা পিষ্টলেৰে গুলি ফুটায়। পাছত পৰিয়ালৰ লোকে লাহদৈগড় আৰক্ষীক খবৰ দিয়াত আৰক্ষীয়ে নিশাই লোকজনক আটক কৰে। পৰৱৰ্তী সময়ত স্থানীয় লোকৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত আৰক্ষীয়ে অভিযান চলাই এটা পিষ্টল আৰু ৪৮ জাঁই সজীৱ গুলি জব্দ কৰে। আৰক্ষীৰ প্ৰাথমিক তদন্তত উদ্ধাৰ হোৱা পিষ্টলটো অবৈধ বুলি পোহৰলৈ আহিছে। অৱশ্যে এই অবৈধ মাৰণাস্ত্ৰটো অমিতাভে ক'ৰ পৰা কেনেদৰে সংগ্ৰহ কৰিছিল সেই সন্দৰ্ভত আৰক্ষীয়ে এতিয়ালৈকে কোনো নিৰ্দিষ্ট তথ্য ৰাজহুৱাকৈ প্ৰকাশ কৰা নাই। এই সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। ইপিনে, অবৈধ মাৰণাস্ত্ৰ উদ্ধাৰ আৰু পৰিয়ালকেন্দ্ৰিক বিবাদৰ মাজতে গুলি ফুটোৱাৰ অভিযোগক লৈ অঞ্চলটোত উত্তেজনা অব্যাহত আছে। ঘটনাটোৰ স'তে আন কোনো ব্যক্তি জড়িত আছে নেকি সেয়া তদন্ত কৰি আছে আৰক্ষীয়ে।

# নগাঁও হাতীমাৰা গাঁৱৰ আদৰ্শ কৃষক খৰ্গেশ্বৰ ডেকাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
**ছিপাঝাৰ, ২৫ আগষ্ট ঃ** ছিপাঝাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত নগাঁও হাতীমাৰা গাঁৱৰ আদৰ্শ কৃষক খৰ্গেশ্বৰ ডেকাৰ যোৱা নিশা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল মাত্ৰ ৬৫ বছৰ। ১৯৬০ত নগাঁও হাতীমাৰা গাঁৱত জন্মগ্ৰহণ কৰা ধৰ্মপ্ৰাণ ব্যক্তিৰূপে পৰিচিত ব্যক্তিগৰাকী দীৰ্ঘদিন ধৰি শাৰীৰিক অসুস্থতাত ভুগি থকা সৰবৰহী ব্যক্তিজনৰ বিয়োগত হাতীমাৰা বিশ্বজ্যোতি সংঘ, হাতীমাৰা গাঁও উন্নয়ন সমিতি, হাতীমাৰা গোসাঁই ঘৰ পৰিচালনা সমিতি, গণেশ ডেকা শিশু নিকেতন, চম্পা ৰাম চহৰীয়া, কৰুণা কান্ত কলিতা, অনিল দাস, ৰবিৰাম চমুৱা আদি অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তি বিশেষে শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ এজন পুত্ৰ, এগৰাকী কন্যা আৰু অনেক গুণমুগ্ধক ইহসংসাৰত এৰি যায়।

# কামপুৰত সমজিলাৰ সদৰ স্থাপনৰ দাবীত উত্তাল প্ৰতিবাদ

## তিনিঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ



অগ্ৰদূত বাৰ্তা
**কামপুৰ, ২৫ আগষ্ট ঃ** কামপুৰত সমজিলাৰ সদৰ স্থাপনৰ দাবীত গণতান্ত্ৰিক আন্দোলন ক্ৰমাৎ তীব্ৰতৰ হৈ পৰিছে। এই দাবীৰ সপক্ষে আজি কামপুৰত পুনৰ তিনিঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সদৰ স্থাপনৰ দাবী সমিতিৰ আহ্বানত আয়োজিত প্ৰতিবাদী কাৰ্যসূচীত কামপুৰ অঞ্চলত সহস্ৰাধিক ৰাইজ স্বতঃস্ফূৰ্তভাৱে ওলাই আহি সমবেত হৈ সমজিলা সদৰ স্থাপনৰ দাবীত পুনৰ প্ৰতিবাদমুখৰ হৈ পৰে। প্ৰতিবাদকাৰী ৰাইজে 'আমাক সদৰ লাগিবই', 'আমাৰ দাবী মানিবই লাগিব', 'তেজ দিম মাটি দিম আমাৰ দাবী মানিবই লাগিব' আদি শ্ল'গানেৰে উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। সদৰ স্থাপনৰ দাবী সমিতিৰ সভাপতি অতুল বৰা আৰু সম্পাদক বিশ্ব দাসে সংবাদ মাধ্যমৰ আগত ক্ষোভ প্ৰকাশ কৰি কয় যে কামপুৰবাসীৰ এই দাবী দীৰ্ঘদিনীয়া আৰু ন্যায়সংগত। চৰকাৰে যদি অতি শীঘ্ৰে কামপুৰত সদৰ স্থাপন নকৰে, তেন্তে অনাগত দিনত এই আন্দোলন স্তব্ধ নহয়, বৰঞ্চ আন্দোলন অধিক তীব্ৰতৰ কৰি তোলা হ'ব। সভাত অংশগ্ৰহণকাৰী প্ৰতিজন বক্তাই কামপুৰত সদৰ স্থাপনৰ প্ৰয়োজনীয়তা আৰু যুক্তিযুক্ততাৰ ওপৰত আলোকপাত কৰে।

# নাগাজাংকাৰ পুখুৰীত কিশোৰৰ মৃতদেহ উদ্ধাৰ

## হত্যাৰ সন্দেহ ঃ উত্তেজনাৰ সৃষ্টি

অগ্ৰদূত বাৰ্তা
**মৰিয়নি, ২৫ আগষ্ট ঃ** মৰিয়নিৰ সমীপৰ নাগাজাংকা বছা গাঁৱৰ এটা পুখুৰীত এজন ১৬ বছৰীয়া কিশোৰৰ মৃতদেহ উদ্ধাৰ হোৱাৰ ঘটনাক কেন্দ্ৰ কৰি উত্তেজনাৰ সৃষ্টি হৈছে। মৃতদেহটো গাঁওখনৰে উজ্জ্বল তাছা নামৰ কিশোৰজনৰ বুলি চিনাক্ত কৰা হৈছে। পৰিয়ালৰ লোকে সদৰী কৰা মতে, যোৱা শনিবাৰৰ পৰা উজ্জ্বল নিখোঁজ হৈ আছিল। চুবুৰিৰে এঘৰলৈ যোৱা বুলি সন্দেহ কৰি পৰিয়ালৰ লোকে বিচাৰ-খোচাৰ কৰি কোনো সন্ধান নোপোৱাত মৰিয়নি আৰক্ষীক অৱগত কৰে।

# কামৰূপৰ গন্ধমৌত সদ্য প্ৰসূতি বোৱাৰীৰ ৰহস্যজনক মৃত্যুত প্ৰতিক্ৰিয়া

## স্বামীয়ে পৰিকল্পিত হত্যাৰ অভিযোগ



অগ্ৰদূত বাৰ্তা
**শুৱালকুছি, ২৫ আগষ্ট ঃ** শুৱালকুছি আৰক্ষী থানাৰ অন্তৰ্গত কামৰূপৰ গন্ধমৌৰ দাস চুবাৰ সমৰ দাসৰ পত্নী প্ৰসূতি মাতৃ মিতালী কলিতাৰ আকস্মিক মৃত্যুক কেন্দ্ৰ কৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। চিজাৰিয়ান অস্ত্ৰোপচাৰৰ দ্বাৰা এটি পুত্ৰ সন্তান জন্ম দিয়া মিতালীয়ে সোমবাৰে এমহীয়া অশুচ পৰ্বৰ সকলো যা-জোগাৰ কৰাৰ পাছত ঘৰৰ কাষৰ পুখুৰীৰ পানীডোঙাত মুমূৰ্ষু অৱস্থাত উদ্ধাৰ হোৱা ঘটনাই ৰহস্যৰ সৃষ্টি কৰিছে। প্ৰথমতে স্বামী পৰিয়ালে মিতালীক উদ্ধাৰ কৰি শুৱালকুছি প্ৰাথমিক চিকিৎসালয়লৈ আনে যদিও উন্নত চিকিৎসাৰ বাবে উত্তৰ গুৱাহাটীৰ জিএনআৰচিত ভৰ্তি কৰায় ছয় পৃষ্ঠাত চাওক

# সাত বছৰ পূৰ্বে ৰঙাপৰাত সংঘটিত ধৰ্ষণকাণ্ড

## ধৰ্ষণকাৰী মোহন গৌড়ক ২০ বছৰ দুমাহ সশ্ৰম কাৰাদণ্ডৰ ৰায়দান তেজপুৰ আদালতৰ



ষ্টাফ ৰিপ'ৰ্টাৰ
**তেজপুৰ, ২৫ আগষ্ট ঃ** তেজপুৰ আদালতে আজি প্ৰদান কৰা এক ৰায়দানত প্ৰায় সাত বছৰ পূৰ্বৰ এক ধৰ্ষণকাণ্ড সংঘটিত কৰা বুলি অভিযুক্ত আৰু আদালতত ধৰ্ষণকাৰীৰূপে প্ৰমাণিত হোৱা এজন লোকক আজি তেজপুৰ জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতে ২০ বছৰ দুমাহ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰিছে। উল্লেখ্য যে ৰঙাপৰাৰ দুই নম্বৰ নাহৰবাৰীৰ মোহন গৌড়ৰ বিৰুদ্ধে আজি তেজপুৰ জিলা আৰু সত্ৰ ন্যায়াধীশ কৌশিক হাজৰিকাৰ আদালতে এই ৰায়দান কৰে। এই গোচৰ অনুসৰি, ৰঙাপৰাৰ নাহৰণি গাঁৱত ২০১৯ৰ ২৯ অক্টোবৰত এগৰাকী ৩৫ বছৰীয়া মহিলাক ধৰ্ষণ কৰিছিল মোহন গৌড়ে। মহিলাগৰাকীক ধৰ্ষণ কৰাত ভুক্তভোগী মহিলাগৰাকীয়ে চিঞৰ-বাখৰ কৰে আৰু মহিলাগৰাকীৰ চিঞৰ শুনি চুবুৰিটোৰ আনসকল লোক ওলাই অহাৰ ভয়ত পলায়ন কৰিছিল মোহনে। ইয়াৰ পাছতে ভুক্তভোগী মহিলাগৰাকীয়ে ঘটনা সন্দৰ্ভত ৰঙাপৰা আৰক্ষী থানাত এজাহাৰ দাখিল কৰে মোহনৰ বিৰুদ্ধে। আনহাতে, ঘটনা সন্দৰ্ভত পঞ্জীয়ন হোৱা ছয় পৃষ্ঠাত চাওক

# আমিনগাঁও মৰিয়াপট্টিত বাৰৰ সন্মুখত প্ৰচণ্ড মাৰপিট

## যুৱকক চোকা অস্ত্ৰৰে আক্ৰমণ, তিনিজনক গ্ৰেপ্তাৰ



**উত্তৰ গুৱাহাটী, ২৫ আগষ্ট ঃ** মদ, ড্ৰাগছৰ অবাধ প্ৰচলনে ৰাজ্যত জটিল ৰূপ ধাৰণ কৰিছে। বহুতো পৰিয়াললৈ অকালতে অমানিশা মাতি অনাৰ সময়তে আমিনগাঁৱৰ মৰিয়াপট্টিত সুৰাৰ ৰাগিত হিতাহিত জ্ঞান হেৰুৱাই এজন যুৱকে আন এজন যুৱকক চোকা অস্ত্ৰৰে উপৰ্যুপৰি আক্ৰমণ কৰাৰ ঘটনা সংঘটিত হৈছে। সম্প্ৰতি জিএমচি হাস্পতালত মৃত্যুৰ স'তে যুঁজ দি থকা যুৱকজন আমিনগাঁও মৰিয়াপট্টিৰ অনিকেপ প্ৰসাদ (২২)। ঘটনা সংক্ৰান্তত আৰক্ষীয়ে আমিনগাঁও লাচিতপুৰত বিকি দাস (২৫), ছয় পৃষ্ঠাত চাওক

# পৰকীয়া প্ৰেমত লিপ্ত অসম আৰক্ষীৰ জোৱানৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী

## অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ত অভিযোগ দাখিল ভুক্তভোগী স্বামীৰ

অগ্ৰদূত বাৰ্তা
**মুছলপুৰ, ২৫ আগষ্ট ঃ** যি সময়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বহু বিবাহ বা পৰকীয়া প্ৰেমত লিপ্ত থকা চৰকাৰী কৰ্মচাৰীৰ বিৰুদ্ধে অভিযোগ পালেই তাৎক্ষণিকভাৱে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে তেনে সময়তে বাগ্‌সা জিলাত কৰ্মৰত এজন আৰক্ষী জোৱানৰ পৰকীয়া প্ৰেমৰ সন্দৰ্ভত ভুক্তভোগীয়ে উৰ্ধ্বতন কৰ্তৃপক্ষক অভিযোগ দাখিলৰ পছতো কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপিত হৈছে। জানিব পৰা মতে, বাগ্‌সা জিলাৰ চৰাইমাৰীস্থিত অসম আৰক্ষীৰ ২৪ নম্বৰ আইআৰ বেটেলিয়নৰ মুখ্য কাৰ্যালয়ত কৰ্মৰত তথা বিবাহিত আৰু এটি সন্তানৰ পিতৃ প্ৰমোদ দাস নামৰ জোৱানজনে মুছলপুৰ অঞ্চলৰ এগৰাকী মহিলাৰ স'তে প্ৰায় এবছৰ পূৰ্বৰে পৰা অবৈধ সম্পৰ্ক গঢ়ি তুলিছিল। শেহতীয়াকৈ মহিলাগৰাকীৰ স্বামীয়ে এই বিষয়ে সকলো কথা অৱগত হোৱাত জোৱান প্ৰমোদ দাসৰ অনৈতিক কাৰ্যকলাপ সম্পৰ্কত যোৱা তিনি জুলাইত বেটেলিয়নটোৰ মুখ্য কাৰ্যালয়ত উপস্থিত হৈ লিখিতভাৱে এক অভিযোগ দাখিল কৰে। আনহাতে, অভিযোগৰ প্ৰতিলিপি অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়লৈও ই-মেইল আৰু হোৱাটছএপযোগে প্ৰেৰণ কৰে। উক্ত অভিযোগৰ ভিত্তিতে সাত জুলাইত বেটেলিয়নৰ চৰাইমাৰীস্থ ছয় পৃষ্ঠাত চাওক

# শোণিতপুৰৰ লবৰঘাৰীত ছহিদ মেজৰ দুৰ্গা মল্লৰ প্ৰতিমূৰ্তি উন্মোচন



ষ্টাফ ৰিপ'ৰ্টাৰ
**তেজপুৰ, ২৫ আগষ্ট ঃ** ১৯৪৪ৰ ২৫ ডিচেম্বৰত দিল্লীত ইংৰাজ শাসকে ফাঁচি দিয়া বীৰ ছহিদ মেজৰ দুৰ্গা মল্লৰ এক প্ৰতিমূৰ্তি আজি নদুৱাৰ সমষ্টিৰ অন্তৰ্গত শোণিতপুৰৰ লখৰাৰ লবৰঘাৰীত উন্মোচন কৰা হয়। উল্লেখ্য যে গোৰ্খা উন্নয়ন পৰিষদৰ উদ্যোগত স্থাপন কৰা আৰু ঘোঁৰাত উঠি থকা অৱস্থাৰ বীৰ ছহিদ মেজৰ দুৰ্গা মল্লৰ আটকধুনীয়া এই প্ৰতিমূৰ্তিটো আজি ছহিদগৰাকীৰ স্মৃতিত পালিত বলিদান দিৱসৰে সংগতি ৰাখি উন্মোচন কৰে নদুৱাৰৰ বিধায়ক পদ্ম হাজৰিকা আৰু উন্নয়ন পৰিষদৰ অধ্যক্ষ প্ৰেম তামাঙে। বিধায়ক হাজৰিকাই এই প্ৰতিমূৰ্তি উন্মোচন কৰি সংবাদ মাধ্যমৰ আগত কয় যে গোৰ্খা উন্নয়ন পৰিষদৰ এয়া এক আদৰণীয় পদক্ষেপ আৰু আজিৰ এই প্ৰতিমূৰ্তি উন্মোচন কৰিবলৈ পোৱাটো এক পৱিত্ৰ তথা গৌৰৱৰ বিষয়। বিধায়ক হাজৰিকাই লগতে বীৰ ছহিদ মেজৰ দুৰ্গা মল্লৰ অতুলনীয় দেশপ্ৰেম আৰু নিৰ্ভীকতাৰ বিষয়ে উল্লেখ কৰি কয় যে ফাঁচিকাঠত উঠালৈকে মেজৰ দুৰ্গা মল্লই ব্ৰিটিছ শাসনৰ বিৰুদ্ধে প্ৰতিবাদ কৰি গৈছিল। দেশৰ হকে হাঁহিমুখে ফাঁচিকাঠত উঠা ছহিদ মেজৰ দুৰ্গা মল্লৰ প্ৰতি সন্মান জনাই লখৰাবাসী ৰাইজৰ আগ্ৰহত গোৰ্খা উন্নয়ন পৰিষদে নিৰ্মাণ কৰি উলিওৱা হয়। অনুষ্ঠানত গোৰ্খা উন্নয়ন পৰিষদৰ অধ্যক্ষ তামাঙকে প্ৰমুখ্য কৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। প্ৰণিধানযোগ্য যে বীৰ ছহিদগৰাকীৰ মৃত্যু তিথিৰ স'তে সংগতি ৰাখি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানো ইয়াত অনুষ্ঠিত কৰা হয়।



দৈনিক অগ্ৰদূত

গুৱাহাটী বুধবাৰ ৮ ভাদ ১৪৩৩ ভাস্কৰাব্দ ২৬ আগষ্ট ২০২৬

## দায়িত্ববোধৰ প্ৰয়োজন

**সামাজিক** মাধ্যম আজিৰ পৃথিৱীৰ কেৱল যোগাযোগৰ মাধ্যম নহয়; ই মানুহৰ চিন্তা, আচৰণ, সম্পৰ্ক, ৰাজনীতি, শিক্ষা আৰু সংস্কৃতিৰ ওপৰত গভীৰ প্ৰভাৱ পেলোৱা এক নতুন পৰিৱেশ। বিশেষকৈ শিশুসকলৰ ওপৰত সামাজিক মাধ্যমৰ প্ৰভাৱক লৈ সমগ্ৰ বিশ্বতে উদ্বেগ বৃদ্ধি পাইছে। অষ্ট্ৰেলিয়া, ব্ৰিটেইন আদি দেশত ১৬ বছৰৰ তলৰ শিশুৰ সামাজিক মাধ্যম ব্যৱহাৰ সীমিত বা নিষিদ্ধ কৰাৰ প্ৰস্তাৱ আৰু নীতি গ্ৰহণ কৰা হৈছে। নিউজিলেণ্ডেও শেহতীয়াকৈ ১৬ বছৰৰ তলৰ শিশুৰ বাবে সামাজিক মাধ্যম নিষিদ্ধ কৰাৰ বিধেয়ক অনাৰ কথা ঘোষণা কৰিছে।

এই পৰিপ্ৰেক্ষিতত মূল প্ৰশ্নটো হ'ব লাগে— শিশুক সামাজিক মাধ্যমৰ পৰা আঁতৰাই ৰখাই সমাধান নে, নে তেওঁলোকক ডিজিটেল পৃথিৱীৰ দায়িত্বশীল নাগৰিকৰূপে গঢ়ি তোলাটোৱেই অধিক স্থায়ী সমাধান? এই প্ৰশ্নটোৱেই 'সভ্যতাগত দৃষ্টিভংগী'ৰ প্ৰাসংগিকতাৰ সৃষ্টি কৰিছে। সামাজিক মাধ্যমৰ বিপদক অৱহেলা কৰাৰ কোনো কাৰণ নাই। আসক্তি, চাইবাৰ বুলিং, ভুৱা তথ্য, হিংসাত্মক বা অশ্লীল বিষয়বস্তু, অনলাইন প্ৰৱঞ্চনা, ব্যক্তিগত তথ্যৰ অপব্যৱহাৰ আৰু মানসিক চাপ— এই সকলোবোৰ বাস্তৱ সমস্যা। কৃত্ৰিম বুদ্ধিমত্তাৰ বিস্তাৰৰ লগে লগে সমস্যাটো আৰু জটিল হৈছে। ডীপফেক, ভুৱা ছবি-ভিডিঅ', এআই-সৃষ্ট প্ৰলোভনমূলক বিষয়বস্তু আৰু শিশুৰ স'তে এআই চাটব'টৰ অতি ঘনিষ্ঠ যোগাযোগে পৰম্পৰাগত 'অনলাইন সুৰক্ষা'ৰ সংজ্ঞাকেই সলনি কৰি পেলাইছে। ভাৰত চৰকাৰেও ২০২৬ত এআই-সৃষ্ট বিষয়বস্তু, শিশুৰ সুৰক্ষা আৰু ক্ষতিকাৰক অনলাইন বিষয়বস্তুৰ বিৰুদ্ধে নিয়ম অধিক কঠোৰ কৰিছে। কিন্তু ভয়ৰ ওপৰত নিৰ্ভৰ কৰি নীতি নিৰ্ধাৰণ কৰাটো বিপজ্জনক। ইতিহাসে দেখুৱাইছে যে প্ৰতিটো নতুন যোগাযোগ প্ৰযুক্তিয়েই প্ৰথমে সমাজত শংকাৰ সৃষ্টি কৰিছে। ছপাশাল আৱিষ্কাৰ হওঁতে তথ্যৰ অনিয়ন্ত্ৰিত বিস্তাৰক লৈ ভয় হৈছিল। ৰেডিঅ', টেলিভিছন আৰু পাছত ইণ্টাৰনেটক লৈও একেধৰণৰ আশংকা প্ৰকাশ পাইছিল। কিন্তু সমস্যাটো কেতিয়াও তথ্যৰ অস্তিত্ব নাছিল; সমস্যাটো আছিল মানুহে তথ্য কেনেদৰে ব্যৱহাৰ কৰিব, সেই শিক্ষা।

সামাজিক মাধ্যমৰ ক্ষেত্ৰতো একেই সত্য প্ৰযোজ্য। কেৱল নিষেধাজ্ঞা জাৰি কৰিলে শিশুসকল ডিজিটেল পৃথিৱীৰ পৰা অদৃশ্য হৈ নাযায়। বি পি এন, বিকল্প প্লেটফৰ্ম, ভুৱা বয়সৰ তথ্য আৰু বিভিন্ন প্ৰযুক্তিৰ সহায়ত নিষেধাজ্ঞা অতিক্ৰম কৰাৰ পথ তেওঁলোকে বিচাৰি ল'ব পাৰে। এনে নিষেধাজ্ঞাৰ আগেয়ে প্ৰমাণভিত্তিক নীতি, ডিজিটেল শিক্ষাৰ বিস্তাৰ, পিতৃ-মাতৃৰ সজাগতা আৰু প্লেটফৰ্মসমূহৰ দায়বদ্ধতাৰ ওপৰত গুৰুত্ব দিয়া জৰুৰী। ইয়াতেই ভাৰতৰ বাবে এটা গুৰুত্বপূৰ্ণ শিক্ষা আছে। ভাৰতৰ সামাজিক বাস্তৱতা পশ্চিমীয়া দেশসমূহৰ স'তে সম্পূৰ্ণ একে নহয়। কোটি কোটি ভাৰতীয় শিশুৰ বাবে স্মাৰ্টফোন কেৱল বিনোদনৰ আহিলা নহয়; ই শিক্ষা, তথ্য, ভাষা শিক্ষা, চাকৰিৰ সুযোগ, বিশ্বৰ স'তে সংযোগ আৰু সামাজিক অগ্ৰগতিৰ দুৱাৰ। বিশেষকৈ গ্ৰামাঞ্চল, অৰ্থনৈতিকভাৱে পিছপৰা পৰিয়াল আৰু প্ৰথম প্ৰজন্মৰ শিক্ষাৰ্থীৰ বাবে ডিজিটেল মাধ্যম বহু সময়ত জ্ঞানৰ একমাত্ৰ সহজলভ্য উৎস। সেয়েহে সকলো শিশুৰ বাবে একে ধৰণৰ নিষেধাজ্ঞা জাৰি কৰিলে ডিজিটেল বৈষম্য আৰু অধিক বৃদ্ধি পাব পাৰে।

ভাৰতীয় সমাজৰ নিজস্ব সভ্যতাগত অভিজ্ঞতাই ইয়াৰ বিকল্প পথ দেখুৱাব পাৰে। আমাৰ সভ্যতাই কেৱল জ্ঞান প্ৰদানৰ ওপৰত গুৰুত্ব দিয়া নাছিল; জ্ঞানৰ স'তে সংযম, দায়িত্ববোধ, নৈতিকতা আৰু আত্মনিয়ন্ত্ৰণৰ শিক্ষাও দিছিল। 'গুৰু-শিষ্য' সম্পৰ্কৰ মূল উদ্দেশ্য আছিল কেৱল তথ্য হস্তান্তৰ নহয়, ব্যক্তিত্ব গঠন। আধুনিক যুগত সেই মূল্যবোধক ডিজিটেল জীৱনৰ স'তে সংযোগ কৰাৰ প্ৰয়োজন আছে।

অভিভাৱকৰ দায়িত্ব সেয়েহে কেৱল হাতৰ পৰা ম'বাইল ফোন কাঢ়ি লোৱা নহয়। তেওঁলোক নিজেই ডিজিটেলভাৱে সজাগ হ'ব লাগিব। শিশুৱে কি বিচাৰিছে, কাৰ স'তে কথা পাতিছে, কিমান সময় অনলাইন আছে আৰু কেনেধৰণৰ বিষয়বস্তুৱে তেওঁলোকক প্ৰভাৱিত কৰিছে— এইবোৰ বুজিবলৈ অভিভাৱক আৰু সন্তানৰ মাজত বিশ্বাসৰ সম্পৰ্ক গঢ়ি তুলিব লাগিব। ভয় দেখুৱাই নহয়, যুক্তি আৰু সংলাপৰ জৰিয়তে ডিজিটেল শৃংখলা গঢ়ি তুলিব লাগিব।

বিদ্যালয়সমূহৰ দায়িত্বও কম নহয়। বৰ্তমান সময়ত 'ডিজিটেল লিটাৰেচি' মানে কেৱল কম্পিউটাৰ চলাব জনা নহয়। শিশুক ভুৱা খবৰ চিনাক্ত কৰা, উৎস পৰীক্ষা কৰা, ব্যক্তিগত তথ্য সুৰক্ষিত ৰখা, এআই-সৃষ্ট বিষয়বস্তু চিনাক্ত কৰা, অনলাইন বুলিঙৰ বিৰুদ্ধে থিয় দিয়া আৰু মতভেদৰ মাজতো সভ্য আচৰণ কৰা— এই সকলোবোৰ শিকাব লাগিব। ডিজিটেল নাগৰিকত্ব, সমালোচনামূলক চিন্তা আৰু নৈতিক বিচাৰ শিক্ষা ব্যৱস্থাৰ অবিচ্ছেদ্য অংশ হ'ব লাগে।

অৱশ্যে ইয়াৰ অৰ্থ এইটো নহয় যে চৰকাৰে হাত সাৱটি বহি থাকিব লাগে। সামাজিক মাধ্যম কোম্পানীসমূহক অধিক দায়বদ্ধ কৰিব লাগিব। শিশুৰ তথ্যৰ বাণিজ্যিক ব্যৱহাৰ, লক্ষ্যভিত্তিক বিজ্ঞাপন, আসক্তি সৃষ্টি কৰা এলগৰিদম, ক্ষতিকাৰক বিষয়বস্তু আৰু এআই-ভিত্তিক প্ৰৱঞ্চনাৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা প্ৰয়োজন। ভাৰতৰ বৰ্তমানৰ আইন আৰু নিয়মে শিশুৰ তথ্য, ক্ষতিকাৰক বিষয়বস্তু আৰু এআই-সৃষ্ট অপব্যৱহাৰৰ ক্ষেত্ৰত ইতিমধ্যে কিছু সুৰক্ষা প্ৰদান কৰিছে; কিন্তু প্ৰযুক্তিৰ গতিৰ স'তে তাল মিলাই এই ব্যৱস্থা নিয়মিতভাৱে উন্নত কৰিব লাগিব।

সামাজিক মাধ্যমক শত্ৰু হিচাপে চিহ্নিত কৰাটো সহজ; কিন্তু সমস্যাটো সমাধান কৰা কঠিন। প্ৰযুক্তিক ৰোধ কৰাৰ পৰিৱৰ্তে প্ৰযুক্তিৰ স'তে সহাৱস্থান কৰাৰ সংস্কৃতি গঢ়ি তোলাটোৱেই স্থায়ী পথ। শিশুক ডিজিটেল পৃথিৱীৰ পৰা বিচ্ছিন্ন কৰাৰ পৰিৱৰ্তে সেই পৃথিৱীত কেনেদৰে সুৰক্ষিত, স্বাধীন, নৈতিক আৰু দায়িত্বশীলভাৱে চলিব লাগে, সেই শিক্ষা দিব লাগিব। ভাৰতৰ সভ্যতাগত শক্তি ইয়াতেই— নতুনক গ্ৰহণ কৰা, কিন্তু নিজৰ মূল্যবোধ হেৰুৱাই নেপেলোৱা। সামাজিক মাধ্যম আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ যুগতো এই নীতি প্ৰাসংগিক। নিষেধাজ্ঞাই হয়তো সাময়িকভাৱে দুৱাৰ বন্ধ কৰিব পাৰে; কিন্তু শিক্ষা, সংস্কাৰ, দায়িত্ববোধ আৰু আত্মনিয়ন্ত্ৰণেহে শিশুৰ হাতত সেই দুৱাৰৰ চাবি সুৰক্ষিতভাৱে তুলি দিব পাৰে। সেয়ে সামাজিক মাধ্যমৰ প্ৰশ্নটো কেৱল 'ব্যৱহাৰ কৰিব নে নকৰিব'— এই সৰু প্ৰশ্ন নহয়। ই আমাৰ পৰৱৰ্তী প্ৰজন্মক কেনেধৰণৰ মানুহ হিচাপে গঢ়িম, সেই বৃহৎ সভ্যতাগত প্ৰশ্ন। প্ৰযুক্তিৰ ভৱিষ্যৎ অনিশ্চিত হ'ব পাৰে, কিন্তু দায়িত্বশীল নাগৰিক গঢ়াৰ দায়িত্ব সমাজ, পৰিয়াল, বিদ্যালয় আৰু ৰাষ্ট্ৰৰ পৰা কেতিয়াও আঁতৰিব নোৱাৰে।

## মেঘালয় কোনো বিচ্ছিন্ন অঞ্চল নহয়

# পৰ্যটন, জনজাতীয় পৰিচয় আৰু হিংসাৰ চক্ৰ ভাঙি ওলোৱাৰ সময়




**শ্বিলঙত** শেহতীয়াকৈ সংঘটিত হিংসাৰ ঘটনাটো কেৱল আন এটা আইন-শৃংখলাজনিত ঘটনা বুলি উলাই যাব নোৱাৰি। ই এটা গভীৰ সতৰ্কবাণী— যেতিয়া খিলঞ্জীয়া পৰিচয়, প্ৰব্ৰজন আৰু পৰিৱেশৰ ওপৰত থকা বৈধ উদ্বেগবোৰক 'নিজৰ মানুহ' বনাম 'বাহিৰৰ মানুহ'ৰ সংকীৰ্ণ ৰাজনীতিলৈ ঠেলি দিয়া হয়, তেতিয়া পৰিস্থিতি কিমান বিপজ্জনক হ'ব পাৰে, এই ঘটনাই তাকেই দেখুৱাইছে। ১৯ আগষ্টত খাচি ষ্টুডেণ্টছ ইউনিয়ন কে এছ ইউ-এ শ্বিলঙত আয়োজন কৰা ক'লা পতাকাৰ মটৰ চাইকেল সমাবেশে হিংসাত্মক ৰূপ লয়। আৰক্ষীৰ মতে, বিভিন্ন স্থানত ৩১খন বাহন ক্ষতিগ্ৰস্ত কৰা হয়, দুখন চৰকাৰী বাহনত অগ্নিসংযোগ কৰা হয় আৰু বহু লোকক আক্ৰমণ কৰা হয়। অসমৰ পঞ্জীয়ন নম্বৰ থকা বাহনো আক্ৰমণৰ লক্ষ্য হয়। শ্বিলঙৰ এটা শৰণাৰ্থী বসতিত স্বামী বিবেকানন্দ আৰু নেতাজী সুভাষচন্দ্ৰ বসুৰ মূৰ্তিও ভাঙি পেলোৱাৰ অভিযোগ উত্থাপিত হৈছে। পৰৱৰ্তী সময়ত হিংসাৰ ঘটনাৰ স'তে জড়িত থকাৰ অভিযোগত কে এছ ইউৰ তিনিজন শীৰ্ষ নেতাক গ্ৰেপ্তাৰ কৰা হয়। অসমতো ইয়াৰ প্ৰতিক্ৰিয়া দ্ৰুতগতিত দেখা যায়। যোৱাবাট আৰু খানাপাৰাত টেক্সি আৰু বাণিজ্যিক বাহনৰ চালক-কৰ্মচাৰীসকলে মেঘালয়ৰ পঞ্জীয়ন থকা বাহন বাধা দিয়ে। ইয়াৰ ফলত গুৱাহাটী-শ্বিলং গুৰুত্বপূৰ্ণ যোগাযোগ পথটো ব্যাহত হয়। পৰৱৰ্তী সময়ত মেঘালয়ৰ টেক্সি চালকসকলেও যাত্ৰী আৰু চালকৰ নিৰাপত্তাৰ দাবীত শ্বিলং-গুৱাহাটী সেৱা স্থগিত ৰাখে। এই পৰিস্থিতিত দুয়োখন ৰাজ্যৰ দায়িত্বশীল নেতৃত্বৰ প্ৰয়োজন। সাধাৰণ মেঘালয়বাসীক শাস্তি দিবলৈ অসমৰ পৰা পথ অৱৰোধ কৰাটো কোনো সমাধান নহয়। একেদৰে অসমৰ পঞ্জীয়ন থকা বাহন, পৰ্যটক বা মেঘালয়ৰ বাহিৰৰ কোনো নাগৰিকক আক্ৰমণ কৰাকো 'ৰাজনৈতিক প্ৰতিবাদ' বুলি ন্যায্যতা প্ৰদান কৰিব নোৱাৰি। হিংসাক কোনো চৰ্ত নোহোৱাকৈ নিন্দা কৰিবই লাগিব।

**পৰ্যটনক লৈ বিতৰ্ক আৰু এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন**

২০২৪ত মেঘালয় চৰকাৰৰ তথ্য অনুসৰি ৰাজ্যখনলৈ প্ৰায় ১৬ লাখ পৰ্যটকৰ আগমন ঘটিছিল। ২০২৩ৰ তুলনাত এই সংখ্যা ১৩.০৪ শতাংশ বৃদ্ধি পাইছিল। ২০২২ত ৰাজ্যখনৰ পৰ্যটন উদ্যোগৰ মূল্য প্ৰায় ১,৬০০ কোটি টকা বুলি ধৰা হৈছিল আৰু ২০২৮ৰ ভিতৰত ইয়াক ১২,০০০ কোটি টকালৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই পৰ্যটকসকল কেৱল মেঘালয়ৰ মাজেৰে পাৰ হৈ নাযায়। তেওঁলোকে হোটেল আৰু হোমষ্টেত থাকে। টেক্সি আৰু পৰ্যটক বাহন ভাড়া কৰে। ৰেষ্টুৰেণ্টত খায়। স্থানীয় হস্তশিল্প ক্ৰয় কৰে। গাইড নিয়োগ কৰে। গুহা, জলপ্ৰপাত, পাহাৰ, গাঁও আৰু বজাৰ পৰিদৰ্শন কৰে। পাৰ্কিং, প্ৰৱেশ মাচুল, এডভেঞ্চাৰ টুৰিজম আৰু বিভিন্ন স্থানীয় সেৱাৰ বাবদ ধন ব্যয় কৰে। অৰ্থাৎ পৰ্যটকৰ পৰা স্থানীয় অৰ্থনীতি লাভান্বিত হয়। সেয়ে যানজঁট বা ভিৰৰ সমাধান পৰ্যটকক আঁতৰাই দিলেই নহয়। সমাধান হ'ল— পৰ্যটকক গ্ৰহণ কৰিব পৰাকৈ পৰ্যাপ্ত আন্তঃগাঁথনি নিৰ্মাণ কৰা। শ্বিলঙত যদি অতিৰিক্ত ভিৰ হয়, তেন্তে বিকল্প পৰ্যটন কেন্দ্ৰ গঢ়ি তোলা হওক। চেৰাপুঞ্জী যদি অধিক ভিৰত আক্ৰান্ত হয়, তেন্তে খাচি, জয়ন্তীয়া আৰু গাৰো পাহাৰৰ আন অঞ্চলসমূহত পৰ্যটন বিকশিত কৰা হওক। হোটেলৰ অভাৱ থাকিলে নিয়ন্ত্ৰিতভাৱে স্থানীয় হোমষ্টে গঢ়ি তোলা হওক। পথ সংকীৰ্ণ হ'লে পথ উন্নত কৰা হওক। আৱৰ্জনা ব্যৱস্থাপনা দুৰ্বল হ'লে আধুনিক কঠিন আৱৰ্জনা আৰু নিকাশী ব্যৱস্থা গঢ়ি তোলা হওক।

ৰাজ্যখনে পৰ্যটনক কেৱল ঋতুভিত্তিক সমস্যালৈ পৰিণত নকৰি বছৰজোৱা আৰু বিকেন্দ্ৰীকৃত অৰ্থনৈতিক সুযোগলৈ ৰূপান্তৰ কৰিব লাগিব। বৰ্তমানৰ সংকটৰ মাজত আন এটা অস্বস্তিকৰ ঐতিহাসিক সত্যও মনত ৰখা প্ৰয়োজন।

মেঘালয়ৰ ইতিহাস অসমৰ পৰা বিচ্ছিন্ন নহয়। ১৮৭৪ত শ্বিলঙক অসমৰ ৰাজধানী কৰা হৈছিল আৰু ১৯৭২ত মেঘালয়ে পূৰ্ণাংগ ৰাজ্যৰ মৰ্যাদা লাভ কৰাৰ আগলৈকে শ্বিলং অসমৰ ৰাজধানী হৈ আছিল।

১৯৭০ৰ দুই এপ্ৰিলত মেঘালয় প্ৰথমে অসমৰ ভিতৰত এখন স্বায়ত্তশাসিত ৰাজ্যৰূপে আত্মপ্ৰকাশ কৰে। তাৰ পাছত ১৯৭২ৰ ২১ জানুৱাৰীত ই পূৰ্ণাংগ ৰাজ্যত পৰিণত হয়। North-Eastern Areas (Reorganisation) Act, ১৯৭১-ৰ



**নিউজ স্কেন**

**গীতাৰ্থ পাঠক**

জৰিয়তে তেতিয়াৰ অসমৰ ভূখণ্ড পুনৰ্গঠন কৰি মেঘালয় গঠন কৰা হৈছিল।

মেঘালয় গঠনৰ আঁৰত পাহাৰীয়া জনগোষ্ঠীসমূহৰ পৃথক পৰিচয় আৰু অধিক স্বায়ত্তশাসনৰ দাবীক স্বীকৃতি দিয়াৰ এক দীঘলীয়া গণতান্ত্ৰিক আন্দোলন আছিল। সেই আকাংক্ষাক সন্মান কৰিবই লাগিব; কিন্তু ৰাজ্য গঠন হোৱাৰ লগে লগে ইতিহাস শেষ হৈ নাযায়। শ্বিলং ১৯৭২ৰ বহু আগতেই এক গুৰুত্বপূৰ্ণ প্ৰশাসনিক আৰু বাণিজ্যিক কেন্দ্ৰ আছিল। বঙালী, অসমীয়া, নেপালী, মাৰোৱাৰী, পাঞ্জাবী আৰু ভাৰতৰ বিভিন্ন প্ৰান্তৰ লোক তাত বসবাস আৰু কৰ্মসংস্থাপন কৰিছিল। শিক্ষক, কেৰাণী, চিকিৎসক, ব্যৱসায়ী, শ্ৰমিক, চৰকাৰী কৰ্মচাৰী আৰু বিভিন্ন বৃত্তিৰ লোক হিচাপে তেওঁলোকেও শ্বিলং আৰু মেঘালয়ৰ বিকাশত অৱদান আগবঢ়াইছিল। সেয়ে মেঘালয় সৃষ্টি হোৱাটো এনে এখন ভূখণ্ডৰ সৃষ্টি বুলি ব্যাখ্যা কৰিব নোৱাৰি, য'ত খাচি, জয়ন্তীয়া বা গাৰো নোহোৱা প্ৰতিগৰাকী মানুহেই 'বাহিৰৰ মানুহ'।

ভাৰতৰ যুক্তৰাষ্ট্ৰীয় মানচিত্ৰ বহু সময়ত সলনি হৈছে। ভাষা, সংস্কৃতি আৰু ৰাজনৈতিক আকাংক্ষা ৰক্ষাৰ বাবে নতুন ৰাজ্য গঠন হৈছে; কিন্তু এখন ৰাজ্য গঠন হোৱাৰ পাছত সেই ৰাজ্যৰ নাগৰিকসকল ভাৰতীয় নাগৰিক হৈয়েই থাকে। সংখ্যালঘুসকলৰ ওপৰত আক্ৰমণৰ এক যন্ত্ৰণাদায়ক ইতিহাস বৰ্তমানৰ সংকটৰ আলোচনা মেঘালয়ত সংখ্যালঘু আৰু অনা-জনজাতীয় লোকৰ ওপৰত সংঘটিত অতীতৰ হিংসাৰ কথা বাদ দি সম্পূৰ্ণ হ'ব নোৱাৰে।

১৯৭৯ত শ্বিলঙত অনা-জনজাতীয় লোক, বিশেষকৈ বঙালীসকলৰ বিৰুদ্ধে ভয়ংকৰ হিংসা সংঘটিত হৈছিল। সেই সময়ৰ ঘটনাৰ বিৱৰণত অগ্নিসংযোগ, আক্ৰমণ আৰু মানুহক ঘৰৰ পৰা টানি উলিয়াই অনা ঘটনাৰ বিষয়ে গম পোৱা যায়। পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সেনা প্ৰয়োগ কৰিবলগীয়া হৈছিল।

১৯৮৭তো খাচি ষ্টুডেণ্টছ ইউনিয়নে অনা-জনজাতীয় 'বাহিৰৰ মানুহ'ৰ বিৰুদ্ধে ব্যাপক আন্দোলন আৰম্ভ কৰিছিল। সংগঠনটোৱে আন দাবীৰ লগতে ইনাৰ লাইন পাৰ্মিট ব্যৱস্থা আৰু বিদেশী তথা অনা-জনজাতীয় লোকৰ নাম ভোটাৰ তালিকাৰ পৰা আঁতৰোৱাৰ দাবী উত্থাপন কৰিছিল। সেই আন্দোলনেও ভয়ংকৰ হিংসাত্মক ৰূপ লৈছিল। ১৯৮৭ৰ জুনৰ পৰা ১৯৮৮ৰ জানুৱাৰীলৈ খাচি পাহাৰত ১২ গৰাকী লোক নিহত হোৱাৰ কথা কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ তথ্যত উল্লেখ আছে। পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ কেন্দ্ৰীয় অৰ্ধসামৰিক বাহিনী প্ৰয়োগ কৰিবলগীয়া হৈছিল। হিংসাৰ লক্ষ্য সময়ে সময়ে সলনি হৈছিল— ১৯৭৯ত বঙালী, ১৯৮৭ত নেপালী আৰু ১৯৯২ত বিহাৰীসকল। ২০১৮ৰ শ্বিলঙৰ পাঞ্জাবী লেনৰ সংঘাতেও দেখুৱাইছিল যে সমস্যাটো শেষ হোৱা নাই। খাচি বাছ কৰ্মচাৰী আৰু বহু পুৰণি শিখ বসতিৰ বাসিন্দাৰ মাজৰ তুলনামূলকভাৱে সৰু সংঘাত এটা কে'বাদিনো ধৰি চলা হিংসালৈ পৰিণত হৈছিল। সান্ধ্য আইন জাৰি কৰিবলগীয়া হৈছিল আৰু আৰক্ষী-প্ৰশাসন কঠিন পৰিস্থিতিৰ সন্মুখীন হৈছিল। শ্বিলঙৰ সেই শিখ সম্প্ৰদায়ৰ বহু পৰিয়াল প্ৰজন্মৰ পাছত প্ৰজন্ম ধৰি তাত বসবাস কৰি আহিছে।

২০২০তো ইচামতিত নাগৰিকত্ব সংশোধনী আইন আৰু ইনাৰ লাইন পাৰ্মিটৰ দাবীক কেন্দ্ৰ কৰি উত্তেজনা আৰু হিংসাৰ সৃষ্টি হৈছিল।

এই ইতিহাস কোনো কাৰণতে সমগ্ৰ খাচি সমাজক কলংকিত কৰিবলৈ ব্যৱহাৰ কৰা

> গুৱাহাটী আৰু শ্বিলঙৰ মাজৰ পথটো কেৱল এটা ৰাষ্ট্ৰীয় ঘাইপথ নহয়। ই দুয়োটা জনগোষ্ঠীৰ মাজত থকা ইতিহাস, ভূগোল আৰু অৰ্থনীতিৰ গভীৰ সম্পৰ্কৰ প্ৰতীক। কোনো আন্দোলন, কোনো ৰাজ্যিক সীমা আৰু কোনো ৰাজনৈতিক শ্লোগানে এই বাস্তৱতাক সলনি কৰিব নোৱাৰে। স্থায়ী সমাধান পথ বন্ধ কৰাত নাই। স্থায়ী সমাধান হ'ল— পথটো সকলোৰে বাবে নিৰাপদ কৰি তোলা

উচিত নহয়। খাচি সমাজৰ বিপুল সংখ্যক লোক শান্তিপ্ৰিয় নাগৰিক। কোনো এটা ছাত্ৰ সংগঠনৰ কাৰ্যকলাপৰ বাবে সমগ্ৰ জনগোষ্ঠীক দায়ী কৰিব নোৱাৰি।

কিন্তু ইতিহাসক মচি পেলাবও নোৱাৰি। সুৰক্ষা আৰু বঞ্চনাৰ মাজৰ সূক্ষ্ম সীমা খিলঞ্জীয়া জনগোষ্ঠীৰ অধিকাৰ সুৰক্ষাৰ দাবীৰ আঁৰত এটা বৈধ সাংবিধানিক আৰু ৰাজনৈতিক ভিত্তি আছে। ষষ্ঠ অনুসূচীৰ অধীনত মেঘালয়ৰ জনজাতীয় সমাজে বিশেষ সাংবিধানিক সুৰক্ষা লাভ কৰিছে। ভূমি, চাকৰি, সাংস্কৃতিক পৰিচয় আৰু জনসংখ্যাগত পৰিৱৰ্তনক লৈ খাচি, জয়ন্তীয়া আৰু গাৰো জনগোষ্ঠীৰ বাস্তৱ উদ্বেগ আছে। সেই উদ্বেগক কেৱল 'সংকীৰ্ণ জাতীয়তাবাদ' বুলি উলাই কৰিব নোৱাৰি; কিন্তু খিলঞ্জীয়া অধিকাৰ সুৰক্ষা আৰু ভাৰতীয় নাগৰিকৰ বিৰুদ্ধে স্থায়ী সন্দেহৰ পৰিৱেশ সৃষ্টি কৰাৰ মাজত মৌলিক পাৰ্থক্য আছে। প্ৰথমটোৱে যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাক শক্তিশালী কৰে। দ্বিতীয়টোৱে তাক দুৰ্বল কৰে। ইনাৰ লাইন পাৰ্মিটৰ বিতৰ্ক এই দ্বন্দ্বৰ এটা ভাল উদাহৰণ। ইনাৰ লাইন পাৰ্মিট ব্যৱস্থাৰ মূল নিহিত হৈ আছে ১৮৭৩ ৰ Bengal Eastern Frontier Regulation-ত। ব্ৰিটিছ ঔপনিৱেশিক শাসনে সীমান্ত অঞ্চলত মানুহৰ প্ৰৱেশ আৰু চলাচল নিয়ন্ত্ৰণ কৰিবলৈ এই ব্যৱস্থা প্ৰৱৰ্তন কৰিছিল। বৰ্তমান ইয়াৰ পৰিৱৰ্তিত ৰূপ অৰুণাচল প্ৰদেশ, নগালেণ্ড, মিজোৰাম আৰু মণিপুৰত প্ৰচলিত। মেঘালয়েও বহু বছৰ ধৰি এই ব্যৱস্থা ৰাজ্যখনলৈ সম্প্ৰসাৰণ কৰাৰ দাবী জনাই আহিছে। ২০২৬ তো এই দাবী সম্পূৰ্ণৰূপে শেষ হোৱা নাই। মেঘালয় চৰকাৰে আই এল পি-সদৃশ আইনী ব্যৱস্থা সন্দৰ্ভত কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ স'তে আলোচনা কৰি আছে। ৰাজ্যখনে Meghalaya Residents Safety and Security Act-ৰ জৰিয়তে ভাড়াতীয়া আৰু বাসিন্দাৰ পৰীক্ষণ আৰু নিয়ন্ত্ৰণৰ ব্যৱস্থাও গ্ৰহণ কৰিছে।

কিন্তু প্ৰশ্নটো হ'ল— ঔপনিৱেশিক যুগৰ এক প্ৰৱেশ-নিয়ন্ত্ৰণ ব্যৱস্থা আধুনিক গণতান্ত্ৰিক ভাৰতৰ বাবে উপযুক্ত সমাধান নেকি? আই এল পি-সদৃশ ব্যৱস্থা যদি এনেকুৱা মানসিক 'অনুমতি-পত্ৰ' ব্যৱস্থালৈ পৰিণত হয়, য'ত অসমৰ, বংগৰ, পঞ্জাবৰ বা মহাৰাষ্ট্ৰৰ এজন ভাৰতীয় পৰ্যটকে মেঘালয়ত প্ৰৱেশ কৰোঁতে নিজকে যেন বিদেশত প্ৰৱেশ কৰা মানুহ বুলি অনুভৱ কৰে, তেন্তে সেয়া মেঘালয় বা ভাৰত-কাৰো বাবে মংগলজনক নহ'ব। অসমৰো দায়িত্ব আছে অসমে সদায় নৈতিকভাৱে শুদ্ধ পক্ষত আছে বুলি দাবী কৰিব নোৱাৰে। উত্তৰ-পূৰ্বাঞ্চলৰো জাতিগত আন্দোলন, হিংসা, বিদেশীবিৰোধী মনোভাৱ আৰু সাম্প্ৰদায়িক সংঘাতৰ এক যন্ত্ৰণাদায়ক ইতিহাস আছে। অসমতো ভাষা বা জনগোষ্ঠীয় পৰিচয়ক ভিত্তি কৰি সহনাগৰিকৰ বিৰুদ্ধে হিংসাৰ ঘটনা ঘটিছে। সেয়ে এতিয়া 'কোনে বেছি কষ্ট পাইছে' তাৰ প্ৰতিযোগিতা আৰম্ভ কৰাৰ সময় নহয়। যোৱাবাটত মেঘালয়ৰ বাহন বন্ধ কৰি দিয়াটো আক্ৰমণৰ ঘটনাৰ পাছত অসমৰ পৰিবহণ ব্যৱসায়ীসকলৰ ক্ষোভৰ স্বাভাৱিক বহিঃপ্ৰকাশ হিচাপে বুজিব পাৰি; কিন্তু দীৰ্ঘদিন ধৰি পথ অৱৰোধ চলি থাকিলে শেষত সাধাৰণ মানুহেই ক্ষতিগ্ৰস্ত হ'ব— ছাত্ৰ-ছাত্ৰী, ৰোগী, শ্ৰমিক, ব্যৱসায়ী, পৰ্যটক আৰু পৰিয়াল। ইয়াৰ ফলত দুয়োফালৰ মাজত প্ৰতিশোধৰ চক্ৰহে অধিক শক্তিশালী হ'ব। অসম আৰু মেঘালয় ভৌগোলিক আৰু অৰ্থনৈতিকভাৱে গভীৰভাৱে পৰস্পৰৰ স'তে জড়িত। মেঘালয়ৰ বাবে অসমেই ভাৰতৰ আন অংশৰ স'তে সংযোগৰ প্ৰধান দুৱাৰ। অসমৰ বাবেও মেঘালয় এটা গুৰুত্বপূৰ্ণ পৰ্যটন কেন্দ্ৰ, বজাৰ আৰু বৃহত্তৰ উত্তৰ-পূৰ্বাঞ্চলীয় অৰ্থনৈতিক ব্যৱস্থাৰ অংশ। এজনে আনজনৰ পথ বন্ধ কৰি কোনো ৰাজ্যই দীৰ্ঘম্যাদীভাৱে সমৃদ্ধি লাভ কৰিব নোৱাৰে। স্থায়ী সমাধানৰ বাবে প্ৰতিবাৰ সংঘাতৰ পাছত আৰক্ষী প্ৰয়োগ কৰাটোৱেই যথেষ্ট নহয়। প্ৰথমতে, অসম-মেঘালয় শান্তি আৰু যাতায়াত পৰিষদ এখন গঠন কৰা উচিত। দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে মন্ত্ৰী, আৰক্ষী, পৰিবহণ সংস্থা, পৰ্যটন বিভাগ, ছাত্ৰ সংগঠন, পৰম্পৰাগত সামাজিক প্ৰতিষ্ঠান, নাগৰিক সমাজ আৰু সংখ্যালঘু প্ৰতিনিধিক লৈ এটা স্থায়ী ব্যৱস্থা গঠন কৰিব পাৰে। এই পৰিষদে কেৱল সংঘাতৰ পাছত নহয়, নিয়মীয়াকৈ বৈঠক অনুষ্ঠিত কৰিব লাগে। তৃতীয়তে, পৰ্যটন বিকেন্দ্ৰীকৰণ কৰিব লাগে। শ্বিলং আৰু চেৰাপুঞ্জীয়েই সমগ্ৰ পৰ্যটনৰ বোজা বহন কৰিব নোৱাৰে। গাৰো পাহাৰ, জয়ন্তীয়া পাহাৰ, ৰি-ভয় আৰু কম পৰিচিত খাচি অঞ্চলসমূহত পৰ্যটন বিকশিত কৰিব লাগে। গ্ৰাম্য পৰ্যটন, হোমষ্টে আৰু কমিউনিটি পৰ্যটনৰ জৰিয়তে গাঁওসমূহেও পৰ্যটনৰ অৰ্থনৈতিক লাভ পাব পাৰে। চতুৰ্থতে, স্থানীয় লোকক পৰ্যটনৰ প্ৰধান অংশীদাৰ কৰিব লাগে। হোমষ্টে, গাইড, পৰ্যটন বাহন, খাদ্য বিপণী, হস্তশিল্পৰ বজাৰ আৰু পৰ্যটন সম্পৰ্কীয় বিভিন্ন ব্যৱসায়ত স্থানীয় উদ্যোগীক অগ্ৰাধিকাৰ দিব লাগে। খাচি, জয়ন্তীয়া আৰু গাৰো যুৱসমাজে যদি পৰ্যটনক চাকৰি আৰু উদ্যোগৰ সুযোগ হিচাপে চাবলৈ আৰম্ভ কৰে, তেন্তে পৰ্যটনৰ বিৰুদ্ধে থকা আশংকা স্বাভাৱিকভাৱেই কমিব। পঞ্চমতে, দায়িত্বশীল পৰ্যটন নিশ্চিত কৰিব লাগে। পৰ্যটকে স্থানীয় সংস্কৃতি, সামাজিক নিয়ম, পৰিৱেশ সংৰক্ষণৰ বিধি আৰু যান-বাহনৰ নিয়ম মানিব লাগিব। আৱৰ্জনা পেলোৱা, মদ্যপান কৰি অসামাজিক আচৰণ কৰা, জধেমধে গাড়ী চলোৱা বা প্ৰাকৃতিক সম্পদৰ ক্ষতি কৰা লোকক জৰিমনা আৰু শাস্তি দিবলৈ প্ৰশাসনে দ্বিধা কৰিব নালাগে। ষষ্ঠতে, সংখ্যালঘুৰ সুৰক্ষা আইনৰ জৰিয়তে নিশ্চিত কৰিব লাগে, ৰাজনৈতিক আশ্বাসৰ জৰিয়তে নহয়। কোনো বঙালী, নেপালী, শিখ, অসমীয়া বা আন কোনো ভাৰতীয় নাগৰিকৰ ওপৰত আক্ৰমণ হ'লে তাক এগৰাকী ভাৰতীয় নাগৰিকৰ ওপৰত আক্ৰমণ হিচাপেই গণ্য কৰিব লাগিব। দ্ৰুত তদন্ত, অভিযুক্তৰ বিৰুদ্ধে গোচৰ আৰু ক্ষতিগ্ৰস্তক ক্ষতিপূৰণ দিয়াটো স্বাভাৱিক ব্যৱস্থা হ'ব লাগে। মেঘালয়ৰ ভৱিষ্যৎ যেন ভয়ৰ মাজত আবদ্ধ নহয়; মেঘালয়ৰ এক অদ্ভুত পৰস্পৰবিৰোধিতা আছে। ৰাজ্যখনৰ প্ৰাকৃতিক সৌন্দৰ্য, পাহাৰ, জলপ্ৰপাত, গুহা, অৰণ্য, সংস্কৃতি আৰু মনোমোহা জলবায়ু হৈছে এনে সম্পদ, যিবোৰ উপভোগ কৰিবলৈ দেশ-বিদেশৰ লাখ লাখ মানুহ আহিব বিচাৰে। অথচ সময়ে সময়ে ৰাজ্যখনত এই প্ৰশ্ন উত্থাপিত হয়— এই পৰ্যটকসকলক আদৰণি জনাব লাগে নে নাই?

**এইটো ভুল প্ৰশ্ন**

সঠিক প্ৰশ্নটো হ'ল— স্থানীয় সমাজ আৰু পৰিৱেশৰ ক্ষতি নকৰাকৈ মেঘালয়ে কেনেকৈ অধিক পৰ্যটকক আদৰণি জনাব পাৰে? খাচি, জয়ন্তীয়া আৰু গাৰো জনগোষ্ঠীৰ নিজৰ ভূমি, সংস্কৃতি আৰু পৰিচয় সুৰক্ষিত কৰাৰ সম্পূৰ্ণ অধিকাৰ আছে; কিন্তু তেওঁলোকৰ নিৰাপত্তা আনৰ নিৰাপত্তাহীনতাৰ ওপৰত নিৰ্ভৰ কৰিব নালাগে। একেদৰে মেঘালয়লৈ অহা অসমৰ নাগৰিকৰ সুৰক্ষাৰ দাবী কৰাৰ অধিকাৰ অসমৰ আছে; কিন্তু সেই ক্ষোভ মেঘালয়ৰ সাধাৰণ জনসাধাৰণৰ ওপৰত সামূহিক শাস্তিলৈ পৰিণত হ'ব নালাগে। মেঘালয়ৰ ভৱিষ্যতৰ শ্বিলং এনে এখন চহৰ হ'ব নালাগে, য'ত মানুহক 'ভূমিপুত্ৰ' আৰু 'বাহিৰৰ মানুহ' বুলি আছুতীয়া কৰা হয়। বৰঞ্চ ই এনে এখন আত্মবিশ্বাসী ভাৰতীয় পাহাৰীয়া চহৰ হ'ব লাগে, যিয়ে নিজৰ খিলঞ্জীয়া পৰিচয় সুৰক্ষিত কৰি একে সময়তে মুক্ত, অতিথিপৰায়ণ আৰু অৰ্থনৈতিকভাৱে শক্তিশালী হৈ থাকিব পাৰে। গণতান্ত্ৰিক পুনৰ্গঠনৰ জৰিয়তে অসমক পুনৰ্গঠন কৰি মেঘালয়ৰ জন্ম হৈছিল। মেঘালয়ৰ ভৱিষ্যতও গণতান্ত্ৰিক সহাৱস্থান আৰু সমন্বয়ৰ মাজেৰেই নিৰ্ধাৰিত হ'ব লাগিব— বাৰিকেড, জ্বলি থকা বাহন, ভাঙি পেলোৱা মূৰ্তি বা বঞ্চনাৰ ৰাজনীতিৰ জৰিয়তে নহয়। গুৱাহাটী আৰু শ্বিলঙৰ মাজৰ পথটো কেৱল এটা ৰাষ্ট্ৰীয় ঘাইপথ নহয়। ই দুয়োটা জনগোষ্ঠীৰ মাজত থকা ইতিহাস, ভূগোল আৰু অৰ্থনীতিৰ গভীৰ সম্পৰ্কৰ প্ৰতীক। কোনো আন্দোলন, কোনো ৰাজ্যিক সীমা আৰু কোনো ৰাজনৈতিক শ্লোগানে এই বাস্তৱতাক সলনি কৰিব নোৱাৰে। স্থায়ী সমাধান পথ বন্ধ কৰাত নাই। স্থায়ী সমাধান হ'ল— পথটো সকলোৰে বাবে নিৰাপদ কৰি তোলা।

*ফোন ঃ ৯৪৩৫০৪৮৪৮৪*

## খোলা মঞ্চ

### যুৱ সমাজক স্বাৱলম্বী কৰি তুলিবলৈ চৰকাৰৰ সদিচ্ছা থকা বুলি ভাবেনে?



**জোন জোনালী ডেকা**

**সাম্প্ৰতিক** সময়ত যুৱ সমাজৰ স্বাৱলম্বিতা আমাৰ ৰাজ্যখনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ভিতৰত অন্যতম। মোৰ দৃষ্টিত যুৱ প্ৰজন্মক স্বাৱলম্বী কৰি তুলিবলৈ চৰকাৰৰ সদিচ্ছা নিশ্চিতভাৱে আছে, কিন্তু চৰকাৰী আঁচনি সমূহ কেৱল ঘোষণাৰ পৰিসীমাতে আৱদ্ধ নাৰাখি, সেইবোৰক বাস্তৱৰ বুকুত আখৰে আখৰে ৰূপায়ণ কৰাটোৱেই চৰকাৰৰ প্ৰকৃত সদিচ্ছাৰ পৰিচয় দিব।

যুৱ প্ৰজন্মক কেৱল চৰকাৰী চাকৰিৰ ওপৰত নিৰ্ভৰ নকৰি কাৰিকৰী আৰু বৃত্তিমূলক শিক্ষাৰে স্বাৱলম্বী কৰিবলৈ আই টি আই ITI আৰু বিভিন্ন দক্ষতা বিকাশ কেন্দ্ৰ স্থাপন কৰা দেখা গৈছে। চৰকাৰৰ বহুতো সুন্দৰ আঁচনিৰ খবৰ গ্ৰাম্য বা দূৰণিবটীয়া অঞ্চলৰ প্ৰতিভাৱান যুৱক-যুৱতীসকলৰ ওচৰলৈ গৈ নাপায়। গতিকে তথ্যৰ এই ব্যৱধান দূৰ দূৰ কৰিবলৈ চৰকাৰে তৃণমূল পৰ্যায়ত প্ৰশিক্ষণ আৰু সজাগতা শিবিৰৰ আয়োজন কৰা উচিত। যুৱক-যুৱতীসকলে উৎপাদন কৰা সামগ্ৰী বা থলুৱা শিল্পসমূহ বিক্ৰী কৰিবলৈ চৰকাৰীভাৱে এক স্থায়ী আৰু সুসংগঠিত বজাৰ ব্যৱস্থা গঢ়ি তোলাৰ এতিয়াও যথেষ্ট সুযোগ আছে। নিশ্চিতভাৱে চৰকাৰৰ পৰিকল্পনাৰ অভাৱ নাই, কিন্তু এই আঁচনিসমূহ যাতে কোনো ধৰণৰ পক্ষপাতিত্ব নোহোৱাকৈ প্ৰতিজন যোগ্য যুৱক-যুৱতীৰ ওচৰ পায়গৈ, তাৰ বাবে এক নীতিনিষ্ঠ আৰু ব্যৱস্থাৰ প্ৰয়োজন। চৰকাৰী সদিচ্ছাৰ স'তে যুৱ প্ৰজন্মৰো একাগ্ৰতা থাকিলেহে আমাৰ সমাজখন প্ৰকৃত অৰ্থত স্বাৱলম্বী হৈ উঠিব।

# যুৱ প্ৰজন্মৰ পৰিৱৰ্তনশীল মানসিকতাক সন্মান জনাবই লাগিব



**গোপাল জালান**

**সময়ৰ** পৰিৱৰ্তনৰ লগে লগে যুৱ মানসিকতাৰ পৰিৱৰ্তন হৈছে। এই পৰিৱৰ্তন এক গুৰুত্বপূৰ্ণ সামাজিক প্ৰক্ৰিয়া হিচাপে গণ্য কৰা হয়। এই প্ৰক্ৰিয়া পূৰ্বৰে পৰাই অব্যাহত আছে। অতীতৰে পৰাই ৰজা-মহাৰজাৰ দিনৰে পৰা যুৱ শক্তিক আধাৰ হিচাপে লৈ দেশৰ পৰিকাথামো নিৰ্ণয় কৰা হৈছে। বৰ্তমান সময়ত প্ৰযুক্তি, শিক্ষা আৰু গোলকীকৰণৰ বাবে যুৱ প্ৰজন্মৰ চিন্তাধাৰাত ব্যাপক সলনি হৈছে। আজিৰ নৱ প্ৰজন্মৰ মানসিকতা হ'ল সৃষ্টিশীল, আধুনিক আৰু পৰিৱৰ্তনকামী। বিশ্বৰ সভ্যতা তথা সামাজিক সংস্কাৰৰ প্ৰতিটো ঘটনাৰ আঁৰত আছে এই যুৱ সমাজৰ বহুমূলীয়া অৱদান আছে। তেওঁলোকে প্ৰতিটো বিষয়তে মুক্ত চিন্তা আৰু দ্ৰুতগতিত স্বাধীনতা বিচাৰে। যুৱ প্ৰজন্মই পুৰণিকলীয়া ৰীতি-নীতি অন্ধভাৱে মানি ল'ব নোখোজে। ইয়াৰ পৰিৱৰ্তে নৱপ্ৰজন্মই যুক্তি আৰু প্ৰমাণৰ ওপৰতহে গুৰুত্ব প্ৰদান কৰি আহিছে। প্ৰযুক্তিৰ প্ৰভাৱত তেওঁলোকৰ চিন্তা-চৰ্চা দ্ৰুত আৰু প্ৰগতিশীল হৈ পৰিছে যদিও মাজে মাজে অতি আৱেগিক হোৱা বাবে নকৰিবলগীয়া কামো কৰা দেখা যায়। আজি পৃথিৱীৰ প্ৰতিখন দেশতেই যুৱ শক্তিৰ উত্থান ঘটিছে। বিগত কে'বা বছৰত ভাৰতৰ চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশ, নেপাল আদিত হোৱা জেন জিৰ উত্থানৰ পাছত এটা কথা স্পষ্ট হৈ পৰিছে যে তেওঁলোকে দুৰ্নীতিক সমৰ্থন নকৰে। তদুপৰি দেশৰ শাসন ব্যৱস্থাত যদি সীমাহীন দুৰ্নীতি বা অনিয়ম সংঘটিত হয় তেতিয়া নৱ প্ৰজন্মই একেলগে ওলাই আহি ইয়াৰ বিৰুদ্ধে ওলাই আন্দোলন কৰিছে। শেহতীয়াকৈ ইয়াৰ প্ৰতিফলন ভাৰততো দেখিবলৈ পোৱা গৈছে।

আজিকালি ইণ্টাৰনেটৰ যুগ। এই যুগত তেওঁলোকে অতি কম সময়ৰ ভিতৰতে সংগঠিত হোৱাৰ সুযোগ লাভ কৰে। সেইবাবে যিকোনো কাম অতি দ্ৰুতগতিত কৰিবলৈ সক্ষম হয়। পিছে এনে কৰোঁতে কেতিয়াবা তৃতীয় শক্তিৰ দ্বাৰা পৰিচালিত হোৱাৰ সম্ভাৱনা থাকে। যদি এইদৰে পৰিচালিত হয় তেতিয়া তেওঁলোকৰ আন্দোলনে অন্যফালে গতি কৰে আৰু লাভ হয় তেওঁলোকক পৰিচালনাকাৰীৰ। কিয়নো যুৱ চামক অতি সহজেই প্ৰৰোচিত কৰিব পাৰি। সেইবাবে কেতিয়াবা তেওঁলোক মূল লক্ষ্যৰ পৰা আঁতৰি যোৱাও দেখা পোৱা যায়। বাংলাদেশ আৰু নেপালৰ জেন জি আন্দোলনৰ কথাকে আমি উদাহৰণ স্বৰূপে উল্লেখ কৰিব পাৰো। যি কাৰণত এই দেশ দুখনত চৰকাৰৰ পৰিৱৰ্তন হ'ল, তেনে পৰিৱৰ্তনে দেশৰ কোনো উন্নতি সাধন কৰিব পৰা নাই। বৰঞ্চ এতিয়া নেপালত যিগৰাকীৰ ওপৰত জনগণে আস্থা প্ৰকাশ কৰি শাসনৰ বাঘজৰী হাতত তুলি দিছিল, তেওঁৰ বিৰুদ্ধেই আজি পুনৰ বিদ্ৰোহৰ উকমুকনি আৰম্ভ হৈছে। কেতিয়াবা কোনো বহিঃৰাষ্ট্ৰই নিজৰ মুনাফা লাভৰ বাবে আন দেশৰ যুৱ প্ৰজন্মক অৰ্থৰ পৰা আৰম্ভ কৰি সকলো প্ৰকাৰে সহায়ৰ হাত আগবঢ়ায়। পৰৱৰ্তী সময়তহে ইয়াৰ আঁৰৰ কাহিনীবোৰ প্ৰতিফলিত হয়। তেতিয়া কিন্তু দেশখনৰ যি ক্ষতিসাধন হয় সেইবোৰ পুনৰ নিৰ্মাণত প্ৰত্যাহ্বান হৈ পৰে। সেই সুযোগ আন দেশে গ্ৰহণ কৰিবলৈ সক্ষম হয়। বৰ্তমান যুৱ সমাজক সবাতোকৈ বেছি আৰু কঠোৰ সমালোচনা কৰা হয়। তাৰ মাজতো কিন্তু আধুনিক যুৱক-যুৱতীসকল ডিজিটেল প্ৰযুক্তিত অতি পাকৈত। যিকোনো কামেই সুন্দৰভাৱে সম্পাদন কৰিব পাৰে। পৰিৱেশ সংৰক্ষণ, লিংগ সমতা আৰু মানসিক স্বাস্থ্যৰ দৰে বিষয়ত তেওঁলোক অধিক সৰৱ। ফেচবুক, ইউটিউব আৰু ইনষ্টাগ্ৰামে চিন্তাৰ খোৰাক যোগায়। কম বয়সতে উপাৰ্জনৰ সুযোগে তেওঁলোকক স্বাধীন কৰি তুলিছে। পিছে তেওঁলোকে অতি আৱেগৰ বশৱৰ্তী হৈ গ্ৰহণ কৰা সকলো



সিদ্ধান্ত যে সঠিক সেই কথাও মানি ল'ব নোৱাৰি ।

যুৱ সমাজৰ আচাৰ ব্যৱহাৰ, ৰীতি-নীতি সাধাৰণতে বিতৰ্কমূলক যদিও সমাজৰ জ্যেষ্ঠসকলে এই ক্ষেত্ৰত কিছু ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিব পাৰে। পৰম্পৰাগত ভাৰতীয় সংস্কৃতিত যুৱক-যুৱতীসকলে প্ৰায়ে নিজৰ বয়োজ্যেষ্ঠসকলৰ কথা মানিব বুলি আশা কৰা হয়। জেন জি মানে জ্যেষ্ঠজনক সন্মান প্ৰদৰ্শন যে কৰিব নালাগে সেয়া নহয়। এই ব্যৱধান দূৰ কৰিবলৈ জ্যেষ্ঠসকলে গুৰুত্ব আৰোপ কৰা উচিত। পৰিয়ালৰ বান্ধোনৰ দৰে সকলোকে একেডাল মৰমৰ সূতাৰে মেৰিয়াই ৰাখিব লাগিব। যুৱ সমাজৰ প্ৰতিটো কামকে সমালোচনামূলক তথা সন্দেহৰ চকুৰে চোৱাৰ মানসিকতা পৰিহাৰ কৰিব লাগিব। কেৰিয়াৰৰ প্ৰতিযোগিতা আৰু একাকীত্বৰ বাবে অৱসাদ বা মানসিক চাপ বৃদ্ধি ৰোধ কৰিব লাগিব। তেওঁলোকে যাতে হতাশ নহয় তাৰ বাবে বিভিন্নপদক্ষেপ গ্ৰহণ কৰা উচিত। আধুনিকতাৰ ধামখুমীয়াত বহু সময়ত থলুৱা সংস্কৃতি আৰু পৰম্পৰাৰ প্ৰতি জন্মা অনীহা জ্যেষ্ঠজনেই নোহোৱা কৰিব লাগিব। আমি এনে এখন সমাজত বাস কৰো য'ত ল'ৰা-ছোৱালীয়ে ডাঙৰক সন্মান কৰাটো আশা কৰা হয়। যদি কোনোৱে কেৱল স্বাৰ্থ পূৰণৰ বাবে তেওঁলোকক উচটনি দি থাকে, তেন্তে সেই ব্যৱধান হ্ৰাস কৰিবই লাগিব। অফিচতেই হওক বা ঘৰতে হওক, জেন-জি বা আজিৰ যুৱ প্ৰজন্মক পৰিচালনা কৰাটো আনকি অভিজ্ঞ পেছাদাৰীসকলৰ বাবেও এক ডাঙৰ প্ৰত্যাহ্বান। ইণ্টাৰনেট আৰু ডিজিটেল মাধ্যমৰ জৰিয়তে তেওঁলোকে সমগ্ৰ বিশ্বৰ লগত সহজে সংযোগ স্থাপন কৰিছে। গতিকে তেওঁলোকৰ চিন্তাধাৰা, পদক্ষেপক আমি সকলোৱে সন্মান জনাব লাগিব। ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড° এ পি জে আব্দুল কালামৰ ভাষাৰে ক'ব পাৰো—'ডাঙৰ সপোন দেখিবা, কাৰণ সপোনেই চিন্তাক জন্ম দিয়ে আৰু চিন্তাই সফলতাৰ পথ মুকলি কৰে'।

> আজি পৃথিৱীৰ প্ৰতিখন দেশতেই যুৱ শক্তিৰ উত্থান ঘটিছে। বিগত কে'বা বছৰত ভাৰতৰ চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশ, নেপাল আদিত হোৱা জেন জিৰ উত্থানৰ পাছত এটা কথা স্পষ্ট হৈ পৰিছে যে তেওঁলোকে দুৰ্নীতিক সমৰ্থন নকৰে

*ফোন ঃ ৯৪৩৫১০৩৯৭৭*



# চৰকাৰী কাৰ্যালয়ৰ ফাইল ব্যৱস্থাপনা

কেইদিনমান আগতে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এখন ৰাজহুৱা সভাত কোৱা শুনিছিলো 'ৰাজ্যত বিভিন্ন অফিচত পাঁচলাখ ফাইল এতিয়াও পেণ্ডিং হৈ আছে। ইয়াৰে অকল দিছপুৰতেই দুই লাখ ফাইলৰ কাম সময়মতে সমাধা নহৈ পৰি আছে। এই পেণ্ডিং হৈ থকা কাগজ আৰু ফাইলৰ কাম ২০২৬ দুই অক্টোবৰৰ পৰা ২০২৭ৰ ৩১ জানুৱাৰীৰ ভিতৰত সমাধা হ'ব লাগিব।' এই সংক্ৰান্তত 'প্ৰজেক্ট সম্ভাৱনা' নামেৰে এটা প'ৰ্টেল মুকলি কৰিব চৰকাৰে। সাধাৰণ জনতায়ো এটা প'ৰ্টেলৰ যোগেদি এই ই ফাইলৰ বাবে আবেদন কৰিব পাৰিব। একপ্ৰকাৰ সময়সীমা দি সকীয়াই দিছে ৰাজ্যৰ চৰকাৰী কৰ্মচাৰীসকলক।

## সকাহ পাবনে জনতাই ?

ড° অনিল কুমাৰ বৰা

কেইদিনমান আগতে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এখন ৰাজহুৱা সভাত কোৱা শুনিছিলো 'ৰাজ্যত বিভিন্ন অফিচত পাঁচলাখ ফাইল এতিয়াও পেণ্ডিং হৈ আছে। ইয়াৰে অকল দিছপুৰতেই দুই লাখ ফাইলৰ কাম সময়মতে সমাধা নহৈ পৰি আছে। এই পেণ্ডিং হৈ থকা কাগজ আৰু ফাইলৰ কাম ২০২৬ দুই অক্টোবৰৰ পৰা ২০২৭ৰ ৩১ জানুৱাৰীৰ ভিতৰত সমাধা হ'ব লাগিব।' এই সংক্ৰান্তত 'প্ৰজেক্ট সম্ভাৱনা' নামেৰে এটা প'ৰ্টেল মুকলি কৰিব চৰকাৰে। সাধাৰণ জনতায়ো এটা প'ৰ্টেলৰ যোগেদি এই ই ফাইলৰ বাবে আবেদন কৰিব পাৰিব। একপ্ৰকাৰ সময়সীমা দি সকীয়াই দিছে ৰাজ্যৰ চৰকাৰী কৰ্মচাৰীসকলক। এই পৰি থকা ফাইলৰ কাম-কাজবিলাক বিভিন্ন চৰকাৰী বিভাগৰ হয় সঞ্চালকৰ অধীনৰ অফিচত আৰু নহয় আয়ুক্ত-সচিবৰ অধীনৰ অফিচত দ'ম খাই আছে।

চৰকাৰী অফিচৰ এই ফাইলবিলাকৰ কাম-কাজবিলাক কিয় সময়মতে হৈ নুঠে? কিয় বছৰ, বছৰ ধৰি এই ফাইলৰ কাম-কাজবিলাক হেস্ত-নেস্ত নোহোৱাকৈ পৰি থাকে? মোৰ লগতে হয়তো বহুতৰে মনত এই একে প্ৰশ্নৰ উদয় হয়। সাধাৰণতে ৰাজ্যখনৰ একেবাৰে ভিতৰুৱা অঞ্চলকে ধৰি নগৰ-চহৰ সকলোৰে পৰাই চৰকাৰী কাম-কাজৰ বাবে মানুহ চৰকাৰী অফিচলৈ আহিবলগীয়া হয়। কাৰণটো হৈছে কিছুমান কাম-কাজ এই চৰকাৰী অফিচৰ যোগেদিহে হয়। এই কাম-কাজবিলাক চৰকাৰী কৰ্মচাৰী হিচাপে একেবাৰে কিছু ব্যক্তিগত প্ৰাপ্য বা আন কিবা সকাহৰ হ'ব পাৰে বা কিছুমান কোনো লোকৰ আশাৰ সঞ্চৰ অনা কাম-কাজো হ'ব পাৰে। কিছুমান সামাজিক কাম-কাজৰ হ'ব পাৰে। কিছুমান ৰাজ্যৰ উন্নয়নমূলক কাম-কাজৰ বাবেও হ'ব পাৰে। কিছুমান জনসাধাৰণৰ চৰকাৰী সা-সুবিধা লাভৰ বাবেও দিয়া আৰ্জিও হ'ব পাৰে। জনসাধাৰণে অফিচলৈ কঢ়িয়াই অনা এই কাম-কাজবিলাক সময়মতে সমাধা হ'লে মানুহে প্ৰশান্তি লাভ কৰে। মনটো পাতল হয়, পুলকিত হয় কাম এটা সমাধা হ'ল বুলি; কিন্তু কামবোৰ সহজে হৈ নুঠিলে ব্যক্তিগতভাৱেই হওক বা সামাজিকভাৱেই তথা ৰাজহুৱাভাৱেই হওক বৰ তিক্ততা অনুভৱ কৰে জনসাধাৰণে। সেই ব্যক্তি বা কৰ্মচাৰী, কোনো সংগঠনৰ লোকে একেটা কামৰ বাবে চৰকাৰী অফিচত আকৌ পদাৰ্পণ কৰিবলৈ অনীহা প্ৰকাশ কৰে। স্বীকাৰ্য যে চৰকাৰী অফিচৰ ফাইল পৰিচালনা এটা বৰ প্ৰয়োজনীয় অথচ স্পৰ্শকাতৰ বিষয়। কাৰণটো হৈছে চৰকাৰী অফিচৰ কাম-কাজবিলাক এশ শতাংশই এই ফাইল পৰিচালনা প্ৰক্ৰিয়াৰ অধীনতে চলে বুলি ক'ব পাৰি। গতিকে ফাইল পৰিচালনা বা ব্যৱস্থাপনা বেয়া বা ফলপ্ৰসূ নহ'লে ই চৰকাৰী কাম-কাজবিলাকৰ গতি ৰুদ্ধ হৈ পৰে বা যতি পৰে বুলি ক'লেও অত্যুক্তি কৰা নহয়। চাবলৈ গ'লে এই ফাইল ব্যৱস্থাপনাৰ বিষয়টো অফিচ ব্যৱস্থাপনাৰে এটা অংশ। ইয়াৰ দায়িত্বত থকা সকলো বিষয়া-কৰ্মচাৰীয়ে তৎপৰতাৰে সমাধা কৰিবলৈ বৰ গুৰুত্ব সহকাৰে ল'ব লাগে।

শেহতীয়াকৈ ৰাজ্য চৰকাৰখনে চৰকাৰী কাৰ্যালয়ৰ ফাইল ব্যৱস্থাপনাৰ সম্পৰ্কত কিছুমান নীতি তৈয়াৰ কৰি কিছু পদক্ষেপ হাতত লৈছে বুলি জানিব পাৰিছো। আগতেও চৰকাৰী অফিচবোৰৰ এই ফাইল ব্যৱস্থাপনাৰ কিছুমান পদক্ষেপ হাতত লৈছিল যদিও বৰ বিশেষ ফলৱতী হোৱা নাছিল। এতিয়া ফাইলৰ ব্যৱস্থাপনা ডিজিটেলাইজেচন কৰাৰ ফলত ফাইলৰ কাম-কাজবিলাক কিছু হ'লেও খৰতকীয়া হৈছে যদিও জনসাধাৰণে ভবামতে কিন্তু সিমান সুফল পোৱা নাই। নহ'লেনো ইমান দ'ম, দ'ম হৈ ফাইলবিলাক থাকেনে? আগতেও দিছপুৰৰ কোনো কোনো বিভাগৰ আয়ুক্ত-সচিবৰ অফিচত (টেবুলত) তিনিদিনতকৈ বেছি দিন ফাইল থাকিব নোৱাৰিব বুলি কিছুমান দক্ষ বিষয়াই নিৰ্দেশনা দিছিল বুলি জ্ঞাত হৈছিলো। কিন্তু পাছত ভবা মতে সকলো হৈ নুঠিল। আবেদনকাৰীয়ে ভবা মতে খৰতকীয়াকৈ ফাইলৰ কাম-কাজৰ কিবা হেস্ত-নেস্ত হ'ব বুলি আশা কৰিলেও মূৰকত হৈ নুঠেগৈ। স্মৰ্তব্য যে সম্প্ৰতি এই ফাইল ব্যৱস্থাপনাত নতুনকৈ সংযোজিত ডিজিটেলাইজেচন প্ৰক্ৰিয়াৰ জৰিয়তে আবেদনকাৰীয়ে কেৱল মাত্ৰ এটা এণ্ড্ৰয়ড ম'বাইলৰ যোগেদি সময়ে সময়ে নিজ নিজ ফাইলৰ স্থিতিৰ বিষয়ে জ্ঞাত হৈ থাকিব পাৰিব। কাৰণ কোনো আবেদনকাৰীয়ে কোনো কামৰ বাবে অনলাইন আবেদন কৰাৰ লগে লগে ফাইলৰ সকলো প্ৰক্ৰিয়া ডিজিটেলাইজেচনৰ অধীনত আহি পৰে। কেতিয়াবা কেতিয়াবা আকৌ আবেদনকাৰীয়ে এছ.এম.এছ.ৰ জৰিয়তেও কিছুমান হ'বলগীয়া কামৰ অগ্ৰগতিৰ বিষয়ে অবগত হৈ থাকিব পাৰিব। অৱশ্যে কাৰোবাৰ এণ্ড্ৰয়ড ম'বাইল নাথাকিলেও ওচৰৰ কোনোবা কেফে চেন্টাৰৰ পৰাও নিজৰ নিজৰ ফাইলৰ গতি-বিধিবিলাক জানি থাকিবলৈ সক্ষম হ'ব। উল্লেখ্য যে অফিচৰ ফাইল ব্যৱস্থাপনাৰ অধীনত যিমানেই তথ্য প্ৰযুক্তি ব্যৱহাৰ নকৰক লাগে এই ক্ষেত্ৰত কিন্তু চৰকাৰী বিষয়া- কৰ্মচাৰীৰ আন্তৰিকতাও থাকিব লাগিব। ফাইলৰ কাম-কাজবিলাক খৰতকীয়া কৰিবলৈ বুলি কেৱল প্ৰযুক্তিৰ ব্যৱহাৰৰ ওপৰত নিৰ্ভৰশীল নহৈ বিষয়া-কৰ্মচাৰীসকলৰ কিন্তু যথেষ্ট বিচক্ষণতাৰো প্ৰয়োজন। স্বীকাৰ্য যে এখন চৰকাৰৰ বিভিন্ন কাম-কাজৰ খতিয়ান বা ফলাফল আকৌ এই ফাইল মেনেজমেন্টৰ ওপৰত নিৰ্ভৰ কৰে। কাৰণটো হৈছে চৰকাৰে ৰাজ্যৰ জনসাধাৰণৰ হকে বিভিন্ন উন্নয়নমূলক তথা জনকল্যাণমূলক কামৰ পৰিকল্পনা বা আঁচনিবিলাক কৰে যদিও সেই পৰিকল্পনা মতে যেতিয়াই ফাইলৰ কামসমূহ প্ৰায়োগিক দিশত হৈ নুঠে বা পৰিকল্পনা তথা আঁচনি মতে এইবোৰৰ কাৰ্যকাৰিতাত কিছু খেলি-মেলি লাগে তেতিয়াই চৰকাৰৰ কাম-কাজবিলাক হৈ নুঠে। উপায়ন্তৰ হৈ আবেদনকাৰীয়ে মন্ত্ৰী-বিধায়ক গৈ খাটনি ধৰেগৈ। সাধাৰণতে ফাইল ব্যৱস্থাপনা সদায় দ্ৰুতগতিৰ আৰু শুদ্ধ হ'ব লাগে। লগতে থাকিব লাগে আসোঁৱাহমুক্ত আৰু স্পষ্টতা। আবেদনকাৰীয়ে কিবা এটা বিচাৰি আবেদন কৰিলে প্ৰথমতেই নিশ্চিত কৰি দিব লাগে যে কামটো হ'ব নে নহয়! হ'ব হ'ব বুলি আশাৰে বাট চাই থকা কাম এটা যেতিয়া মূৰকত নহয়গৈ, তেতিয়া আশাত চেঁচা পানী পৰে। ফাইলৰ পাছত লাগি থকা সময়ৰ অপব্যৱহাৰ হয়। মানসিক কষ্টতো বাদেই। অৱশ্যে কিছুমান ফাইলৰ কাম আগতীয়াকৈ কোৱা টান, সেইবিলাকৰ কথা বেলেগ। সাধাৰণতে প্ৰথমেই অহা ফাইল বা আবেদনৰ ফাইলৰ কাম-কাজ বিলাক প্ৰথমেই বা আগেয়ে হ'ব লাগে। তাতে চৰকাৰী অফিচৰ ফাইলৰ কাম-কাজ বিলাক যিমানেই খৰতকীয়া কৰা হয় সিমানেই সোনকালেই জনসাধাৰণৰ কামত আহে, উপকাৰ হয়, ৰাজ্যৰ উন্নয়নৰ কাম-কাজ বিলাক আগুৱাই গৈ থাকে আৰু শেষত ৰাজ্যখনৰ উত্তৰোত্তৰ উন্নয়ন সম্ভৱ হৈ উঠে। এই যান্ত্ৰিকতাৰ যুগত মানুহৰ হাতত সময় কম থাকে। তাতে একেটা কামতে মানুহে লাগি থাকিবলৈ টান পায়। সময়ৰ কাম সময়ত নহ'লে মানুহৰ মনত তিক্ততা আহে ফাইল ব্যৱস্থাপনাৰ প্ৰক্ৰিয়াটো কৰ্প'ৰেট হাউছ তথা ব্যৱসায়িক অনুষ্ঠান-প্ৰতিষ্ঠানৰ কিছু সুকীয়া। তেওঁলোকে দ্ৰুত আৰু শুদ্ধ ব্যৱস্থাৰে ফাইল মেনেজমেন্ট চলায়। কিছুমান কাম অতি কম সময়তে একেখন টেবুলৰ জৰিয়তে সমাধা কৰে। আন নালাগে কোনোবাই ৰাজহুৱা খণ্ডৰ বেংক এটাত ফিক্স ড ডিপ'জিট খুলিবলৈ গ'লে দুজন কৰ্মচাৰীয়ে তৎকালেই কামটো কৰি দিয়ে। খুব বেছি ১০ মিনিট মানৰ ভিতৰতেই ফিক্সড ডিপ'জিটৰ ৰছিদখন আবেদনকাৰীৰ হাতত তুলি দিয়ে। তেওঁলোকেও কম্পিউটাৰ তথা প্ৰযুক্তিৰ ব্যৱহাৰ কৰি কামবিলাক কৰে। কেৱল অকণমান দায়বদ্ধতা আৰু কাম-কাজৰ পদ্ধতি কিছু বেলেগ। চৰকাৰী কামৰ কিছুমান শাখাৰ বাবে একোজন ডেস্ক অফিচাৰ দিব লাগে বা ওপৰৰ বিভাগৰ পৰা এজন ডেস্ক অফিচাৰে সেই শাখাতে আহি ফাইলবিলাক চহী কৰি গুচি যাব লাগে। তেতিয়া কোনো এটা কামৰ আৰম্ভণি আৰু শেষত নিৰ্দেশ উলিওৱাৰ সময়ত অফিচাৰসকলৰ চেম্বাৰলৈ অফিচৰ ফাইলবিলাক কাৰ্যালয় সহকাৰীয়ে লৈ নগ'লেও হয়। দেখা যায় কৰ্প'ৰেট হাউছৰ নিচিনাকৈ চৰকাৰী অফিচ এটাত কে'বাটাও স্তৰ থাকে। চৰকাৰৰ অফিচৰ ফাইল বিলাকৰ কাম-কাজ বিলাকো তলৰ পৰা ওপৰলৈ আৰু ওপৰৰ পৰা তললৈ চলি থাকে। ব্যৱসায়িক প্ৰতিষ্ঠানৰ কাম-কাজবিলাকৰ নিচিনাকৈ আমাৰ চৰকাৰী অফিচৰ কাম-কাজবিলাক ওপৰৰ পৰা তললৈ একপ্ৰকাৰ আদেশ বা নিৰ্দেশ অনুযায়ী তৎকালেই আহি থাকে বা তলৰপৰা ওপৰলৈ চলি থাকে বা থাকিব লাগে আৰু তলৰ পৰ্যায়ৰ কৰ্মচাৰী তথা বিষয়াসকলে সেইমতেই সময়ত কাৰ্যকৰী কৰি ইয়াৰ বাবে উৰ্ধতন বিষয়াৰ ওচৰত জবাবদিহি হৈ গৈ থাকে। তেনেস্থলত চৰকাৰী অফিচবিলাকত সময়ত ফাইলৰ কাম কৰিব নোৱাৰা কি কথা থাকিব পাৰে? যিয়েই নহওক কিয়, কৰ্মচাৰীয়ে ফাইলৰ কাম-কাজত ইচ্ছাকৃতভাৱে হেমাহি কৰা কাৰ্যত তলৰ কৰ্মচাৰীসকলৰ লগতে ওপৰৰ কৰ্মচাৰীসকলকো জবাবদিহি কৰিব লাগে। বহু বছৰৰ আগতে চৰকাৰী অফিচ বিলাকত কৰ্মচাৰীৰ সংখ্যা কম আছিল। সেই হিচাপে বিভিন্ন বিভাগৰ অধীনত ৰাজ্যৰ চৰকাৰী চাকৰিয়াল সকলো কম আছিল। এতিয়া কিন্তু বহু বেছি, বিষয়া-কৰ্মচাৰী থাকে। গতিকে তেতিয়াৰ ফাইল আগুৱাই নিয়াৰ ব্যৱস্থাৰ লগত এতিয়াৰ ব্যৱস্থা নিমিলিব বা কামত নাহিব। কিছুমান ফাইল প্ৰছেছিঙৰ ব্যৱস্থা ব্ৰিটিছৰ দিনৰ পৰা কিজানি একেটো প্ৰক্ৰিয়াৰে চলি আছে। যেনে কোনো এটা কামৰ বাবে অফিচ এটাত প্ৰথমেই কাৰ্যালয় সহকাৰীৰ হতুৱাই পুট-আপ কৰি অধীক্ষকৰ নোট লৈ, উপ-সচিব, যুটীয়া সচিব আৰু শেষত সচিব আ আয়ুক্ত আদিৰ নোট বা ভিউ লৈ পাছত অৰ্ডাৰ কৰা হয়। অৱশ্যে ফাইল সোনকালে, জৰুৰী, অত্যন্ত জৰুৰী আদি শব্দ লিখি সেইমতে খৰতকীয়া কৰাও দেখা যায়। ঠিক তেনেকৈ বাজেটৰ সময়ত সচিবালয়ৰ প্ৰশ্নবিলাকৰ কাম-কাজবিলাকৰ খৰতকীয়া কৰাও দেখা যায়। উল্লেখ্য যে অফিচবিলাকৰ ফাইল প্ৰছেছিংটো কিছু কিছু ক্ষেত্ৰত এটা পুৰণিকলীয়া নিয়মত চলি আছে। এটিয়াও অনলাইন বা ডিজিটেলাইজড ব্যৱস্থাৰে অফিচবিলাকত কাম-কাজ চলি আছে যদিও আগৰ তেনে কিছুমান পদ্ধতিৰেও কিছু কিছু কাম কৰা দেখা যায়। অৱশ্যে সেই সময়ত সেয়াই সঠিক পদ্ধতি বুলি ধৰা হৈছিল। সম্প্ৰতি প্ৰযুক্তিৰ ব্যৱহাৰে বিশেষকৈ ইণ্টাৰনেট, হোৱাট্‌ছএপৰ যুগত অনলাইন ব্যৱস্থাৰে ফাইলৰ কাম বিলাক কৰিব পৰা হৈছে। এনে ব্যৱস্থাত সময়ো কম লাগিব, জনসাধাৰণে কোনো এটা কামৰ বাবে অফিচলৈ তাঁত-বাটি কৰাৰো ওৰ পৰিব। লগতে জনসাধাৰণে কৰা ফাইল তথা আবেদন -নিবেদনৰ কাম-কাজবিলাক সময়মতে সমাধা হ'ব। ফোন ঃ ৯৫৪২ ০৯৩০১

# অসমীয়া ভাষাৰ সংকট

## শংকা আৰু বাস্তৱ

কামৰূপ দেশলৈ আহি আৰ্যসকলে ইয়াৰ প্ৰাকৃত ভাষা আৰু সংস্কৃতিৰে মিলি গৈছিল। কথোপকথনতো কালক্ৰমত প্ৰাকৃত ভাষাক ঠাই এৰি দিছিল। পাছত, সেই ভাষাৰ পৰা হিন্দীকে আদি কৰি বিভিন্ন ভাৰতীয় ভাষাৰ সৃষ্টি হয়, প্ৰাচীন অসমীয়া ভাষাও তাৰে এটা শাখা। সময় ৰথৰ গতিত হিন্দী, ব্ৰজাৱলী, প্ৰাচীন অসমীয়া আৰু অসমৰ ভিন্ন জাতি-জনগোষ্ঠীৰ ভাষাৰ শব্দৰ লগত মিলি, অসমীয়া ভাষাই আজিৰ ৰূপ পাইছে। তাৰ পাছত ছ্যুকাফা-আৰু শংকৰগুৰুৱে বৰঅসমৰ ভেটি আৰু ভাষা মজবুত কৰি গঢ়ি তুলিছিল। কিন্তু ১৮২৬ৰ ইয়াণ্ডাবু সন্ধিমতে অসম ইংৰাজৰ শাসনাধীন হোৱাৰ পাছতেই এনে প্ৰাচীন ভাষাটোৰো দুৰ্যোগ আৰম্ভ হৈছিল।



সতীশ ওজা

ভাষা হ'ল একো একোটা জাতিৰ কলিজা। যি সবল, স্বচ্ছন্দ নহ'লে বিপদ অনিবাৰ্য। বৰ্তমান অসমৰ অসমীয়া ভাষাটোও তদ্ৰূপেই গতি কৰা দেখা গৈছে, যি ভাষা অতিকে প্ৰাচীন, যাৰ মূল সংস্কৃতৰ পৰা ওলোৱা প্ৰাকৃত ভাষা। তেনে ভাষা এটা সংকটাপন্ন হোৱাতো দেশৰ সভ্যতা-সংস্কৃতিৰ বাবেই চিন্তাৰ কাৰক।

মহাভাৰত ৰচনা কালৰ অসমত (তেতিয়াৰ কামৰূপ) অনাৰ্য ৰজাসকলে ৰাজত্ব কৰিছিল। সেই সময়ত গোটেই আৰ্যবৰ্তত সংস্কৃতৰ পৰা ওলোৱা প্ৰাকৃত ভাষাৰ প্ৰচলন আছিল। তেতিয়াই এই ভূখণ্ডলৈ আৰ্যসকলৰ সোঁত প্ৰবলভাৱে প্ৰবাহিত হৈছিল, সংস্কৃত যাৰ কথিত ভাষা আছিল।

কামৰূপ দেশলৈ আহি আৰ্যসকলে ইয়াৰ প্ৰাকৃত ভাষা আৰু সংস্কৃতিৰে মিলি গৈছিল। কথোপকথনতো কালক্ৰমত প্ৰাকৃত ভাষাক ঠাই এৰি দিছিল। পাছত সেই ভাষাৰ পৰা হিন্দীকে আদি কৰি বিভিন্ন ভাৰতীয় ভাষাৰ সৃষ্টি হয়, প্ৰাচীন অসমীয়া ভাষাও তাৰে এটা শাখা। সময় ৰথৰ গতিত হিন্দী, ব্ৰজাৱলী, প্ৰাচীন অসমীয়া আৰু অসমৰ ভিন্ন জাতি-জনগোষ্ঠীৰ ভাষাৰ শব্দৰ লগত মিলি, অসমীয়া ভাষাই আজিৰ ৰূপ পাইছে। তাৰ পাছত ছ্যুকাফা-আৰু শংকৰগুৰুৱে বৰঅসমৰ ভেটি আৰু ভাষা মজবুত কৰি গঢ়ি তুলিছিল। কিন্তু ১৮২৬ৰ ইয়াণ্ডাবু সন্ধিমতে অসম ইংৰাজৰ শাসনাধীন হোৱাৰ পাছতেই এনে প্ৰাচীন ভাষাটোৰো দুৰ্যোগ আৰম্ভ হৈছিল। অসম-অসমীয়া ভাষাৰ বিষয়ে সামান্যতমো জ্ঞান নথকা ইংৰাজসকলে চৰকাৰী কাম-কাজত বাহিৰৰ অভিজ্ঞতাপুষ্ট কিছু লোক আমদানি কৰি অসমৰ প্ৰশাসন চলোৱাৰ ব্যৱস্থা কৰিছিল। এই লোকসকলে তেওঁলোকৰ মাতৃভাষাক অগ্ৰাধিকাৰ দিয়াৰ ফলত ১৮৩৬ত অসম ৰাজ্যৰ প্ৰশাসন, আইন-আদালত, বিদ্যালয়ৰ কাম-কাজবোৰৰ পৰা অসমীয়া ভাষা বিতাৰিত হৈছিল। অৱশ্যে, ধৰ্ম প্ৰচাৰৰ কাৰণে অহা মিছনেৰীসকল আৰু ঘাইকৈ কলকাতালৈ পঢ়িবলৈ যোৱা অসমীয়া ছাত্ৰসকলৰ নেৰা নেপেৰা প্ৰচেষ্টাত অসমীয়া ভাষা-সাহিত্যই যথেষ্টখিনি অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হৈছিল। ইতিমধ্যে ইংৰাজ চৰকাৰে ১৮৭৩ত অসমৰ আদালত আৰু বিদ্যালয়সমূহত অসমীয়া ভাষা পুনৰ ব্যৱহাৰৰ অনুমতি প্ৰদান কৰিছিল যদিও স্বাধীনতাৰ ঠিক আগৰে পৰা অসমলৈ আৰম্ভ হোৱা দেশৰ বিভিন্ন অঞ্চলৰ লোকৰ অবাধ প্ৰব্ৰজনে অসমীয়া জাতি-ভাষা পুনৰ সংকটাপন্ন কৰি তোলে। নিৰুপায় অসমৰ জনগণে, পবিত্ৰ সংবিধানে দিয়া মাতৃভাষা ৰক্ষাৰ কবচেৰে সাহসী হৈ ১৯৬০ত অসমীয়া ভাষাক অসমৰ ৰাজ্য ভাষা হিচাপে ঘোষণা কৰিবলৈ চৰকাৰৰ ওচৰত প্ৰস্তাৱ আগবঢ়ায়।

কিন্তু বৰাক উপত্যকাৰ এচাম লোকে ওপৰোক্ত প্ৰস্তাৱৰ বিৰোধিতা কৰা আৰু এই বিষয়ত তেতিয়াৰ চৰকাৰৰ বিশেষ আগ্ৰহ নেদেখি ৰাইজে শান্তিপূৰ্ণ আন্দোলন আৰম্ভ কৰিছিল। এই আন্দোলন তীব্ৰতৰ হোৱাৰ পৰত অভিশপ্ত জুলাইত দুজনকৈ সম্ভাৱনাপূৰ্ণ অসমীয়াই ছহিদ হ'বলগীয়া হৈছিল। চাৰি তাৰিখে কটন কলেজৰ ছাত্ৰ ৰঞ্জিত বৰপূজাৰী পুলিচৰ গুলিত আৰু আঠ তাৰিখে পূৰ্বোত্তৰ সীমা ৰেলৰ বিষয়া সূৰ্য বৰাই শিলিগুৰি ৰেল ষ্টেছনত দুষ্কৃতিকাৰীৰ হাতত অকাল মৰণ সাবটি লৈছিল। লগে লগে সমগ্ৰ অসম জ্বলি উঠিছিল। দিল্লীৰ পৰা শ্বিলং অভিমুখী তেতিয়াৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাক গুৱাহাটীৰ ছাত্ৰ সমাজে শান্তিপুৰৰ মূল পথত বাট আগচি শান্তিপূৰ্ণভাৱে প্ৰতিবাদ সাব্যস্ত কৰিছিল। আন্দোলনৰ গভীৰতা দেখি তেতিয়াৰ প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৱে কৈছিল— 'অসমত অসমীয়া ৰাজ্য ভাষা নহৈ কি বোম্বাইত হ'ব?' অৱশেষত, ১৯৬১ৰ অসম বিধানসভাত চৰকাৰী ভাষা আইন গৃহীত হৈছিল, য'ত ব্ৰহ্মপুত্ৰ উপত্যকাত চৰকাৰী ভাষা অসমীয়া, বৰাক উপত্যকাত বঙালী আৰু পাহাৰীয়া অঞ্চলত জিলা পৰিষদৰ দ্বাৰা নিৰ্ধাৰিত ভাষা প্ৰচলনৰ ব্যৱস্থা কৰা হৈছিল।

তাৰ পাছত বৰলুইতেৰে বহু পানী বই গ'ল যদিও অসমীয়া জাতি-ভাষাৰ সংকট সম্পূৰ্ণ নিবাৰণ নহ'ল। বৰঞ্চ অসমীয়া মানুহৰ অতিথিপৰায়ণ স্বভাৱ আৰু যিকোনো লোককে বৰপীৰা পাৰি আদৰি লোৱা গুণৰ লগতে অসমৰ মাটি-পানী-বায়ুৰ মধুৰ সুৱাসৰ বাবে দেশী-বিদেশী লোকৰ অবাধ প্ৰব্ৰজনে লাৱনি অসমলৈ কঢ়িয়ালে আন্ধাৰৰ বতৰা। ইতিমধ্যে ১৯১১ৰ লোকপিয়লত অসমীয়া ভাষী লোকৰ সংখ্যা ৪৮ শতাংশলৈ হ্ৰাস পোৱা বুলিও তথ্য প্ৰকাশ পালে, যাৰ মূলতে ওপৰোক্ত প্ৰব্ৰজনেই বুলি জনবিশ্বাস।

লোকপিয়ল আকৌ সমাগত। পূৰ্বৰ লোকপিয়লৰ পৰা এইবাৰৰ লোকপিয়ললৈ প্ৰায় ১৫ বছৰ হ'বৰে হ'ল। চাকৰিসূত্ৰে হওক বা অন্য ব্যৱসায়-বাণিজ্যৰ আলমতেই হওক অসমলৈ অন্য ঠাইৰ লোকৰ আগমন অব্যাহত আছেই। গতিকে এই সুদীৰ্ঘ কালত অসমৰ সামগ্ৰিক জনসংখ্যা বৃদ্ধি পোৱাৰ লগতে অসমীয়া ভাষীৰ সংখ্যা নিম্নগামী হোৱাটো অস্বাভাৱিক নহয়।

অৱশ্যে এইবাৰৰ নিৰ্বাচনত দলদোপ- হেন্দোলদোপ লগাই দিয়া ভোটেৰে গঠন হোৱা জনপ্ৰিয় চৰকাৰে অসমীয়া জাতি- ভাষাৰ সংকট নিবাৰণৰ ক্ষেত্ৰত কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব বুলিয়েই ৰাইজ আশাবাদী। অসমৰ মুখ্যমন্ত্ৰীয়েও অসমীয়া ভাষা ৰক্ষা কৰা হ'ব বুলি আশ্বাসো দিছে। পিছে ১৯৬১ৰ ভাষা আইনৰ বিধি-বিধানসমূহ নিৰ্ধাৰিত ক্ষেত্ৰত এতিয়াও সম্পূৰ্ণভাৱে প্ৰণয়ন হ'বলৈ বাকী আছে; কিয়নো মাজে মাজে চৰকাৰী কাম-কাজত ইংৰাজী-প্ৰীতি অব্যাহত থকা যেন অনুভূত হয়। এইখিনিতেই উল্লেখ্য যে পশ্চিমবংগতো অলপতে ৰাজ্যৰ চৰকাৰী বিভাগৰ সকলো কাম-কাজতে বঙালী ভাষা ব্যৱহাৰ কৰিবলৈ নিৰ্দেশ দিয়াৰ বাতৰি প্ৰকাশ পাইছে। আনফালে, ১৯৮৫ৰ অসম চুক্তিৰ দফাসমূহ আখৰে আখৰে ৰূপায়ণ কৰাৰ যথাবিহিত ব্যৱস্থা লোৱা নহ'লেও ভৱিষ্যতলৈ অসমৰ সমস্যাবোৰ কঠোৰৰো কঠোৰ হোৱাৰ সম্ভাৱনাই অধিক। ইফালে, অসমীয়া মাধ্যমৰ বিদ্যালয়বোৰৰ আন্তঃগাঁথনি মজবুত নোহোৱা, শিক্ষকৰ অভাৱ, শিক্ষাদানৰ বাহিৰে অন্য কামত শিক্ষকসকলক নিয়োগ কৰা আদি শুনি থকা অভিযোগবোৰত চৰকাৰে গুৰুত্ব আৰোপ কৰাটোও নিতান্তই বাঞ্ছনীয়।

কিন্তু অকল চৰকাৰী প্ৰচেষ্টাৰেই সমস্যাসমূহৰ সমাধান হ'ব বুলি ভাবি থাকিলে আমো নসৰিব, দলিও হেৰাব। অসমীয়ালোকে পি-পূ-সি-শু কৰি থাকিলে নহ'ব। লগে লগে, 'অ' ফুল, অ' ফুল নুফুলনো কিয়' বুলি অইনলৈ দোষ ঠেলি নিজকে ধোৱা তুলসীৰ পাত সজোৱা স্বভাৱো এৰিব লাগিব।

আটাইতকৈ ডাঙৰ কথাটো হ'ল, অসমীয়া লোকে নিজৰে ভাষাটোৰ প্ৰতি দেখুৱাই অহা অনীহা। প্ৰায়েই দেখা যায়, বৰ্তমানৰ অভিভাৱকে নৱজাতকক 'আই- পিতাৰ' সলনি 'মাম্মী-ডেডী' বুলি মাতিবলৈ শিকোৱা আৰম্ভ কৰিছে। বিদ্যালয়ত নাম ভৰ্তিৰ সময়ত অসমীয়া মাধ্যমৰ সলনি ইংৰাজী মাধ্যমত পঢ়ুওৱাৰ প্ৰতি বেছি আগ্ৰহী হৈছে। এনেদৰে যদি সকলোৱেই ইংৰাজী ভাষাৰ প্ৰতি আগ্ৰহান্বিত হয়, তেন্তে অসমীয়া ভাষা ক'ব কোনে, মাতৃভাষাৰ বিদ্যালয়ত পঢ়িব কোনে? সেয়ে, বিনাপইচাৰ মাতৃভাষাৰ বিদ্যালয় এৰি, ধনী-দুখীয়া সকলোৱেই ব্যয়বহুল বুলি জানিও ন-পুৰুষক ইংৰাজী বিদ্যালয়ত পঢ়ুওৱাৰ আগ্ৰহৰ কাৰণ তথা মাতৃভাষাৰ শিক্ষাত কিবা কেৰোণ আছে নেকি ইয়াৰো পুংখানুপুংখ অনুসন্ধান কৰাৰ প্ৰয়োজনীয়তাৰ বিষয়ে অসমৰ জাতীয়তাবাদী দল-সংগঠনসমূহে ভাবি চোৱাৰ সময় এতিয়াও উকলি যোৱা নাই। সময়ৰ স'তে লৰবিবলৈ দুটামান ভাষা বেছিকৈ শিকাটো মংগলজনক যদিও তাকে কৰিবলৈ গৈ নিজৰ ভাষাটোৰ শিপাডাল হেৰুৱালে বিশ্ববুকুত অসমীয়াৰ চিন-মোকামেই নাথাকিব।

আনহাতে, অসমৰ মাটি-পানী-বায়ুৰ মধুৰ সুৱাস আৰু অসমীয়া লোকৰ বিমল আতিথ্যত মোহিত হৈ দেশৰ বিভিন্ন অঞ্চলৰ নানান ধৰণৰ লোক অসমলৈ আহি স্বচ্ছলভাৱে জীৱন নিৰ্বাহ কৰাৰ সুবিধা লভাসকলকো এই মাটিতেই লীন যোৱাৰ মানসিকতা গঢ়ি তোলাৰ প্ৰয়াসতো স্থানীয় লোকেই আগভাগ নল'লে থলুৱা আৰু বহিৰাগতৰ অমিল অনিবাৰ্য।

এনে ক্ষেত্ৰত ওপৰোক্ত লোকসকলৰ স'তে ভাব-ভাষা-কৃষ্টি-সংস্কৃতিৰ আদান-প্ৰদানেৰে, সুখ-দুখৰ অংশীদাৰেৰে অনেকক এক কৰি আগবঢ়াটোত গুৰুত্ব প্ৰদান কৰিব লাগিব। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদে কিন্তু সৌ তাহানিত এই বিষয়ত পৰামৰ্শ আগবঢ়াই গৈছে—

'আজি আমাৰ প্ৰদেশত বাগিচাৰ বনুৱা, মৈমনচিঙীয়া, নেপালী, বঙালী, মাৰোৱাৰী আৰু আন আন প্ৰদেশৰ মানুহ আহি ইয়াত বসতি কৰি সিহঁতৰ নিজৰ নিজৰ প্ৰাদেশিক বিশিষ্টতাকে ৰাখি যাব লাগিছে। এতিয়া এই জনসংখ্যাৰ মানুহৰ সৰহ ভাগকেই যদি আমি ইয়াৰ ভাষা-কৃষ্টি আৰু সভ্যতা দি আমাৰ ভিতৰত সুমুৱাব নোৱাৰো তেন্তে আমাৰ বিপদ আছে।'

ভূপেনদায়ো গাই গৈছে, 'কিছু ল'ব লাগে, কিছু দিব লাগে, জীণ যাবলে' হ'লে, মিলিব লাগে মিলাব লাগে ৰবীন্দ্ৰনাথেও ক'লে'। এইখিনিতেই উল্লেখ্য যে প্ৰাচীন কালৰ অসমত অনাৰ্যসকলে বসবাস কৰা সময়তো আৰ্যসকলেও আহি স্থানীয় ভাষা সংস্কৃতিৰে মিলি গৈছিল। একেদৰে, ন-অসমীয়াসকলো পুৰণিৰ লগত মিলি যোৱাৰ অসুবিধা নহ'ব হয়তো! ইয়াৰ কাৰণে সকলোৰে লাগিব মাথোঁ আন্তৰিকতা আৰু সদিচ্ছা আৰু তেতিয়াই গুৰুজনাই ভাৰতবৰ্ষক এক দেশ বুলি কোৱা কথা আকৌ প্ৰতিফলিত হ'ব—

ধন্য ধন্য কলি কাল
ধন্য নৰ তনু ভাল
ধন্য ধন্য ভাৰত বৰিষে ।

মুঠৰ ওপৰত অসমৰ ৰাইজ, চৰকাৰ সকলোৱেই এনে দায়িত্ববোধ সহানুভূতিৰে প্ৰচেষ্টা চলালে অসমীয়া জাতি-ভাষাৰ অভিশপ্ত দিন কেতিয়াও নাহিব। বৰঞ্চ বিশ্ববুকুত চেনেহী অসমী জিলিকিব অনন্ত কাল, বিনাশী অসুৰৰ অট্টহাস।

*ফোন ঃ ৯৪৩৫৩৪১১৫৫*



# স্পৰ্শ

## কেৱল এক শাৰীৰিক অনুভূতিয়েই নহয়!



অনিতা গোস্বামী

স্পৰ্শ— এজনে আনজনক কৰা স্পৰ্শ অথবা আলিংগন কেৱল শাৰীৰিক অনুভূতিয়ে নহয়। আমাৰ মনৰ শান্তি আৰু শৰীৰৰ সুস্থতাৰ স'তেও ই গভীৰভাৱে সম্পৰ্কিত। গৱেষণা কৰি পোৱা হৈছে— এজনে আনজনক কৰা কোমল স্পৰ্শ বা আলিংগনে শৰীৰৰ ভিতৰৰ বিশেষ স্নায়ুবোৰক সক্ৰিয় কৰি তোলে যিয়ে আমাৰ স্নায়ুতন্ত্ৰক শাঁত কৰে, এক সুখানুভূতিৰে মন ভৰাই তোলে। লগতে শৰীৰৰ অক্সিটোচিন' (বন্ধন তৈয়াৰৰ হৰম'ন) আৰু এণ্ডোৰফিন (সুখ আৰু স্বস্তি দিয়াৰ হৰম'ন) বিয়পাই দিয়ে। এজনে আনজনক কৰা প্ৰণাম বা সেৱাৰ যেনেকৈ মাহাত্ম্য আছে, ঠিক তেনেকৈ স্পৰ্শৰো আছে বিশেষ গুণাৱলী। এয়া কেৱল বৈজ্ঞানিক ব্যাখ্যাই নহয়, বাস্তৱ জীৱনতো স্পৰ্শৰ আছে অসাধাৰণ প্ৰভাৱ। উদাহৰণ স্বৰূপে ব্ৰিটেইনৰ নিডছ চহৰৰ চেন্ট জেমচ হাস্পতালৰ এক বিৰল দৃষ্টান্তৰ কথা উল্লেখ কৰা হ'ল—

২০২৩ৰ ঘটনা। নাথান নিউবি নামৰ এজন চিকিৎসাধীন ৰোগীয়ে জানিব পাৰিলে যে মহম্মদ ফাৰুক নামৰ এজন সন্ত্ৰাসবাদীয়ে হাস্পতালখনত বোমা বিস্ফোৰণ কৰি সকলো নাৰ্ছকে হত্যা কৰিব বিচাৰিছে। নিউবিয়ে যেতিয়া সন্ত্ৰাসবাদী ফাৰুকৰ মুখামুখি হ'ল তেতিয়া ফাৰুক ভীতিবিহ্বল হৈ পৰে। কিন্তু ৰোগী নিউবিয়ে শান্ত হৈ থাকিবলৈ চেষ্টা কৰে। তেওঁ ফাৰুকৰ স'তে স্বাভাৱিকভাৱে কথা পাতিবলৈ আৰম্ভ কৰে। কিছু সময় দুয়োৰে মাজত কথা-বতৰা হোৱাৰ পাছত ফাৰুকৰ মনৰ কিছু পৰিৱৰ্তন হয়। তেওঁ নিউবিক অৱশেষত আলিংগনৰ বাবে আহ্বান জনায়। নিউবিয়েও তেওঁৰ প্ৰস্তাৱত সন্মত হয়।

নিউবি আৰু ফাৰুকৰ আলিংগনৰ পাছত ফাৰুকৰ মনৰ বিশেষ পৰিৱৰ্তন হয়। তেওঁ কৈ উঠে —'মোৰ মনৰ মাজৰ অপূৰ্ব অনুভূতিৰ সলনি হোৱাৰ আগতে পুলিচক মাতা।'

এই আলিংগনৰ ফলত ডাঙৰ এক ৰক্তপাত ৰোধ হয়। নাৰ্ছসকল আৰু বহুতৰে জীৱন ৰক্ষা পৰিল। ইয়াৰ পাছত সন্ত্ৰাসবাদী ফাৰুকক ৩৭ বছৰৰ বাবে কাৰাদণ্ড দিয়া হয়। ৰোগী নিউবিক তেওঁৰ সাহসিকতাৰ স্বীকৃতিৰূপে 'জৰ্জ মেডেল' দিয়া হয়। এই ঘটনাই প্ৰমাণ কৰে যে এটা সাধাৰণ আলিংগনেও কেতিয়াবা পৰিস্থিতি সলনি কৰি দিব পাৰে।

মানৱ জীৱনত স্পৰ্শ হ'ল এক মৌলিক চাহিদা। আমাৰ শৰীৰত থকা ত্বকৰ চি ট্যাকটাইল অ্যাফাৰেণ্ট ফাইবাৰ নামৰ স্নায়ু কোমল স্পৰ্শৰ প্ৰতি অত্যন্ত সংবেদনশীল। এই স্নায়ুবোৰ যেতিয়া সক্ৰিয় হয়, তেতিয়া সি মস্তিষ্কত আৱেগ আৰু নিৰাপত্তাৰ স'তে যুক্ত অংশবোৰলৈ সংকেত পঠিয়ায়। ব্ৰিটিছ চাইক'ল'জিকেল ছ'চাইটিৰ মুখপাত্ৰ ডাঃ মাইকেল ছুইফটে কয়— এটা আলিংগনে প্ৰায় লগে লগে স্বস্তি দিব পাৰে। এই কথাৰে বাবে বেলেগ কোনো ব্যক্তি বা চিন্তাৰ প্ৰয়োজন আমাৰ নাই। অৱশ্যে সকলো স্পৰ্শই সমান বা একে নহয়। যিবোৰ স্পৰ্শ অন্যায় বা অপ্ৰয়োজনীয়, যেনে চিটিবাছত যাওঁতে কোনোবা অচিনাকি যাত্ৰীৰ স্পৰ্শই অশ্বস্তিৰ সৃষ্টি কৰে। আনহাতে, প্ৰিয়জনৰ কোমল স্পৰ্শই মন আৰু শৰীৰ উভয়কে স্বস্তি দিয়ে। ডাঃ ৰবি লুখা (বিউপিৰ মেডিকেল ডিৰেক্টৰ)ই কয়— ১০ ছেকেণ্ডৰ এটা আলিংগনে শৰীৰক সতেজ কৰি ৰাখে, লগতে হতাশা দূৰ কৰে আৰু সংক্ৰমণৰ বিৰুদ্ধেও সাহায্য কৰে। আকৌ এই আলিংগন যদি ২০ ছেকেণ্ড বা তাতোকৈ অধিক হয়, তেনেহ'লে সেই আলিংগনে হৃদয়ৰো উপকাৰ সাধন কৰে। লগতে মানসিক চাপ আৰু ৰক্তচাপো কমায়।

প্ৰকৃততে স্পৰ্শৰ যাদু জন্মৰ পাছৰে পৰা আৰম্ভ হয়। এটা শিশুৰ কান্দোন কমাবলৈ কাৰোবাৰ স্পৰ্শৰ (বিশেষকৈ মাকৰ) খুবেই প্ৰয়োজন। এই স্পৰ্শই তেওঁলোকৰ অন্তৰত নিৰাপত্তাৰ অনুভূতি জগায়। তদুপৰি শিশুসকল জন্মৰ পাছত মাক-দেউতাকৰ স'তে স্কিন টু স্কিনৰ সংস্পৰ্শত থাকিলে শিশুটোৰ হৃদয়স্পন্দন, শ্বাস-প্ৰশ্বাস আৰু লগতে শৰীৰৰ তাপমাত্ৰা স্বাভাৱিক কৰি ৰাখে।

কেৱল শিশুসকলৰে নহয়, প্ৰাপ্ত বয়স্কসকলৰ ক্ষেত্ৰতো স্পৰ্শই বিশ্বাস আৰু আশ্বাসৰ প্ৰতীকৰূপে কাম কৰে। বিশেষকৈ বিপদৰ মুহূৰ্তত ই বিশেষ কাৰ্যকৰী। এজন ৰোগীৰ মূৰত হাত থৈ চিকিৎসকে যেতিয়া হাঁহি মাৰি আশ্বাসৰ ইংগিত দিয়ে, ৰোগীজনেও তেতিয়া আশ্বস্ত হয়। বৃদ্ধ আৰু শাৰীৰিকভাৱে দুৰ্বল পিতৃৰ গাত হাত থৈ মৰম কৰি কথা কয়, বৃদ্ধ পিতৃজনৰো মনলৈ উদ্যম উভতি আহে। জীয়াই থকাৰ প্ৰেৰণা পায়। ২০০৬ৰ ভাৰ্জিনিয়া ইউনিভাৰচিটিৰ এক গৱেষণাত দেখা গৈছে— নাৰীসকল যেতিয়া মানসিক চাপৰ মাজত থাকে, তেতিয়া তেওঁলোকৰ সংগীৰ হাতত ধৰিলে তৎক্ষণাত স্বস্তি পায়। ২০২২ত জাৰ্মান গৱেষকসকলে ৩৬টা তৰুণ দম্পতীৰ ওপৰত এক পৰীক্ষা চালয়। পৰীক্ষাত দেখা গৈছে যে যিসকল ব্যক্তিয়ে মানসিক চাপৰ মাজত থাকে বা যিকোনো পৰীক্ষাৰ পূৰ্বে তেওঁলোকৰ সংগীক আলিংগন কৰিছে, সেই তৰুণ দম্পতীসকলৰ শৰীৰৰ ষ্টেচ হৰম'ন অথবা কোটিচল কমকৈ বাঢ়ে। তদুপৰি ২০১৭ৰ ইউচিএলৰ অন্য এক গৱেষণাত দেখিবলৈ পোৱা গৈছে— সামাজিকভাৱে বিচ্ছিন্ন হোৱাৰ পাছতো এজন সম্পূৰ্ণ অপিৰিচিত মানুহৰ ধীৰ আৰু কোমল পালেও সেই স্পৰ্শই একাকিকত্ব দূৰ কৰে। লগতে মানসিক কষ্ট লাঘৱ কৰাতো সহায়ক হয়।

কাৰোবাৰ কোমল স্পৰ্শই কেৱল যে মনলৈহে প্ৰশান্তি আনে তেনে নহয়। এই স্পৰ্শই ৰোগ প্ৰতিৰোধ ক্ষমতাও বঢ়ায়। এজন চিকিৎসকে তেওঁৰ স্পৰ্শৰে ৰোগীক দিয়া আশ্বাসে ৰোগীয়ে মনত বহুখিনি উদ্যম পোৱাৰ কথা আগতেই উল্লেখ কৰা হৈছে। তদুপৰি অন্যান্য লোকৰ পৰা মৰমৰ স্পৰ্শই ৰোগীৰ ৰোগ প্ৰতিৰোধ ক্ষমতা যথেষ্ট বঢ়ায়। কাৰ্নেগি মিলন ইউনিভাৰচিটিৰ এক গৱেষণাত দেখা গৈছে— যিসকলে চৰ্দি-কাহৰ ভাইৰাছৰ সংস্পৰ্শত অহাৰ পূৰ্বে দুসপ্তাহ ধৰি আপোনজনৰ স'তে আলিংগন কৰে তেওঁলোক সংক্ৰমিত হোৱাৰ সম্ভাৱনা কম থাকে। আকৌ যিসকল আক্ৰান্ত হয়, তেওঁলোক সোনকালে সুস্থ হয়। এই সংক্ৰান্তত বয়সস্থসকলৰ ওপৰতো ২০২১ত এক গৱেষণা কৰা হৈছিল তেওঁলোকৰ স্বাস্থ্যৰ ওপৰত। গৱেষণাত দেখা গৈছে যিসকল বয়স্ক লোকে বেছিকৈ আলিংগন আৰু স্পৰ্শ পায় তেওঁলোকৰ ক্ৰমিক ইনফ্লেমেছন অথবা দীৰ্ঘম্যাদী প্ৰদাহ বা বিষৰ সম্ভাৱনা বহু কম হয়।

স্পৰ্শই মানসিক চাপ আৰু উদ্বেগৰো অৱসান ঘটায়। স্পৰ্শৰ অভাৱত মানসিক চাপ আৰু উদ্বেগ যথেষ্ট বৃদ্ধি হয়, যিয়ে পৰৱৰ্তী কালত নানা ধৰণৰ বেমাৰৰ সম্ভাৱনা কঢ়িয়াই আনে। ক'ভিড-১৯ৰ লকডাউনৰ সময়ত সকলোৱে স্পৰ্শৰ পৰা বঞ্চিত হৈ থাকিবলগীয়া হৈছিল। ইয়াৰ ফলত 'টাচ ডিপ্ৰাইডেছন' বা ত্বকৰ ক্ষুধা অনুভৱ কৰিছিল। মহামাৰীৰ আগৰ পৰাই মানুহে ক্ৰমশঃ অনলাইন ভিত্তিক হৈ উঠিছিল। ম'বাইল আৰু স্ক্ৰীণৰ বহুল ব্যৱহাৰে যথেষ্ট সময় কাঢ়ি লৈছে। লগতে আলিংগনৰ ঠাইয়ো দখল কৰিছে। ইয়াৰ ফলত একাকিকত্ব, নিঃসংগতা আৰু স্পৰ্শৰ অভাৱ বৃদ্ধি পাইছে।

এই অভাৱ পূৰণৰ বাবে ইতিমধ্যে নতুন নতুন উদ্যোগো আৰম্ভ হৈছে।

*ফোন ঃ ৯৮৬৪২৯৫০২৪*



## ডেৰাৰ মুৰব্বী ৰাম ৰহিমক পুনৰ ২১ দিনৰ পেৰ'লত মুক্তি

**নিউজ ব্যুৰ' নতুন দিল্লী, ২৫ আগষ্ট ঃ** দুগৰাকী মহিলা অনুগামীক ধৰ্ষণ কৰাৰ অপৰাধত ২০ বছৰৰ কাৰাদণ্ড ভুগি থকা ডেৰা সচা সৌদাৰ মুৰব্বী গুৰমীত ৰাম ৰহিম সিঙে পুনৰবাৰ ২১ দিনৰ ছুটী লাভ কৰিছে। হাৰিয়ানাৰ ৰোহটকৰ সুনাৰিয়া কাৰাগাৰত বন্দী ৰাম ৰহিমক জেলৰ পৰা ওলাই আহি ছিৰছাৰ ডেৰা সচা সৌদাৰ মুখ্য কাৰ্যালয়লৈ যাবলৈ দিয়া হৈছে। জেলৰ পৰা মুক্তি পোৱাৰ পিছত তেওঁ ছিৰছা ডেৰাত উপস্থিত হোৱাৰ সম্ভাৱনা আছে। কাৰাগাৰত বন্দী ডেৰা মুৰব্বীক এইটো আন এক অস্থায়ী মুক্তি। লাভ কৰা তথ্য অনুসৰি শেহতীয়াকৈ ২১ দিনৰ ছুটীকে ধৰি এতিয়ালৈকে ১৭ বাৰ জেলৰ পৰা মুকলি কৰি দিয়া হৈছে। ৰাম ৰহিমক ২০১৭ত ছিৰছাৰ ডেৰা সচা সৌদা মুখ্য কাৰ্যালয়ত দুগৰাকী মহিলা অনুগামীক ধৰ্ষণ কৰাৰ অভিযোগত চিবিআইৰ বিশেষ আদালতে দোষী সাব্যস্ত কৰি ১০ বছৰৰ বাবে শাস্তি দিছিল। কাৰাগাৰত থকাৰ পিছতো ৰাম ৰহিমক বাৰে বাৰে পেৰ'ল বা ফাৰ্ল'ত অস্থায়ী মুক্তিৰ অনুমতি দিয়া হৈছে।

### এন্টেল'প ৰিফৰ ওচৰৰ এটা সৰু দ্বীপত নতুন ঘাটি নিৰ্মাণৰ কাম চীনৰ

## সাগৰত চীনৰ ক্ৰমবৰ্ধমান শক্তি, দক্ষিণ চীন সাগৰৰ ভৱিষ্যত পৰিকল্পনাৰে সাজু বেইজিং

**নিউজ ব্যুৰ' বেইজিং, ২৫ আগষ্ট ঃ** দক্ষিণ চীন সাগৰৰ বিবাদিত পাৰ্চেল দ্বীপপুঞ্জত চীনৰ নৱীকৃত সামৰিক কাৰ্যকলাপত বিশ্বৰ নিৰাপত্তা বিশ্লেষকসকলে উদ্বেগ প্ৰকাশ কৰিলে। ৰয়টাৰৰ মতে, এই অঞ্চলৰ এন্টেল'প ৰিফৰ সমীপৰ এটা সৰু দ্বীপত নতুনকৈ নিৰ্মাণ কৰা দেখা গৈছে, যিটো দ্বীপ বৰ্তমানলৈকে চীনৰ সৰ্ববৃহৎ সামৰিক ঘাটি বুলি ধাৰণা কৰা হৈছে। নিৰাপত্তা বিশ্লেষকসকলে কয় যে ইয়াগং দ্বীপত চলি থকা এই ত্ৰিমাত্ৰিক নিৰ্মাণৰ চূড়ান্ত উদ্দেশ্য এন্টেল'প ৰিফত ভৱিষ্যতে সামৰিক স্থাপনসমূহক শক্তিশালী কৰিবলৈ আগতীয়া সতৰ্কবাণী ৰাডাৰৰ সুবিধাৰ আৰম্ভণি হ'ব পাৰে। চীনৰ এই আগ্ৰাসী পদক্ষেপে অঞ্চলটোৰ ভূ-ৰাজনৈতিক উত্তেজনা অধিক গভীৰ কৰিব বুলি আশা কৰা হৈছে। বিতৰ্কিত দক্ষিণ চীন সাগৰৰ পাৰ্চেল দ্বীপপুঞ্জৰ গোটৰ এন্টেল'প ৰিফৰ ওচৰৰ এটা সৰু দ্বীপত নতুন নিৰ্মাণৰ কাম দেখা গৈছে। বিশ্লেষকসকলৰ মতে ইয়াত চীনে নিজৰ সৰ্ববৃহৎ সামৰিক ঘাটি নিৰ্মাণ কৰি আছে। বাণিজ্যিক উপগ্ৰহৰ ছবি প্ৰদান কৰা কোম্পানী ভেণ্টৰে ১৭ আগষ্টত এই অঞ্চলৰ শেহতীয়া ছবি তুলিছিল। পূৰ্বৰ ফটোৰ ভিত্তিত কোম্পানীটোৱে কয় যে ইয়াত নিৰ্মাণৰ কাম মাৰ্চ আৰু এপ্ৰিলৰ পৰা আৰম্ভ হৈছিল। ভেণ্টাৰৰ এগৰাকী মুখপাত্ৰই কয় যে যদিও এই গঠনসমূহৰ উদ্দেশ্য সম্পূৰ্ণৰূপে স্পষ্ট নহয়, তথাপিও ইয়াগং ৰিফৰ বহু গঠন দক্ষিণ চীন সাগৰৰ অন্যান্য ঠাইত দেখা পোৱা সামৰিক ৰাডাৰ! আগতীয়া



সতৰ্কবাণীৰ সুবিধাৰ স'তে বহুত মিল আছে। এইবোৰ সম্ভৱতঃ ওচৰৰ এন্টেল'প ৰিফত সামৰিক অভিযানৰ স'তে জড়িত। যোৱা সপ্তাহত ৰয়টাৰে প্ৰকাশ কৰা অনুসৰি চীনে এন্টেল'প ৰিফত প্ৰথম পৰ্যায়ৰ নিৰ্মাণ সম্পূৰ্ণ কৰিছে। এই পৰিস্থিতিয়ে দক্ষিণ চীন সাগৰক চীন আৰু আমেৰিকাৰ মাজত ক্ৰমবৰ্ধমান সামৰিক ক্ষেত্ৰ হিচাপে উন্মোচন কৰিছে। টাইৱানক লৈ ভৱিষ্যতে যিকোনো সংঘাতত এই অঞ্চলটো অতি গুৰুত্বপূৰ্ণ বুলি প্ৰমাণিত হ'ব পাৰে। ছবিবোৰত এন্টেল'প ৰিফত প্ৰায় ৬ কিলোমিটাৰ দীঘল এটা কৃত্ৰিম দ্বীপ দেখা গৈছে। ইয়াৰ ৩ কিলোমিটাৰতকৈও অধিক দীঘল পোন উপকূল আছে, যিটোক একাংশ বিশ্লেষকে সম্ভাব্য ৰাণৱে হিচাপে চাইছে। ইয়াগং দ্বীপ বহুত সৰু আৰু এন্টেলপৰ পৰা ১৪ কিলোমিটাৰ উত্তৰ-পূৱে অৱস্থিত। চীনৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে কোনো নতুন সামৰিক ঘাটি নিৰ্মাণৰ কথা আনুষ্ঠানিকভাৱে স্বীকাৰ কৰা নাই। চীনৰ চৰকাৰী সংবাদ মাধ্যমে জনোৱা মতে, বতৰৰ পূৰ্বাভাস, মীন সংৰক্ষণ আৰু বৈজ্ঞানিক গৱেষণাকে ধৰি অসামৰিক লোকৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে এই এন্টিল'প ব্যৱহাৰ কৰা হ'ব। ১৯৭৪ ত চীনে তেতিয়াৰ দক্ষিণ ভিয়েটনামী নৌসেনাৰ পৰা পাৰ্চেল দ্বীপপুঞ্জ জব্দ কৰিছিল আৰু তেতিয়াৰ পৰাই চীনে দখল কৰি আহিছে। ভিয়েটনামে সমগ্ৰ দ্বীপপুঞ্জটো দাবী কৰে আৰু শেহতীয়া বছৰবোৰত দক্ষিণ স্প্ৰাটলি দ্বীপপুঞ্জতো নিজৰ সামৰিক ঘাটি সম্প্ৰসাৰণ কৰিছে।

## এইচ১বি ভিছাৰ মাচুল ৯০ লাখ টকা অতিৰিক্ত বৃদ্ধিৰ প্ৰস্তাৱ ট্ৰাম্প প্ৰশাসনৰ




**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২৫ আগষ্ট ঃ** এইচ১বি ভিছাৰ নিয়ম পৰিৱৰ্তনৰ বাবে পুনৰ সাজু হৈছে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ প্ৰশাসন। বিদেশী দক্ষ কৰ্মী নিয়োগৰ ব্যয় অধিক বৃদ্ধিৰ নতুন প্ৰস্তাৱ প্ৰস্তুত কৰিলে ট্ৰাম্প প্ৰশাসনে। ট্ৰাম্পৰ প্ৰশাসনৰ প্ৰস্তাৱিত নতুন নিয়ম কাৰ্যকৰী হ'লে এইচ১বি ভিছাৰ বাবে নিয়োগকাৰী সংস্থাই আদায় দিব লাগিব পাৰে এক লাখ তিনি হেজাৰ ২৬৫ ডলাৰ অৰ্থাৎ ভাৰতীয় মুদ্ৰাত প্ৰায় ৯০ লাখ টকাৰ অতিৰিক্ত মাচুল। প্ৰস্তাৱিত নিয়ম অনুসৰি, বাৰ্ষিক সীমাৰ ভিতৰত থকা মাচুলৰ বাদেও অতিৰিক্তভাৱে ১,০৩,২৬৫ ডলাৰ মাচুল ভৰিব লাগিব বিদেশী কৰ্মী নিয়োগকাৰী সংস্থাই। এই ধন বৰ্তমানৰ এইচ১বি ভিছাৰ আবেদন মাচুলৰ বাহিৰে অতিৰিক্তভাৱে আদায় দিব লাগিব। উল্লেখ্য যে এইচ১বি ভিছা মূলত আমেৰিকাত দক্ষ বিদেশী কৰ্মী নিয়োগৰ বাবে প্ৰদান কৰা হয়। প্ৰযুক্তি, ইঞ্জিনিয়াৰিংসহ বিভিন্ন বিশেষ ক্ষেত্ৰত নিযুক্তিৰ বাবে আমেৰিকাত এই ভিছাৰ যথেষ্ট চাহিদা আছে। ভাৰতীয় পেছাদাৰীৰ বহু লোকে আমেৰিকাত এই ভিছাৰ জৰিয়তে কৰ্মৰত হৈ আহিছে। কিন্তু ট্ৰাম্প প্ৰশাসনে এইচ১বি ভিছাৰ নীতি কঠোৰ কৰাৰ লগতে ভিছা মাচুল অত্যধিক বৃদ্ধি কৰাত বিদেশী কৰ্মীৰ বাবে আমেৰিকাত নিয়োগ লাভ কঠিন হৈছে। অৱশ্যে ট্ৰাম্প প্ৰশাসনে নতুন ভিছা মাচুল নীতি বৰ্তমানে কাৰ্যকৰী কৰা নাই, ইয়াৰ বাবে আজিৰে পৰা ৩০ দিনৰ বাবে সাধাৰণ নাগৰিকৰ মতামত গ্ৰহণ কৰা হ'ব আৰু ইয়াৰ পাছতে চূড়ান্ত সিদ্ধান্ত ল'ব ট্ৰাম্প প্ৰশাসনে।

## ইছলামত বাধ্যতামূলক নহয় হিজাব ঃ মুছলমান শিক্ষাৰ্থীৰ আবেদন নাকচ এলাহাবাদ উচ্চ ন্যায়ালয়ৰ



**নিউজ ব্যুৰ', প্ৰয়াগৰাজ, ২৫ আগষ্ট ঃ** বিদ্যালয়ৰ ইউনিফৰ্মৰ স'তে হিজাব পৰিধানৰ অনুমতি বিচাৰি আদালতৰ দ্বাৰস্থ হৈছিল বিদ্যালয়ৰ ছাত্ৰী। কিন্তু এই আবেদন নাকচ কৰিলে উচ্চ ন্যায়ালয়ে। এলাহাবাদ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ জে জে মুনীৰ আৰু ইন্দ্ৰজিৎ শুক্লাৰ বিচাৰপীঠে কয় যে হিজাব পৰিধান কৰাটো ইছলাম ধৰ্মত কোনো বাধ্যতামূলক বিষয় নহয়। কেৱল ধৰ্মপালনৰ স্বাধীনতাৰ যুক্তি প্ৰদৰ্শনৰে বিদ্যালয়ে ইউনিফৰ্মৰ গুৰুত্বক নুই কৰিব নোৱাৰি বুলি মত পোষণ কৰিলে উচ্চ ন্যায়ালয়ে। একাদশ শ্ৰেণীৰ এগৰাকী ছাত্ৰীয়ে ন্যায়ালয়ৰ দ্বাৰস্থ হৈ অভিযোগ দিছিল যে দশম শ্ৰেণীলৈকে তেওঁ উক্ত বিদ্যালয়তে ইউনিফৰ্মৰ স'তে হিজাব পৰিধান কৰিছিল আৰু তেতিয়া বিদ্যালয় কৰ্তৃপক্ষই আপত্তি কৰা নাছিল, কিন্তু একাদশ শ্ৰেণীত তেওঁক কৰ্তৃপক্ষই হিজাব পৰিধানত বাধাদান কৰে। ধৰ্মীয় বিশ্বাসৰ অংশ হিচাপে হিজাব পৰিধানৰে বিদ্যালয়লৈ যোৱাৰ অনুমতি বিচাৰিছিল উক্ত ছাত্ৰীয়ে। কিন্তু এলাহাবাদ উচ্চ ন্যায়ালয়ে ৰায়ত কয় যে ইছলামত বাধ্যতামূলক পালনীয় কৰ্তব্যৰ মাজত হিজাব পৰিধানৰ বিষয়টো নাই আৰু এই কাৰণত বিদ্যালয় কৰ্তৃপক্ষই আৰোপ কৰা ইউনিফৰ্ম পৰিধানৰ নিয়ম অমান্য কৰিব নোৱাৰি।

## মূৰৰ মূল্য ৯৫ কোটি টকা, ইৰানৰ লক্ষ্যত ট্ৰাম্প পুত্ৰ ঃ চাঞ্চল্যকৰ দাবী

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২৫ আগষ্ট ঃ** আন্তৰ্জাতিক ৰাজনীতিত বৃহৎ চাঞ্চল্য সৃষ্টিৰে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ পুত্ৰ বেৰন ট্ৰাম্পৰ মূৰৰ মূল্য প্ৰায় ৯৫ কোটি টকা ঘোষণা কৰিলে ইৰানে। মাৰ্কিন ৰাষ্ট্ৰপতিৰ কনিষ্ঠ পুত্ৰ বেৰনৰ সন্দৰ্ভত সম্প্ৰতি আন্তৰ্জাতিক সংবাদ মাধ্যমত এনে এক চাঞ্চল্যকৰ তথ্য প্ৰকাশ পালে। বিভিন্ন আন্তৰ্জাতিক সংবাদ মাধ্যমৰ প্ৰতিবেদন অনুসৰি, বেৰন ট্ৰাম্পৰ ওপৰত বৃহৎ আক্ৰমণৰ ভাবুকি দিছে ইৰানে আৰু ইৰান চৰকাৰে ট্ৰাম্প পুত্ৰৰ মূৰৰ মূল্য প্ৰায় ৯৫ কোটি টকা নিৰ্ধাৰণ কৰিলে। একাংশ সংবাদ মাধ্যমে দাবী কৰা অনুসৰি, ইৰানৰ স'তে জড়িত কোনো গোষ্ঠীয়ে বেৰনৰ



সন্ধান বিচৰাৰ লগতে ট্ৰাম্প পুত্ৰক হত্যা কৰিলে ৯৫ কোটি টকাৰ বিত্তীয় পুৰস্কাৰ আগবঢ়াব বুলি ঘোষণা কৰিছে। স্মৰ্তব্য যে ২০২০ত আমেৰিকাৰ ড্ৰ'ন আক্ৰমণত ইৰানৰ শীৰ্ষ জেনেৰেল কাছেম ছুলেইমানি নিহত হোৱাৰ পাছৰে পৰা আমেৰিকা আৰু ইৰানৰ সম্পৰ্কৰ চৰম অৱনতি হৈছিল আৰু আমেৰিকা-ইজৰাইলে যৌথভাৱে ইৰানত আক্ৰমণ চলোৱাত এই সংঘাত অধিক গভীৰ হ'ল।

## মৃত্যুৰ জল্পনাৰ অৱসান ঘটাই প্ৰথমবাৰ আত্মপ্ৰকাশ ইৰানৰ সৰ্বোচ্চ নেতাৰ



**নিউজ ব্যুৰ', তেহৰান, ২৫ আগষ্ট ঃ** ইৰানৰ নতুন সৰ্বোচ্চ নেতা মোজতবা খামেনেইৰ মৃত্যু হোৱা আৰু তেওঁ গুৰুতৰভাৱে অসুস্থ বুলি একাধিক সংবাদ মাধ্যমৰ বাতৰিত দাবী কৰা হৈছিল। এনেবোৰ জল্পনাৰ অৱসান ঘটাই অৱশেষত যুদ্ধৰ প্ৰায় ছমাহ পাছত ৰাজহুৱাভাৱে আত্মপ্ৰকাশ কৰিলে মোজতবাই। সম্প্ৰতি ইৰানৰ সংবাদ মাধ্যমে মোজতবাৰ নতুন ভিডিঅ' প্ৰচাৰ কৰিলে। এই ভিডিঅ'ত শিক্ষাৰ্থীৰ স'তে এক ধৰ্মীয় শৈক্ষিক অনুষ্ঠানৰ মোজতবাই অংশ লোৱাৰ দৃশ্য আবদ্ধ হৈছিল। শিক্ষাৰ্থীৰ মাজত বহি ধৰ্মীয় শিক্ষাৰ পাঠদান কৰিছিল ইৰানৰ সৰ্বোচ্চ নেতাজনে। অৱশ্যে উক্ত ভিডিঅ' কেতিয়া গ্ৰহণ কৰা হৈছিল সেই বিষয়ত কোনো তথ্য সদৰী কৰা নাই ইৰানৰ সংবাদ মাধ্যমে। যোৱা ২৮ ফেব্ৰুৱাৰীত ইৰানত যৌথভাৱে আক্ৰমণ চলাইছিল আমেৰিকা আৰু ইজৰাইলে। উক্ত আক্ৰমণত ইৰানৰ তদানীন্তন সৰ্বোচ্চ নেতা আয়াতুল্লা আলী খামেনেইসহ পৰিয়ালৰ কে'বাজনো সদস্যৰ মৃত্যু হৈছিল। প্ৰকাশিত বাতৰি অনুসৰি উক্ত আক্ৰমণতে গুৰুতৰভাৱে আহত হৈছিল আয়াতুল্লাৰ পুত্ৰ মোজতবা। এনে পৰিস্থিতিতে মোজতবাক ইৰানে দেশৰ সৰ্বোচ্চ নেতা হিচাপে ঘোষণা কৰিছিল। কিন্তু ইয়াৰ পাছত মোজতবাই ৰাজহুৱাভাৱে তেনেদৰে আত্মপ্ৰকাশ নকৰাত ইৰানৰ সৰ্বোচ্চ নেতাজন জীৱিত নে মৃত তাক লৈ প্ৰশ্ন উত্থাপন হৈছিল। শেহতীয়াভাৱে ইৰানৰ সংবাদ মাধ্যমে মোজতবাৰ এই ভিডিঅ' জাৰি কৰাত সৰ্বোচ্চ নেতাজন জীৱিত আৰু সুৰক্ষিত বুলি ধাৰণা কৰা হৈছে।

## সাংবাদিক তেজপালক দুসপ্তাহৰ ভিতৰত আত্মসমৰ্পণৰ নিৰ্দেশ উচ্চতম ন্যায়ালয়ৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৫ আগষ্ট ঃ** ২০১৩ৰ গোৱাৰ ধৰ্ষণ কাণ্ডৰ গোচৰত উচ্চতম ন্যায়ালয়ত পুনৰ মুখ থেকেচা খালে 'টেহেলকা'ৰ প্ৰাক্তন সম্পাদক তথা প্ৰবীণ সাংবাদিক তৰুণ তেজপালে। আজি সৰ্বোচ্চ ন্যায়ালয়ে তেজপালক আগন্তুক দুসপ্তাহৰ ভিতৰত আত্মসমৰ্পণৰ নিৰ্দেশ দিলে। আত্মসমৰ্পণৰ প্ৰমাণপত্ৰ জমা দিয়াৰ পাছতহে তেওঁ দাখিল কৰা আবেদনৰ মূল বিষয়ত শুনানি গ্ৰহণ কৰা হ'ব বুলি স্পষ্ট কৰি দিলে ন্যায়াধীশ অলোক আৰাধৰ বিচাৰপীঠে। তেজপালৰ আবেদনৰ পৰৱৰ্তী শুনানি বিচাৰপীঠে অহা ২২ ছেপ্টেম্বৰত তালিকাভুক্ত কৰিলে। ৬৩ বছৰ বয়সীয়া তেজপালে তেওঁৰ আবেদনত উল্লেখ কৰিছিল যে শুনানি আৰম্ভ কৰাৰ পূৰ্বে যাতে তেওঁ কাৰাগাৰলৈ গৈ আত্মসমৰ্পণ কৰিব নালাগে। কিন্তু আদালতে সাংবাদিকজনৰ এই আবেদন অস্বীকাৰ কৰি দুসপ্তাহৰ



ভিতৰত তেজপালক আত্মসমৰ্পণৰ নিৰ্দেশ দিলে। অলপতে বোম্বে উচ্চ ন্যায়ালয়ৰ গোৱা বিচাৰপীঠে ২০১৩ৰ যৌন নিৰ্যাতনৰ গোচৰত নিম্ন আদালতৰ ৰেহাইৰ ৰায় নাকচ কৰি তেজপালক দোষী সাব্যস্ত কৰাৰ লগতে ১০ বছৰৰ সশ্ৰম কাৰাদণ্ডৰ ৰায় দিছিল। এই ৰায়ক প্ৰত্যাহ্বান জনাই তেজপালে উচ্চতম ন্যায়ালয়ত আবেদন জনাইছিল। আজি আদালতত তেজপালৰ হৈ যুক্তি প্ৰদৰ্শন কৰিছিল প্ৰবীণ অধিবক্তা কপিল ছিবালে।

## মোৰ পুত্ৰক হত্যাৰ অপচেষ্টা চলাইছিল ইৰানে ঃ দাবী নেতানিয়াহুৰ



**নিউজ ব্যুৰ', তেল আভিভ, ২৫ আগষ্ট ঃ** মধ্য প্ৰাচ্যৰ সংঘাতৰ মাজতে ইৰানৰ বিৰুদ্ধে চাঞ্চল্যকৰ অভিযোগ উত্থাপন কৰিলে ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতানিয়াহুৱে। ইজৰাইলৰ প্ৰধানমন্ত্ৰীৰ অভিযোগ, ইৰানে তেওঁৰ এক পুত্ৰক হত্যাৰ ষড়যন্ত্ৰ ৰচিছিল। অৱশ্যে কেতিয়া আৰু ক'ত তেওঁৰ পুত্ৰক আক্ৰমণৰ অপচেষ্টা চলোৱা হৈছিল সেই বিষয়ে নেতানিয়াহুৱে কোনো তথ্য সদৰী কৰা হোৱা নাই। এই গুপ্তহত্যাৰ ষড়যন্ত্ৰৰ বিষয়টো কে'বামাহ পূৰ্বে ধৰা পৰিছিল যদিও ইমানদিনে চৰকাৰীভাৱে তথ্য প্ৰকাশ কৰা হোৱা নাছিল। এইবাৰ স্বয়ং ইজৰাইলৰ প্ৰধানমন্ত্ৰীয়ে তেওঁৰ এজন পুত্ৰক ইৰানে গোপনে হত্যা কৰাৰ ষড়যন্ত্ৰ ৰচিছিল বুলি তথ্য সদৰী কৰিলে। কালি ইজৰাইলৰ চেনেল ১৪ৰ এক সাক্ষাৎকাৰত প্ৰধানমন্ত্ৰী নেতানিয়াহুৱে তেওঁৰ পুত্ৰক ইৰানে হত্যাৰ অপচেষ্টা চলাইছিল বুলি অভিযোগ কৰি এইদৰে কৈছিল, 'এটা অবিশ্বাস্য ঘটনা। ইৰানে মোৰ এক পুত্ৰক লক্ষ্য হিচাপে লৈছিল। ইৰানে মোৰ পুত্ৰক হত্যাৰ অপচেষ্টা চলাইছিল।' অৱশ্যে দুই পুত্ৰ আৰু এক কন্যাৰ পিতৃ নেতানিয়াহুৱে তেওঁৰ কোনজন পুত্ৰক ক'ত ইৰানে হত্যাৰ ষড়যন্ত্ৰ কৰিছিল সেই তথ্য সাক্ষাৎকাৰত সদৰী কৰা নাই।

## ৰাম মন্দিৰত চুৰিৰ ঘটনা ফাদিল কৰা সাংবাদিকৰ বিৰুদ্ধে গোচৰ উত্তৰ প্ৰদেশত



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ২৫ আগষ্ট ঃ** সত্য পোহৰলৈ অনাৰ কাৰণত ৰোষত পৰিল উত্তৰ প্ৰদেশৰ সাংবাদিক অভিষেক উপাধ্যায়। অযোধ্যাৰ ৰাম মন্দিৰৰ প্ৰণামী চুৰিৰ ঘটনা ফাদিল কৰিছিল এইজন সাংবাদিকে। সম্প্ৰতি সাংবাদিক উপাধ্যায়ে অভিযোগ কৰা অনুসৰি উত্তৰ প্ৰদেশ আৰক্ষীয়ে তেওঁক ভুৱা গোচৰত ফচোৱাৰ অপচেষ্টা চলাইছে। আৰক্ষীৰ আতিশয্যৰ সন্মুখীন হোৱা বুলিও সাংবাদিকজনে অভিযোগ কৰি জনোৱা অনুসৰি তেওঁৰ বিৰুদ্ধে গাজিয়াবাদ আৰক্ষীয়ে আন এক গোচৰত এজাহাৰ দাখিল কৰিলে। এই ঘটনাত হস্তক্ষেপ বিচাৰি উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হ'ল উপাধ্যায়। ৰাজপথত গণ্ডগোল সৃষ্টি কৰাৰ এক ঘটনাক অস্ত্ৰ হিচাপে লৈ উপাধ্যায়ৰ বিৰুদ্ধে গাজিয়াবাদ আৰক্ষীয়ে গোচৰ ৰুজু কৰা বুলি সাংবাদিকজনে অভিযোগ কৰিছে। সৰ্বোচ্চ আদালতত উপাধ্যায়ে কয় যে ৰাম মন্দিৰৰ প্ৰণামী দুৰ্নীতিৰ তথ্য ফাদিলৰ পাছৰে পৰা উত্তৰ প্ৰদেশ আৰক্ষীয়ে তেওঁক বিভিন্ন ধৰণৰে হাৰাশাস্তি কৰি আহিছে। বাসগৃহত আৰক্ষীয়ে তালাচী চলোৱাৰ লগতে একাধিক ভুৱা গোচৰ ৰুজু কৰা বুলিও উপাধ্যায়ে অভিযোগ কৰে।

## মই আৰু কাম কৰিব নোৱৰা হৈছো ঃ হঠাতে কিয় এই মন্তব্য কৰিলে কেন্দ্ৰীয় মন্ত্ৰী গাডকাৰীয়ে ?



**নিউজ ব্যুৰ', নাগপুৰ, ২৫ আগষ্ট ঃ** কেন্দ্ৰীয় পথ আৰু পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীয়ে নাগপুৰত এক অনুষ্ঠানত অংশ লৈ প্ৰকাশ কৰা এক মন্তব্যই ৰাষ্ট্ৰীয় ৰাজনীতিত তীব্ৰ আলোড়ন সৃষ্টি কৰিছে। একলব্য একল বিদ্যালয় শিক্ষক-পৰিদৰ্শক প্ৰশিক্ষণ অনুষ্ঠানত বক্তব্য ৰাখি গাডকাৰীয়ে তেওঁৰ দীৰ্ঘ তিনি দশকত ৰাজনৈতিক যাত্ৰাৰ স্মৃতিচাৰণ কৰি এইদৰে ক'লে, 'মই বিগত ৩০ বছৰ ধৰি একেৰাহে জনজীৱনত সক্ৰিয় হৈ আছো। এই দীৰ্ঘ সময়ত বহুতো উত্থান-পতন প্ৰত্যক্ষ কৰিছো, একাধিক সন্মান আৰু স্বীকৃতি লাভ কৰিছো। কিন্তু সত্য ক'বলৈ হ'লে, এতিয়া আৰু মই পূৰ্বৰ দৰে অধিক কাম কৰিব নোৱাৰো। সেয়েহে মোৰ ধাৰণা হয়, এইবাৰ নতুন প্ৰজন্মক সুযোগ আৰু দায়িত্ব দিয়া উচিত, যাতে তেওঁলোকে এই কাম আগুৱাই নিব পাৰে আৰু প্ৰবীণসকলে তেওঁলোকক পথ প্ৰদৰ্শন কৰা উচিত।' উল্লেখ্য যে চলিত বৰ্ষৰ আৰম্ভণিতেও গাডকাৰীয়ে মন্তব্য কৰিছিল যে প্ৰবীণ প্ৰজন্মই লাহে লাহে আঁতৰি আহি যোগ্য উত্তৰসূৰীক স্থান এৰি দিয়া উচিত। গাডকাৰীৰ শেহতীয়া মন্তব্যৰ পাছত কেন্দ্ৰীয় মন্ত্ৰীজনে সক্ৰিয় ৰাজনীতি ত্যাগ কৰিব নেকি বুলি ৰাজনৈতিক মহলত প্ৰশ্ন উত্থাপন কৰিলে।

## ৰাজনৈতিক অৱসৰৰ জল্পনা-কল্পনাক নাকচ কৰিলে গাডকাৰীয়ে

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৫ আগষ্ট ঃ** মঙলবাৰে নীতিন গাডকাৰীৰ কাৰ্যালয়ে স্পষ্ট কৰি দিয়ে যে তেওঁৰ বক্তব্যৰ ৰাজনীতিৰ লগত কোনো সম্পৰ্ক নাই। ইয়াৰ পূৰ্বে মন্ত্ৰীগৰাকীয়ে কয় যে নৱপ্ৰজন্মক অধিক দায়িত্ব দিব লাগে। গাডকাৰীৰ এই বক্তব্যক তেওঁৰ ৰাজনৈতিক অৱসৰৰ স'তে প্ৰত্যক্ষভাৱে জড়িত বুলি ধৰা হৈছিল যদিও এতিয়া অৱসৰৰ জল্পনা-কল্পনাক খাৰিজ কৰিলে মন্ত্ৰীগৰাকীৰ কাৰ্যালয়ে 'নিতিন গাডকাৰীৰ এই বক্তব্যৰ ৰাজনীতিৰ স'তে কোনো সম্পৰ্ক নাছিল। তেওঁ বিশেষভাৱে কয় যে তেওঁ প্ৰতিষ্ঠা কৰা জনজাতীয় অঞ্চলত একক বিদ্যালয় চলোৱা সংগঠন লক্ষ্মণৰাও মানকাৰ ট্ৰাষ্টৰ কথা। এই প্ৰসংগত গাডকাৰীয়ে কয় যে তেওঁ আৰু আগৰ দৰে কাম কৰিব নোৱাৰে আৰু নৱ প্ৰজন্মই অধিক দায়িত্ব লোৱাৰ সুযোগ পাব লাগে। বিবৃতিটোত গুৰুত্ব আৰোপ কৰা হৈছে যে তেওঁৰ মন্তব্য ট্ৰাষ্টৰ কাৰ্য্যকলাপ আৰু ভৱিষ্যতৰ নেতৃত্বৰ স'তে স্পষ্টভাৱে জড়িত। কিন্তু কিছুমান টেলিভিছন চেনেলে এই বক্তব্যক ৰাজনৈতিক মন্তব্য হিচাপে চিত্ৰিত কৰি ইয়াৰ প্ৰকৃত প্ৰেক্ষাপটৰ পৰা পৃথক কৰি দেখুৱাইছে।' দেওবাৰে নাগপুৰত এক অনুষ্ঠানত ভাষণ দি গাডকাৰীয়ে কয় যে তেওঁ তিনি দশকৰো অধিক সময় ধৰি সক্ৰিয় জনজীৱনত আছে। এই সময়ছোৱাত তেওঁ বহু উত্থান-পতন দেখিছে, বহু দায়িত্ব পালন কৰিছে আৰু বহু সন্মান লাভ কৰিছে। তেওঁ কয় যে এতিয়া আগৰ দৰে কঠোৰ পৰিশ্ৰম কৰাটো সম্ভৱ নহয় আৰু নতুন প্ৰজন্ম আগবাঢ়ি আহি কাম কৰাৰ সুযোগ পাব লাগে।

## আমেৰিকাৰ সন্ত্ৰাসবাদী তালিকাৰ পৰা আঁতৰালে ছিৰিয়াক

**নিউজ ব্যুৰ', ডামাস্কাছ , ২৫ আগষ্ট ঃ** ছিৰিয়াৰ বাবে আন্তঃৰাষ্ট্ৰীয় মঞ্চৰ পৰা এটা অতি ডাঙৰ সকাহৰ খবৰ ওলাইছে। সন্ত্ৰাসবাদক প্ৰচাৰ কৰা দেশৰ তালিকাৰ পৰা ছিৰিয়াক সম্পূৰ্ণৰূপে আঁতৰাই পেলোৱাৰ এক ঐতিহাসিক সিদ্ধান্ত গ্ৰহণ কৰিছে আমেৰিকাই। ছিৰিয়াই ৱাশ্বিংটনৰ এই স্থিতিক মুকলি হৃদয়েৰে আদৰণি জনাইছে আৰু ইয়াক নিজৰ বাবে এক নতুন যুগৰ আৰম্ভণি বুলি অভিহিত কৰিছে। যুদ্ধ আৰু নিষেধাজ্ঞাৰ কবলত পৰা এই দেশখনে বিশ্বাস কৰে যে এই সিদ্ধান্তৰ লগে লগে এতিয়া বিশ্বৰ পৰা বিচ্ছিন্ন হৈ পৰা




ছিৰিয়া পুনৰ বিশ্বৰ মূলসুঁতিলৈ ঘূৰি আহিব আৰু দেশখনৰ পুনৰ্গঠনে নতুন গতি লাভ কৰিব। ছিৰিয়াৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা বিবৃতিত কোৱা হৈছে যে আমেৰিকাৰ এই পদক্ষেপ ছিৰিয়াৰ বৈদেশিক সম্পৰ্কৰ এক নতুন অধ্যায়ৰ আৰম্ভণি। সংবাদ সংস্থা ছিনহুৱাই প্ৰকাশ কৰা অনুসৰি সোমবাৰে এই আনুষ্ঠানিক ঘোষণা কৰে ছিৰিয়া আৰু ইৰাক বিষয়ত আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ বিশেষ দূত টম বেৰেকে। তেওঁ স্পষ্ট কৰি দিয়ে যে ৱাশ্বিংটনে সন্ত্ৰাসবাদৰ পৃষ্ঠপোষকতা কৰা দেশৰ তালিকাৰ পৰা ছিৰিয়াক আনুষ্ঠানিকভাৱে আঁতৰাই পেলাইছে। যোৱা ৪৭ বছৰ ধৰি ছিৰিয়া এই তালিকাৰ অংশ আছিল। ১৯৭৯ ত আমেৰিকাই প্ৰথমবাৰৰ বাবে ছিৰিয়াক এই ক'লা তালিকাত স্থান দিছিল।



## নিযুক্তি পৰীক্ষাত দুৰ্নীতি ঃ এইবাৰ ছাত্ৰ বিক্ষোভত ৰণক্ষেত্ৰ বিহাৰ

**নিউজ ব্যুৰ', পাটনা, ২৫ আগষ্ট ঃ** ঝাৰখণ্ডৰ পাছত বিহাৰত এইবাৰ চৰকাৰী চাকৰিত নিযুক্তি পৰীক্ষাত অনিয়মৰ অভিযোগ উত্থাপনৰে ৰাজপথ উত্তাল কৰি তুলিলে চাকৰি প্ৰাৰ্থীয়ে। বিহাৰৰ ৭০ সংখ্যক লোকসেৱা আয়োগ (বিপিএছচি)ৰ পৰীক্ষা বাতিল কৰি নতুনকৈ পৰীক্ষা অনুষ্ঠিত কৰাৰ দাবীৰে আজি পুৱাৰে পৰা পাটনাৰ গান্ধী ময়দানত সমবেত হৈ হেজাৰ হেজাৰ চাকৰি প্ৰাৰ্থীয়ে ব্যাপক বিক্ষোভ প্ৰদৰ্শন কৰিলে। পৰিস্থিতি ইমানে উত্তপ্ত হৈ পৰে যে বিক্ষোভ নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে লাঠিচালনা কৰাৰ লগতে জলকামানো ব্যৱহাৰ কৰিব লগা হয়। এই ঘটনাত কে'বাজনো বিক্ষোভকাৰী আহত হোৱাৰ লগতে আন কে'বাজনক আৰক্ষীয়ে আটক কৰিলে। বিক্ষোভকাৰীয়ে হাতত প্লেকাৰ্ড লৈ শ্ল'গান দি মুখ্যমন্ত্ৰী সম্ৰাট চৌধুৰীৰ বাসগৃহৰ দিশলৈ অগ্ৰসৰ হোৱাৰ সময়ত আৰক্ষীয়ে বেৰিকেডৰে বাধাদান কৰে যদিও প্ৰতিবাদকাৰীয়ে বেৰিকেড ভাঙি সমদল আগুৱাই নিয়াত আৰক্ষীৰ স'তে সংঘৰ্ষৰ সৃষ্টি হৈছিল। প্ৰতিবাদকাৰীয়ে বিপিএছচিৰ পৰীক্ষাৰ ফলাফলত ব্যাপক দুৰ্নীতি আৰু অনিয়ম সংঘটিত হোৱা বুলি অভিযোগ উত্থাপন কৰিছে।

## ১৫০ দিনত বালেন শ্বাহৰ যাদু ম্লান হৈ গ'ল নেকি ? কাঠমাণ্ডুত জেন-জেডৰ পদত্যাগৰ দাবী



**নিউজ ব্যুৰ', কাঠমাণ্ডু, ২৫ আগষ্ট ঃ** নেপালত বালেন শ্বাহৰ চৰকাৰ গঠন কৰা জেন-জেড এতিয়া ৰাজপথত নামিছে খোদ এইখন চৰকাৰৰ বিৰুদ্ধে। নেপালত নতুন চৰকাৰ গঠন হোৱাৰ ১৫০ দিনো পাৰ হোৱা নাই, এতিয়া জনতাৰ ক্ষোভ, সংসদীয় হেঁচা আৰু দলীয় ক্ষোভৰ সন্মুখীন হৈছে শ্বাহ। শ্বাহ প্ৰধানমন্ত্ৰী হোৱাৰ মাত্ৰ দুমাহৰ পাছতে পুনৰ কাঠমাণ্ডুৰ মৈতিঘৰ মণ্ডলত সমবেত হৈ তেওঁৰ পদত্যাগৰ দাবীত যুৱ প্ৰতিবাদকাৰীয়ে সমবেত হয়। বালেন শ্বাহক ঘেৰি ধৰা দেখা গৈছে বিৰোধী সাংসদে। সংসদত প্ৰধানমন্ত্ৰীৰ বাৰে বাৰে অনুপস্থিতিৰ বাবে বিৰোধী সাংসদে প্ৰশ্ন উত্থাপন কৰিছে। ২৬ আগষ্টত হাজিৰ হৈ সাংসদসকলৰ প্ৰশ্নৰ উত্তৰ দিবলৈ নিৰ্দেশ দিছে অধ্যক্ষ ডল প্ৰসাদ আৰিয়ালে। এতিয়ালৈকে ৩৯খন বৈঠকৰ ভিতৰত মাত্ৰ পাঁচখন সভাতহে অংশ লৈছে শ্বাহে। যোৱা ২৭ মাৰ্চত নেপালৰ প্ৰধানমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিছিল শ্বাহে, কিন্তু এতিয়ালৈকে শ্বাহৰ সিদ্ধান্তই পুনৰবাৰ ৰাজপথলৈ আহিছে জেন-জেড। চৰকাৰৰ পূৰ্বে বালেনৰ লগত থকা জেন-জেড এতিয়া তেওঁৰ বিৰুদ্ধে থিয় দিছে। শ্বাহৰ এই সিদ্ধান্তত নেপালৰ সীমান্তৱৰ্তী চহৰসমূহত প্ৰতিবাদৰ সৃষ্টি হয়, তাৰ পিছত কৰ্তৃপক্ষই এই পদক্ষেপ শিথিল কৰিব লগা হয়।

ভাৰতৰ স'তে নেপালৰ সীমা বিবাদক লৈও শ্বাহ অহৰহ সমালোচনাৰ সন্মুখীন হৈছিল, যেতিয়া নেপালৰ ভাৰতৰ ভূখণ্ড বেদখল সন্দৰ্ভত তেওঁৰ বক্তব্যই বিৰোধীক ক্ষুব্ধ কৰি তুলিছিল। ভাৰতৰ সীমান্তৰ দক্ষিণ নেপালত সংঘটিত হিংসাত্মক সাম্প্ৰদায়িক সংঘৰ্ষই এই হেঁচা বৃদ্ধি কৰিলে। পলমকৈ দিয়া সঁহাৰিৰ বাবে সমালোচনাৰ সন্মুখীন হৈ শ্বাহে জাতিটোক সম্বোধন কৰিবলগীয়া হৈছিল।

# আবিলেকৰ উদ্যোগত জিকিৰ আৰু জাৰী গীত জনগোষ্ঠীয় ভাষালৈ অনুবাদৰ কৰ্মশালাৰ সামৰণি

**উত্তৰ গুৱাহাটী, ২৫ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজান ফকীৰৰ জিকিৰ আৰু জাৰী গীতসমূহৰ সংৰক্ষণৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰি আজান ফকীৰৰ এই জিকিৰ আৰু জাৰী গীতবোৰ অসমৰ বিভিন্ন জনগোষ্ঠীয় ভাষালৈ অনূদিত কৰি জিকিৰ আৰু জাৰী গীতবোৰৰ প্ৰচাৰ আৰু প্ৰসাৰ বৃদ্ধিত গুৰুত্ব আৰোপ কৰিছে। মুখ্যমন্ত্ৰীজনে উত্তৰ গুৱাহাটী ৰজা দুৱাৰত অৱস্থিত 'আবিলেক'ক জিকিৰ আৰু জাৰী গীতবোৰ ছয় জনগোষ্ঠীয় ভাষা কাৰ্বি, দেউৰী, বড়ো মিচিং, তিৱা আৰু ৰাভা ভাষালৈ অনূদিত কৰাৰ দায়িত্ব অৰ্পণ কৰিছে। এই গীতসমূহৰ সংৰক্ষণৰ উদ্দেশ্যে উত্তৰ গুৱাহাটীৰ ৰজাদুৱাৰস্থিত আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি গৱেষণা সংস্থা অসম চমুকৈ 'আবিলেক'ৰ উদ্যোগত যোৱা ২০ আগষ্টৰ পৰা পাঁচদিনীয়াকৈ অনুষ্ঠিত কৰ্মশালাৰ কালি সামৰণি পৰে। বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদনৰ আধাৰত ২০২৪-২০২৫ৰ বিত্তীয় বাজেটত এই কামৰ দায়িত্ব অৰ্পণ কৰা হৈছিল 'আবিলেক'ক। কাৰ্বি, দেউৰী, বড়ো, মিচিং, তিৱা, ৰাভাকে ধৰি ছয় জনগোষ্ঠীয় ভাষালৈ অনূদিত কৰা প্ৰকল্পৰ আধাৰত অনুষ্ঠিত কৰ্মশালাত হজৰত আজান পীৰে ৰচনা কৰা অসমীয়া জিকিৰ আৰু জাৰী গীতিবোৰ তিনি-চাৰিশ বছৰ ধৰি অসমীয়া গাঁৱলীয়া মুছলমানসকলৰ মুখে মুখে পৰম্পৰাগতভাৱে চলি আহিছে যদিও এইবোৰ গীত ৰচনাৰ উপযুক্তভাৱে লিখিত ৰূপত সংৰক্ষণৰ ব্যৱস্থা নাছিল। গাঁৱৰ নিৰক্ষৰ আৰু আধ্যাত্মিক ভাব সম্পন্ন মুছলমানসকলে দুৰ্যোগ-দুৰ্দশাৰ মাজেৰে হ'লেও এই গীতবোৰক ধৰ্মৰ বাণী বুলি মানি লৈ সেইবোৰক তত্ত্ব কথাৰ সন্মান দি কণ্ঠস্থ কৰি ৰাখিছে। কিন্তু এই গীতি-ৰচনাবোৰ লিখিতভাৱে সংৰক্ষণ কৰাৰ প্ৰথা নথকাৰ কাৰণে, বহুত গীত কালক্ৰমত লোপ পালে, কিছুমানৰ বিকৃতি ঘটিল আৰু কিছুমান অন্যান্য গীত-মাতৰ লগত সান-মিহলি হৈ নিজস্বতা হেৰুৱালে। এতিয়া মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই জিকিৰ আৰু জাৰী গীতৰ সংৰক্ষণৰ বাবে লোৱা পদক্ষেপ বৌদ্ধিক মহলত উচ্চ প্ৰশংসিত হৈছে। এই দায়িত্ব 'আবিলেক'ক অৰ্পণ কৰা বাবে 'আবিলেক'ৰ নৱনিযুক্ত সঞ্চালক ড° যোগেশ কাকতিয়ে মুখ্যমন্ত্ৰী আৰু আবিলেকৰ পৰিচালনা পৰিষদৰ সভাপতি তথা শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুক ধন্যবাদ জ্ঞাপন কৰে আৰু অনুবাদ প্ৰকল্পটোৰ কাম অতি শীঘ্ৰেই সমাপন কৰা হ'ব বুলি ঘোষণা কৰে। অসমৰ ছয় জনগোষ্ঠীৰ প্ৰায় একুৰি সমল ব্যক্তিয়ে এই কৰ্মশালাত বিগত পাঁচটা দিনত অংশগ্ৰহণ কৰে ।

# ঢেকিয়াজুলিত বিশিষ্ট শিক্ষাবিদ সৰ্বেশ্বৰ বৰদলৈ, লক্ষেশ্বৰ বৰদলৈ-দিলীপ কুমাৰ বৰুৱা সোঁৱৰণী কুইজ প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা

**চিনামৰা, ২৫ আগষ্ট ঃ** ঢেকিয়াজুলি যুৱ সংঘৰ উদ্যোগত অঞ্চলটোৰ বিশিষ্ট শিক্ষাবিদ ক্ৰমে সৰ্বেশ্বৰ বৰদলৈ, লক্ষেশ্বৰ বৰদলৈ আৰু দিলীপ কুমাৰ বৰুৱা সোঁৱৰণী সদৌ অসম ভিত্তিত অনুষ্ঠিত কুইজ প্ৰতিযোগিতাখনি যোৱা ২২ আগষ্টত পুৱা ১০ বজাৰ পৰা স্থানীয় তুৰাকান্ত নাট্য মঞ্চৰ প্ৰাংগণত অনুষ্ঠিত হয়। বয়োজ্যেষ্ঠ প্ৰবীণ ক্ৰীড়াবিদ নকুল চন্দ্ৰ বৰদলৈয়ে এগছি বন্তি প্ৰজ্বলন কৰাৰ পাছতেই সংগীত শিল্পী শ্ৰীময়ী বৰদলৈ আৰু কৌশিক কংকন বৰদলৈৰ গুৰু বন্দনাৰে ক্ৰমে সৰ্বেশ্বৰ বৰদলৈ, লক্ষেশ্বৰ বৰদলৈ আৰু দিলীপ কুমাৰ বৰুৱাৰ প্ৰতিচ্ছবিত দাতা পৰিয়ালৰ সদস্যসকলৰ দ্বাৰা এগছিকৈ বন্তি প্ৰজ্বলনেৰে প্ৰয়াত তিনিগৰাকীক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। ইয়াৰ পাছতেই যুৱ সংঘৰ সভাপতি হেমন্ত মংগল বৰদলৈয়ে প্ৰয়াত তিনিগৰাকীৰ পৰিচয় দাঙি সভাপতিৰ ভাষণ প্ৰদান কৰা কুইজ প্ৰতিযোগিতাত গুৱাহাটী বিশ্ববিদ্যালয়, তেজপুৰ বিশ্ববিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু যোৰহাটকে ধৰি মুঠ ২৪ টা দলে অংশগ্ৰহণ কৰে। ক্ৰমে ড° ৰক্তিম ৰঞ্জন শইকীয়া, মনোৰঞ্জন বৰদলৈ আৰু মৃণাল শইকীয়াৰ পৰিচালনাত কুইজ প্ৰতিযোগিতাৰ প্ৰথম শ্ৰেষ্ঠ দল হিচাপে ভাৰ্গৱ ভূষণ, শক্তিমান পেগু গুৱাহাটী বিশ্ববিদ্যালয়, দ্বিতীয় শ্ৰেষ্ঠ যোৰহাট কাৰ্মেল বিদ্যালয়ৰ ছাত্ৰ কৃষ্ণাভ হাজৰিকা আৰু নিবিড় নয়ন দাসৰ দল আৰু তৃতীয় শ্ৰেষ্ঠ দল হিচাপে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আকাশ কলিতা, প্ৰণৱ জ্যোতি গগৈৰ দল বিজয়ী হয়।

ইয়াৰ পাছতেই অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰাজেন্দ্ৰ নাথ শইকীয়াৰ পৌৰোহিত্যত বঁটা প্ৰদান সভাখনৰ আঁত ধৰে সম্পাদক প্ৰকাশ বৰদলৈ আৰু হেমন্ত মংগল বৰদলৈয়ে। স্নাতকোত্তৰ পৰ্যায়লৈকে এটা শাখাত অনুষ্ঠিত প্ৰতিযোগিতাত প্ৰথম শ্ৰেষ্ঠ দলক ট্ৰফীসহ নগদ ১৮ হেজাৰ টকা সৰ্বেশ্বৰ বৰদলৈ সোঁৱৰণত সহধৰ্মিণী বিনোদিনী বৰদলৈ আৰু পৰিয়ালে প্ৰদান কৰে। লক্ষেশ্বৰ বৰদলৈৰ সোঁৱৰণত পৰিয়ালে নগদ ১৫ হেজাৰ দ্বিতীয় শ্ৰেষ্ঠ দলক প্ৰদান কৰাৰ লগতে দিলীপ কুমাৰ বৰুৱাৰ সোঁৱৰণত নগদ ১০ হেজাৰ টকা ট্ৰফীসহ সহধৰ্মিণী তুনু বৰুৱা, মুনীন কুমাৰ বৰুৱা তথা পৰিয়ালে তৃতীয় শ্ৰেষ্ঠ দলক আনুষ্ঠানিকভাৱে প্ৰদান কৰে।

# নগাঁৱত ৫৯ খন গাঁও বানৰ কবলত

স্তাফ ৰিপ'ৰ্টাৰ

**নগাঁও, ২৫ আগষ্ট ঃ** নগাঁও জিলাৰ বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও নতুনকৈ ২৬খন গাঁও বানৰ কবলত পৰিছে। ফলত আজিৰ দিনটোত জিলাখনত ৫৯খন গাঁও বানৰ কবলত আছে। তথ্য অনুসৰি, আজিৰ দিনটোত নগাঁও সদৰ, কলিয়াবৰ আৰু কামপুৰ ৰাজহ চক্ৰ বানমুক্ত হৈছে। আজিৰ দিনটোত চামগুৰি ৰাজহ চক্ৰত ৩০ খন আৰু ৰূপহীহাট ৰাজহ চক্ৰত ২৯ খন গাঁও বানত আৰু ধিং ৰাজহ চক্ৰৰ বটদ্ৰৱাৰ তিনিখন গাঁও কৃত্ৰিম বানৰ কবলত আছে। আজিৰ দিনটোত জিলাখনৰ প্ৰায় ১৮ হেজাৰ লোক বানাক্ৰান্ত হৈ আছে। বান-কৃত্ৰিম বানত জিলাখনৰ প্ৰায় ছয় হেজাৰ হেক্টৰ কৃষিভূমিৰ ক্ষতিসাধন হৈছে। জলস্পদ বিভাগে জনোৱা তথ্য অনুসৰি, জিলাখনৰ কাষেৰে বৈ থকা ব্ৰহ্মপুত্ৰকে ধৰি জিলাখনৰ সকলো নদীৰ জলস্তৰ যথেষ্ট হ্ৰাস হৈছে। নগাঁও চহৰৰ মাজেৰে বৈ যোৱা কলং নৈ নগাঁও চহৰত ১.৫৯ মিটাৰ তলেৰে বৈছে।

# কঠিয়াতলিত জব্দ গৰুভৰ্তি বাহন

অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ২৫ আগষ্ট ঃ** ৰাজ্যত অবৈধভাৱে চোৰাং গৰু সৰবৰাহ অব্যাহত আছে। কঠিয়াতলিত আজি বিয়লি ৩৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা আৰক্ষীয়ে এখন গৰুভৰ্তি বাহন জব্দ কৰে। গোপন খবৰৰ ভিত্তিত কঠিয়াতলি আৰক্ষীয়ে ধিং মৈৰাবাৰীৰ পৰা লংকালৈ সৰবৰাহ কৰি থকা অৱস্থাত নটা চোৰাং গৰুসহ এখন বাহন জব্দ কৰে। লগতে বাহনখনৰ চালক ইজাজুল হকক আৰক্ষীয়ে আটক কৰিছে। জব্দকৃত বাহনখনৰ নম্বৰ হৈছে এএছ-০২ ডিচি-৩৮৫১। অতি কৌশলৰে এখন মাছ কঢ়িওৱা বাহনত গৰুসমূহ সৰবৰাহ কৰিছিল। উল্লেখ্য যে দুদিন পূৰ্বে কঠিয়াতলি আৰক্ষীয়ে অবৈধভাৱে সৰবৰাহ কৰা গৰুভৰ্তি দুখন বাহন জব্দ কৰিছিল।

# ধ্বজবীৰ চুব্বাৰ মৃত্যুত শোক

অগ্ৰদূত বাৰ্তা

**চতিয়া, ২৫ আগষ্ট ঃ** চতিয়াৰ নিকটৱৰ্তী চমাৰ দলনিৰ লখনগড় গাঁও নিৱাসী তথা সমাজকৰ্মী ধ্বজবীৰ চুব্বাৰ মঙলবাৰে পুৱা নিজ বাসগৃহত বাৰ্ধক্যজনিত কাৰণত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯৩ বছৰ। তেওঁ লখনগড়-চমাৰ দলনি অঞ্চলৰ বহুতো সামাজিক-সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে ঘনিষ্ঠভাৱে জড়িত আছিল। মৃত্যুৰ সময়ত তেওঁ চাৰিজন পুত্ৰ, পাঁচগৰাকী কন্যাক এৰি থৈ যায়। তেওঁৰ মৃত্যুত সমগ্ৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে।

# অখিল গগৈক ৰাজনীতি বাদ দি বানাক্ৰান্তক হাতে-হাত ধৰি সহায় কৰাৰ আহ্বান জনালে বিধায়ক দিহিংগীয়াই

অগ্ৰদূত বাৰ্তা

**খোৱাং, ২৫ আগষ্ট ঃ** পৱিত্ৰ ভাদমাহ উপলক্ষে ৰাজ্যৰ প্ৰতিটো নামঘৰ মুখৰিত হৈছে হৰিনামৰ ধ্বনি। কিন্তু বানে ক্ষতিগ্ৰস্ত কৰা মাহমৰা সমষ্টিৰ নামঘৰসমূহত নাই পূৰ্বৰ দৰে পৰিৱেশ। বানত ক্ষতিগ্ৰস্ত নামঘৰসমূহ যাতে পুনৰ নিৰ্মাণ কৰিব পাৰে তাৰ বাবে চৰকাৰে আগবঢ়াইছে আৰ্থিক অনুদান। সোমবাৰে মৰাণত মাহমৰা সমষ্টিৰ বানপানীত ক্ষতিগ্ৰস্ত ৮৩ টা নামঘৰ আৰু মন্দিৰলৈ আৰ্থিক সাহায্যৰ চেক প্ৰদান কৰে বিধায়ক সুৰুয দিহিঙীয়াই। মাহমৰা সমজিলা আয়ুক্ত কাৰ্যালয়ৰ উদ্যোগত ৰাধাকৃষ্ণ মন্দিৰ বিবাহ ভৱনত অনুষ্ঠিত হোৱা সভাত নামঘৰ আৰু মন্দিৰ পৰিচালনা সমিতিক আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয় এই আৰ্থিক অনুদানৰ চেক সমূহ । এই ধন ৰাশীয়ে নামঘৰসমূহলৈ পূৰ্বৰ আধ্যাত্মিক পৰিৱেশ ঘূৰাই আনিবলৈ সক্ষম হ'ব বুলি আশা প্ৰকাশ কৰে। এই অনুষ্ঠানত অংশগ্ৰহণ কৰি বিধায়ক অখিল গগৈক তীব্ৰ সমালোচনা কৰে সূৰুজ দিহিংগীয়াই। কিয়নো দেওবাৰে মাহমৰা সমষ্টিলৈ আহি জনসভা অনুষ্ঠিত কৰি বিধায়ক সূৰুজ দিহিংগীয়া আৰু বিজেপি চৰকাৰক বান সাহায্য প্ৰদানক লৈ সমালোচনাৰে থকা-সৰকা কৰিছিল অখিল গগৈয়ে। সেয়ে আজি সূৰুজ দিহিংগীয়াই কয়, 'বান সাহায্যক লৈ আমি কেতিয়াও ৰাজনীতি কৰা নাই। সাহায্য বিতৰণত কোন কংগ্ৰেছ, কোন ৰাইজৰ দলৰ সেইটো বিবেচনা নকৰাকৈ প্ৰকৃত ক্ষতিগ্ৰস্ত লোকক সাহায্য প্ৰদানৰ বাবে চেষ্টা কৰিছো। ৰাজনীতিৰ ঊৰ্ধ্বত গৈ মোৰ বিৰুদ্ধে প্ৰতিদ্বন্দিতা কৰা কংগ্ৰেছ প্ৰাৰ্থীজনৰ পৰিয়ালকো দিছো চৰকাৰী বান সাহায্য। মাহমৰা সমষ্টিত তিনিবাৰকৈ চৰকাৰী সাহায্য লাভ নকৰা পৰিয়াল আছে যদি দেখুৱাই দিয়ক অখিল গগৈয়ে। অখিল গগৈয়ে নিজৰ সমষ্টিত মন দিয়ক । আমাৰ সমষ্টিত কাম কৰিবলৈ ৰাইজে আমাক নিৰ্বাচিত কৰিছে।'

# দুনীত বিলাতী সুৰাৰ দোকান বন্ধৰ দাবীত ৰাইজৰ প্ৰতিবাদী কাৰ্যসূচী




অগ্ৰদূত বাৰ্তা

**দুনী, ২৫ আগষ্ট ঃ** ছিপাঝাৰত সমষ্টিৰ দুনীত বিলাতী সুৰাৰ দোকান বন্ধৰ দাবীত আজি প্ৰায় শতাধিক লোকে পথ অৱৰোধ কৰি প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। মফচলীয়া চ'ক দুনীৰ সমীপৰ অসম মালা পথৰ দাঁতিত অতি সংগোপনে দোকানখন স্থাপন কৰি যোৱা ২১ আগষ্টত হঠাৎ মুকলি কৰি দিছিল গ্ৰাহকৰ বাবে। যাৰ ফলত অঞ্চলটোৰ প্ৰায় ১০খন বিদ্যালয়ৰ ছাত্ৰ -ছাত্ৰীৰ লগতে স্থানীয় ৰাইজ যথেষ্ট অসুবিধাৰ সন্মুখীন হৈ পৰিছিল। সন্ধিয়া হ'লেই একাংশ ডেকা বুঢ়াৰ লগতে ছাত্ৰৰ লাণ্ডি নিছিগা সোঁতত পৰিৱেশ বিনষ্ট হোৱাৰ লগতে স্থানীয় লোক যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছিল। সেয়ে উক্ত দোকানখন বন্ধৰ দাবীত দুনী আঞ্চলিক উন্নয়ন সমিতি, দুনী আঞ্চলিক ছাত্ৰ সন্থা আৰু স্থানীয় ৰাইজ আজি ৰাজপথত ওলাই আহি চৰকাৰৰ আবকাৰী বিভাগৰ অনুজ্ঞাপত্ৰ লৈ দুনীত স্থাপন কৰা বিলাতি সুৰাৰ দোকান বন্ধৰ দাবী জনাই তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। ৰাইজৰ উগ্ৰ ৰূপ দেখি স্থানীয় বুঢ়া আৰক্ষী চকী পাথৰিঘাট আৰক্ষী চকী, পাথৰিঘাট ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ঘটনা স্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ লগতে বিলাতি সুৰাৰ দোকান শীঘ্ৰেই ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি ৰাইজক আশ্বাস প্ৰদান কৰে। ৰাইজে চক্ৰ বিষয়াজনক এখন স্মাৰক পত্ৰ প্ৰদান কৰাৰ লগতে দুনী আছুকে ধৰি বিভিন্ন দল-সংগঠনে শীঘ্ৰেই ইয়াৰ পৰা দোকানখন স্থানান্তৰ নকৰিলে ইয়াতকৈ আৰু ভয়াবহ আন্দোলন গঢ়ি তুলিব বুলি মত পোষণ কৰে।

# উৰিয়ামঘাট আদৰ্শ চিকিৎসালয়ত স্বয়ংক্ৰিয়ভাৱে জ্বলি উঠিল এম্বুলেন্স



অগ্ৰদূত বাৰ্তা

**উৰিয়ামঘাট, ২৫ আগষ্ট ঃ** সৰুপথাৰ সমজিলাৰ উৰিয়ামঘাটত থকা আদৰ্শ চিকিৎসালয়ত থকা এখন এম্বুলেন্স আজি ৰখাই থোৱা অৱস্থাতে স্বয়ংক্ৰিয় ভাৱে জ্বলি উঠা ঘটনাই অঞ্চলটোত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জানিব পৰা মতে আজি পুৱা প্ৰায় ১০-৩০ বজাত চিকিৎসালয়খনৰ বাৰাণ্ডাত ৰখাই থোৱা অৱস্থাতে হঠাতে এম্বুলেন্সখন জ্বলি উঠাত চিকিৎসালয়খনত এক আতংকময় পৰিস্থিতিৰ সৃষ্টি হয়। কম সময়ৰ ভিতৰতে চিকিৎসালয়খনৰ চৌপাশ ক'লা জোঁৱাই আৱৰি ধৰে।ঘটনা সংঘটিত হোৱাৰ পিছতেই সমিতৰ উৰিয়ামঘাট আৰক্ষী উপস্থিত হয়। তাৎক্ষণিকভাৱে অগ্নি নিৰ্বাক বাহিনীক খবৰ দিয়া হয় যদিও ঘটনা সংঘটিত হোৱা প্ৰায় এক ঘন্টাৰ পাছতহে উপস্থিত হয়। অগ্নি নিৰ্বাপক বাহিনীৰ লোক উপস্থিত হৈ জুই নুমুৱাই যদিও গাড়ীখন প্ৰায় সম্পূৰ্ণ ৰূপে ভস্মীভূত হয় বুলি প্ৰকাশ। অগ্নিত সম্পূৰ্ণৰূপে ভস্মীভূত হোৱা জৰুৰীকালীন সেৱাৰ এম্বুলেন্সখনৰ নম্বৰ এ এছ ০ৰ এফৰ চি ৮৩৩৬ বুলি জানিব পৰা গৈছে। এখন অতি পুৰণি অনুপযোগী শোচনীয় ১০৮ সেৱাৰ এম্বুলেন্সখনৰ যান্ত্ৰিক বিজুতি ঘটাৰ ফলত এম্বুলেন্সখন জ্বলি উঠে বুলি স্থানীয় লোকে মত প্ৰকাশ কৰে।

### অবৈধ ফাৰ্মাচীৰ বিৰুদ্ধে ঔষধ নিয়ন্ত্ৰণ বিভাগৰ বৃহৎ অভিযান

# নগাঁৱত ম্যাদ উকলা ঔষধৰে ৰোগীক লৈ হেতালি কেলিছে একাংশ ফাৰ্মাচীয়ে

স্তাফ ৰিপ'ৰ্টাৰ

**নগাঁও, ২৫ আগষ্ট ঃ** নগাঁৱৰ একাংশ ফাৰ্মাচীয়ে ৰোগীৰ জীৱনক লৈ হেতালি খেলাৰ অভিযোগ উত্থাপন হৈ থকাৰ সময়তে আজি অসম চৰকাৰৰ ঔষধ নিয়ন্ত্ৰণ বিভাগৰ কে'বাটাও দলে নগাঁও চহৰ আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলত ম্যাদ উকলি যোৱা ঔষধ, ফাৰ্মাচীৰ অনুজ্ঞাপত্ৰৰ আসোঁৱাহ আদিৰ বিৰুদ্ধে অভিযান চলায়। এই



অভিযানত বিভাগটোৰ নগাঁও, মৰিগাঁও, ডিব্ৰুগড়, কোকৰাঝাৰ, কাৰ্বি আংলং, কামৰূপ মেট্ৰ', হোজাই আদি কে'বাখনো জিলাৰ ঔষধ নিয়ন্ত্ৰণ কাৰ্যালয়ৰ পৰিদৰ্শকসকলে অংশগ্ৰহণ কৰে। আজি অভিযানকাৰী দলটো চাৰিটা ভাগত বিভক্ত হৈ নগাঁও চহৰৰ কে'বাখনো ঔষধৰ খুচুৰা আৰু পাইকাৰী বিক্ৰী প্ৰতিষ্ঠানত অনুজ্ঞাপত্ৰ, ম্যাদ উকলা, ভেজাল ঔষধৰ বিৰুদ্ধে অভিযান চলায়। নগাঁও চহৰৰ এলফিনষ্টন চাৰিআলিৰ ইছৰা নামৰ ফাৰ্মাচীখনত অভিযান চলাই কেতবোৰ অনিয়ম ধৰা পেলোৱাৰ লগতে ম্যাদ উকলা ঔষধৰ তথ্য পোহৰলৈ আনে। অভিযানৰ সময়ত দলটোৱে ফাৰ্মাচীখনৰ অনুজ্ঞাপত্ৰৰ ম্যাদ উকলি যোৱা বিষয়টো উদ্‌ঘাটন কৰে। দীৰ্ঘদিন ধৰি ফাৰ্মাচীখনে অনুজ্ঞাপত্ৰ নবীকৰণ কৰা নাছিল। অভিযানকাৰী দলটোৱে ফাৰ্মাচীখন ছীল কৰাৰ লগতে যাৱতীয় বিভাগীয় ব্যৱস্থা গ্ৰহণ কৰে। লগতে নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ৰ সন্মুখৰ কে'বাখনো ফাৰ্মাচীত অভিযান চলায়। বকুল ফাৰ্মাচীসহ দুই-এখন ফাৰ্মাচীত ম্যাদ উকলা ঔষধ উদ্ধাৰ কৰিবলৈ সক্ষম হয় দলটো। নগাঁও ঔষধ নিয়ন্ত্ৰণ বিভাগে তৎকালীনভাৱে এই ঔষধ প্ৰতিষ্ঠানসমূহলৈ জাননী জাৰি কৰাৰ লগতে বিভাগীয় ব্যৱস্থা গ্ৰহণ কৰিব বুলি নগাঁও ঔষধ নিয়ন্ত্ৰণ বিভাগে সংবাদ মাধ্যমক জানিবলৈ দিয়ে। দলটোৱে হয়বৰগাঁৱৰ আয়ুস ড্ৰাগছ ডিষ্ট্ৰিবিউটৰত অভিযান চলাই ঔষধৰ নমুনা সংগ্ৰহ কৰে। দলটোৰ দুটা গোটে আজি জিলাখনৰ ডুমডুমীয়া আৰু ৰূপহীহাটতো নকল ঔষধ আৰু অনুজ্ঞাপত্ৰবিহীন ফাৰ্মাচীৰ বিৰুদ্ধে অভিযান চলায়।

# নগাঁৱত উপ-নিৰ্বাচনৰ প্ৰস্তুতিৰ পৰ্যালোচনা অসমৰ মুখ্য নিৰ্বাচনী বিষয়াৰ

স্তাফ ৰিপ'ৰ্টাৰ

**নগাঁও, ২৫ আগষ্ট ঃ** অসমৰ মুখ্য নিৰ্বাচন বিষয়া (চিইঅ') অনুৰাগ গোৱেলে আজি নগাঁও জিলা ভ্ৰমণ কৰি আগন্তুক উপ-নিৰ্বাচন সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনে গ্ৰহণ কৰা প্ৰস্তুতিৰ বুজ লয়। নগাঁৱৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত মুখ্য নিৰ্বাচনী বিষয়াৰ অধ্যক্ষতাত এখন বৈঠকো অনুষ্ঠিত হয়। বৈঠকৰ আৰম্ভণিতে জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই জিলাখনৰ নিৰ্বাচনী প্ৰশাসন আৰু পৰিবহণ তথা সামগ্ৰী ব্যৱস্থাপনাৰ সামগ্ৰিক প্ৰস্তুতি সম্পৰ্কে মুখ্য নিৰ্বাচনী বিষয়াজনক সবিশেষ অৱগত কৰে। উক্ত আলোচনাত জিলাখনৰ প্ৰতিগৰাকী সচেতন ভোটাৰৰ সুচল অহা-যোৱা তথা নিৰ্বাচনী সুবিধা সুনিশ্চিত কৰাৰ সমান্তৰালভাৱে এক স্বচ্ছ আৰু প্ৰশাসনিক সহায়ক পৰিৱেশ গঢ়ি তোলাৰ বিষয়ে বিষদভাৱে আলোচনা কৰা হয়। বৈঠকত ইভিএম ব্যৱস্থাপনা, সুৰক্ষা ব্যৱস্থা, ভোটগ্ৰহণ কেন্দ্ৰসমূহৰ মৌলিক আন্তঃগাঁথনি প্ৰস্তুতকৰণ আৰু বিভিন্ন নিৰ্বাচনী কোষসমূহৰ চলি থকা গতিশীল কাৰ্যসূচী সামূহিকভাৱে পৰ্যালোচনা কৰা হয়। বৈঠকত জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই নগাঁও লোকসভাৰ উপ-নিৰ্বাচন সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে গ্ৰহণ কৰা সামগ্ৰিক প্ৰশাসনিক প্ৰস্তুতি আৰু ব্যৱস্থাসমূহৰ বিষয়ে মুখ্য নিৰ্বাচনী বিষয়াক অৱগত কৰে। মুখ্য নিৰ্বাচনী বিষয়াই নিৰ্বাচনৰ প্ৰস্তুতিৰ বিভিন্ন দিশ যেনে— লজিষ্টিক ব্যৱস্থা, ইভিএম নিয়োগ তথা বিভিন্ন নিৰ্বাচন সম্পৰ্কীয় কোষৰ কাম-কাজ আৰু সমন্বয় পৰ্যালোচনা কৰে। তেওঁ সংশ্লিষ্ট বিষয়াসকলক সকলো প্ৰয়োজনীয় প্ৰস্তুতি সময়মতে সম্পূৰ্ণ কৰাৰ লগতে ভাৰতীয় নিৰ্বাচন আয়োগে জাৰি কৰা নিৰ্দেশনা আৰু নিৰ্দেশসমূহ কঠোৰভাৱে পালন কৰিবলৈ নিৰ্দেশ দিয়ে। বৈঠকত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মনোজ ছিকাৰিয়া, জ্যেষ্ঠ আৰক্ষী অধীক্ষক ভি ভি ৰাকেশ ৰেড্ডীৰ উপৰি নগাঁও জিলাৰ সকলো অতিৰিক্ত জিলা আয়ুক্ত, সহকাৰী আয়ুক্ত, নিৰ্বাচনী বিষয়া, চক্ৰ বিষয়া, ইভিএম বিষয়া আৰু বিভিন্ন কোষৰ ভাৰপ্ৰাপ্ত বিষয়াসকল উপস্থিত থাকে।



# অৱসৰপ্ৰাপ্ত ৰেল কৰ্মচাৰী-বিহুৱা সোণাৰাম বৰুৱাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ২৫ আগষ্ট ঃ** মৰিয়নিৰ সমীপৰ নকছাৰি তিৰুৱাল গাঁৱৰ নিৱাসী, অৱসৰপ্ৰাপ্ত ৰেল কৰ্মচাৰী, বিহুৱা, ধৰ্মপ্ৰাণ ব্যক্তি সোণাৰাম বৰুৱাৰ আজি পুৱা চাৰি মান বজাত যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত পৰলোকপ্ৰাপ্তি ঘটে। বিগত কিছুদিন ধৰি তেওঁ শাৰীৰিক অসুস্থতাত ভুগি আছিল। কালি স্বাস্থ্যৰ অধিক অৱনতি ঘটাত নিশাই যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ লৈ যোৱা হয় যদিও আজি পুৱা চিকিৎসাধীন অৱস্থাতে তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স প্ৰায় ৮১ বছৰ হৈছিল। নকছাৰিৰ কোঁৱৰপুৰীয়া মৰাণ গাঁৱৰ নিৱাসী বৰুৱাই ৰেল বিভাগৰ চাকৰি সূত্ৰে মৰিয়নিলৈ আহে আৰু মৰিয়নিৰ ৰেলৱে পাৱাৰ হাউছ কল'নীত থাকিবলৈ লয়। তেতিয়াৰে পৰা মৰিয়নিৰ সমাজ জীৱনৰ স'তে তেওঁ জড়িত হৈ পৰে। মৰিয়নিৰ ৰেলৱে ডেকা শিল্পী সমাজৰ এজন সক্ৰিয় সদস্যৰূপে সেৱা আগবঢ়োৱা প্ৰয়াত বৰুৱা এজন ভাল বিহুৱা আছিল। ঢোল বজোৱাত পাকৈত প্ৰয়াত বৰুৱাই সমানে সমানে বিহু নামো জুৰিছিল। ১৯৭০-৮০ দশকৰ বিহু দলৰ তেওঁ প্ৰধান নাচনীও আছিল। বিশেষকৈ 'মতা নাচনী'ৰূপে প্ৰয়াত বৰুৱা অধিক জনপ্ৰিয় আছিল। মৰিয়নিৰ শ্ৰীশ্ৰীশংকৰদেৱ কীৰ্তন ঘৰ, নামঘৰ আদিৰ স'তেও তেওঁ জড়িত আছিল। ৰেলৰ চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পাছত তেওঁ নকছাৰিৰ তিৰুৱাল গাঁৱত স্থায়ীভাৱে থাকিবলৈ লয়। আজি তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগেই নকছাৰিৰ তিৰুৱাল গাঁৱৰ লগতে জন্মস্থান কোঁৱৰপুৰীয়া মৰাণ গাঁও আৰু মৰিয়নিত শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী, একমাত্ৰ পুত্ৰ, দুই বিবাহিতা কন্যাসহ তিনি কন্যা, নাতি নাতিনীক ইহ সংসাৰত এৰি থৈ গৈছে। তেওঁৰ মৃত্যুত মৰিয়নিৰ ৰেলৱে ডেকা শিল্পী সমাজ, শ্ৰীশ্ৰী শংকৰদেৱ কীৰ্তনঘৰ পৰিচালনা সমিতি আদিয়ে শোক প্ৰকাশ কৰে। দুপৰীয়া নকছাৰিৰ মৰাণ গাঁৱত তেওঁৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়।

# কামপুৰৰ কলাইখোৱাত পুখুৰীত পৰি যুৱকৰ মৃত্যু

স্তাফ ৰিপ'ৰ্টাৰ

**নগাঁও, ২৫ আগষ্ট ঃ** কামপুৰৰ কলাইখোৱাত আজি পুৱা এক শোকাৱহ ঘটনা সংঘটিত হয়। পথাৰৰ মাজত এক্সকেভেটৰৰে খান্দি খোৱা এট দ পুখুৰীত পৰি এজন যুৱকৰ কৰুণ মৃত্যু হয়। মৃত যুৱকজন নিজ কামপুৰৰ মিঠুন লস্কৰ বুলি চিনাক্ত কৰা হৈছে। পুৱাৰ ভাগত কঠীয়া আনিবলৈ যোৱাৰ পৰাই সন্ধানহীন হৈ আছিল যুৱকজন। ইতিমধ্যে স্থানীয় ৰাইজৰ তৎপৰতাত উদ্ধাৰ কৰা হৈছে যুৱকজনৰ মৃতদেহ। সমগ্ৰ ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পেলাইছে।

**ইপিনে,** নগাঁও জিলাৰ নাৰমাৰীত আজি দুপৰীয়া এজাক বৰষুণৰ মাজতে বজ্ৰপাতত এটি পশুধনৰ মৃত্যু হয়। বজ্ৰৰ আঘাতত নাৰমাৰীৰ কৃষক আলাল উদ্দিনৰ গাই গৰুজনীৰ মৃত্যু হয়।

# দৰং জিলা নাগাৰা নাম সংঘৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**ছিপাঝাৰ, ২৫ আগষ্ট ঃ** ১৯৭৯তে প্ৰতিষ্ঠা হোৱা দৰং জিলা নাগাৰা নাম সংঘৰ এখন বৰ্ধিত কাৰ্যনিৰ্বাহক সভা যোৱা ২২ আগষ্টত বড়িচৌকাৰ দুৰ্গা মন্দিৰ প্ৰাংগণত অনুষ্ঠিত হয়। মহিলা পাঠক জ্ঞানতা বৰুৱাৰ আতিথ্যত অনুষ্ঠিত সভাখনত সংঘৰ সাংগঠনিক দিশ, নাগাৰা নামৰ প্ৰচাৰ-প্ৰসাৰ আৰু আগন্তুক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। সংঘৰ সভাপতি উদ্ধৱ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ আঁত ধৰে সম্পাদক মুকুট চন্দ্ৰ হাজৰিকাই। সভাত উপ-সভাপতি বলেন শইকীয়া, জনপ্ৰিয় পাঠক সুভাষ নাথ, জ্যেষ্ঠ নাগৰু জয়ন্ত কলিতা, মহেশ ভূঞা, পাঠক পুতুল শইকীয়া, দুলুমণি নাথ, প্ৰিয়ংকা শইকীয়া, নাগৰু নিপেন ডেকা আৰু দিপাংকৰ ডেকাই বক্তব্য আগবঢ়ায়। সভাত তিলক শৰ্মা, অজন্তা বৰা, অতুল বৰুৱা, দীপজ্যোতি নাথ, স্নেহলতা অধিকাৰী, প্ৰণীতা ডেকা, কৈলাশ ৰাজবংশী, দিগন্ত চহৰীয়া, সুৰেন কলিতা, দ্বিজেন কলিতা, বিশাল নাথকে ধৰি সংঘৰ বিষয়ববীয়া, পাঠক, নাগৰু আৰু শুভাকাংক্ষীসকল উপস্থিত থাকে। বড়িচৌকা দুৰ্গা মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি ধীৰেন বৰুৱাই উপস্থিত থাকি নাগাৰা নামৰ শিল্পীসকলক আদৰণি জনায়। অহা ১৬ ছেপ্টেম্বৰত দেওমৰনৈৰ নিকটৱৰ্তী ৰঘুনাথ সত্ৰ প্ৰাংগণত দৰং জিলা নাগাৰা নাম সংঘৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

# ৰঙিয়াত নিচাযুক্ত সামগ্ৰীসহ এজনক আটক

অগ্ৰদূত বাৰ্তা

**ৰঙিয়া, ২৫ আগষ্ট ঃ** অপৰাধ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত অসম আৰক্ষীয়ে কঠোৰ হোৱাৰ পাছতো নাকী লগাবলৈ সক্ষম হোৱা নাই বহুতো দুষ্কাৰ্যৰ লগত জড়িত অপৰাধীক। বিয়াগোম আৰক্ষী বিভাগ থকাৰ পাছতো অসম আৰক্ষীৰ চকুত ধূলি দি বহু অপৰাধীয়ে চলাই গৈছে বহু অনৈতিক আৰু অসামাজিক কাৰ্যকলাপ। বিশেষকৈ ড্ৰাগছ, গাঞ্জা তথা নিচাযুক্ত সামগ্ৰীৰ সৰবৰাহৰ অত্যধিক বৃদ্ধিয়ে সচেতন নাগৰিকক চিন্তিত কৰি তুলিছে। এইবেলি নিচাযুক্ত সামগ্ৰীৰ বিৰুদ্ধে তীব্ৰ যুটীয়া অভিযান চলাইছে ৰঙিয়া সমজিলাৰ আয়ুক্ত, সমজিলাৰ আৰক্ষী আয়ুক্তসহ ৰঙিয়া আৰক্ষীয়ে। তেওঁলোকৰ যুটীয়া প্ৰচেষ্টাত হঠাৎ ৰঙিয়া চহৰৰ সমীপৱৰ্তী পীতাম্বৰ হাটবজালীত অতৰ্কিতে অভিযান চলাই বৃহৎ পৰিমাণৰ নিচাযুক্ত সামগ্ৰীসহ গাঞ্জা উদ্ধাৰ কৰিবলৈ সক্ষম হয়। এক গোপন সূত্ৰৰ পম খেদি চলোৱা অভিযান কালত ৩.৭৪৫ গ্ৰাম পৰিমাণৰ নিচাযুক্ত সামগ্ৰী গাঞ্জা জব্দ কৰাৰ উপৰি ইয়াৰ লগত জড়িত থকাৰ সন্দেহত এজন লোকক আটক কৰিবলৈ সক্ষম হয়। আটকাধীন সন্দেহজনক গাঞ্জা সৰবৰাহকাৰীক বিপুল কলিতা বুলি চিনাক্ত কৰা হৈছে। জব্দ কৰা গাঞ্জাখিনিৰ মূল্য প্ৰায় সাত লাখ টকা হ'ব বুলি ধাৰণা কৰা হৈছে। উল্লেখ্য যে পীতাম্বৰ হাটবজালীত ধৃত গাঞ্জা সৰবৰাহকাৰী বিপুল কলিতাই বৃহত্তৰ অঞ্চলটোত নিষিদ্ধ সামগ্ৰী গাঞ্জাৰ ৰমৰমীয়া ব্যৱসায় চলাই থকাৰ অভিযোগ স্থানীয় ৰাইজে দীৰ্ঘদিনৰ পৰা তুলি আহিছে। ইতিমধ্যে ধৃত বিপুল কলিতাক ৰঙিয়া আৰক্ষীয়ে আটক কৰি জেৰা অব্যাহত ৰাখিছে।

# ঘগ্ৰাপাৰৰ দুই নম্বৰ নিমুৱা-লাটিমা গাঁৱত চোৰৰ লুটপাট



অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২৫ আগষ্ট ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ থানাৰ অন্তৰ্গত দুই নম্বৰ নিমুৱা-লাটিমা গাঁৱৰ মছজিদৰ দানপাত্ৰৰ তলা ভাঙি কালি নিশা চোৰে নগদ ধন লুট কৰি নিয়া ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। আনহাতে, ঘগ্ৰাপাৰ থানাৰ অন্তৰ্গত বৃহত্তৰ অঞ্চলটোত কেইমাহমানৰ পৰা চোৰে উপদ্ৰৱ চলাই অহা ঘটনাত গএঞা ৰাইজ শংকিত হৈ পৰিছে। উল্লেখ্য যে বৃহত্তৰ অঞ্চলটোত গৰু চুৰিৰ দৰে ঘটনা সংঘটিত কৰাৰ সমান্তৰালভাৱে মন্দিৰ, মছজিদ, নামঘৰ আদিৰ দানপাত্ৰ ভাঙি নগদ ধন লুট কৰা ঘটনাই চকু কপালত তুলিছে। ইপিনে, যোৱা নিশা দুই নম্বৰ নিমুৱা-লাটিমা গাঁৱৰ মছজিদৰ দানপাত্ৰ ভাঙি প্ৰায় ২০ হেজাৰ টকা লুট কৰি নিয়ে বুলি স্থানীয় ৰাইজে জানিবলৈ দিয়ে। ইপিনে, কংক্ৰিটৰে নিৰ্মিত দানপাত্ৰটোত লোৰ দৰ্জা লগাই তলা মাৰি জ্বালাই কৰি থৈছিল যদিও নিশা চোৰে তলা আদি ভাঙি লুট কৰি নিয়ে। আনহাতে, নিশাৰ ভাগত নিৰাপদ নহয় বুলি সাধাৰণ জনতাৰ মাজত চৰ্চা চলিছে।

# ধৰ্মপ্ৰাণ মহিলা চৈয়দা আনোৱাৰা ৰহমানৰ আকস্মিক বিয়োগ



অগ্ৰদূত বাৰ্তা

**দুমুনিচকী, ২৫ আগষ্ট ঃ** কামৰূপ জিলাৰ চাংসাৰি নিকট জলাহ গাঁৱৰ ধৰ্মপ্ৰাণ মহিলা চৈয়দা আনোৱাৰা ৰহমানৰ আজি আকস্মিকভাৱে মৃত্যু হয়। এক নম্বৰ জলাহ গাঁৱৰ বিশিষ্ট সমাজকৰ্মী মহৰুম চৈয়দ তবিবুৰ ৰহমানৰ সহধৰ্মিনী তথা জলাহ হাইস্কুলৰ শিক্ষক মতিউৰ ৰহমান শচইদুলপ্পৰ মাতৃ চৈয়দা আনোৱাৰা ৰহমানৰ আজি আবেলি প্ৰায় তিনি বজাত আকস্মিকভাৱে বিয়োগ ঘটে। অতি সহজ-সৰল নম্ৰ-ভদ্ৰ নিভাঁজ চৰিত্ৰৰ চৈয়দা আনোৱাৰা ৰহমানৰ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে। তেওঁৰ মৃত্যুত কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতা, ৰাজ্যিক সংখ্যালঘু আয়োগৰ অধ্যক্ষ তবিবৰ ৰহমান, বিজেপি উত্তৰ কামৰূপ জিলাৰ সভাপতি ভাস্কৰজ্যোতি কলিতা, বিজেপিৰ উত্তৰ কামৰূপ জিলা সংখ্যালঘু মৰ্চাৰ সভাপতি চৈয়দ চহিদুল ইছলামৰ লগতে অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক ব্যক্ত কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে ।

### ছাত্ৰ সন্থা অসম সেনাৰ উদ্যোগত ড্ৰাগছবিৰোধী নাগৰিক সভা অনুষ্ঠিত

# ড্ৰাগছ ৰোধৰ বাবে যোৰহাটত স্পেচিয়েল টাস্ক ফ'ৰ্চ গঠনৰ দাবী

স্তাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ২৫ আগষ্ট ঃ** যোৰহাটত ড্ৰাগছৰ অবাধ প্ৰচলন ৰোধ আৰু সৰবৰাহকাৰী চক্ৰ উৎখাতৰ বাবে অসম চৰকাৰক স্পেচিয়েল টাস্ক ফ'ৰ্চ গঠন কৰাৰ দাবী জনালে সদৌ যোৰহাট জিলা ছাত্ৰ সন্থা, অসম সেনা আৰু যোৰহাটবাসী ৰাইজে। যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত ড্ৰাগছবিৰোধী নাগৰিক সভাত এই দাবীসহ কে'বাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সদৌ যোৰহাট জিলা ছাত্ৰ সন্থা আৰু অসম সেনা, যোৰহাট জিলা সমিতিৰ উদ্যোগত অনুষ্ঠিত সভাত ড্ৰাগছৰ উৎস, সৰবৰাহকাৰী আৰু সেৱনকাৰীক চিনাক্ত কৰি উৎখাত কৰাৰ বাবে অসম চৰকাৰলৈ স্মাৰকপত্ৰ প্ৰেৰণৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাই লগতে ভিডিপিৰ আৰ্হিত যোৰহাটৰ প্ৰতিটো ৱাৰ্ড আৰু




পঞ্চায়তত এণ্টি ড্ৰাগছ ভিজিলেন্স কমিটী গঠনৰ দবী জনায়। জিলা প্ৰশাসনৰ উদ্যোগত আৰু অসম আৰক্ষীৰ প্ৰত্যক্ষ তত্ত্বাৱধানত ৰাইজক জড়িত কৰি এই সমিতিসমূহ গঠন কৰাৰ দাবী উত্থাপন কৰা হয়। ইয়াৰ উপৰি যোৰহাটৰ শিক্ষানুষ্ঠানসমূহত ধাৰাবাহিকভাৱে ড্ৰাগছবিৰোধী সজাগতা কাৰ্যসূচী ৰূপায়ণৰ সিদ্ধান্ত লোৱা হয়। ছাত্ৰ সন্থা আৰু অসম সেনাৰ নেতৃত্বত তথা যোৰহাটবাসী ৰাইজৰ সহযোগত অহা ছেপ্টেম্বৰৰ প্ৰথম সপ্তাহত 'গণ সজাগতা যাত্ৰা' উলিওৱাৰো সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাই যোৰহাটৰ নিচামুক্তি কেন্দ্ৰসমূহ জিলা প্ৰশাসনৰ প্ৰত্যক্ষ হস্তক্ষেপ আৰু তদাৰকীত পৰিচালনা কৰাৰ বাবেও প্ৰশাসনক আহ্বান জনায়। উল্লেখ্য যে ড্ৰাগছৰ বিৰুদ্ধে ৰাইজৰ সহযোগিতাৰে অধিক শক্তিশালী অভিযান চলোৱাৰ লক্ষ্যৰে অনুষ্ঠিত সভাত প্ৰায় ডেৰ শতাধিক নাগৰিকে অংশগ্ৰহণ কৰে। সভাত অসম সেনাৰ মুখ্য আহ্বায়ক বিজয় শংকৰ বৰদলৈয়ে ড্ৰাগছক সংগঠিত অপৰাধ আখ্যা দি ড্ৰাগছমুক্ত যোৰহাট গঢ়িবলৈ ৰাইজক ঐক্যবদ্ধভাৱে আগবাঢ়ি আহিবলৈ আহ্বান জনায়। শেহতীয়াকৈ যোৰহাট আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে গ্ৰহণ কৰা কঠোৰ পদক্ষেপকো তেওঁ আদৰণি জনায়। সদৌ অসম ছাত্ৰ সন্থাৰ সাহিত্য সম্পাদক নীহাৰিকা শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত হাইস্কুল পৰ্যায়ৰ পৰাই ড্ৰাগছবিৰোধী সজাগতা গঢ়ি তোলাৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰে। সভাত জ্যেষ্ঠ অধিবক্তা ভৱ গোস্বামী, মিণ্টু গোস্বামী, অসম সাহিত্য সভা আৰু জ্যেষ্ঠ নাগৰিক সন্থাৰ প্ৰতিনিধিকে ধৰি কে'বাগৰাকীও বক্তাই বক্তব্য আগবঢ়ায়। সভাত জিলা প্ৰশাসনৰ তৰফৰ পৰা ৰাজহ চক্ৰ বিষয়া ৰ'নাল্ড নাথ আৰু উপ-আৰক্ষী অধীক্ষক দেৱলীনা ভট্টাচাৰ্য উপস্থিত থাকে। অসম সেনাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য ৰিতুৰ পাঠক, অসম উন্নতি সভাৰ হৈ সৌৰভ বৰা, বিক্ৰমজ্যোতি কটকী আৰু নিতুল গোস্বামীয়েও সভাত বক্তব্য প্ৰদান কৰে। জিলা প্ৰশাসনৰ প্ৰতিনিধিসকলে সভাই গ্ৰহণ কৰা সিদ্ধান্তসমূহ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত সহযোগিতাৰ আশ্বাস দিয়ে।

# মৰণ ফান্দত পৰিণত নগাঁও-নলতলি ৰাজ্যিক ঘাইপথ

## পথৰ মাজত প্ৰকাণ্ড প্ৰকাণ্ড গাঁত ঃ জীয়াতু ভুগিছে ৰাইজে ঃ পথৰ বিধ্বস্ততাৰ বাবেই সঘনাই সংঘটিত হৈছে পথ দুৰ্ঘটনা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**নগাঁও, ২৫ আগষ্ট ঃ** নগাঁও জিলাৰ অন্যতম ব্যস্ত তথা গুৰুত্বপূৰ্ণ পথ হিচাপে পৰিচিত নগাঁও-নলতলি ৰাজ্যিক ঘাইপথ। কিন্তু সুদীৰ্ঘ বছৰ ধৰি মেৰামতি আৰু তত্বাৱধানৰ অভাৱত বৰ্তমান অতিশয় বিধ্বস্ত হৈ পৰা পথটো এতিয়া মৰণ ফান্দতহে পৰিণত হোৱা পৰিলক্ষিত হৈছে। পথটোৰ অতিশয় শোচনীয় অৱস্থাই এতিয়া জীয়াতু ভোগাইছে এই পথেৰে আহ-যাহ কৰা লোকসকলক। বিশেষকৈ পথছোৱাৰ পলাশনি আৰু ঔঅনাৰ মাজৰ অংশত সৃষ্টি হোৱা প্ৰকাণ্ড প্ৰকাণ্ড গাঁত আৰু পুখুৰীসদৃশ দ



গাঁতৰ বাবে যাতায়াত কৰাটো একপ্ৰকাৰ দুঃসাধ্য হৈ পৰিছে। এতিয়া বাৰিষাৰ বৰষুণৰ বতৰত পথৰ গাঁতসমূহত পানী জমা হৈ থকাৰ ফলত গাঁতৰ গভীৰতা অনুমান কৰিব নোৱাৰি। যাৰ ফলত পথচাৰীসকল বিপদত পৰিছে। সৰু-বৰ যানবাহনসমূহে এই গাঁত পাৰ হ'বলৈ গৈ নিয়ন্ত্ৰণ হেৰুৱাই দুৰ্ঘটনাৰ সন্মুখীন হ'ব লগা হৈছে। পথটোৰ এই শোচনীয় অৱস্থাৰ বাবে প্ৰায় প্ৰতিদিনেই কোনো নহয় কোনো ধৰণৰ দুৰ্ঘটনা সংঘটিত হৈ আহিছে। নগাঁও জিলাৰ লগতে নগাঁৱৰ পৰা তেজপুৰলৈ যাতায়াতৰ ক্ষেত্ৰতো এই পথছোৱা অতি গুৰুত্বপূৰ্ণ। নলতলি-নগাঁও সংযোগী এই চমু পথটোৰে প্ৰতিদিনে হেজাৰ হেজাৰ লোক, ছাত্ৰ-ছাত্ৰী, ব্যৱসায়ী আৰু বিভিন্ন ধৰণৰ যানবাহন চলাচল কৰে। কিন্তু দীৰ্ঘদিন ধৰি পথটো মেৰামতি নোহোৱাত ৰাইজৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি হৈছে। গুৱাহাটীৰ নাৰেংগীৰ পৰা নলতলিলৈ যোৱা ৰাজ্যিক ঘাইপথটোৰ বহু অংশ নিৰ্মাণৰ কেইবছৰমানৰ ভিতৰতে জৰাজীৰ্ণ হৈ পৰিছে। পথটোৰ বিভিন্ন স্থানত বিটুমিন উঠি গৈ প্ৰকাণ্ড গাঁতৰ সৃষ্টি হৈছে। বিশেষকৈ বাৰিষাৰ সময়ত পানী আৰু বোকাই পথটো অধিক বিপজ্জনক কৰি তুলিছে। ইফালে, পথটোৰ দুৰৱস্থাৰ বিৰুদ্ধে কিছুদিন পূৰ্বে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদেও প্ৰতিবাদ সাব্যস্ত কৰিছিল। পথটো শীঘ্ৰে মেৰামতি কৰি যাতায়াতৰ উপযোগী কৰি তুলিবলৈ সংগঠনটোৱে সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত দাবী জনাইছিল। কিন্তু প্ৰতিবাদৰ পাছতো পথটোৰ পৰিস্থিতিৰ বিশেষ পৰিৱৰ্তন নোহোৱাত ৰাইজৰ মাজত অসন্তুষ্টি বৃদ্ধি পাইছে। পথটোৰ মেৰামতিৰ ক্ষেত্ৰত গড়কাপ্তানী বিভাগে অধিক তৎপৰতা প্ৰদৰ্শন নকৰাৰ বাবেই সমস্যা দিনক দিনে অধিক ভয়াৱহ হৈ পৰিছে। পথটোৰ এনে অৱস্থাই কেৱল যাতায়াতত অসুবিধাই সৃষ্টি কৰা নাই, ইয়াৰ ফলত যানবাহনৰ ক্ষতিসাধন হোৱাৰ লগতে দুৰ্ঘটনাৰ আশংকাও বৃদ্ধি পাইছে। সেয়ে কোনো ডাঙৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ পূৰ্বেই নগাঁও-নলতলি ৰাজ্যিক ঘাইপথৰ জৰাজীৰ্ণ অংশসমূহ শীঘ্ৰে মেৰামতি কৰাৰ লগতে পথটোৰ গুণগত মান পৰীক্ষা কৰি স্থায়ী সমাধানৰ ব্যৱস্থা কৰিবলৈ ৰাইজে দাবী জনাইছে।

# ধেমাজিত প্ৰগতিশীল শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সাংস্কৃতিক শাখাৰ কৰ্মশালা



**অগ্ৰদূত বাৰ্তা**

**ধেমাজি ২৫ আগষ্ট ঃ** প্ৰগতিশীল শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সাংস্কৃতিক শাখাৰ উদ্যোগত আৰু ধেমাজি মাণ্ডলীক সংঘৰ সহযোগত ৰতুৱা বুনিয়াদী সংঘৰ আতিথ্যত কালি ৰতুৱা বৰনামঘৰত দিনটোজোৰা কাৰ্যসূচীৰে স্থায়ী গুৰু আসন আৰু শৰাই প্ৰতিষ্ঠাৰ লগতে নাম-প্ৰসংগ আৰু ভাগৱত পাঠৰ এক কৰ্মশালাৰ কাৰ্যসূচী অনুষ্ঠিত হৈ যায় । পুৱা বন্তি প্ৰজ্বলন কৰাৰ পাছতেই কৰ্মশালাৰ উদ্বোধন কৰে প্ৰগতিশীল শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মুখ্য শৰণাচাৰ্য চন্দ্ৰ কমল বৰাই। উক্ত কৰ্মশালাত স্থায়ী গুৰু আসন আৰু শৰাই প্ৰতিষ্ঠাৰ প্ৰশিক্ষণ প্ৰদান কৰে চন্দ্ৰ কমল বৰা, গোপাল কোঁৱৰ আৰু প্ৰদীপ বৰাই । নাম-প্ৰসংগৰ প্ৰশিক্ষণ প্ৰদান কৰে নামাচাৰ্য ক্ৰমে কৃষ্ণ বৰুৱা, ভূপেন বৰুৱা আৰু মঞ্জিল বৰুৱাই। অনুষ্ঠানৰ আঁত ধৰে সাংস্কৃতিক শাখাৰ সভাপতি অৰুণ শইকীয়া আৰু প্ৰদীপ বৰাই। উক্ত কৰ্মশালাত ধেমাজি মাণ্ডলীক সংঘৰ অন্তৰ্গত মাটিখোলা বুনিয়াদী সংঘৰ সভাপতি দিগন্ত ভূঞা, সম্পাদক ভূপেন বৰুৱা, বিবাহচাৰ্য গোপাল কোঁৱৰ, মহিলা সংঘৰ সম্পাদিকা দিপাঞ্জলী বৰুৱা আৰু ধেমাজি বুনিয়াদৰ সমূহ আইসকল লগতে প্ৰাক্তন সম্পাদক কৃষ্ণ বৰুৱা আৰু কৃষ্টি শাখাৰ সম্পাদক প্ৰদীপ বৰা, নামাচাৰ্য প্ৰাণজিৎ গগৈ, মহাসংঘৰ প্ৰাক্তন সম্পাদক ধীৰু গোহাঁই, ধেমাজি মাণ্ডলীকৰ সভাপতি ৰমা বৰুৱা, ধেমাজি মাণ্ডলীকৰ সম্পাদক দিব্যজ্যোতি সোণোৱাল, মাটিখোলা বুনিয়াদীৰ সম্পাদক সোমেশ্বৰ দত্ত, ধেমাজি বুনিয়াদীৰ সংস্কৃতিক সম্পাদক বিশাল কলিতা, বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তি ক্ৰমে শচীন্দ্ৰ দত্ত, লুকেশ্বৰ দত্ত, মিনু ভূঞা, কুন্তী দত্ত, নিতুমণি কলিতা, গোহাঁইগাঁও বুনিয়াদী সংঘৰ গোবিন বৰগোহাঁই, অতুল বুঢ়াগোহাঁই, তুলেশ্বৰ বুঢ়াগোহাঁই, পেচন্তি কোঁৱৰ, প্ৰতিভা বৰগোহাঁই, গোলাপী বুঢ়াগোহাঁই, কবিতা বৰগোহাঁই, ননী কোঁৱৰ, বিউটি বৰগোহাঁই, মহাসংঘৰ সাংস্কৃতিক সভাপতি অৰুণ শইকীয়া, মহাসংঘৰ সাংস্কৃতিক সংঘৰ সদস্য বিশাল কলিতা কেচুখনা বুনিয়াদৰ সভাপতি পূৰ্ণানন্দ দত্ত, হেমচন্দ্ৰ দত্ত, ধমেশ্বৰ বৰা, লীলাৱতী চুতীয়া, ৰঞ্জুমণি বৰা, মাইনা কোচ, ৰীণা কোচ, মিনু দত্ত, ৰূপা দত্ত, ৰূপা চুতীয়া, ৰতুৱা বুনিয়াদীৰ দুলাল গগৈ, ঈদুল সোণোৱাল, প্ৰহ্লাদ শইকীয়া ধনীৰাম বৰগোহাঁই, পাপৰী শইকীয়া, ৰিংকুমণি সোণোৱাল, অনিমাই চেতিয়া, কল্পনা সোণোৱাল, দিব্যজ্যোতি সোণোৱাল, মাটো সোণোৱাল আদি উপস্থিত থাকে।

# বিদ্যুৎ যোগান-ৰিংবান্ধ নিৰ্মাণৰ দাবীত ডিব্ৰুগড়ত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ অৱস্থান ধৰ্মঘট

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ২৫ আগষ্ট ঃ** ডিব্ৰুগড়ৰ চৌকিডিংগী চাৰিআলিত কালি কৃষক মুক্তি সংগ্ৰাম সমিতিৰ বৰবৰুৱা (বগীবিল) আঞ্চলিক সমিতিৰ উদ্যোগত এক প্ৰতিবাদী অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰা হয়। হাতে হাতে প'ষ্টাৰ-বেনাৰ লৈ আৰু চৰকাৰ বিৰোধী বিভিন্ন প্ৰতিবাদী শ্ল'গানৰে প্ৰতিবাদকাৰীসকলে উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। প্ৰতিবাদকাৰীসকলে অভিযোগ কৰা অনুসৰি, অসমত বানৰ সংহাৰী ৰূপ অব্যাহত থকাৰ সময়তে বগীবিল অঞ্চলৰ দুই নম্বৰ ৰাকহাবিৰ পৰা লেঙাপথাৰলৈকে বিস্তৃত ৰিংবান্ধটোৰ অৱস্থা শোচনীয় হৈ পৰিছে। যিকোনো মুহূৰ্ততে ব্ৰহ্মপুত্ৰৰ পানীয়ে উক্ত বান্ধ ভাঙি পেলাই হেজাৰ হেজাৰ লোকক গৃহহীন কৰাৰ লগতে কৃষিভূমি আৰু পশু ধনৰ অপূৰণীয় ক্ষতি কৰাৰ তীব্ৰ শংকা দেখা দিছে। ইয়াৰ উপৰি লেঙাপথাৰ আৰু ৰাকহাবি গাঁৱত এতিয়াও বিদ্যুৎ যোগান নোহোৱাত অঞ্চলবাসী চৰম সমস্যাৰ মুখামুখি হৈছে। আজিৰ এই প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে দুই নম্বৰ ৰাকহাবিৰ পৰা লেঙাপথাৰলৈ থকা ৰিংবান্ধটোৰ পুনৰ নিৰ্মাণ কাৰ্য অচিৰেই আৰম্ভ কৰা, খহনীয়া প্ৰতিৰোধৰ বাবে উক্ত ৰিংবান্ধৰ অঞ্চলত সুচাৰুৰূপে জিঅ'বেগ ব্যৱহাৰ কৰা, ৰিংবান্ধটোৰ ওপৰত স্থায়ীভাৱে পকী পথ নিৰ্মাণৰ ব্যৱস্থা কৰা, লেঙাপথাৰ আৰু ৰাসাবি গাঁৱত শীঘ্ৰে বিদ্যুৎ যোগানৰ সুব্যৱস্থা কৰা আদি দাবীসমূহ উত্থাপন কৰে। কাৰ্যসূচীৰ অন্তত সমিতিৰ সভাপতি গোপাল সিং, কাৰ্যকৰী সভাপতি অৰজু আলী আৰু সাধাৰণ সম্পাদক ৰাজ অসমৰ স্বাক্ষৰিত এখন স্মাৰকপত্ৰ ডিব্ৰুগড় জিলাৰ জিলা আয়ুক্তলৈ প্ৰেৰণ কৰা হয়। প্ৰতিবাদকাৰীসকলে সকীয়াই দিয়ে যে যদিহে জনসাধাৰণৰ জীৱন-সম্পত্তিৰ সুৰক্ষাৰ স্বাৰ্থত প্ৰশাসনে এই দাবীসমূহ অতি সোনকালে পূৰণ নকৰে, তেন্তে অনাগত দিনত আৰু অধিক তীব্ৰ আন্দোলন গঢ়ি তোলা হ'ব।

# বানপীড়িত পৰিয়ালৰ কাষত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সেৱাবাহিনী

## টেঙাপুখুৰীত বিধ্বংসী বানত গৃহহীন হোৱা মাতৃ-কন্যাৰ গৃহ নিৰ্মাণ

**অগ্ৰদূত বাৰ্তা**

**শিমলুগুৰি, ২৫ আগষ্ট ঃ** উজনিৰ মহাপ্ৰলয়ত সৰ্বস্বান্ত হোৱা দুৰ্গতসকলৰ কাষত থিয় দি ৰাজ্যৰ লগতে দেশৰ বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান তথা ৰাইজে বিভিন্ন প্ৰকাৰে সহায়ৰ হাত আগবঢ়াইছে। সমান্তৰালকৈ বানাক্ৰান্ত লোকসকলক সহায়ৰ হাত আগবঢ়াবলৈ নিৰৱিচ্ছিন্নভাৱে নিয়োজিত হৈ আছে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কেন্দ্ৰীয় সেৱাবাহিনী। বান সাহায্য বিতৰণৰ লগতে শ্ৰীমন্ত শংকৰদেৱ সংঘই এইবাৰ আৰম্ভ কৰিছে 'গৃহ নিৰ্মাণ কাৰ্যসূচী'। এই কাৰ্যসূচীৰ অংশ হিচাপে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নাজিৰা জিলা শাখাৰ অন্তৰ্গত টেঙাপুখুৰী অঞ্চলত বানে সৰ্বস্বান্ত কৰা এগৰাকী অসহায় মহিলা আৰু তেওঁৰ একমাত্ৰ কন্যাৰ কাষত থিয় দিয়ে সংঘৰ সেৱাবাহিনীৰ সদস্যসকল। প্ৰলয়ংকৰী বানৰ ফলত মহিলাগৰাকীৰ বাসগৃহটো সম্পূৰ্ণৰূপে বিধ্বস্ত হৈ পৰিছিল। পৰিয়ালটোৰ এই দুৰ্দশাৰ খবৰ পাই শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সেৱাবাহিনীৰ এটা সঁজাতী দলে অঞ্চলটো পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয় আৰু সম্পূৰ্ণ নিজাববীয়াকৈ ঘৰটো পুনৰ নিৰ্মাণ কৰি দিয়াৰ দায়িত্ব গ্ৰহণ কৰে। কেৱল ঘৰটো নিৰ্মাণ কৰাই নহয়, পৰিয়ালটোক স্বাভাৱিক জীৱনলৈ ওভতাই আনিবলৈ যাৱতীয় সকলো সামগ্ৰী-বিছনা-গাৰু, তুলী কাপোৰ-কানি আৰু ৰন্ধনৰ বাবে বাচন-বৰ্তন আদিও যোগান ধৰা হয় বুলি জানিবলৈ দিয়ে কেন্দ্ৰীয় সেৱাবাহিনীৰ মুখ্য অধিনায়ক সঞ্জীৱ বৰাই ।

# ক্ৰীড়াবিদ ৰমেন দুৱৰাৰ বিয়োগত প্ৰাক্তন আলফা ঐক্যমঞ্চৰ শোক

**অগ্ৰদূত বাৰ্তা**

**চিনামৰা, ২৫ আগষ্ট ঃ** প্ৰবীণ ক্ৰীড়াবিদ, ক্ৰীড়া প্ৰসাৰক ৰমেন দুৱৰাৰ বিয়োগত প্ৰাক্তন আলফা ঐক্য মঞ্চৰ কেন্দ্ৰীয় সমিতিয়ে গভীৰ শোক প্ৰকাশ কৰিছে। মঞ্চৰ কেন্দ্ৰীয় সমিতিৰ মুখ্য উপদেষ্টা অনুপ চেতিয়া, সভাপতি চক্ৰ গোহাঁই, সাধাৰণ সম্পাদক ধ্ৰুৱ সন্দিকৈ আৰু প্ৰচাৰ সম্পাদক ৰিয়াজ খানে কাকতলৈ প্ৰেৰণ কৰা এক বিজ্ঞপ্তিত প্ৰকাশ যে বিশিষ্ট সমাজকৰ্মী তথা সাংস্কৃতিক আৰু ক্ৰীড়া সংগঠক ৰমেন দুৱৰাই ক্ৰীড়া সংগঠক হিচাপে শতাধিক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ জন্ম দি নিজকে ক্ৰীড়া সংগঠক হিচাপে পৰিচিত হৈছিল। বিশিষ্ট ক্ৰীড়াবিদজনৰ বিয়োগত অসমৰ ক্ৰীড়া জগতখনৰ অপূৰণীয় ক্ষতি হোৱা বুলি উল্লেখ্য কৰি তেওঁৰ আত্মাৰ সদগতি কামনাৰে শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

# বিহপুৰীয়াত শ্ৰমিকৰ মৃত্যু ঃ সাহায্যৰ আহ্বান

**অগ্ৰদূত বাৰ্তা**

**বিহপুৰীয়া, ২৫ আগষ্ট ঃ** যোৱা ২০ আগষ্টত বিহপুৰীয়াৰ বামুণ গাঁৱৰ অমল গোস্বামী নামৰ ব্যক্তিজনৰ বাসগৃহত নিৰ্মাণ শ্ৰমিক হিচাপে কৰ্মৰত বদতি জামুগুৰি গাঁও পঞ্চায়তৰ অন্তৰ্গত খকগুগুৰী গাঁৱৰ নগেন বৰাৰ পুত্ৰ বিপুল বৰা (৩৯)ৰ গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ চিকিৎসাধীন অৱস্থাতে পৰলোকপ্ৰাপ্তি ঘটাত স্থানীয় অঞ্চলটোত শোকৰ ছাঁ পৰিছে। বিশেষকৈ অত্যন্ত দৰিদ্ৰ পৰিয়ালৰ শ্ৰমজীৱী যুৱকজনৰ আকস্মিক বিয়োগত পৰিয়ালটোৰ মাজত হাহাকাৰৰ সৃষ্টি হৈছে। স্থানীয় ৰাইজ তথা পৰিয়ালবৰ্গই যুৱকজনৰ পৰিয়ালক চৰকাৰৰ তৰফৰ পৰা আৰ্থিক সাহায্য প্ৰদান কৰিবৰ বাবে আহ্বান জনাইছে।

# মুক্তিযুঁজাৰুৰ আৱক্ষ মূৰ্তি স্থাপনৰ দাবী দৰং জিলা মুক্তিযুঁজাৰু সন্মিলনৰ

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ২৫ আগষ্ট ঃ** দৰং আৰু ওদালগুৰি জিলাৰ বিভিন্ন প্ৰান্তত সদৰ ঠাইসমূহত স্বাধীনতা সংগ্ৰামীৰ প্ৰতিমূৰ্তি স্থাপন কৰাৰ বাবে দাবী উত্থাপন কৰিছে দৰং জিলা মুক্তি যুঁজাৰু সন্মিলনে। এক বিবৃতিৰ জৰিয়তে দৰং জিলা মুক্তি যুঁজাৰু সন্মিলনৰ সভাপতি কমলা কান্ত শৰ্মা আৰু সম্পাদক বিনয় ৰঞ্জন শৰ্মা স্বাক্ষৰিত এক বিবৃতিত এই কথা প্ৰকাশ কৰে। তেওঁলোকে মুখ্যমন্ত্ৰী, দুয়োখন জিলাৰ বিধায়কসকল, জিলা আয়ুক্তৰ লগতে প্ৰতিজন সচেতন নাগৰিকক কয় যে মুক্তি যুঁজাৰুসকল একো একোটা অনুষ্ঠানৰ দৰে । তেওঁলোকৰ অৱদানৰ বিষয়ে কৈ শেষ কৰিব নোৱাৰি। তেনে ক্ষেত্ৰত চহৰ বা নগৰৰ বিভিন্ন প্ৰান্তত তেওঁলোকৰ একোটাকৈ প্ৰতিমূৰ্তি স্থাপন কৰাটো অত্যন্ত জৰুৰী হৈ পৰিছে। বিশেষকৈ ওদালগুৰি জিলাৰ সদৰত যজাৰাম শৰ্মা আৰু লাবানসিং এ চাংমাৰ প্ৰতিমূৰ্তি স্থাপন কৰা, একেদৰে কলাইগাঁৱৰ মাজমজিয়াত পানীৰাম দাস আৰু বংশীধৰ শৰ্মাৰ, ডিমাকুছিত চেনিৰাম বৰুৱাৰ, সৰাবাৰীত সত্যনাথ বৰুৱা, গুৰুচৰণ ভট্টাচাৰ্য আৰু দুৰ্গা চৰণ ভট্টাচাৰ্যৰ, বৰমপুৰত জিউৰাম ডেকাৰ, দুনীত চণ্ডীনাথ শৰ্মাৰ, দিপীলাত চণ্ডী চৰণ শৰ্মাৰ, নগাঁৱত দিবাকৰ গোস্বামীৰ, বৰিচৌকাত কুশৰাম শৰ্মাৰ, দেওমৰনৈত জিতেন শৰ্মা আৰু ৰুদ্ৰ নাথ শৰ্মা বৰুৱাৰ, মঙলদৈ সদৰ চহৰত সভাৰাম ভট্টাচাৰ্য, মহেশ্বৰ বৰা, দণ্ডীৰাম বৰা, শৰৎ শৰ্মা, শচীন্দ্ৰ চহৰীয়া, কীৰ্তি প্ৰসাদ বৰুৱা, দীনেশ বায়ন, বিপিন চন্দ্ৰ মেধিৰ উপৰি সুৰথ বৰদলৈ, গণেশ কলিতা, গণেশ দাস, অচ্যুত বৰুৱা আৰু অন্তিৰাম শৰ্মাৰ লগতে আউলাচৌকাত পদ্ম কান্ত ভাগৱতী, শৰৎ চন্দ্ৰ শৰ্মা, পদ্ম বণিয়া, নিধিৰাম ডেকাৰ লগতে হাজৰিকাপাৰাত হৰিচন্দ্ৰ শৰ্মা, কমিৰাম চহৰীয়া, কৃষ্ণকান্ত শৰ্মা আৰু ধীৰেশ্বৰ শৰ্মাৰ, বৰাচুবা কছাৰীঝাৰত চঠুৰাম দাসৰ, ছিপাঝাৰৰ মাধৱ চন্দ্ৰ বৰুৱা, অম্বিকাচৰণ বৰা, ব্ৰজেন নাথ, হৰেন্দ্ৰ চহৰীয়া, অন্তিৰাম বৰুৱা, তুলসী ৰাম বৰুৱা, ডাঁহী জনাৰামচৌকাত দানেশ্বৰ হাজৰিকা, গংগাধৰ চহৰীয়া, যোগেন্দ্ৰ নাথ শইকীয়া, মানিক দলৈ, ঘোঁৰাবান্ধাত যোগেন্দ্ৰ নাথ ভূঞা, গজেন্দ্ৰ নাথ চহৰীয়া, শিশিৰ কুমাৰ চহৰীয়া আৰু শচীন্দ্ৰ ডেকাৰ লগতে দুগৰাকী প্ৰবীণ মুক্তি যুঁজাৰু মাৰৈ গাঁৱৰ অমূল্য চৰণ বৰুৱা আৰু ভুক্তাবাৰী গাঁৱৰ সংৰাম শৰ্মা প্ৰভৃতিৰ নামত প্ৰতিমূৰ্তি স্থাপন কৰা আৰু পথৰ নামকৰণ কৰাটো ৰাইজে বিচাৰিছে। তদুপৰি ব্যাসপাৰা গাঁৱৰ স্বাধীনতা সংগ্ৰামী প্ৰয়াত মুক্তিযুঁজাৰু ভৱানী চৰণ শৰ্মা, অনন্তদেৱ শৰ্মা, কুশেশ্বৰ শৰ্মা (ভলন্টিয়াৰ) আদি মুক্তি যুঁজাৰুৰ নামত পথৰ নামকৰণ কৰা আৰু তেওঁলোকৰ একোটাকৈ প্ৰতিমূৰ্তি স্থাপন কৰাটো ৰাইজে বিচাৰিছে। ইতিমধ্যে যোৱা ১৫ আগষ্ট স্বাধীনতা দিৱসৰ দিনা ছিপাঝাৰৰ মটৰ ষ্টেচনত পণ্ডিত দীনেশ্বৰ শৰ্মাৰ এটি প্ৰতিমূৰ্তি স্থাপন কৰাত সন্মিলনীয়ে আদৰণি জনাইছে।

# মৰিয়নিত বিধ্বংসী ধুমুহা গছ পৰি পথ বন্ধ, ব্যাহত বিদ্যুৎ যোগান

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ২৫ আগষ্ট ঃ** যোৱা ২৩ আগষ্টৰ নিশা পাৰ হৈ যোৱা এজাক বিধ্বংসী ধুমুহাই মৰিয়নি আৰু ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলৰ ব্যাপক ক্ষতিসাধন কৰে। নিশা প্ৰায় ১-৩০ মাজত অহা ধুমুহাজাকে মৰিয়নিৰ লগতে ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলসমূহৰ গছ-গছনি, ঘৰ-দুৱাৰ আদিৰ ক্ষতিসাধন কৰে। মৰিয়নি নগৰৰ লগতে আন কে'বাঠাইতো গছ বাগৰি পথসমূহ বন্ধ হৈ পৰে। মৰিয়নি নগৰৰ নতুনমাটি অঞ্চলত মৰিয়নি-তিতাবৰ ধোদৰ আলিৰ ওপৰতে গছ বাগৰি পৰাত পথটোৰে যাতায়ত সম্পূৰ্ণ বন্ধ পৰে। ফলত পথৰ দুয়োদিশে বহুসংখ্যক বাহন আৱদ্ধ হৈ পৰে। ইয়াৰোপৰি হোলোঙাপাৰ গিবন অভয়াৰণ্যৰ মাজত ধোদৰ আলিত গছ বাগৰি পৰাত মৰিয়নি-নকছাৰি পথটোও বন্ধ হয়। আন কে'বাঠাইতো গছ বাগৰি পৰাৰ বাতৰি পোৱা গৈছে। ইয়াৰ লগতে আন কে'বাঠাইত ঘৰ দুৱাৰ ক্ষতিগ্ৰস্ত হোৱাৰো বাতৰি পোৱা গৈছে। প্ৰতিখন চাহ বাগিচাতেই বৃহৎ বৃহৎ গছ উভালি পৰে। অৱশ্যে বৰ্তমানলৈকে হতাহতৰ কোনো বাতৰি পোৱা হোৱা নাই। এই ধুমুহাতে মৰিয়নিৰ বাপুজী ষ্টেডিয়ামত চলি থকা হেঙুল থিয়েটাৰৰ পেণ্ডেলৰো ব্যাপক ক্ষতিসাধন হয়। থিয়েটাৰৰ গোটেই পেণ্ডেলটো ধুমুহাই ভাঙি পেলায়। অৱশ্যে ধুমুহা অহাৰ সময়তে হেঙুল থিয়েটাৰৰ দ্বিতীয় দৰ্শনী সমাপ্ত হোৱাত দৰ্শকসকল পেণ্ডেলৰ পৰা ওলাই অহাৰ বাবে সৌভাগ্যক্ৰমে দৰ্শক হতাহত হোৱাৰ পৰা ৰক্ষা পৰে। ইফালে, ধুমুহাই বিদ্যুৎ পৰিবাহী লাইনৰো বিস্তৰ ক্ষতিসাধন কৰে। একাধিক ঠাইত গছ পৰি বিদ্যুৎ পৰিবাহী লাইন ছিঙি নিয়াত বিদ্যুৎ সংযোগ ব্যাহত হয়। বিদ্যুৎ বিভাগে দুই-এক স্থানত তৎপৰতাৰে ছিঙা তাঁৰৰ মেৰামতি কৰে যদিও অধিকাংশ স্থানত ১৬-১৮ ঘন্টালৈকে বিদ্যুৎ সেৱা ব্যাহত হয়। আনহে নালাগে মৰিয়নি নগৰতে প্ৰায় ১৬ ঘন্টালৈকে বিদ্যুৎ সেৱা ব্যাহত হৈ থাকে। ধুমুহাজাকে মৰিয়নি নগৰৰ লগতে নাগাজাংকা, হাতীপটি, নগাধুলি, চৈকটা, কঠালগুৰি, কাটনিবাৰী, নগাধুলি আদি বহু অঞ্চলত বিস্তৰ ক্ষতিসাধন কৰে ।

# হোজাইৰ ডবকাত আৰক্ষীৰ অভিযানত সাত জুৱাৰী গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ২৫ আগষ্ট ঃ** হোজাই জিলাৰ ডবকা আৰক্ষী থানাৰ অন্তৰ্গত নাহাৰ গাঁৱত যোৱা নিশা আৰক্ষীয়ে অভিযান চলাই সাত জুৱাৰীক গ্ৰেপ্তাৰ কৰে। ইয়াকে কেন্দ্ৰ কৰি সমগ্ৰ ডবকাতে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। তথ্য অনুসৰি, যোৱা নিশা এক গোপন তথ্যৰ ভিত্তিত হোজাই জিলা আৰক্ষীৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষকৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলে নাহাৰ গাঁৱত অভিযান চলায়। আৰক্ষীৰ এই অভিযানত জনৈক চফিক নামৰ লোকজনৰ ঘৰত চলোৱা অভিযানত সাত জুৱাৰীক হাতে-লোটে জুৱা খেলি থকা অৱস্থাত কৰায়ত্ত কৰে। ধৃত জুৱাৰী কেইজন হ'ল ক্ৰমে- শ্বফিকুল হক, বাবুল হুছেইন, মুজিবুৰ ৰহমান, আশ্বিকুৰ ৰহমান, আশ্ৰাফ আহেমদ, হাবিবুৰ ৰহমান আৰু আব্দুল আছাদ। জুৱাৰী কেইজনৰ কৱলৰ পৰা আৰক্ষীয়ে জুৱা খেলৰ সামগ্ৰী, নগদ ৯,৮২০ টকা আৰু আঠটা ম'বাইল ফোন উদ্ধাৰ কৰি জব্দ কৰে। এই সংক্ৰান্তত ডবকা আৰক্ষীয়ে ১৪৫-২৬ নম্বৰত এটি গোচৰ পঞ্জীয়ন কৰি তদন্ত অব্যাহত ৰাখিছে। কালি ধৃত আটাইকে ডবকা আৰক্ষীয়ে হোজাইৰ শ্ৰীমন্ত শংকৰদেৱ নগৰস্থিত আদালতত হাজিৰ কৰায়।

# বাৰাপেটা হাইস্কুলৰ প্ৰধান শিক্ষক পৰেশ ডেকাক শুভাকাংক্ষীৰ আবেগিক বিদায়

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ২৫ আগষ্ট ঃ** বাগ্সা জিলাৰ খাৰিজা বিজনী অঞ্চলৰ অগ্ৰণী শিক্ষা প্ৰতিষ্ঠান বাৰাপেটা হাইস্কুলৰ সদ্য অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক পৰেশ ডেকালৈ বিদ্যালয় কৰ্তৃপক্ষ তথা স্থানীয় ৰাইজৰ তৰফৰ পৰা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বিদায় সম্বৰ্ধনা জ্ঞাপন কৰা হয়। তথ্য অনুসৰি, ১৯৯০ৰ ২০ অক্টোবৰত তৎকালীন সময়ত অপ্ৰাদেশিকৃত হৈ থকা বাৰাপেটা হাইস্কুলত প্ৰধান শিক্ষক হিচাপে যোগদান কৰিছিল পৰেশ ডেকাই। বিদ্যালয়খনৰ আন্তঃগাঁথনি অত্যন্ত জৰ্জৰ আছিল যদিও তেওঁ অদম্য সাহস আৰু ত্যাগেৰে শিক্ষকতা অব্যাহত ৰাখে। সুদীৰ্ঘ শিক্ষকতা জীৱনৰ প্ৰথম ২৩ টা বছৰ বিনাবেতনে সেৱা আগবঢ়োৱাৰ পাছত ২০১৩ত বিদ্যালয়খন প্ৰাদেশীকৰণ



হয় আৰু তেওঁৰ চাকৰিও নিয়মীয়া হয়। তেওঁৰ নেতৃত্বতেই ২০১৪ত বিদ্যালয়খনে অত্যন্ত জাকজমকতাৰে ৰূপালী জয়ন্তী বৰ্ষ উদযাপন কৰিছিল, যি অনুষ্ঠানত তেতিয়াৰ বিটিচিৰ কাৰ্যবাহী সদস্য দেৱহাচাং বসুমতাৰীয়ে উপস্থিত হৈ বিদ্যালয়খনৰ উন্নতিৰ বাবে বিশেষ অনুদান আগবঢ়াইছিল। যোৱা ৩১ জুলাইত চৰকাৰী নিয়ম অনুসৰি অৱসৰ গ্ৰহণ কৰা এইগৰাকী শিক্ষকক অলপতে বিদ্যালয় পৰিয়ালৰ তৰফৰ পৰা বিহুৱান, শৰাই, ধৰ্মীয় পুথি আৰু ছাতি প্ৰদান কৰি আনুষ্ঠানিকভাৱে বিদায় সম্ভাষণ জনোৱা হয়। সহজ-সৰল, ধৈৰ্যশীল, অমায়িক তথা সাহিত্যিপ্ৰেমী স্বভাৱৰ পৰেশ ডেকাৰ এই বিদায় অনুষ্ঠানত অঞ্চলটোৰ বিভিন্ন বিদ্যালয়ৰ শিক্ষক, সমাজকৰ্মী, বহুসংখ্যক ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক উপস্থিত থাকি তেওঁৰ দীৰ্ঘায়ু আৰু সুস্বাস্থ্য কামনা কৰে।

# বিএইছবি মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাত অসম বিধানসভাৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাস

## ছাত্ৰ-ছাত্ৰীক সোঁৱৰণী বঁটাৰ লগতে মহাবিদ্যালয়ৰ বিশেষ প্ৰজ্ঞান বঁটা প্ৰদান

**অগ্ৰদূত বাৰ্তা**

**সৰুপেটা, ২৫ আগষ্ট ঃ** বিএইছবি মহাবিদ্যালয়ৰ ২০২৫-২৬ৰ নৱাগত আদৰণি সভাখন ২২ আগষ্টত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত ৰজনীকান্ত চৌধুৰী প্ৰেক্ষাগৃহত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। পুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নয়নজ্যোতি দাসে মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰাৰ পাছতে ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক নয়ন নীলিম কলিতাই ছাত্ৰ একতা সভাৰ পতাকা উত্তোলন কৰে আৰু ছহিদ তৰ্পণ আৰু বৃক্ষৰোপণ কৰে যথাক্ৰমে উপাধ্যক্ষ ড° দীপ্তি কলিতা আৰু আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক ড° দিপুল তালুকদাৰে। অধ্যক্ষ ড° দাসে উদ্বোধন কৰা মুকলি চ'ৰা অনুষ্ঠানত উপস্থিত থাকে অসমীয়া চলচ্চিত্ৰ আৰু ভ্ৰাম্যমাণ জগতৰ জনপ্ৰিয় অভিনেতা ৰাজকুমাৰ তালুকদাৰ আৰু অংকিতা শইকীয়া। নৱাগত আদৰণি সভাৰ মুখ্য অতিথিৰূপে উপস্থিত থাকে অসম বিধানসভাৰ অধ্যক্ষ তথা ২১ নম্বৰ ভৱানীপুৰ-সৰভোগ সমষ্টিৰ বিধায়ক ৰঞ্জিত কুমাৰ দাস। মহাবিদ্যালয়খনৰ ন-পুৰণি শিক্ষাৰ্থীসকলক উদ্দেশ্য কৰি শিক্ষাৰ লগতে সুকুমাৰ কলাসমূহৰ চৰ্চা আৰু কৰ্ষণেৰে জীৱন বাটত আগুৱাই যাবলৈ হ'লে উৎসাহী এটা মনৰ খুব প্ৰয়োজন বুলি তেওঁ মন্তব্য কৰে। সুশীল ৰঞ্জন চৌধুৰীৰ ৰচনা আৰু ড° নয়নজ্যোতি দাস সুৰ আৰোপিত মহাবিদ্যালয়ৰ স্মাৰক সংগীতেৰে আৰম্ভ হোৱা বিচিত্ৰানুষ্ঠানৰ প্ৰাৰম্ভতে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত আৰু



বিভিন্ন বিষয়ত স্নাতক পৰীক্ষাত সৰ্বোচ্চ নম্বৰ লাভ কৰাৰ লগতে বিশ্ববিদ্যালয়ৰ ভিতৰতে স্থান লাভ কৰা কৃতী ছাত্ৰ-ছাত্ৰীসকলক প্ৰয়াত ৰজনীকান্ত চৌধুৰী, সমৰেন্দ্ৰ চৌধুৰী, ভোগোৰাম মেধি, পৰেশ দাস, শুখনাৰাম ভৰালী, গণকৃষ্ণ বৈশ্য, ৰাজেশ্বৰ বৈশ্য, ধৰণীধৰ চৌধুৰী, কাশীৰাম তালুকদাৰ ইত্যাদি কে'বাটাও সোঁৱৰণী বঁটা প্ৰদান কৰা হয়। লগতে মহাবিদ্যালয়ৰ তৰফৰ পৰাও ৮০ শতাংশৰ ওপৰৰ নম্বৰ লাভ কৰা সৰ্বমুঠ ১৭গৰাকী ছাত্ৰ-ছাত্ৰীক মহাবিদ্যালয়ৰ প্ৰজ্ঞান আঁচনিৰ অধীনত নগদ ছহেজাৰ টকাৰ স্কলপানিৰ লগতে মানপত্ৰ প্ৰদান কৰা হয়। উক্ত অনুষ্ঠানতে আদৰণি সভাৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ বিভাগসমূহৰ মাজত অনুষ্ঠিত প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহো প্ৰদান কৰা হয়। এই অনুষ্ঠানতে মহাবিদ্যালয়ৰ অধ্যাপক মানসজ্যোতি দাসে বিভিন্ন সময়ত অংকন কৰা চিত্ৰসমূহ সংকলিত কৰি অধ্যক্ষ ড° নয়নজ্যোতি দাসে 'ইক'জ অৱ দ্য গ্ৰাছ কালেক্টেড ৱৰ্কছ' শীৰ্ষক গ্ৰন্থ এখন প্ৰকাশ কৰি আনুষ্ঠানিক উন্মোচন সম্পন্ন কৰি অধ্যাপকজনক উপহাৰহিচাপে প্ৰদান কৰে। নৱাগত আদৰণি সভাৰ বিচিত্ৰানুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে লেখক তথা প্ৰজ্ঞা প্ৰচাৰ প্ৰমুখ জিণ্টু শৰ্মা। মহাবিদ্যালয়ৰ গগমা বিহুদলৰ বিহু প্ৰদৰ্শনৰে আৰম্ভ সাংস্কৃতিক অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলৰ নৃত্য-গীতেৰে অনুষ্ঠানটো মুখৰিত হৈ উঠে। অতিথি শিশু শিল্পী কাব্যাংশ্ৰী কাশ্যপৰ বাদ্যযন্ত্ৰ পৰিৱেশনৰে জীপাল হৈ উঠা সাংস্কৃতিক অনুষ্ঠানত বিশেষ আকৰ্ষণৰূপে উপস্থিত থাকে তিনিগৰাকীকৈ জনপ্ৰিয় কণ্ঠশিল্পী ক্ৰমে গীতাৰ্থ গিৰিণ, বিপুল বসুমতাৰী আৰু ৰিচা কাশ্যপ। এদিনীয়াকৈ সফলভাৱে অনুষ্ঠিত হৈ যোৱা এই নৱাগত আদৰণি সভাত মহাবিদ্যালয়ৰ অধ্যাপক-কৰ্মচাৰীবৃন্দ, নতুনকৈ মহাবিদ্যালয়ত আৰম্ভ হোৱা ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা অহা চাৰি বছৰীয়া বিএ-বিএড ক'ৰ্চত নামভৰ্তি কৰা নৱাগত ছাত্ৰ-ছাত্ৰীসকলৰ লগতে মহাবিদ্যালয়ত অধ্যয়ন কৰি থকা প্ৰায় ১৫শ ছাত্ৰ-ছাত্ৰীয়ে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে।

# সাৰৰ খুচুৰা বিক্ৰেতাৰে তিনিচুকীয়া জিলা আয়ুক্তৰ মত বিনিময় অনুষ্ঠান



**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ২৫ আগষ্ট ঃ** সমগ্ৰ ৰাজ্যৰ লগতে তিনিচুকীয়া জিলাতো অতি সোনকালে এপ্লিকেচন কাৰ্যকৰী হ'ব। সেই উদ্দেশ্য আগত ৰাখি কালি তিনিচুকীয়া জিলা আয়ুক্তৰ সভাকক্ষত জিলাৰ সাৰ বিক্ৰেতাসকলৰ লগত জিলা আয়ুক্ত সুমিত সাত্তাৱানৰ এক মতবিনিময় অনুষ্ঠান অনুষ্ঠিত হয়। অতিৰিক্ত জিলা আয়ুক্ত (কৃষি) জাংমিৰ ৰংফাৰপিয়ে আঁত ধৰা সভাত এপ্লিকেচনৰ পদ্ধতিৰ ওপৰত বিস্তৃতভাৱে আলোচনা কৰে জিলা কৃষি বিষয়া ৰজিত দত্তই। আনহাতে, উক্ত প্ৰক্ৰিয়াটোৰ জৰিয়তে কৃষক সকলে কৰা আগতীয়া বুকিঙৰ বিষয়ে অৱগত হৈ খুচুৰা বিক্ৰেতাসকলে কৃষকসকলক যাতে সময়মতে প্ৰায়োজনীয় সাৰ যোগান ধৰিব পাৰে তাৰ বাবে সুব্যৱস্থা কৰিবলৈ জিলা আয়ুক্ত সুমিত সাত্তাৱানে আহ্বান জনায়। উল্লেখ্য যে উক্ত সভাত সাৰৰ খুচুৰা বিক্ৰেতাসকলৰ লগতে জিলা কৃষি বিভাগৰ সহকাৰী কৃষি সঞ্চালক, মহকুমা কৃষি বিষয়া, জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া, কৃষি উন্নয়ন বিষয়াসকল উপস্থিত থাকে।

# সমাগত লোকসভাৰ উপ-নিৰ্বাচন ঃ ৰহা সমষ্টিত কংগ্ৰেছৰ তীব্ৰ খহনীয়া



**অগ্ৰদূত বাৰ্তা**

**কচুৱা, ২৫ আগষ্ট ঃ** নগাঁও লোকসভা সমষ্টিত উপ-নিৰ্বাচন হ'বলৈ মাজত কেইটামান মাহ বাকী। এইখিনি সময়ত লোকসভা সমষ্টিৰ বিভিন্ন প্ৰান্তত বিভিন্ন ৰাজনৈতিক দলবোৰে সাংগঠনিক ভেটি টনকিয়াৰ কৰি জয়ী হোৱাৰ কৌশল অৱলম্বন কৰিছে। লোকসভা সমষ্টি উদ্ধাৰ কৰিবলৈ উঠিপৰি লাগিছে বিজেপি দল। ৰহা সমষ্টিত আয়োজন কৰা বিজেপিৰ এখন সাংগঠনিক সভাত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা আৰু বিধায়ক শশীকান্ত দাসৰ উপস্থিতিত কংগ্ৰেছৰ প্ৰায় ৭০ গৰাকী নেতা-কৰ্মীয়ে যোগদান কৰিলে বিজেপিত। বিশেষকৈ মাধৱপাৰা, জুৰিপাৰ আৰু গেৰজাইপাম পঞ্চায়তৰ কংগ্ৰছৰ পৰা জয়ী হোৱা আঞ্চলিক পঞ্চায়তৰ সদস্য আৰু ৱাৰ্ড সদস্যসকলে যোগদান কৰে বিজেপিত। ইয়াৰ লগে লগে এই সংখ্যালঘু বসতি প্ৰধান পঞ্চায়ত দুখনত কংগ্ৰেছৰ ভেটি উছন হোৱাৰ দিশে অগ্ৰসৰ হৈছে। বিজেপিৰ নীতি আদৰ্শক আকৃষ্ট হৈ শাসকীয় দলটোত যোগদান কৰাৰ কথা উল্লেখ কৰে মাধৱপাৰা গাঁও পঞ্চায়তত কংগ্ৰেছ দলত জয়ী হোৱা আঞ্চলিক আক্তাৰুল ইছলামে।

# লক্ষীবাৰী চাহ বাগিচাত শ্ৰমিক জিৰণি চ'ৰাৰ নিৰ্মাণ কাৰ্য চলিছে পূৰ্ণ গতিত

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ২৫ আগষ্ট ঃ** ব্ৰিটিছ শাসনৰ সমসাময়িক সময়তে স্থাপিত গোলাঘাট বিধানসভা সমষ্টিৰ মাটিখোলা গাঁও পঞ্চায়তৰ অন্তৰ্গত লক্ষীবাৰী চাহ বাগিচাত দীৰ্ঘদিন ধৰি চাহ শ্ৰমিকসকলৰ বিভিন্ন গুৰুত্বপূৰ্ণ সমস্যাই দেখা দি আহিছিল। কিন্তু বৰ্তমান মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰৰ কাৰ্যকালত সংশ্লিষ্ট বাগিচাখনে ক্ৰমশঃ বিকাশৰ পথ লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে সুদীৰ্ঘদিন ধৰি সংশ্লিষ্ট বাগিচাখনৰ শ্ৰমিকসকলে কেঁচাপাত তোলোতে প্ৰাকৃতিক দুৰ্যোগৰ সময়ত আশ্ৰয় গৃহৰ অভাৱত অভাৱনীয় সমস্যাৰ সন্মুখীন হৈ অহাৰ সন্দৰ্ভত সংবাদ মাধ্যমত সদৰী কৰিছে। সম্প্ৰতি চৰকাৰৰ লোকনিৰ্মাণ বিভাগৰ দ্বাৰা বাগিচাখনত পাঁচ লক্ষাধিক অৰ্থ আবণ্টনৰে মুঠ চাৰিটা জিৰণি চ'ৰা আগবঢ়াইছে। উল্লেখ্য যে সংশ্লিষ্ট বাগিচাখনৰ নিতিন নগৰ, নাওকা, কৃষ্ণা (ক), কৃষ্ণা (খ) নামৰ আশ্ৰয় গৃহকেইটা নিৰ্মাণ কাৰ্য পূৰ্ণ গতিত চলি আছে বুলি নিৰ্মাণ সমিতিয়ে সদৰী কৰিছে। আনহাতে, লক্ষীবাৰী বাগিচাৰ ফেক্টৰী তিনিআলিৰ পৰা জল জীৱন আঁচনিলৈ সংযোগ হোৱা দীৰ্ঘদিনীয়া পৰিত্যক্ত পথছোৱা পঞ্চদশ বিত্তীয় আয়োগৰ অৰ্থ আবণ্টনৰে নিৰ্মাণ কৰি যাতায়াত-যোগাযোগৰ উপযোগী হৈ উঠিছে।

# অ'জিইএলত বিষয়া অভিযন্তাৰ পদ খালী

অইল গ্ৰীণ এনাৰ্জী লিমিটেড (অ'জিইএল)-এ নিম্নোক্ত পদসমূহত নিযুক্তিৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন বিচাৰিছে।



**পদসমূহ ঃ**

**বিত্ত বিষয়া।**
বয়সৰ সীমা ঃ ১৮ৰ পৰা ৪৫ বছৰ।
শিক্ষাগত অৰ্হতা আৰু অভিজ্ঞতা ঃ প্ৰাৰ্থী চিএ/চিএমএ বা এমবিএ (বিত্ত) ডিগ্ৰীধাৰী হোৱাৰ লগতে শিক্ষা সমাপ্তিৰ পাছত ন্যুনতম তিনি বছৰৰ কৰ্ম অভিজ্ঞতা থাকিব লাগিব।

**আইন বিষয়া।**
বয়সৰ সীমা ঃ ১৮ৰ পৰা ৪৫ বছৰ।
শিক্ষাগত অৰ্হতা আৰু অভিজ্ঞতা ঃ এলএলবি বা এলএলএম ডিগ্ৰীধাৰী হোৱাৰ লগতে শিক্ষা সমাপ্তিৰ পাছত ন্যুনতম এবছৰৰ কৰ্ম অভিজ্ঞতা থাকিব লাগিব।

**চিভিল অভিযন্তা।**
বয়সৰ সীমা ঃ ১৮ৰ পৰা ৪৫ বছৰ।
শিক্ষাগত অৰ্হতা আৰু অভিজ্ঞতা ঃ চিভিল ইঞ্জিনীয়াৰিঙৰ বিই/বিটেক ডিগ্ৰীধাৰী হোৱাৰ লগতে শিক্ষা সমাপ্তিৰ পাছত ন্যুনতম তিনি বছৰৰ কৰ্ম অভিজ্ঞতা থাকিব লাগিব।

**কোম্পানী ছেক্ৰেটাৰী।**
বয়সৰ সীমা ঃ ১৮ৰ পৰা ৪৫ বছৰ।
শিক্ষাগত অৰ্হতা আৰু অভিজ্ঞতা ঃ প্ৰাৰ্থী কোম্পানী ছেক্ৰেটাৰীৰ চূড়ান্ত পৰীক্ষা উত্তীৰ্ণ হ'ব লাগিব। প্ৰাৰ্থী আইচিএছআইৰ সহযোগী সদস্য হোৱাৰ লগতে তিনি বছৰৰ কৰ্ম অভিজ্ঞতা থাকিব লাগিব।
আবেদন গ্ৰহণৰ শেষ তাৰিখ ঃ ১২ ছেপ্টেম্বৰ, ২০২৬।
অৰ্হতাসম্পন্ন প্ৰাৰ্থীয়ে স্বপ্ৰত্যয়িত নথিপত্ৰসহ আবেদনপত্ৰ recruitment.ogel@oilindia.in লৈ প্ৰেৰণ কৰিব পাৰে।

# চিএছআইআৰৰ টেকনিচিয়ান নিযুক্তিৰ যোজা

কাউন্সিল অব ছায়েণ্টিফিক এণ্ড ইণ্ডাষ্ট্ৰিয়েল ৰিছাৰ্চ (চিএছআইআৰ)-এ টেকনিচিয়ান নিযুক্তিৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন বিচাৰিছে।

**পদৰ নাম ঃ টেকনিচিয়ান (১),** খালী পদৰ সংখ্যা ঃ ৪৩ টা।
বয়সৰ সীমা ঃ আবেদন গ্ৰহণৰ শেষ তাৰিখত ২৮ বছৰতকৈ অধিক হ'ব নালাগিব। অৱশ্যে এছচি/এছটি প্ৰাৰ্থীয়ে পাঁচ বছৰ, অ'বিচি (এনচিএল) প্ৰাৰ্থীয়ে তিনি বছৰ আৰু বিশেষভাৱে সক্ষম প্ৰাৰ্থীয়ে ১০ বছৰ বয়স ৰেহাই পাব।



শিক্ষাগত অৰ্হতা ঃ প্ৰাৰ্থী ন্যূনতম ৫৫ শতাংশ নম্বৰসহ হাইস্কুল শিক্ষান্ত পৰীক্ষা উত্তীৰ্ণ হোৱাৰ লগতে সংশ্লিষ্ট শাখাৰ আইটিআই চাৰ্টিফিকেটধাৰী হ'ব লাগিব। আইটিআইৰ শাখাসমূহ হ'ল ঃ কম্পিউটাৰ অপাৰেটৰ এণ্ড প্ৰগ্ৰামিং এছিছটেণ্ট, ডিটিপিঅ', কম্পিউটাৰ হাৰ্ডৱেৰ আৰু নেটৱৰ্ক মেণ্টেনেন্স, মেডিকেল লেবৰেটৰী টেকনিচিয়ান, স্থাপত্য/মেকানিকেল/চিভিলৰ ড্ৰাফটমেন, ইনষ্ট্ৰুমেণ্টে মেকানিক, ৰাসায়নিক ক্ষেত্ৰৰ পৰীক্ষাগাৰ সহায়ক আৰু ইণ্টেৰিঅ'ৰ ডিজাইনিং।
আবেদন গ্ৰহণৰ শেষ তাৰিখ ঃ ১৭ ছেপ্টেম্বৰ ২০২৬ৰ সন্ধিয়া পাঁচ বজালৈ।
চিএছআইআৰৰ ৰিক্ৰুইটমেণ্ট প'ৰ্টেলৰ পৰা আবেদন জনাব পাৰে।

# ৰেলৱেত কনিষ্ঠ অভিযন্তাৰ পদ খালী

ৰেলৱে নিযুক্তি ব'ৰ্ডে কনিষ্ঠ অভিযন্তা আৰু ডিপো সামগ্ৰী অধীক্ষক (ডিএমএছ) নিযুক্তিৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন বিচাৰিছে।

**পদৰ নাম ঃ কনিষ্ঠ অভিযন্তা আৰু ডিপো সামগ্ৰী অধীক্ষক।**
গুৱাহাটী ৰেলৱে নিযুক্তি ব'ৰ্ডৰ খালী থকা পদৰ সংখ্যা ঃ ৩২৯ টা।
কনিষ্ঠ অভিযন্তাৰ শাখাসমূহ ঃ বৈদ্যুতিক, চিভিল, ট্ৰেক মেচিন, যান্ত্ৰিক, ডিজেল ইলেক্ট্ৰিকেল, ছিগনেল এণ্ড টেলিকমিউনিকেচন/টেলিকমিউনিকেচন।
শিক্ষাগত অৰ্হতা ঃ স্বীকৃতিপ্ৰাপ্ত প্ৰতিষ্ঠানৰ পৰা সংশ্লিষ্ট অভিযান্ত্ৰিকৰ তিনি বছৰীয়া ডিপ্ল'মা।
ডিপো সামগ্ৰী অধীক্ষক ঃ স্বীকৃতিপ্ৰাপ্ত প্ৰতিষ্ঠানৰ পৰা যিকোনো শাখাৰ অভিযান্ত্ৰিকৰ তিনি বছৰীয়া ডিপ্ল'মা।
বয়সৰ সীমা ঃ এক জানুৱাৰী, ২০২৭ত প্ৰাৰ্থীৰ বয়স ১৮ৰ পৰা ৩৩ বছৰৰ ভিতৰত হ'ব লাগিব। অৱশ্যে সংৰক্ষিত শ্ৰেণীৰ প্ৰাৰ্থীসকলে চৰকাৰী নিয়ম অনুসৰি বয়সৰ ঊৰ্ধ্বসীমাৰ ক্ষেত্ৰত ৰেহাই পাব।



অনলাইন আবেদন গ্ৰহণৰ শেষ তাৰিখ ঃ ১৩ ছেপ্টেম্বৰ, ২০২৬।
ৰেলৱে নিযুক্তি ব'ৰ্ডৰ অফিচিয়েল প'ৰ্টেলৰ পৰা আবেদন জনাব পাৰিব।

# শোণিতপুৰত বিভিন্ন ৰাজহ চক্ৰত গাঁওপ্ৰধান নিযুক্তি

শোণিতপুৰ জিলাৰ তেজপুৰ, ঢেকীয়াজুলি, ঠেলামৰা, চাৰিদুৱাৰ আৰু নদুৱাৰ ৰাজহ চক্ৰত গাঁওপ্ৰধান নিযুক্তিৰ বাবে সংশ্লিষ্ট ৰাজহ চক্ৰসমূহৰ অৰ্হতাসম্পন্ন বাসিন্দাৰ পৰা আবেদন বিচৰা হৈছে।



**পদৰ নাম ঃ গাঁও প্ৰধান,** খালী পদৰ সংখ্যা ঃ ৪৩ টা। ইয়াৰে ১২ টা তেজপুৰ ৰাজহ চক্ৰৰ, সাতটা ঢেকীয়াজুলিৰ, ছটা ঠেলামৰাৰ, ১০ টা চাৰিদুৱাৰৰ আৰু আঠটা নদুৱাৰৰ।
শিক্ষাগত অৰ্হতা ঃ প্ৰাৰ্থী দশম শ্ৰেণী উত্তীৰ্ণ হ'ব লাগিব।
বয়সৰ সীমা ঃ এক জানুৱাৰী, ২০২৬ত ৩০ বছৰতকৈ কম আৰু ৬৫ বছৰতকৈ অধিক হ'ব নালাগিব।
প্ৰাৰ্থীৰ দুটাতকৈ অধিক সন্তান থাকিব নালাগিব। তদুপৰি প্ৰাৰ্থী চৰকাৰী চাকৰিয়াল হ'ব নালাাগিব। একেদৰে প্ৰাৰ্থী কোনো ৰাজনৈতিক দলৰ সদস্য হ'ব নালাগিব।
আবেদন গ্ৰহণৰ শেষ তাৰিখ ঃ ১৫ ছেপ্টেম্বৰ, ২০২৬ৰ সন্ধিয়া পাঁচ বজাৰ পৰা পাঁচ বজাৰ ভিতৰত আবেদন শোণিতপুৰৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ কানুনগো শাখাত জমা দিব লাগিব।
আবেদনৰ স'তে প্ৰাৰ্থীৰ তিনি কপি পাছপ'ৰ্ট ফটো, স্থানীয় বাসিন্দাৰ প্ৰমাণপত্ৰ, শিক্ষাগত অৰ্হতাৰ প্ৰমাণপত্ৰ, মাৰ্কশ্বিট আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰৱেশপত্ৰৰ ফটো কপি জমা দিব লাগিব। তদুপৰি বাকী জাই প্ৰমাণপত্ৰৰ কপিও জমা দিব লাগিব।

# 'ফ্ৰেমা'ত সহায়কৰ প্ৰয়োজন

অসমৰ বান আৰু নৈ খহনীয়া ব্যৱস্থাপনা সংস্থা (ফ্ৰেমা)ই নিম্নোক্ত সহায়ক পদসমূহত নিযুক্তিৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন বিচাৰিছে।



**পদসমূহ ঃ**
**তথ্য প্ৰযুক্তি সহায়ক,** খালী পদৰ সংখ্যা ঃ এটা।
শিক্ষাগত অৰ্হতা ঃ কোনো স্বীকৃতিপ্ৰাপ্ত প্ৰতিষ্ঠানৰ পৰা আইটি/কম্পিউটাৰ ছায়েন্স/জিঅ' ইনফ'ৰমেটিক্স অথবা প্ৰাসংগিক আন শাখাৰ বিটেক বা সমপৰ্যায়ৰ ডিগ্ৰীধাৰী হ'ব লাগিব। তদুপৰি প্ৰাৰ্থীৰ কম্পিউটাৰৰ প্ৰাৰম্ভিক জ্ঞান থাকিব লাগিব।
**গাণনিক সহায়ক,** খালী পদৰ সংখ্যা ঃ দুটা।
শিক্ষাগত অৰ্হতা ঃ ন্যূনতম ৫৫ শতাংশ নম্বৰসহ কোনো স্বীকৃতিপ্ৰাপ্ত প্ৰতিষ্ঠানৰ পৰা বাণিজ্য/বিত্তৰ স্নাতক ডিগ্ৰীধাৰী হ'ব লাগিব। তদুপৰি প্ৰাৰ্থীৰ টেলী ইআৰপি৯.০ৰ জ্ঞান থাকিব লাগিব।
**ক্ষেত্ৰ সহায়ক,** খালী পদৰ সংখ্যা ঃ নটা।
শিক্ষাগত অৰ্হতা ঃ কোনো স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ পৰা ন্যূনতম ৫৫ শতাংশ নম্বৰসহ প্ৰাৰ্থী স্নাতক ডিগ্ৰীধাৰী হ'ব লাগিব। তদুপৰি প্ৰাৰ্থীৰ কম্পিউটাৰৰ প্ৰাৰম্ভিক জ্ঞান থাকিব লাগিব।
আবেদন গ্ৰহণৰ শেষ তাৰিখ ঃ ছয় ছেপ্টেম্বৰ, ২০২৬।
আবেদন জনাবৰ বাবে fremaa.assam.gov.in চাব পাৰে।

# বেংক অব বৰোডাত এলবিঅ'ৰ খালী পদ

বেংক অব বৰোডাই স্থানীয় বেংক বিষয়া (এলবিঅ') নিযুক্তিৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন বিচাৰিছে।




**পদৰ নাম ঃ এলবিঅ'।**
অসমত খালী পদৰ সংখ্যা ঃ ৪০ টা।
শিক্ষাগত অৰ্হতা আৰু অভিজ্ঞতা ঃ প্ৰাৰ্থী কোনো স্বীকৃতিপ্ৰাপ্ত প্ৰতিষ্ঠানৰ পৰা যিকোনো শাখাৰ স্নাতক ডিগ্ৰীধাৰী হ'ব লাগিব। তদুপৰি শিক্ষা সমাপ্তিৰ পাছত প্ৰাৰ্থীয়ে কোনো অনুসূচিত বাণিজ্যিক বেংকত বিষয়াৰূপে ন্যূনতম এবছৰ কাৰ্যনিৰ্বাহ কৰিব লাগিব।
প্ৰাৰ্থীয়ে স্থানীয় ভাষা ক'ব, পঢ়িব আৰু লিখিব পাৰিব লাগিব।
অসমত পৰীক্ষা কেন্দ্ৰ আছে গুৱাহাটী, যোৰহাট, ডিব্ৰুগড়, তেজপুৰ আৰু শিলচৰত।
আবেদন গ্ৰহণৰ শেষ তাৰিখ ঃ সাত ছেপ্টেম্বৰ, ২০২৬।
বেংক অব বৰোডাৰ ৰিক্ৰুইটমেণ্ট প'ৰ্টেলৰ পৰা আবেদন জনাব পাৰে।

# পাৱাৰগ্ৰীড নিগমত এপ্ৰেণ্টিচ নিযুক্তিৰ যোজা

পাৱাৰগ্ৰীড নিগম লিমিটেড (পিজিচিআইএল)-এ এপ্ৰেণ্টিচ নিয়োগৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন বিচাৰিছে।

**পদৰ নাম ঃ এপ্ৰেণ্টিচ,** অসমত খালী পদৰ সংখ্যা ঃ ১২ টা।
প্ৰতিষ্ঠানটোৱে তিনি ধৰণৰ এপ্ৰেণ্টিচ নিয়োগ কৰিব। ইয়াৰে এটা হ'ল স্নাতক এপ্ৰেণ্টিচ, দ্বিতীয়টো হ'ল ডিপ্ল'মা এপ্ৰেণ্টিচ আৰু তৃতীয়টো হ'ল আইটিআই এপ্ৰেণ্টিচ।
শিক্ষাগত অৰ্হতা ঃ ডিপ্ল'মা এপ্ৰেণ্টিচৰ ক্ষেত্ৰত প্ৰাৰ্থী বৈদ্যুতিক আৰু চিভিল অভিযান্ত্ৰিকৰ ডিপ্ল'মাধাৰী হ'ব লাগিব।
স্নাতক এপ্ৰেণ্টিচৰ প্ৰাৰ্থী বৈদ্যুতিক অভিযান্ত্ৰিক বা চিভিল অভিযান্ত্ৰিকৰ বিই/বিটেক/বিএছচি (ইঞ্জিনীয়াৰিং) ডিগ্ৰীধাৰী হ'ব লাগিব।
আইটিআই এপ্ৰেণ্টিচৰ ক্ষেত্ৰত প্ৰাৰ্থী ইলেক্ট্ৰিচিয়ানৰ আইটিআই চাৰ্টিফিকেটধাৰী হ'ব লাগিব।
আবেদন গ্ৰহণৰ শেষ তাৰিখ ঃ ১০ ছেপ্টেম্বৰ, ২০২৬।
প্ৰাৰ্থীসকলে https://apprenticeshipindia.gov.in বা https://nats.edu.gov.inত নাম পঞ্জীয়ন কৰিব লাগিব।

# ইউপিএছচিৰ ভৱিষ্যৎনিধি আয়ুক্ত নিযুক্তি পৰীক্ষাৰ আয়োজন

কেন্দ্ৰীয় লোকসেৱা আয়োগে কৰ্মচাৰী ভৱিষ্যৎ নিধি সংস্থা (ইউপিএফঅ')ৰ অধীনত সহকাৰী ভৱিষ্যনিধি আয়ুক্ত নিযুক্তি পৰীক্ষা অনুষ্ঠিত কৰিবলৈ লৈছে। অৰ্হতাসম্পন্ন প্ৰাৰ্থীসকলে এই পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰে।




**পদৰ নাম ঃ সহকাৰী ভৱিষ্যনিধি আয়ুক্ত,** খালী পদৰ সংখ্যা ঃ ৮০ টা।
বয়সৰ ঊৰ্ধ্বসীমা ঃ অসংৰক্ষিত/আৰ্থিকভাৱে পিছপৰা শ্ৰেণীৰ ক্ষেত্ৰত ৩৫ বছৰ, অ'বিচি প্ৰাৰ্থীৰ ক্ষেত্ৰত ৩৮ বছৰ, এছচি/এছটিৰ ক্ষেত্ৰত ৪০ বছৰ আৰু বিশেষভাৱে সক্ষম প্ৰাৰ্থীৰ ক্ষেত্ৰত ৪৫ বছৰ।
শিক্ষাগত অৰ্হতা ঃ প্ৰাৰ্থী কোনো স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয় বা প্ৰতিষ্ঠানৰ পৰা যিকোনো বিষয়ৰ স্নাতক ডিগ্ৰীধাৰী হ'ব লাগিব।
আবেদন গ্ৰহণৰ শেষ তাৰিখ ঃ ১১ ছেপ্টেম্বৰ, ২০২৬।
ইউপিএছচিৰ ৰিক্ৰুইটমেণ্ট প'ৰ্টেলৰ পৰা আবেদন জনাব পাৰিব।

# আইবিপিএছৰ ক্লাৰ্ক নিযুক্তি পৰীক্ষাৰ আবেদন আহ্বান

আইবিপিএছে চিআৰপি গ্ৰাহক সেৱা সহযোগী (ক্লাৰ্ক) নিযুক্তি পৰীক্ষাৰ আয়োজন কৰিছে। অৰ্হতাসম্পন্ন প্ৰাৰ্থীসকলে এই পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰে।




**পদৰ নাম ঃ গ্ৰাহক সেৱা সহযোগী,** অসমত খালী পদৰ সংখ্যা ঃ ৩৪৯ টা।
এই নিযুক্তি পৰীক্ষা প্ৰাৰম্ভিক আৰু মূল দুটা স্তৰত অনুষ্ঠিত হ'ব। অসমত প্ৰাৰম্ভিক পৰীক্ষা কেন্দ্ৰ ডিব্ৰুগড়, গুৱাহাটী, যোৰহাট, শিলচৰ আৰু তেজপুৰত আছে। মূল পৰীক্ষা কেন্দ্ৰ ডিব্ৰুগড়, গুৱাহাটী, যোৰহাট আৰু শিলচৰত আছে।
শিক্ষাগত অৰ্হতা ঃ প্ৰাৰ্থী কোনো স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ পৰা যিকোনো শাখাৰ স্নাতক ডিগ্ৰীধাৰী হ'ব লাগিব। তদুপৰি প্ৰাৰ্থীৰ কম্পিউটাৰৰ প্ৰাৰম্ভিক জ্ঞান থাকিব লাগিব।
বয়সৰ সীমা ঃ প্ৰাৰ্থীৰ বয়স এক আগষ্ট, ২০২৬ত ২০ৰ পৰা ২৮ বছৰৰ ভিতৰত হ'ব লাগিব। অৱশ্যে বয়সৰ ঊৰ্ধ্বসীমাৰ ক্ষেত্ৰত এছচি/এছটি প্ৰাৰ্থীয়ে পাঁচ বছৰ, অ'বিচি (এনচিএল) প্ৰাৰ্থীয়ে তিনি বছৰ আৰু বিশেষভাৱে সক্ষম প্ৰাৰ্থীয়ে ১০ বছৰ বয়স ৰেহাই পাব।
আবেদন গ্ৰহণৰ শেষ তাৰিখ ঃ ২৮ আগষ্ট, ২০২৬।
আইবিপিএছৰ ৰিক্ৰুইটমেণ্ট প'ৰ্টেলৰ পৰা আবেদন জনাব পাৰিব।

# ভট্টদেৱ বিশ্ববিদ্যালয়ত শিক্ষণ সহায়কৰ পদ খালী

পাঠশালাস্থিত ভট্টদেৱ বিশ্ববিদ্যালয়ে শিক্ষণ সহায়ক নিযুক্তিৰ বাবে মৌখিক সাক্ষাৎকাৰ অনুষ্ঠিত কৰিবলৈ লৈছে। অৰ্হতাসম্পন্ন প্ৰাৰ্থীসকলে এই সাক্ষাৎকাৰত অৱতীৰ্ণ হ'ব পাৰে।
**পদৰ নাম ঃ**
**শিক্ষণ সহায়ক,** খালী পদৰ সংখ্যা ঃ পাঁচটা। এটা দৰ্শনৰ, এটা অৰ্থনীতিৰ আৰু তিনিটা পৰিসংখ্যা বিজ্ঞানৰ।
শিক্ষাগত অৰ্হতা ঃ ২০১৮ৰ জুলাইৰ বিশ্ববিদ্যালয় অনুদান আয়োগৰ সহকাৰী অধ্যাপকৰূপে নিযুক্তিৰ বাবে বান্ধি দিয়া অৰ্হতা।
সাক্ষাৎকাৰৰ তাৰিখ ঃ ২৬ আগষ্ট।
দৰ্শনৰ শিক্ষণ সহায়কৰ সাক্ষাৎকাৰ পুৱা ১০ বজাৰ পৰা, অৰ্থনীতিৰ দিনৰ এক বজাৰ পৰা আৰু পৰিসংখ্যাৰ দিনৰ তিনি বজাৰ পৰা অনুষ্ঠিত হ'ব।

# সাধাৰণ জ্ঞান (প্ৰশ্নোত্তৰ)

## বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'ব খোজাসকলৰ সহায়াৰ্থে



নিম্নোক্ত প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিয়াওক ঃ—

(১) ভাৰতীয় সংবিধানত মৌলিক কৰ্তব্যসমূহ সংযোজিত হৈছিল ঃ
(ক) ৪২ সংখ্যক সংশোধনীৰ জৰিয়তে।
(খ) ৫২সংখ্যক সংশোধনীৰ জৰিয়তে।
(গ) ১৯ সংখ্যক সংশোধনীৰ জৰিয়তে।
(ঘ) উপৰোক্ত এটাও নহয়।
উত্তৰ ঃ (ক)।

(২) ভাৰতৰ সংবিধানৰ নিম্নোক্ত কোন অনুচ্ছেদ অনুসৰি দেশৰ উপ-ৰাষ্ট্ৰপতি নিয়োগ কৰা হয়?
(ক) অনুচ্ছেদ ৬৪।
(খ) অনুচ্ছেদ ৫২।
(গ) অনুচ্ছেদ ৮৯।
(ঘ) অনুচ্ছেদ ৪৯।
উত্তৰ ঃ (ক)।

(৩) প্ৰসিদ্ধ চলচ্চিত্ৰ পৰিচালক সত্যজিৎ ৰায়ে নিম্নোক্ত কি বঁটা মৰণোত্তৰভাৱে লাভ কৰে?
(ক) দাদাচাহেব ফাল্কে বঁটা।
(খ) ৰমন মেগছেছে বঁটা।
(গ) ভাৰত ৰত্ন।
(ঘ) অ'স্কাৰ।
উত্তৰ ঃ (গ)।

(৪) নিম্নোক্ত কোনখন মহানগৰ ২০১১ৰ লোকপিয়ল অনুসৰি দেশৰ সবাতোকৈ ঘন জনবসতিপূৰ্ণ মহানগৰ?
(ক) দিল্লী
(খ) মুম্বাই
(গ) চেন্নাই
(ঘ) কলকাতা।
উত্তৰ ঃ (খ)।

(৫) কেতিয়া ৰাষ্ট্ৰীয় মহিলা আয়োগ (National Commission for Women) গঠন কৰা হয়?
(ক) ১৯৯০ত।
(খ) ১৯৯২ত।
(গ) ২০০১ত।
(ঘ) ২০২২ত।
উত্তৰ ঃ (খ)।

(৬) ভাৰতৰ সংবিধানৰ নিম্নোক্ত কোন অনুচ্ছেদত পিছপৰা শ্ৰেণী ৰাষ্ট্ৰীয় আয়োগ (National Commission for Backward Classes)-ৰ কথা কোৱা হৈছে?
(ক) অনুচ্ছেদ ৩৩৮ (বি) ত ।
(খ) অনুচ্ছেদ ৩৪২ (এ)ত।
(গ) অনুচ্ছেদ ৩২১ (এ)ত।
(ঘ) উপৰোক্ত এটাও নহয়।
উত্তৰ ঃ (ক)।

(৭) দেশত ৰাষ্ট্ৰীয় শিশু অধিকাৰ সুৰক্ষা আয়োগ (National Commission for Protection of Child Rights) কাৰ্যকৰী হয়ঃ
(ক) ২০০৭ৰ পৰা।
(খ) ২০০৫ৰ পৰা।
(গ) ১৯৯৫ৰ পৰা।
(ঘ) ১৯৯৩ৰ পৰা।
উত্তৰ ঃ (খ)।

(৮) বিখ্যাত লেখিকা-ঔপন্যাসিকা অৰুন্ধতী ৰয়ৰ জন্ম হৈছিল?
(ক) শ্বিলঙত।
(খ) চেন্নাইত।
(গ) কলকাতাত।
(ঘ) তিৰুৱনন্তপুৰমত।
উত্তৰ ঃ (ক)।

(৯) নিম্নোক্ত কোনটো ৰাজনৈতিক অধিকাৰ (Political Right)ত অন্তৰ্ভুক্ত নহয়?
(ক) ভোটদানৰ অধিকাৰ।
(খ) জীৱনৰ অধিকাৰ।
(গ) নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ অধিকাৰ।
(ঘ) চৰকাৰৰ কাৰ্যবাহী সংস্থাৰ ওচৰত অভিযোগ দাখিলৰ অধিকাৰ।
উত্তৰ ঃ (খ)।

(১০) "How Green Was My Valley" উপন্যাসৰ ৰচক হ'লঃ
(ক) ঝুম্পা লাহিড়ী।
(খ) ৰিচাৰ্ড লুৱেলিন (Richard Llwellyn)।
(গ) ৰামচন্দ্ৰ গুহ।
(ঘ) অৰুন্ধতী ৰয়।
উত্তৰ ঃ (খ)।

(১১) নিম্নোক্ত কিহত ৰাসায়নিক পৰিৱৰ্তন ঘটে?
(ক) লোত মামৰে ধৰা।
(খ) কাঠ জ্বলিলে।
(গ) কাঠৰ পৰিমাণ হ্ৰাস।
(ঘ) উপৰোক্ত আটাইকেইটাতে।
উত্তৰ ঃ (ঘ)।

(১২) Cryogenic ইঞ্জিন ব্যৱহৃত হয়ঃ
(ক) ৰকেটত।
(খ) বিমানত।
(গ) ৰেফ্ৰিজাৰেটৰত।
(ঘ) ছাবমেৰিনত।
উত্তৰ ঃ (গ)।

(১৩) মানৱ শৰীৰত নিম্নোক্তসমূহৰ মাজৰ সবাতোকৈ ডাঙৰ অংগটো হ'লঃ
(ক) থায়ৰয়ড
(খ) যকৃত
(গ) অগ্নাশয়
(ঘ) প্লীহা।
উত্তৰ ঃ (খ)।

# ডিমা হাছাওত উন্নয়ন খণ্ডত চাকৰি

হাফলংস্থিত সহকাৰী উন্নয়ন আয়ুক্ত (পাহাৰ)ই ডিমা হাছাওত নিম্নোক্ত পদসমূহত নিযুক্তিৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন বিচাৰিছে।

**পদসমূহ ঃ গ্ৰামসেৱক,** খালী পদৰ সংখ্যা ঃ ১২ টা।
শিক্ষাগত অৰ্হতা ঃ যিকোনো শাখাৰ স্নাতক।
গ্ৰামসেৱিকা, খালী পদৰ সংখ্যা ঃ তিনিটা।
শিক্ষাগত অৰ্হতা ঃ যিকোনো শাখাৰ স্নাতক।
**কনিষ্ঠ সহায়ক (নিম্নবৰ্গৰ সহায়ক তথা টাইপিষ্ট,** খালী পদৰ সংখ্যা ঃ চাৰিটা।
শিক্ষাগত অৰ্হতা ঃ যিকোনো শাখাৰ স্নাতক হোৱাৰ লগতে নূন্যতম ছমহীয়া কম্পিউটাৰ ডিপ্ল'মা থাকিব লাগিব।
উপ-অভিযন্তা, খালী পদৰ সংখ্যা ঃ এটা।
শিক্ষাগত অৰ্হতা ঃ চিভিল ইঞ্জিনীয়াৰিঙৰ ডিপ্ল'মা।
চকীদাৰ, খালী পদৰ সংখ্যা ঃ এটা।



শিক্ষাগত অৰ্হতা ঃ হাইস্কুল শিক্ষান্ত উত্তীৰ্ণ।
বয়সৰ সীমা ঃ ওপৰোক্ত পদসমূহৰ বিপৰীতে প্ৰাৰ্থীৰ বয়স এক আগষ্ট, ২০২৬ত ১৮ৰ পৰা ৩৩ বছৰৰ ভিতৰত হ'ব লাগিব। অৱশ্যে এছচি/এছটি প্ৰাৰ্থীয়ে পাঁচ বছৰ পৰ্যন্ত বয়স ৰেহাই পাব।
আবেদন গ্ৰহণৰ শেষ তাৰিখ ঃ ১৭ ছেপ্টেম্বৰ, ২০২৬ৰ আবেলি চাৰি বজালৈ।
আবেদনপত্ৰ হাফলংস্থিত সহকাৰী উন্নয়ন আয়ুক্ত (পাহাৰীয়া)লৈ প্ৰেৰণ কৰিব লাগিব।

# অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ত পদ খালী

ডিব্ৰুগড়ৰ চাবুৱাস্থিত শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ে নিম্নোক্ত পদসমূহত নিযুক্তিৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন বিচাৰিছে।
**পদসমূহ ঃ**
**ক্ৰীড়া ব্যৱস্থাপনা/ব্যৱস্থাপনাৰ প্ৰাধ্যাপক,** খালী পদৰ সংখ্যা ঃ এটা।
শিক্ষাগত অৰ্হতা ঃ ইউজিচিৰ নিয়ম অনুসৰি।
**বিত্ত আৰু গাণনিক বিষয়া,** খালী পদৰ সংখ্যা ঃ এটা।
বয়সৰ সীমা ঃ এক ছেপ্টেম্বৰ, ২০২৬ত সৰ্বোচ্চ ৫৫ বছৰ।
**গ্ৰন্থাগাৰিক,** খালী পদৰ সংখ্যা ঃ এটা।
বয়সৰ সীমা ঃ এক ছেপ্টেম্বৰ, ২০২৬ত সৰ্বোচ্চ ৫৫ বছৰ।
আবেদন গ্ৰহণৰ শেষ তাৰিখ ঃ ২৮ ছেপ্টেম্বৰ, ২০২৬।
শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ ৰিক্ৰুইটমেণ্ট প'ৰ্টেলৰ পৰা আবেদন জনাব পাৰিব।

# ভাৰতীয় উপকূলৰক্ষী বাহিনীত বিষয়াৰ প্ৰয়োজন

ভাৰতীয় উপকূলৰক্ষী বাহিনীয়ে নিম্নোক্ত পদসমূহত নিযুক্তিৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন বিচাৰিছে।
**পদসমূহ ঃ**
**চিভিলিয়ান ষ্টাফ অফিচাৰ (লজিষ্টিকছ),** খালী পদৰ সংখ্যা ঃ চাৰিটা।
শাখা বিষয়া ঃ খালী পদৰ সংখ্যা ঃ ছটা।
ব্যক্তিগত সহায়ক/মুখ্য ড্ৰাফটমেন, খালী পদৰ সংখ্যা ঃ পাঁচটা।
**সহায়ক,** খালী পদৰ সংখ্যা ঃ ৩৯ টা।
সবিশেষ জানিবৰ বাবে https://www.indiancoastgurad.gov.in চাব।

# কাৰ্বি স্বায়ত্তশাসিত পৰিষদৰ পশু চিকিৎসা বিজ্ঞান সহায়ক নিযুক্তি

কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদে পশু চিকিৎসা বিজ্ঞান ক্ষেত্ৰ সহায়ক নিযুক্তিৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন বিচাৰিছে।
পদৰ নাম ঃ পশু চিকিৎসা বিজ্ঞান ক্ষেত্ৰ সহায়ক, খালী পদৰ সংখ্যা ঃ ৪৯ টা।
শিক্ষাগত অৰ্হতা ঃ প্ৰাৰ্থী জীৱ বিজ্ঞানসহ দ্বাদশ শ্ৰেণী উত্তীৰ্ণ হ'ব লাগিব।
তদুপৰি পশু চিকিৎসা বিজ্ঞানৰ প্ৰাৰম্ভিক প্ৰশিক্ষণ গ্ৰহণ কৰা হ'ব লাগিব।
আবেদন গ্ৰহণৰ শেষ তাৰিখ ঃ সাত ছেপ্টেম্বৰ, ২০২৬ৰ আবেলি পাঁচ বজা।
সবিশেষ জানিবৰ বাবে karbianglong.co.in চাব পাৰে।



# হালধীয়া হালধিৰে নোৱালে-ধোৱালে

*যোৱা সংখ্যাৰ পাছৰ পৰা* **হালধিৰ উপকাৰিতা ঃ**
প্ৰাচীন কালৰ পৰা আয়ুৰ্বেদত হালধি হৰিদ্ৰা হিচাপে ব্যৱহৃত হৈ আহিছে। বিভিন্ন প্ৰসাধন দ্ৰব্যটো হালধি ব্যৱহাৰ কৰা হয়। হালধিত থকা কাৰ্কুমিন নামৰ উপাদানৰ কাৰণে শৰীৰত প্ৰদাহ আৰু বিষ নিয়ন্ত্ৰণত সহায়ক হয়। হালধিৰ ৰসে পাচনতন্ত্ৰ শক্তিশালী কৰা লগতে গেছৰ সমস্যা তথা পেটৰ অন্যান্য সমস্যা দূৰ কৰে। হালধি হৈছে প্ৰাকৃতিক এণ্টিবায়'টিক। ই কটা-ছিঙা বা ঘা আদি শুকোৱাত সহায় কৰে। লগতে ছালৰ বিভিন্ন ৰোগ প্ৰতিৰোধত সহায় কৰাৰ উপৰি হালধিৰ ৰস নিয়মীয়া সেৱনে ছালৰ উজ্জ্বলতা বঢ়োৱাত সহায় কৰে।
--- বাঃ হালধি যে ইমান উপকাৰী আজিহে জানিলো বৰমা।
----- এইফালে আহা মোৰ কোলাত বহা।
**এতিয়া আমাক হালধি কিয় লাগিব?** মিমি বাৰ বিয়াত নোৱাবলৈ নহয়নে? তুমি গান এটা শুনিছানে পৰিমা,
'মাহ-হালধিৰে নোৱালে-ধোৱালে
কইনা সজাব কোনে দাপোণমতী
কইনা সজাব কোনে'
সুললিত কণ্ঠৰ অধিকাৰী বৰমাক ড° মীৰা দত্তৰ কণ্ঠত প্ৰাণ পাই উঠা গীতটো তাইকো শিকাই দিবলৈ খাটনি ধৰিলে।
----- কি হ'ল অ' বিয়া ঘৰ গুচি
সংগীত বিদ্যালয় হ'ল দেখোন।
হা .... হা.... হা.....
ৰসাল বৰদেউতাকৰ হাঁহিত ঘৰখন ৰজনজনাই গ'ল। সমাপ্ত



মূল ঃ কোৰিয়ান সাধু হোৰেঙিৰা গটগামৰ অসমীয়া অনুবাদ

অনুবাদ ঃ গৌৰী দেৱী

এসময়ত এখন গাঁৱৰ পাছফালৰ পাহাৰখনত এটা বাঘ আছিল। মাজে মাজে বাঘটোৱে পাহাৰৰ শিখৰলৈ উঠি গৈ গৰ্জন কৰিছিল আৰু বাঘৰ কাণ তাল মৰা গৰ্জনত গাঁওখনৰ মানুহৰ বুকু ত্ৰাসত কঁপি উঠিছিল। সেইদিনা আছিল শীতৰ নিশা, গোটেই পৃথিৱীখন বৰফেৰে ঢাক খাই আছিল। বাঘটো পাহাৰৰ পৰা তললৈ নামি আহিল। কে'বাদিনো বাঘটো ভোকাতুৰ আছিল।

# এটা ভয়াতুৰ বাঘ আৰু এটা পাৰ্চিমনৰ কাহিনী

এসময়ত এখন গাঁৱৰ পাছফালৰ পাহাৰখনত এটা বাঘ আছিল। মাজে মাজে বাঘটোৱে পাহাৰৰ শিখৰলৈ উঠি গৈ গৰ্জন কৰিছিল আৰু বাঘৰ কাণ তাল মৰা গৰ্জনত গাঁওখনৰ মানুহৰ বুকু ত্ৰাসত কঁপি উঠিছিল। সেইদিনা আছিল শীতৰ নিশা, গোটেই পৃথিৱীখন বৰফেৰে ঢাক খাই আছিল। বাঘটো পাহাৰৰ পৰা তললৈ নামি আহিল। কে'বাদিনো বাঘটো ভোকাতুৰ আছিল।
ৰাতি এটা খেৰৰ ঘৰৰ লেম্পৰ পোহৰত জিলিকি থকা খিৰিকীৰ তলত বৰফত বাঘটো ৰৈ থাকে। আনহাতে, ছাদৰ ওপৰত এজন চোৰে ছাদৰ ওপৰেৰে লাহে লাহে আগবাঢ়ি যায়। খাদ্য বিচাৰি হাবাথুৰি খাই বাঘটো এটা ঘৰৰ খিৰিকীৰ ওচৰলৈ আহিল। ভিতৰত এটা লেম্প টিমিক ঢামাককৈ জ্বলি আছিল। হঠাৎ এটা কণমানি কেঁচুৱাই ডাঙৰকৈ কান্দিবলৈ ধৰিলে আৰু বহু দেৰি কান্দি থাকিল।
এটা সময়ত বাঘটোৱে সাৱধানে চাৰিওফালে চাই ঘৰটোৰ ভিতৰলৈ সোমাই যাবলৈ ধৰিছিল। তেতিয়াই বাঘটোৱে এগৰাকী মহিলাৰ মাত শুনিবলৈ পালে। মহিলাগৰাকীয়ে শিশুটিক কৈছিল 'মনে মনে থাকা। বাঘটো খিৰিকীৰ বাহিৰতে আছে।' কিন্তু কেঁচুৱাটোৱে মাকৰ ভাবুকিৰ প্ৰতি ভ্ৰূক্ষেপ নকৰি কান্দি থাকিল, কান্দিয়েই থাকিল। ইফালে, ঘৰটোৰ খিৰিকীৰ তলত লুকাই থাকি বাঘটোৱে ভাবি থাকিল, 'মাকে কেনেকৈ জানিলে যে মই ইয়াত আছো? কেঁচুৱাটো দেখিবলৈ কেনেকুৱা হ'ব বাৰু? যি শিয়াল বা ভালুককো ভয় নকৰে।'
ভোকৰ তীব্ৰতাত বাঘটো উঠি থিয় হ'ল। কেঁচুৱাটোৱে তেতিয়াও কান্দি আছিল। মাকৰ মাত ভাঁহি আহিল, 'এটা বাঘ আহিছে দেই। খিৰিকীৰ তলতে আছে।' কিন্তু কেঁচুৱাটোৱে কান্দিয়েই থাকিল। বাঘটোৱে ইমানেই আচৰিত আৰু ভয় খাইছিল যে সি মাটিত প্ৰায় অচেতন হৈ লুটি খাই পৰি গ'ল।
কিছু সময়ৰ পাছত উশাহ লৈ বাঘটোৱে আকৌ কোঠাটোলৈ জুমি চালে। শিশুটোৱে তেতিয়াও কান্দি আছিল। সি বাঘটোক ভয় খোৱাৰ কোনো লক্ষণ দেখুওৱা নাছিল। বাঘটোৱে এনে কোনো জীৱ-জন্তু দেখা নাছিল, যিয়ে তাক দেখি ভয় নকৰে। তাৰ পাছত আইতাকে কেঁচুৱাটোক এটা ৰঙা শুকান ফল দিলে আৰু কেঁচুৱাটোৱে লগে লগে কান্দোন বন্ধ কৰিলে। বাঘটোৱে আচৰিত হৈ ভাবিলে যে 'পাৰ্চিমন'টো নিশ্চয় বাঘতকৈও ভয়ংকৰ আৰু শক্তিশালী এক প্ৰাণী। সেই মুহূৰ্ততে চোতালৰ পৰা গৰু এটা চুৰি কৰিবলৈ চেষ্টা কৰি থকা এজন চোৰে ভুলবশতঃ জঁপিয়াই থকা বাঘটোৰ পিঠিতে পৰে। সেই ভয়ংকৰ ফলটোৱেই তাৰ গাৰ ওপৰত জঁপিয়াই পৰিল বুলি ভয় খাই বাঘটোৱে নিজৰ প্ৰাণ বচাবলৈ ৰাতিৰ আন্ধাৰত দৌৰি পলাবলৈ ধৰে। আনহাতে, ভয়ত কঁপি থকা চোৰটোৱে নিজকে এৰি দিব নোৱাৰালৈকে বাঘটোৰ গাত খামুচি ধৰি থাকিল। পিঠিত উলমি থকা চোৰটোৱে বাঘৰ নেজডালত চেপি ধৰি ভাবিলে, 'এইটো কোনো সাধাৰণ প্ৰাণী নহয়, বৰঞ্চ এটা ডাঙৰ দানৱেহে মোক কঢ়িয়াই লৈ ফুৰিছে।' শেষত এজোপা গছৰ ডালত লাগি চোৰটো তললৈ খহি পৰিল আৰু বাঘটোৱে হাবিৰ ফালে দৌৰি গ'ল। বাঘটোক তাৰ পাছৰ পৰা আৰু গাঁৱত মানুহে কোনোদিন নেদেখিলে।

# ককাদেউতা আৰু নাতিল'ৰা বৰচোৰ



*যোৱা সংখ্যাৰ পাছৰ পৰা* এইদৰে বাপেক-পুতেকে নিজৰ বৃত্তি চলাই-মেলি অনেক দিন আছে। এদিন বাপেক-পুতেক দুয়ো ৰজাৰ ঘৰত ৰাণীৰ অলংকাৰ চুৰি কৰি আনিবলৈ মন কৰি সিন্ধি দিলেগৈ। বহুত আঁতৰৰ পৰা সিহঁতে সিন্ধিটো লৰালৰিকৈ খান্ধি নি ৰাণী শুই থকা পালেঙৰ তলত ওলালগৈ। বাপেক-পুতেকে দুয়ো পালেঙৰ তলৰ পৰা চাই দেখিলে যে বেটী দুজনীৰ টোপনি আহিছে, চাকিটো তেল নাইকিয়া হৈ নুমাব লগা হৈছে, ৰাণীয়েও টোপনিত ঘোৰঘোৰাব লাগিছে। ইফালে, পালি-পহৰীয়াও নাই। এনেতে বাপেকে পালেঙৰ তলৰ পৰা ওলাই ৰাণীৰ গাৰ অলংকাৰবিলাক সোলোকাই আনি পুতেকৰ হাতত দিলে; কিন্তু ডিঙিৰ হাৰধাৰ থাকি গ'ল। সেইদেখি পিছবাৰ? সেই হাৰধাৰ আনিবলৈ গৈ সি ৰাণীৰ ডিঙিত হাত দিওঁতেই ৰাণীয়ে সাৰ পাই 'কোন কোন' বুলি উঠিল। এনেতে চোৰক মোৰে পালে। পালি-পহৰীয়াও জাঁপ মাৰি একে খেদাতে তাৰ ওচৰ পালেহি। বুঢ়া সাৰিবৰ উপক্ৰম কৰি সিন্ধিত সোমাওঁতেই তাৰ ঠেংখনত সিহঁতে ধৰি পেলালে। যেতিয়াই সিহঁতে তাৰ ঠেঙত ধৰিলে, পুতেকে বহুত কথা ভাবি-চিন্তি বুঢ়াৰ মূৰটো কাটি লৈ গুচি গ'ল।
ৰজাৰ মানুহে ঠেঙত ধৰি বুঢ়াক টানি আনি চাই দেখে, তাৰ মূৰটো নাই। কেৱল গা ডোখৰহে আছে। সেই বাবে চোৰটো কোন ঠিক কৰা টান হ'ল। সেই মুহূৰ্ততে ৰজাক সকলো বৃত্তান্ত জনোৱা হ'ল। ৰজাই তেতিয়াই তেওঁৰ কটোৱালহঁতক মাতি আনি পাচিলে যে তহঁত দিহাদিহি যা, ক'ত মানুহে কান্দে, ক'ত মানুহে খৰি দিয়ে, তাৰ ভু লহঁক। য'তে মানুহক খৰি দিয়া দেখবা য'তে মানুহক কন্দা শুন তাৰ পৰা সিহঁতক মোৰ গুৰিলৈ ধৰি আনিবি' সেই কথা শুনি কটোৱালবোৰ দিহাদিহি গ'ল।
ইফালে, বৰচোৰৰ পুতেকে বাপেকৰ মূৰটো কাটি আনি মাকক সকলো বৃত্তান্ত ক'লে। মাকে সেই কথা শুনি কান্দিবলৈ ৰাউচি ধৰোতেই পুতেকে মাকৰ ভৰিত দীঘল দি পৰি ক'বলৈ ধৰিলে, 'আই, এতিয়া মই পিতৃবধী। তুমি যদি চিঞৰি চিঞৰি কান্দা তেনেহ'লে ৰজাৰ মানুহে শুনি লৰি আহিব আৰু মোক নথৈ শাস্তি কৰি মাৰিব। তাকে চাই তুমি যদি কান্দা, কান্দা।' সেই কথা শুনি মাকে কোনোমতে কান্দোন সামৰি থাকিল আৰু পুতেকক ক'লে, 'ৰোপাই মোৰ অন্তৰত ইমান বেজাৰ লাগিছে যে যদি মই কিছুপৰ নাকান্দো তেন্তে মই থিৰেৰে থাকিবই নোৱাৰো। 'পুতেকে মাকক বুজাই ক'লে যে কান্দিবৰ অনেক সময় আছে আৰু যদি কান্দিবই লাগে, দেখা-শুনাকৈ কন্দা ভাল। ক্ৰমশঃ

আকবৰ আৰু বীৰবলৰ সাধু

# আকাশৰ তৰা



এবাৰ সম্ৰাট আকবৰৰ ৰাজ দৰবাৰত এজন অহংকাৰী আৰু ঈৰ্ষাপৰায়ণ বিষয়াই বীৰবলৰ বুদ্ধিমত্তাক প্ৰত্যাহ্বান জনাবলৈ স্থিৰ কৰিলে। তেওঁ আকবৰৰ সন্মুখত এনে কিছুমান কঠিন প্ৰশ্ন ৰাখিলে, যাৰ পোনপটীয়া উত্তৰ দিয়াটো অসম্ভৱ আছিল। তেওঁৰ নাম আছিল খাজা। খাজাই সম্ৰাটক ক'লে যে যদি বীৰবলে নিজক বৰ বুদ্ধিমান বুলি ভাবিছে, তেন্তে তেওঁ মোৰ এই প্ৰশ্নটোৰ উত্তৰ দিয়ক যে আকাশত মুঠতে কিমান তৰা আছে? আকবৰে লগে লগে বীৰবলক এই প্ৰশ্নটো সুধিলে। বীৰবলে অলপো নোৰোৱাকৈ ৰাজ দৰবাৰলৈ নোমাল চুলি থকা এটা ভেড়া ছাগলী লৈ আনিলে। তাৰ পাছতে বীৰবলে সম্ৰাটক ক'লে, 'জাহাপনা! এই ভেড়াটোৰ গাত যিমান নোম আছে, আকাশতো ঠিক সিমান সংখ্যক তৰাই আছে। যদি খাজা ডাঙৰীয়াৰ মোৰ উত্তৰত কিবা সন্দেহ আছে, তেন্তে তেওঁ নিজে এই ভেড়াটোৰ প্ৰতিডাল নোম গণি সন্তুষ্টি ল'ব পাৰে।' এই কথা শুনি সমগ্ৰ ৰাজ দৰবাৰ হাঁহিত ফাটি পৰিল আৰু খাজাই কোনো উত্তৰ বিচাৰি নাপাই লাজত মূৰ দোঁৱাই বহি ৰ'ল। আকবৰ বীৰবলৰ এই প্ৰত্যুৎপন্নমতিতাত অতিশয় সন্তুষ্ট হ'ল।

**ৰঞ্জু পূজাৰী দত্ত**

# ৰাখী পূৰ্ণিমা ঃ হিন্দুসকলৰ পবিত্ৰ অনুষ্ঠান



কণমানিহঁত, তোমালোকৰ খবৰ ভাল নে? আজি আকৌ এটা নতুন বিষয় লৈ আহিছো। তোমালোকে হয়তো জানা যে ৰাখী বন্ধনক ৰক্ষা বন্ধন বুলিও কয়।
ৰাখী পূৰ্ণিমা হিন্দু ধৰ্মৰ এক পৱিত্ৰ ধাৰ্মিক অনুষ্ঠান। আমাৰ হিন্দুসকলৰ মাজত এডাল সাধাৰণ ৰঙীন সূতাৰে হৃদয়ত আত্মিক সম্পৰ্ক স্থাপন কৰি আহিছে। এই ৰঙীন সূতাডালত সম্বন্ধৰ বিশ্বাসৰ ভেটি দুজন ব্যক্তিৰ মাজত স্থাপন হয়। সেয়া ভাই-ভনীৰ সম্পৰ্ক তেজৰো হ'ব পাৰে বা হৃদয়ৰ পৰা কাৰোবাৰ লগত স্থাপন কৰা পৱিত্ৰ সম্পৰ্ক হ'ব পাৰে। এটা হৃদয়ৰ সম্পৰ্কৰ কাহিনী ক'বলৈ ওলাইছো।
গীতা, ভাগৱত ধৰ্মীয় গ্ৰন্থত উল্লেখ আছে। দ্ৰৌপদী আৰু কৃষ্ণৰ ভ্ৰাতৃ-ভগ্নীৰ সম্পৰ্ক আছিল; কিন্তু তেজৰ নহয়, সেই সম্পৰ্ক আছিল হৃদয়ৰ। দ্ৰৌপদীৰ স্বামীসকল পঞ্চপাণ্ডৱে কৌৰৱসকলৰসকলৰ লগত খেলা পাশাখেলত পৰাজিত হয়। তেতিয়া কৌৰৱ বংশৰ দুঃশাসনে দ্ৰৌপদীক ৰাজ দৰবাৰলৈ চুলিত ধৰি চোঁচৰাই লৈ আহি বিৱস্ত্ৰ কৰিবলৈ চেষ্টা কৰিছিল। দ্ৰৌপদীয়ে কাকূতি-মিনতি কৰাৰ পাছতো কোনেও তেওঁক ৰক্ষা কৰিবলৈ আগবাঢ়ি অহা নাছিল। সকলো জ্ঞানী ব্যক্তিয়ে মৌন ব্ৰত ধাৰণ কৰিছিল। সেই সময়ত কৃষ্ণই ভগ্নীৰূপে গ্ৰহণ কৰা দ্ৰৌপদীক ৰক্ষা কৰিছিল। উদাহৰণ হিচাপে প্ৰভু কৃষ্ণই জগতত অৱগত কৰিছিল যে এই ৰঙীণ সূতাডাল দেখাত সাধাৰণ হ'লেও তাত থাকে মৰমৰ এক এনাজৰী আৰু ভনীজনীৰ প্ৰতি থকা এক দায়িত্ব, বিপদত ৰক্ষা কৰাৰ এক সংকল্প। বিশেষকৈ আজিৰ দৰে ব্যস্ত যান্ত্ৰিকতাৰ জীৱনত কোনোৱে কাৰো খবৰ ল'বলৈ আহৰি নাই। তেনে সময়ত এই সৰু সৰু উৎসৱবোৰেই আমাক এজনে আনজনৰ প্ৰতি থকা দায়বদ্ধতা সোঁৱৰাই দিয়ে। গতিকে এই ৰাখী হৈছে এজনে আনজনৰ প্ৰতি থকা মৰমৰ অধিকাৰ আৰু বিশ্বাসৰ প্ৰকাশ কৰা সুন্দৰ মাধ্যম।

**অনামিকা (সংগীতা) কলিতা**

# পবিত্ৰ ভাদ মাহ অসমীয়াৰ হৃদয়ৰ

*যোৱা সংখ্যাৰ পাছৰ পৰা* সমাজ সংস্কাৰক আমাৰ মহাপুৰুষ দুগৰাকী পবিত্ৰ ভাদতে বৈকুণ্ঠ প্ৰয়াণ হৈছিল। গতিকে তেওঁ লোকক স্মৰণ কৰি গোটেই মাহতো সকলো সত্ৰ-নামঘৰতে ৰাতিপুৱা আৰু সন্ধিয়া হৰি নামেৰে মুখৰিত হৈ থাকে। কাৰণ অসমত এই সত্ৰ-নামঘৰ প্ৰতিষ্ঠা হৈছিল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আশীৰ্বাদত। তেওঁৰ প্ৰিয় শিষ্য মাধৱদেৱৰ স'তে আন শিষ্যসকলক লগত লৈ তেওঁ এক শৰণ বৈষ্ণৱ ধৰ্মৰ পাতনি মেলিছিল। ভাগৱতক হৃদয়ত ৰাখিছিল, চাৰিহাটি, দৌলগৃহ, মণিকূট, কীৰ্তনঘৰ ভক্তগণ সমাহাৰে জ্ঞানৰ আলোক বিতৰণ কৰিছিল, যাক আমি নামঘৰ বুলি কওঁ। ধৰ্ম আৰু কৰ্মত বিশ্বাসী আমাৰ গাঁও শুৱালকুছিত গোটেই ভাদ মাহতো হৰিৰ নামেৰে ৰজনজনাই থাকে। প্ৰভু শ্ৰীকৃষ্ণৰ জন্মদিন এই পবিত্ৰ ভাদ মাহৰ ৰোহিনী নক্ষত্ৰ অষ্টমী তিথিত পৰে। ভাৰতবৰ্ষৰ সকলো হিন্দু মানুহে মঠ-মন্দিৰতে হওক বা ঘৰতে উলাহ-মালাহৰে পালন কৰা দেখা যায়। আমাৰ অসমীয়া সমাজতো শ্ৰীকৃষ্ণৰ জন্মাষ্টমী প্ৰতিটো নামঘৰ-সত্ৰত লগতে প্ৰতিটো পৰিয়ালে পালন কৰে। ল'ৰালিৰ কিছুমান সমধুৰ স্মৃতি মনলৈ আহে। শুৱালকুছিৰ প্ৰৱেশ দ্বাৰৰ কাষত দ-খাল-বিল কেইটামান আছিল, বৰ্তমান লুপ্ত হ'ল। সেইবোৰৰ নাম দি মাতিছিল শুৱালকুছিবাসীয়ে সৰু খাৰা, বৰখাৰা ইত্যাদি। পুৱাই দাদাহঁতে মকুৱা, পদুম ফুল আনিবলৈ গৈছিল সেইবোৰ খাল-বিলত। মকুৱা-পদুমবোৰ আমাক আনি দিয়ে সেইবোৰৰ মালা বনাই সৰু কলপুলি এটি কৃষ্ণ সাজি পিন্ধাই দিওঁ। মা-বৰমাহতে পিঠাগুৰি, লাৰু আৰু প্ৰসাদ আৰু ৰুটি-ঘুগুনী তৈয়াৰ কৰে। কি যে আমেজসনা পৰিৱেশ আছিল। বৰ্তমান সময় সলনি হৈছে কিন্তু লুপ্ত নাই হোৱা। কুশলে থাকা তোমালোক। আজিলৈ আহিলো। সমাপ্ত

# গৰমপানী

## গোলাঘাট জিলাৰ অন্যতম এক পৰ্যটনস্থলী

**শংকৰ দেৱ**



পৰ্যটন মানচিত্ৰৰ ক্ষেত্ৰত অসমৰ গোলাঘাট জিলাই এক বিশেষ স্থান দখল কৰি ৰাখিছে। বিশ্ব বিখ্যাত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, গোলাঘাটৰ যোগী বিল, আৰক্ষী প্ৰশিক্ষণৰ প্ৰাণকেন্দ্ৰ ঐতিহাসিক দেৰগাঁও চহৰ, নেঘেৰিটিংৰ শিৱদৌল, নেঘেৰিটিং চাহ বাগিচা আৰু সেইদৰে সেউজীয়া অৰণ্যৰে সমৃদ্ধ এই জিলাৰ বুকুত অৱস্থিত তপত পানীৰ উঁহ 'গৰমপানী'ও হৈছে এক অনন্য প্ৰাকৃতিক পৰ্যটনস্থলী। প্ৰকৃতিৰ সৌন্দৰ্য, উষ্ণ প্ৰস্ৰৱণ আৰু জীৱ-বৈচিত্ৰ্যৰ এক অনন্য সমাহাৰ, লগতে ভূ-তাত্ত্বিক বিস্ময়ৰ বাবে এই গৰমপানীয়ে বহু বছৰ ধৰি দেশ-বিদেশৰ ভ্ৰমণপ্ৰেমীসকলক আকৰ্ষিত কৰি আহিছে। গৰমপানীৰ মূল আকৰ্ষণ হৈছে মাটিৰ তলৰ পৰা স্বাভাৱিকভাৱে নিৰ্গত হোৱা উষ্ণ পানীৰ প্ৰস্ৰৱণ। ভূগৰ্ভস্থ শিলাস্তৰ আৰু তাপীয় শক্তিৰ প্ৰভাৱত পানী উত্তপ্ত হৈ ভূমিৰ ওপৰলৈ ওলাই আহে, যিটো চাবলৈ দেশৰ বিভিন্ন প্ৰান্তৰ পৰা পৰ্যটক আৰু বিদ্যালয়-মহাবিদ্যালয়ৰ পৰা ছাত্ৰ-ছাত্ৰীসকলৰ আগমন ঘটে। বহু বছৰ ধৰি স্থানীয় ৰাইজৰ মাজত এই পানীৰ কিছু ঔষধি গুণ আছে বুলি বিশ্বাস চলি আহিছে। ছালৰ কিছুমান সমস্যা, গাঁঠিৰ বিষ বা শৰীৰৰ ক্লান্তি লাঘৱত এই পানী উপকাৰী বুলি বহুতে ধাৰণা কৰে, যদিও ইয়াৰ চিকিৎসাগত ফলাফলৰ ক্ষেত্ৰত বৈজ্ঞানিক পৰামৰ্শকেই অধিক গুৰুত্ব দিয়া উচিত।
গোলাঘাট চহৰৰ পৰা ডিমাপুৰ সংযোগী ৩৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ হৈ স্থানীয়ভাৱে গাড়ী বা বাছেৰে অতি সহজে এই ঠাইলৈ যাত্ৰা কৰিব পাৰি। গোলাঘাট জিলাৰ সৰুপথাৰৰ সমীপত অৱস্থিত এই গৰমপানী লৈ স্থলপথেৰে যোৱা যিকোনো ভ্ৰমণকাৰীৰ বাবে এক আকৰ্ষণীয় বিশ্ৰামস্থলী। শীতকালত ইয়াত পৰ্যটকৰ সংখ্যা বিশেষভাৱে বৃদ্ধি পোৱা দেখা যায়। বহুতে কাজিৰঙা ভ্ৰমণৰ লগে লগে এই ঠাইডোখৰো পৰিদৰ্শন কৰি অসমৰ প্ৰাকৃতিক বৈচিত্ৰ্যৰ এক সুকীয়া আনন্দ উপভোগ কৰে। ক্ৰমশঃ

# নেগুৰকটা বাঘ

(খণ্ড-২৪)
দেউতাকে দীপাংকৰক সেইদৰে বান্ধি ৰখা ঘটনাটোৰ কিছুদিনলৈ দীপাংকৰ তুলনামূলকভাৱে সাৱধান হৈয়েই থাকিল। সিও নিজেই অনুভৱ কৰিছে যে সময়ত সি নকৰিবলগীয়া কাম কিছুমান কৰে বাবেই শাস্তি ভোগ কৰিবলগীয়া হয়। সি এনে উৎপাত ভৱিষ্যতে নকৰে বুলি মনতে সংকল্প ল'লে। এইদৰে কিছুদিন গ'ল। এদিন সিহঁতৰ ঘৰলৈ ফুকন খুৰা আহিল। ফুকন খুৰা দীপাংকৰৰ দেউতাকৰ বন্ধু। খুৰাই এখন নতুন চাইকেল লৈ আহিছিল। সি খুৰাকক মাত লগোৱাৰ লগে লগে তেওঁ দীপাংকৰলৈ লৈ অনা টফী কেটামান তাৰ হাতত দিলে। সি সেইকেইটা হাতত লৈয়েই ভাইটিহঁতৰ ঘৰলৈ দৌৰ মাৰিলে। দীপাংকৰে ভাইটি, প্ৰদীপক খুৰাকে দিয়া টফীৰ পৰা একোটা দি সিহঁতৰ আগত ফুকন খুৰাকৰ নতুন চাইকেলখনৰ কথাও ক'লে। লগে লগে ভাইটি আৰু প্ৰদীপে ক'লে, 'সেইখন আমি চলাই চাওঁ আহা।' দীপাংকৰক চাইকেলখন লৈ আনিবলৈ কোৱাত সি অলপ খেহোঁজেহোঁ কৰাত প্ৰদীপে বিজ্ঞৰ দৰে ক'লে যে চাইকেল চলোৱাটো স্বাস্থ্যৰ বাবে বৰ উপকাৰী। সিহঁতে চাইকেলখন চলালে ডাঙৰ সকলোৱে ভালহে পাব। প্ৰদীপৰ কথা শুনি দীপাংকৰে সন্দেহৰে ক'লে, 'যদি দেউতাই খং কৰে?' লগে লগে ভাইটিয়ে উপায় দিলে, 'তই মনে মনে চাইকেলখন লৈ আহগৈ যা। আমি এপাক চলাই সেইখন আকৌ তাতে থৈ আহিমগৈ। কোনেও গমেই নাপাব।' দীপাংকৰৰো নতুন চাইকেলখন চলাবলৈ মন নোযোৱা নহয়। সিহঁতে চাইকেলৰ ছিটত বহি পেডেল ঢুকি নাপায় আৰু তেনেদৰে চলাবলৈও শিকা নাই। সিহঁতে পেডেলত ভৰি থৈ হেণ্ডেল আৰু ছিটৰ মাজৰ তিনিকোণীয়া ফ্ৰেমটোৰ মাজত ওলমি চাইকেলখন চলোৱা কৌশলকে হাফপেডেল মৰা বুলি কয়। সেইদৰে দীপাংকৰে মাজে মাজে দেউতাকৰ চাইকেলখনো চলায়। কেতিয়াবা দেউতাকে একো নকলেও কেতিয়াবা মানা কৰে। আজি যিহেতু দেউতাক ফুকন খুৰাকৰ লগত কথা পতাত ব্যস্ত, গতিকে সি চাইকেলখন লৈ আনি



এপাক চলালেও তেওঁলোকে গম নাপাব। গতিকে দীপাংকৰে ঘৰলৈ গৈ চাইকেলখন বৰ সাৱধানেৰে লৈ আহিল। সি সিহঁতৰ ঘৰৰ জপনাৰ মুখ পাৰ হৈয়েই পেডেলত ভৰ দি ফ্ৰেমৰ মাজত বেঁকাকৈ ওলমি চাইকেলখন চলাই ভাইটিহঁতৰ ঘৰ পালেহি। লগে লগে প্ৰদীপে তাৰ পৰা চাইকেলখন লৈ তাক ছিটৰ আগৰ লোহাডালত বহিবলৈ ক'লে। দীপাংকৰ বহাৰ লগে লগে প্ৰদীপে কিছু দূৰ সেইখন ঠেলি একোবত জাঁপ মাৰি পেডেলত ওলমি হাফপেডেল মাৰি চাইকেলখন চলোৱাত লাগিল। পিছে পিছে দৌৰি অহা ভাইটিয়ে চাইকেলখনৰ কেৰিয়াৰত ধৰি চিঞৰিলে 'বিশ্বকৰ্মা বাবা কি জয়।' সেইদৰে কিছুদূৰ আগবঢ়াৰ পাছতে ভাইটিয়ে কেৰিয়াৰত জাঁপ মাৰি বহি ল'লে। সন্মুখত দীপাংকৰ, মাজত পেডেলতে ভৰ দি প্ৰদীপে চলোৱা চাইকেলৰ কেৰিয়াৰত ভাইটি বহি লৈ সিহঁতৰ চুবুৰীটোৰ শেষত থকা কালীথানখনৰ কাষ পালেগৈ। তাৰ পৰা ঘূৰি আহি সিহঁতে যেতিয়া চুবুৰীটোৰ সন্মুখ পালেহি, তেতিয়া দীপাংকৰে চাইকেলখন নি সিহঁতৰ ঘৰৰ যি ঠাইত ফুকন খুৰাই চাইকেলখন থৈছিল, সেই ঠাইতে সি চাইকেলখন থৈ আহিবলৈ ওলাল। যদিও এইবাৰ ভাইটিয়ে চাইকেলখন এবাৰ চলাই চাবলৈ বিচাৰিলে। তাৰ মতে ঘৰৰ পৰা আনোতে দীপাংকৰে চলোৱাৰ পাছত প্ৰদীপেও সেইখন চলালে। বাকী থাকিল সিহে। গতিকে এবাৰ সি সেইখন চলাবলৈ নাপালে কেনেকৈ হ'ব? দীপাংকৰে ভাইটিৰ কথাত মান্তি নোহোৱাত ভাইটিয়ে এইবাৰ খঙেৰে ক'লে, 'যদিহে মোক এবাৰ চাইকেলখন চলাবলৈ নিদিয়, তেনেহ'লে মই গৈ এতিয়াই তহঁতৰ ঘৰত সকলো কথা লগাই দিম।' দীপাংকৰে সেমেনা-সেমেনি কৰি ক'লে, 'তেনেহ'লে বেছি দূৰলৈ নাযাবি। ওচৰতে এপাক চলাই চা।' (আগলৈ)

**অৰূপ কলিতা**

# সীতাৰে সাক্ষাৎকাৰ তথা লংকা দহন

অধ্যায়-১৯
হনুমান অশোক বনৰ এজোপা গছত বহি পৰিল। সীতাদেৱীক দেখা পাই তেওঁ মনতে প্ৰণাম কৰিলে। সীতাক বৰ দুৰ্বল যেন দেখা গৈছিল। মূৰত জটা থকাৰ বাবে চুলিবোৰ ওখ হৈ গৈছিল। তেওঁ অনবৰতে হৃদয়ৰ পৰা শ্ৰীৰামক স্মৰণ কৰি আছিল।
**কৃষ তনু জটা এক বেণী।**
**জপতি হৃদয় ৰঘুপতি গুণ শ্ৰেণী।।**
সেই সময়তে লংকাপতি ৰাৱণ পাটৰাণী মন্দোদৰিৰ স'তে তালৈ আহিল। তেওঁ সীতাদেৱীক ভয় দেখুৱাই বুজাবলৈ ধৰিলে। সীতাদেৱীয়ে তেওঁক ধিক্কাৰ দিলে। তেওঁ ক'লে, 'দুষ্ট, শ্ৰীৰামৰ ওচৰৰ পৰা মোক হৰণ কৰি আনিলি। ৰামৰ বাণৰ জ্ঞান তোৰ নাই চাগৈ। তই তেওঁৰ সমকক্ষ কেতিয়াও হ'ব নোৱাৰ। শ্ৰীৰাম সূৰ্য আৰু তই জোনাকী পৰুৱাৰ সমান।' সীতাৰ কথাত ৰাৱণৰ খুব খং উঠিল। তেওঁ হাতত চন্দ্ৰহাস তৰোৱাল লৈ সীতাক কাটিব খুজিলে। তেতিয়া ৰাণী মন্দোদৰিয়ে তেওঁক বাৰণ কৰিলে। তেওঁ ৰাক্ষসীবোৰক মাতি আনি ক'লে,-'তোমালোকে সীতাক ভালদৰে বুজাই দিবা। যদি এমাহৰ ভিতৰত তাই মোৰ কথা নামানে, মই তাইক মাৰি পেলাম।'
ৰাৱণ গুচি যোৱাৰ পাছত ৰাক্ষসীবোৰে সীতাক ভয় খুৱাবলৈ ধৰিলে। সিহঁতে ভয়ানক ৰূপ ধৰি ভয় লগা মাতেৰে সীতাক সৈমানৰ চেষ্টা কৰিলে। সিহঁতৰ ভিতৰৰে ত্ৰিজটা নামৰ এজনী ৰাক্ষসী ৰামৰ ভক্ত আছিল। তাই বাকীবোৰক ক'লে—'তোমালোকে সীতাদেৱীৰ আলপৈচান ধৰা। ইয়াৰ দ্বাৰা তোমালোকৰ হিত সাধন হ'ব। আজি মই সপোনত দেখিলো যে এটা বান্দৰে লংকাখন দাহ কৰি পেলালে। ৰাক্ষসসেনা মৰি শেষ হ'ল। ৰাৱণৰ বিশখন হাত কটা হ'ল। তেওঁৰ সকলো মুৰো কটা গ'ল। তেওঁ উলংগ হৈ বহি দক্ষিণৰ ফালে গৈ আছে। মোৰ বিশ্বাস মোৰ সপোন কিছুদিন পাছতে ফলিয়াব। তাইৰ কথা শুনি ৰাক্ষসীবোৰে ভয় খাই যেনি-তেনি গুচি গ'ল।
সীতা চিন্তাত পৰি গ'ল। এমাহ পাৰ হৈ যোৱাৰ পাছত দুষ্ট ৰাৱণে মোক মাৰি পেলাব। তাতকৈ ভাল মই নিজেই জ্বলি মৰি যাওঁ। তেওঁ ত্ৰিজটাক চিতা সজাবলৈ অনুৰোধ কৰিলে। তেওঁ সীতাদেৱীক চৰণ চুই বহুত বুজনি দিলে। ৰামৰ প্ৰতাপৰ কথা শুনাই তেওঁ ঘৰলৈ খোজ ল'লে। সীতাই দুখমনেৰে চন্দ্ৰ তৰাৰ পৰা জুই আহ্বান কৰিলে। তেওঁ অশোক বৃক্ষকো অগ্নিৰ আহ্বান কৰিলে। হনুমানে এই সকলো দেখি শুনি আছিল। সীতাদেৱীক ব্যাকুল দেখি তেওঁ ৰামৰ আঙঠিটো ওপৰৰ পৰা

**শ্ৰীসীতাৰামাভ্যাং নমঃ**
**ৰঘুবংশ ভূষণ চৰিত য়হ নৰ কহঁহি সুনঁহি যে গাৱঁহি।**
**কলিমল মনোমল ধোয় বনু শ্ৰম ৰামধাম সিধাৱঁহি।**
**সুবোধ ৰামায়ণ**
**(দ্বিতীয় সংস্কৰণ)**
**লেখক ঃ বিৰেন্দ্ৰ বিমল**
**অসমীয়া অনুবাদ ঃ**
**ৰাজলক্ষ্মী শৰ্মা গোস্বামী**

পেলাই দিলে। সীতাৰ এনে লাগিল যেন অশোক বৃক্ষই এঙাৰৰ টুকুৰা পেলাই দিছে। তেওঁ তপৰাই আঙঠিটো তুলি ল'লে। তেতিয়া তেওঁ ৰাম নাম লিখা সেই সুন্দৰ আঙঠিটো দেখা পালে।



**তব দেখি মুদ্ৰিকা মনোহৰ।**
**ৰাম নাম অংকিত অতি সুন্দৰ।।**
সীতাদেৱীয়ে ভাবিবলৈ ধৰিলে—'এইটো শ্ৰীৰামৰ আঙঠি। কিন্তু ৰঘুনন্দনক কোনোবাই কেনেকৈ পৰাজিত কৰিব পাৰে। মায়াৰ দ্বাৰা এনে আঙঠি বনোৱাতো অসম্ভৱ কিন্তু এই আঙঠি আহিল কৰ পৰা।' তেতিয়া হনুমানে গছৰ ওপৰতে উঠি ৰামকথা গাবলৈ ধৰিলে। শুনি সীতাৰ দুখ আঁতৰি গ'ল। তেওঁ মতাত হনুমান গছৰ পৰা নামি আহিল। এটা বান্দৰক দেখি সীতা আচৰিত হ'ল। তেতিয়া হনুমানে নিজৰ পৰিচয় দিলে। তেওঁ ক'লে, 'হে জানকী মাতা। মই কৰুণাসাগৰ ৰামৰ শপত খাই কৈছো মই শ্ৰীৰামৰ দূত। চিন হিচাপে শ্ৰীৰামে আঙুঠিটো দি পঠাইছে।'
**ৰামদূত সেই মাতু জানকী। সত্য শপথ কৰুণানিধান কী।**
**য়হ মুদ্ৰিকা মাতু নেই আনি। দিনহী ৰাম তুমহে কই**
হনুমানে সীতাক ৰাম-সুগ্ৰীৱৰ মিত্ৰতাৰ কথা ক'লে। তেওঁক বিচাৰি পঠোৱা বানৰ দলবোৰৰ বিষয়ে ক'লে। সীতাই ৰঘুনাথ আৰু লক্ষ্মণৰ কুশল বাতৰি সুধিলে। তাৰ পাছত তেওঁৰ ব্যথাৰ কথা ক'লে। তেওঁ সুধিলে, 'মোৰ প্ৰভু কৃপাৰ সাগৰ। তেওঁ ইমানদিনে মোক কেনেকৈ পাহৰি থাকিলে।' হনুমানে তেওঁক আশ্বাস দিলে। নিজৰ বিশাল শৰীৰ প্ৰকট কৰি তেওঁ সীতাদেৱীক ভৰষা দিলে। সীতাই প্ৰসন্ন হৈ হনুমানক আশীৰ্বাদ দিলে। তেতিয়া হনুমানে ক'লে— 'মাতৃ, মোৰ বৰ ভোক লাগিছে। মই ৰাক্ষসবোৰক ভয় নকৰো। আপোনাৰ আজ্ঞা পালে মই এই বাগিচাৰ ফল খাব পাৰোনে?' সীতাদেৱীয়ে আজ্ঞা দিলে। হনুমানে গছৰ ওপৰত উঠি ফল খাবলৈ ধৰিলে। তেওঁ গছৰ ডালবোৰো ভাঙিব ধৰিলে। বাগিচাৰ ৰখীয়াবোৰে বাধা দিয়াত সিহঁতক মাৰপিট কৰিব ধৰিলে। অনেক ৰাক্ষসৰ মৃত্যু ঘটিল। কোনোবাই ৰাৱণক খবৰ দিয়াত তেওঁ বহুতো বলবান ৰাক্ষসক পঠালে। হনুমানে সকলোকে মাৰি পেলালে। আঘাতপ্ৰাপ্ত ৰাক্ষসবোৰ ৰাৱণৰ ওচৰ পালেগৈ। ৰাৱণে এইবাৰ পুত্ৰ অক্ষয় কুমাৰক পঠালে। তেওঁৰ লগত সৈন্য-সামন্তও গৈছিল। হনুমানে এজোপা গছ উভালি অক্ষয়ক উদেশ্যি মাৰি পঠালে। সি মৰি থাকিল। অনেক ৰাক্ষসক হনুমানে থেকেচি মাৰিলে। কিছুমানক নিজৰ শৰীৰেৰে মোহাৰি পেলালে। পুত্ৰৰ মৃত্যুত ৰাৱণৰ উগ্ৰ খং উঠিল। তেওঁ এইবাৰ পুত্ৰ মেঘনাদক পঠালে। হনুমানে তেওঁৰ ৰথৰ ওপৰত গছেৰে প্ৰহাৰ কৰিলে। ৰথ ভাগি থাকিল। ডাঙৰ ডাঙৰ যোদ্ধাবোৰতো তেওঁ মোহাৰি মাৰিলে। তাৰ পাছত তেওঁ মেঘনাদৰ স'তে যুদ্ধত লিপ্ত হ'ল। তেতিয়া মেঘনাদে ভাবিবে, ইয়াৰ লগত জিকাটো সম্ভৱ নহয়। তেতিয়া তেওঁ ব্ৰহ্মাস্ত্ৰ এৰিলে। দিব্যাস্ত্ৰক সন্মান কৰি হনুমানে জানি বুজি মূৰ্ছিত হৈ পৰিল। মেঘনাদে তেওঁক নাগপাশেৰে বান্ধি পেলালে। হনুমানক ধৰি-বান্ধি ৰাৱণৰ সভালৈ অনা হ'ল। ৰাৱণৰ দৰবাৰত অনেক দেৱতা আৰু দিগপাল হাতযোৰ কৰি থিয় হৈ আছিল। ৰাৱণে সুধিলে-'হেৰো বান্দৰ, তই কোননো? তই অশোকবন কিয় লণ্ড-ভণ্ড কৰিলি? ৰাক্ষসবোৰক কিয় মাৰিলি?' হনুমানে উত্তৰ দিলে—'তই যাৰ শক্তিৰ সৰু অংশ এটা লাভ কৰি বিশ্ববিজয়ী হলি আৰু যাৰ পত্নীক তই হৰণ কৰিলি, মই তেওঁৰেই দূত। মোৰ ভোক লাগিছিল গতিকে ফল খাইছিলো। তোমাৰ ৰাক্ষসবোৰে মোক মাৰিছিল, সেয়ে ময়ো মাৰিলো।' তাৰ পাছত তেওঁ ৰাৱণক বুজাবলৈ ধৰিলে। তেওঁ ক'লে,-'ৰাৱণ মোৰ প্ৰভুক কালেও ভয় কৰে। মোৰ কথা শুনা। তেওঁৰ স'তে শত্ৰুতা এৰি সীতা মাতাক পুনৰ তেওঁৰ ওচৰত থৈ আহাগৈ।' হনুমানে পুনৰ ক'লে 'ৰাৱণ, কাম, ক্ৰোধ, মদ আৰু লোভে নৰকলৈ লৈ যায়। এইবোৰ ত্যাগ কৰি ৰাম নাম লোৱা। তুমি নিজেই বিচাৰ কৰি চোৱা। ৰাম নামৰ অবিহনে বাণীয়েও শোভা নাপায়।'
**ৰাম নাম বিনু গিৰা ন চোহা।**
**দেখু বিচাৰি ত্যাগী মদ মোহা।।**
হনুমানৰ কথাবোৰে ৰাৱণৰ ওপৰত বিৰূপ প্ৰভাৱ পেলালে। তেওঁৰ খুব খং উঠিল।
ক্ৰমশঃ



# এছিয়ান জুনিয়ৰ দবাত ইতিহাস সৃষ্টিৰে চেম্পিয়ন মায়ংক-প্ৰতীতি

**গুৱাহাটী, ২৫ আগষ্ট ঃ** অসমৰ প্ৰথমজন গ্ৰেণ্ডমাষ্টাৰ মায়ংক চক্ৰৱৰ্তী আৰু কৰ্ণাটকৰ হৈ দেশক প্ৰতিনিধিত্ব কৰা অসম-কন্যা, মহিলা ফিডে মাষ্টাৰ প্ৰতীতি বৰদলৈয়ে ইতিহাস সৃষ্টিৰে এছিয়ান জুনিয়ৰ দবা প্ৰতিযোগিতাৰ ক্ৰমে ল'ৰা আৰু ছোৱালীৰ শাখাত চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছে। মুম্বাইত অনুষ্ঠিত চেম্পিয়নশ্বিপখনৰ ন ৰাউণ্ডৰ যুঁজত মায়ংকে সৰ্বাধিক ৭.৫ পইণ্ট সংগ্ৰহ কৰিবলৈ সক্ষম হয়। নৱম তথা অন্তিম ৰাউণ্ডত মায়ংকে ৰাছিয়াৰ আন্তঃৰাষ্ট্ৰীয় মাষ্টাৰ আৰটেম পিনজিনৰ স'তে ড্ৰ খেলে। পিনজিনে ন ৰাউণ্ডৰ পৰা সাত পইণ্ট সংগ্ৰহ কৰি দ্বিতীয় স্থান লাভ কৰে। আনহাতে, ছোৱালীৰ শাখাত অসমৰ মহিলা ফিডে মাষ্টাৰ প্ৰতীতিয়ে ন ৰাউণ্ডৰ পৰা সৰ্বাধিক ৭.৫ পইণ্ট সংগ্ৰহ কৰি চেম্পিয়নৰ খিতাপ অৰ্জন কৰে। অন্তিম ৰাউণ্ডত তেওঁ ভাৰতৰ শ্ৰাব্যশ্ৰী ভিমাৰাছেট্টীৰ স'তে ড্ৰ কৰে। দ্বিতীয় স্থান লাভ কৰা কাজাখস্তানৰ মহিলা ফিডে মাষ্টাৰ মাৰিয়া খোলাভকৰে সাত পইণ্ট সংগ্ৰহ কৰে। প্ৰতীতিয়ে ৰেপিড শাখাতো দ্বিতীয় স্থান লাভ কৰে। ৰেপিড শাখাত তেওঁ সাত ৰাউণ্ডৰ পৰা ছয় পইণ্ট সংগ্ৰহ কৰে। তুৰ্কমেনিস্তানৰ লালা শ্বভ্ৰাডোভায়ো সম সংখ্যক পইণ্ট লাভ কৰে যদিও টাইব্ৰেকত শোভ্ৰাডোভা প্ৰথম আৰু প্ৰতীতিয়ে দ্বিতীয় স্থান অৰ্জন কৰে।



প্ৰতিযোগিতাখন সৰ্বভাৰতীয় দবা মহাসংঘৰ হৈ মহাৰাষ্ট্ৰ দবা সন্থাই এছিয়ান দবা মহা সংঘ আৰু বিশ্ব দবা মহাসংঘৰ তত্ত্বাৱধানত আয়োজন কৰিছিল। সদৌ অসম দবা সন্থাৰ হৈ সভাপতি মুকুট ডেকা আৰু সাধাৰণ সম্পাদক ৰাজীৱ ধৰে মায়ংক আৰু প্ৰতীতিৰ এই চমকপ্ৰদ সাফল্যৰ বাবে দুয়োকে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে।

# ফল'অন ৰক্ষাৰ বাবে যুঁজিছে শ্ৰীলংকাই

## ভাৰতৰ জয়ৰ পথত প্ৰতিবন্ধক হ'ব পাৰে বৰষুণ ঃ ছোনালৰ সংগ্ৰাম

**নিউজ ব্যুৰ'**

**কলম্বো, ২৫ আগষ্ট ঃ** ভাৰতৰ বিপক্ষে দ্বিতীয় টেষ্টত ফল'অনৰ পৰা ৰক্ষা পাবলৈ সংগ্ৰাম অব্যাহত ৰাখিছে শ্ৰীলংকাই। ভাৰতৰ ৫০৩ ৰাণৰ প্ৰত্যুত্তৰত শ্ৰীলংকাই তৃতীয় দিনাৰ খেল সমাপ্তিলৈ আঠ উইকেটৰ বিনিময়ত ২৬৫ ৰাণ কৰিছে। হাতত মাত্ৰ দুটা উইকেট থকা অৱস্থাত ফল'অনৰ হাত সাৰিবলৈ ঘৰুৱা দলটোক আৰু ৩৮ ৰাণৰ প্ৰয়োজন। প্ৰথম টেষ্টত শতৰাণ কৰা ছোনাল ডিনুছাই কলম্বোতো সংগ্ৰাম অব্যাহত ৰাখিছে। দ্বিতীয় দিনাৰ দৰে আজিও বৰষুণৰ বাবে দীৰ্ঘ সময় খেল বন্ধ থাকে। ফলত টেষ্টখনৰ পৰৱৰ্তী সময়ত ভাৰতৰ জয়ত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিব পাৰে বৰষুণে।

কালিৰ দুই উইকেটত আঠ ৰাণৰ পৰা খেল আৰম্ভ কৰি শ্ৰীলংকাই আজি কিছু প্ৰতিৰোধ গঢ়ি তোলাৰ চেষ্টা কৰিছিল। যদিও প্ৰসিদ্ধ কৃষ্ণই কামিল মিছাৰা (১৯) আৰু কামিন্দু মেণ্ডিজ (৩২)ক বিদায় দিয়াত দলটো বিপদত পৰে। শ্ৰীলংকাৰ সেই সমস্যা গভীৰ কৰি মানৱ সুথাৰে অধিনায়ক ধনঞ্জয় ডি ছিলভা (৮)ক বিদায় দিয়ে। অৱশ্যে তৰুণ বেটাৰ পাছিন্দু সূৰ্যবন্দৰা আৰু ছোনালে দলক নিৰ্ভৰতা প্ৰদান কৰে। অৱশ্যে তেওঁলোৰ যুটিও দীঘলীয়া নহ'ল আৰু সূৰ্যবন্দৰাই ৮০ ৰাণত ৰবীন্দ্ৰ জাদেজাৰ বলত বিদায় লয়। নিৰোছন ডিকৱেলা শূন্যত মহম্মদ ছিৰাজৰ চিকাৰ হোৱাত শ্ৰীলংকাৰ ইনিংছ সোনকালে শেষ হ'ব বুলিয়ে ধাৰণা কৰা হৈছিল। যদিও ছোনালে কেছাৰা নুৱান্থা (৭৪ বলত ১৮) আৰু লাহিৰু কুমাৰা (৫০ বলত আঠ অপঃ)ৰ স'তে সংগ্ৰাম অব্যাহত ৰাখিবলৈ সক্ষম হয়। প্ৰথম টেষ্টত শতৰাণ কৰা ছোনালে ৮৫ ৰাণত অপৰাজিত হৈ ৰয়। ভাৰতৰ প্ৰসিদ্ধ আৰু মানৱে তিনিটাকৈ উইকেট দখল কৰে। এই মুহূৰ্তত শ্ৰীলংকা সামগ্ৰিকভাৱে ২৩৮ ৰাণত পিছপৰি আছে।



# দক্ষিণ কামৰূপ মহাবিদ্যালয়ত খেলো ইণ্ডিয়া কাৰ্যসূচীৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**পলাশবাৰী, ২৫ আগষ্ট ঃ** ভাৰতৰ মহান হকী তাৰকা মেজৰ ধ্যানচান্দৰ জন্ম জয়ন্তী তথা ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উপলক্ষে ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰণালয়ৰ অন্তৰ্গত 'মেৰা যুৱ ভাৰত' আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ উদ্যোগত অহা ২৭ আগষ্টত দেশজুৰি 'খেলো ইণ্ডিয়া সংবাদ-যুৱ সংযোগ কাৰ্যসূচী'ৰ আয়োজন কৰা হৈছে। ৰাষ্ট্ৰীয় পৰ্যায়ৰ এই কাৰ্যসূচী মিৰ্জাৰ দক্ষিণ কামৰূপ মহাবিদ্যালয়তো অনুষ্ঠিত হ'ব।

দক্ষিণ কামৰূপ মহাবিদ্যালয়ত আজি অনুষ্ঠিত এখন সংবাদমেলত এই কথা প্ৰকাশ কৰে মহাবিদ্যালয় কৰ্তৃপক্ষই। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দাদুল দেউৰী, এনএছএছ কাৰ্যসূচী বিষয়া ড° দেৱাশীষ শৰ্মা আদিয়ে অংশগ্ৰহণ কৰি সংবাদ




মাধ্যমক জানিবলৈ দিয়া অনুসৰি, সমগ্ৰ দেশৰ ১৩৮৯টা নিৰ্বাচিত উচ্চ শিক্ষা প্ৰতিষ্ঠানত একে সময়তে এই ৰাষ্ট্ৰীয় কাৰ্যসূচী অনুষ্ঠিত হ'ব। অত্যন্ত গৌৰৱৰ কথা যে সমগ্ৰ অসমৰ ভিতৰত মাত্ৰ ৩৪খন মহাবিদ্যালয়ক এই বিশেষ কাৰ্যসূচীৰ বাবে কেটেগৰী 'এ'ত নিৰ্বাচিত কৰা হৈছে আৰু সমগ্ৰ কামৰূপ জিলাৰ ভিতৰত মিৰ্জাস্থিত দক্ষিণ কামৰূপ মহাবিদ্যালয়ে এই বিৰল মৰ্যাদা অৰ্জন কৰিছে। কেটেগৰী 'এ'ৰ অধীনত মহাবিদ্যালয়সমূহ কেৱল প্ৰধানমন্ত্ৰীৰ ভাষণৰ একমাত্ৰ প্ৰদৰ্শনী নহয়, বৰঞ্চ প্ৰেক্ষাগৃহৰ পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ স'তে ছাত্ৰ-ছাত্ৰী আৰু অংশগ্ৰহণকাৰীসকলৰ পোনপটীয়া দ্বিমুখী ভাব বিনিময়ৰ ব্যৱস্থা থাকিব। প্ৰধানমন্ত্ৰীৰ ভাষণৰ পাছতেই মহাবিদ্যালয় প্ৰেক্ষাগৃহত স্থানীয় পৰ্যায়ৰ আলোচনা কাৰ্যসূচী অনুষ্ঠিত হ'ব। এই অনুষ্ঠানলৈ গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধি আৰু আৰু পলাশবাৰী বিধানসভা সমষ্টিৰ বিধায়ক হিমাংশু শেখৰ বৈশ্যক বিশিষ্ট অতিথিৰূপে আমন্ত্ৰণ জনোৱা হৈছে।

# শিলিগুৰিত স্বৰ্ণপদক জয় নগাঁৱৰ প্ৰজ্ঞাত জ্যোতিৰ

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ২৫ আগষ্ট ঃ** পশ্চিমবংগৰ শিলিগুৰিস্থিত টেনজিং নৰ্গে ক্ৰীড়াংগণত সদ্যসমাপ্ত সপ্তম অল ইণ্ডিয়া কুনিবাকাই অপেন কাৰাটে চেম্পিয়নশ্বিপত উজ্বলিল নগাঁও জিলাৰ চকলাঘাটৰ কণমানি ছাত্ৰ প্ৰজ্ঞাত জ্যোতি শইকীয়া। প্ৰতিযোগিতাখনত অসম দলৰ হৈ অংশগ্ৰহণ কৰা প্ৰজ্ঞাত জ্যোতিয়ে কাৰাটেৰ কাটাত ল'ৰাৰ ১১ বছৰ শাখাত চমকপ্ৰদ প্ৰদৰ্শন দাঙি ধৰি সোণৰ পদক অৰ্জন কৰিবলৈ সক্ষম হয়। জিলাখনৰ বেবেজীয়াৰ সমীপৰ বাংঠাইগাঁওস্থিত ছেইন্ট জাষ্টিন নামৰ শিক্ষানুষ্ঠানখনত অধ্যয়নৰত ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ প্ৰজ্ঞাত জ্যোতিয়ে প্ৰতিযোগিতাখনত পশ্চিমবংগৰ খেলুৱৈক পৰাস্ত কৰি এই পদক আঁজুৰি আনিবলৈ সক্ষম হয়। ৰাষ্ট্ৰীয় পৰ্যায়ৰ উক্ত প্ৰতিযোগিতাখনত আয়োজক পশ্চিমবংগ, অসম, উত্তৰ প্ৰদেশ, ঝাৰখাণ্ড, বিহাৰ আদিকে ধৰি দেশৰ কে'বাখনো ৰাজ্যৰ তিনি শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল। সৰুৰে পৰা স্কুলীয়া শিক্ষাৰ সমান্তৰালকৈ চিহান পংকজ মুদৈৰ অধীনত কাৰাটেৰ প্ৰশিক্ষণ গ্ৰহণত একাগ্ৰতাৰে ব্যস্ত থকা প্ৰজ্ঞাত জ্যোতিয়ে নিজৰ দক্ষতাৰ বলত ইতিপূৰ্বে জিলা আৰু ৰাজ্যিক পৰ্যায়ত একাধিক পদক অৰ্জন কৰিবলৈ সক্ষম হৈছে।



# প্ৰথম এপিএল চেম্পিয়ন বৰপেটা ব্ৰেভছক বৰপেটাত ৰাজহুৱা সম্বৰ্ধনা



**বিশেষ সংবাদদাতা**

**বৰপেটা, ২৫ আগষ্ট ঃ** অসম ক্ৰিকেট সন্থাৰ উদ্যোগত অনুষ্ঠিত অসম প্ৰিমিয়াৰ লীগ (এপিএল) ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথম সংস্কৰণৰ চেম্পিয়ন বৰপেটা ব্ৰেভছ দলক আজি বৰপেটাত ৰাজহুৱা সম্বৰ্ধনা জনোৱা হয়। বৰপেটা ব্ৰেভছ দলটো বৰপেটাত উপস্থিত হোৱাৰ লগে লগে চহৰখনত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। বৰপেটাৰ ৰাইজে দলৰ প্ৰতিজন খেলুৱৈ, প্ৰশিক্ষক আৰু কৰ্মকৰ্তাক উষ্ম আদৰণি জনায়। গুৱাহাটীৰ পৰা দলটো আহি পোনে পোনে ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰত উপস্থিত হয়। ইয়াৰ বাবে সত্ৰখনৰ দালানৰ সন্মুখত বহু লোকৰ সমাগম হয়। সেই স্থানত সত্ৰীয়া আৰু অসমৰ থলুৱা কৃষ্টি-সংস্কৃতিৰ গীত-মাতেৰে দলটোক আদৰণি জনোৱা হয়। ইয়াৰ পাছতে বিজয়ী ট্ৰফীসহ দলটোৱে বৰপেটা সত্ৰত সেৱা জনায়। সত্ৰৰ দুয়োজন সত্ৰীয়াই দলটোক আশীৰ্বাদ দিয়াৰ লগতে সত্ৰৰ মালা-নিৰ্মালি প্ৰদান কৰে। ইয়াৰ পাছত বৰপেটা জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত বৰপেটালৈ গৌৰৱ কঢ়িয়াই অনা দলটোক লৈ ঢুলীয়া, বিহু দল আদিৰে বৰপেটা চহৰত এক সমদল উলিওৱা হয়। শেষত বৰপেটা জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত বৰপেটা জিলা পুথিভঁড়ালত আয়োজিত সম্বৰ্ধনা সভাৰ জৰিয়তে বৰপেটা ব্ৰেভছ দলক ভালেসংখ্যক অনুষ্ঠান-প্ৰতিষ্ঠানে ৰাজহুৱাভাৱে সম্বৰ্ধনা জনায়। সম্বৰ্ধনা অনুষ্ঠানত দলটোৰ স্বত্বাধিকাৰী পংকজ আগৰৱালাই সংবাদ মাধ্যমৰ আগত কয় যে অসম প্ৰিমিয়াৰ লীগৰ প্ৰথম সংস্কৰণতে বৰপেটা ব্ৰেভছ দলে যি ইতিহাস ৰচিবলৈ সক্ষম হ'ল, ইয়াৰ ধাৰাবাহিকতা পৰৱৰ্তী সংস্কৰণবোৰতো অব্যাহত ৰখাৰ চেষ্টা চলাব। তদুপৰি আগৰৱালাই অসম প্ৰিমিয়াৰ লীগৰ জৰিয়তে অসমে আগন্তুক দিনবোৰত ৰাষ্ট্ৰীয় পৰ্যায়ত নতুন নতুন খেলুৱৈৰ অন্তৰ্ভুক্তিৰ দুৱাৰ খুলি দিলে বুলি মন্তব্য কৰে । আনহাতে, দলৰ অধিনায়ক কুনাল শৰ্মাই অসম প্ৰিমিয়াৰ লীগৰ প্ৰথম সংস্কৰণতে খিতাপ দখল কৰিবলৈ সক্ষম হোৱাত যথেষ্ট আনন্দিত বুলি অনুভৱ ব্যক্ত কৰে।

# কাহিলিপাৰাত উত্তৰ-পূব মণ্ডল শ্বুটিং আৰম্ভ

**গুৱাহাটী, ২৫ আগষ্ট ঃ** ৩২৫ গৰাকী শ্বুটাৰৰ অংশগ্ৰহণেৰে আজি গুৱাহাটী কাহিলিপাৰাস্থিত চতুৰ্থ এপিবিএন কমপ্লেক্সত অৱস্থিত অসম ক্ৰীড়া প্ৰাধিকৰণৰ স্প'ৰ্টছ শ্বুটিং ৰেঞ্জত আৰম্ভ হৈছে ত্ৰয়োদশ উত্তৰ-পূব মণ্ডল শ্বুটিং প্ৰতিযোগিতা। আজি পুৱাৰ ভাগত প্ৰতিযোগিতাখন মুকলি কৰে অসম ৰাইফল আৰু শ্বুটিং সন্থাৰ সভাপতি আইপিএছ দিগন্ত বৰাই। অনুষ্ঠানত এআৰএছএৰ প্ৰাক্তন সভাপতি তথা শীৰ্ষ আৰক্ষী বিষয়া ৰাজেন সিং, সাধাৰণ সম্পাদক তথা আইএছএছএফ 'বি' বিচাৰক ভৱ কলিতা, যুটীয়া সম্পাদক ঋতুৰাজ ভাগৱতী আদি উপস্থিত থাকে। অসম ৰাইফল আৰু শ্বুটিং সন্থাই আয়োজনৰ কৰা পাঁচদিনীয়া প্ৰতিযোগিতাখনত উত্তৰ-পূৰ্বাঞ্চলৰ সাতটা দলে যোগদান কৰিছে। দলসমূহ হ'ল অৰুণাচল প্ৰদেশ, মেঘালয়, মণিপুৰ, মিজোৰাম, নগালেণ্ড, ত্ৰিপুৰাৰ লগতে অসম ৰাইফলছ মাৰ্কছমেনশ্বিপ ইউনিট, আৰ্মী মাৰ্কছমেনশ্বিপ ইউনিট আৰু আয়োজক অসম। প্ৰতিযোগিতাখনত অসমৰ ১৫৬ জনীয়া বৃহৎ দলে অংশগ্ৰহণ কৰিছে।

ভাৰতীয় ৰাষ্ট্ৰীয় ৰাইফল সন্থাৰ স্বীকৃত মাণ্ডলিক প্ৰতিযোগিতাখনৰ ইভেণ্টসমূহ হ'ল ১০ মিটাৰ এয়াৰ পিষ্টল,ৰাইফল, চপ্ত মিটাৰ স্প'ৰ্টছ পিষ্টল, ষ্টেণ্ডাৰ্ড পিষ্টল, চেণ্টাৰ ফায়াৰ পিষ্টল, ৫০ মিটাৰ থ্ৰী পজিছন পীপ ছাইট ৰাইফল, ৫০ মিটাৰ প্ৰ'ণ ৰাইফল, ফ্ৰী পিষ্টল আৰু ট্ৰেপ ইভেণ্ট। ল'ৰা-ছোৱালী, পুৰুষ-মহিলা শাখা আৰু মাষ্টাৰ্ছ শাখাৰ প্ৰতিযোগিতা অনুষ্ঠিত হৈছে আইএছএছএফৰ নিয়মাৱলী আৰু এনআৰআই মেচ বুক ২০২৬ অনুসৰি।



# ছেমিত চিনামৰা

**অগ্ৰদূত ক্ৰীড়া বাৰ্তা**

**যোৰহাট, ২৫ আগষ্ট ঃ** যোৰহাট জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত যোৰহাট ষ্টেডিয়ামত চলি থকা 'বি' ডিভিজন ফুটবল লীগৰ 'চি' গ্ৰুপৰ অন্তিমখন খেলত চিনামৰা মণিৰাম দেৱান ফুটবল ক্লাবে বাঘমৰা স্প'ৰ্টছ ক্লাবক ৩-১ গ'লত পৰাভূত কৰি লীগৰ সম্পূৰ্ণ পইন্ট অৰ্জন কৰিবলৈ সক্ষম হৈছে। খেলৰ প্ৰথমাৰ্ধৰ পৰাই আক্ৰমণাত্মকভাৱে খেলি চিনামৰা মণিৰাম দেৱান ফুটবল ক্লাবে ছাহিল নাথৰ গ'লৰ দ্বাৰা ১-০ত অগ্ৰগতি লাভ কৰে। ইয়াৰ পাছত পুনৰ চিনামৰা মণিৰাম দেৱান ফুটবল ক্লাবৰ কৃষাণ কৰ্মকাৰে ২৬ আৰু ২৯ মিনিটত গ'ল দি দলক ৩-১ৰ অগ্ৰগতি দিয়ে যদিও দ্বিতীয়াৰ্ধত বাঘমৰা স্প'ৰ্টছ ক্লাবে সংঘবদ্ধভাৱে খেলি আক্ৰমণৰ ৰচনা কৰে। ফলত ৫৮ মিনিটত বাঘমৰা স্প'ৰ্টছ ক্লাবৰ আকাশ মৰাং গ'লত ব্যৱধান ৩-১লৈ হ্ৰাস পায়। উল্লেখ্য যে চিনামৰা মনিৰাম দেৱান ফুটবল ক্লাবে লীগৰ দুখন খেলত জয়ী হৈ মুঠ ছয় পইন্ট সংগ্ৰহ কৰি গ্ৰুপৰ শীৰ্ষস্থান অধিকাৰ কৰি ছেমি ফাইনেলৰ পথ প্ৰশস্ত কৰে।

# আগিয়া কলেজত 'খেলো ইণ্ডিয়া ডাইলগ'ৰ সংবাদমেল



**অগ্ৰদূত বাৰ্তা**

**আগিয়া, ২৫ আগষ্ট ঃ** মেজৰ ধ্যানচান্দৰ জন্মজয়ন্তী উপলক্ষে আয়োজিত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস আৰু 'খেলো ইণ্ডিয়া ডাইলগ'ক কেন্দ্ৰ কৰি আজি আগিয়া মহাবিদ্যালয়ত অনুষ্ঠিত এক সংবাদমেলত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° উৎপল দাসে বিস্তৃত পৰিকল্পনাৰ কথা ঘোষণা কৰে। ২৯ আগষ্টত হকীৰ যাদুকৰ মেজৰ ধ্যানচান্দৰ জন্মজয়ন্তীৰ স'তে সংগতি ৰাখি এইবাৰ ২৭ আগষ্টত উদযাপন কৰা হ'ব ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস। এই উপলক্ষে 'বিকশিত ভাৰত যুৱ কানেক্ট-স্প'ৰ্টছ' মূল ভাৱধাৰাক লৈ বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে আগিয়া মহাবিদ্যালয়ে। সংবাদমেলত অধ্যক্ষ ড° দাস, ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ আগিয়া মহাবিদ্যালয় গোটৰ আঁচনি বিষয়া অজিত সৰকাৰ আৰু মাই ভাৰত টিমৰ গোৱালপাৰা জিলা যুৱ বিষয়া ৰায়া দাসে যৌথভাৱে 'খেলো ইণ্ডিয়া ডাইলগ'ৰ তাৎপৰ্য ব্যাখ্যা কৰে। অহা ২৭ আগষ্টৰ পুৱা ১০ বজাৰ পৰা ১১-১০ বজালৈ আগিয়া মহাবিদ্যালয়ত অনুষ্ঠিত হ'বলগীয়া কাৰ্যসূচীৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ক্ৰীড়াৰ প্ৰতি আগ্ৰহ বৃদ্ধিৰ লগতে আগন্তুক দিনতো বিভিন্ন পদক্ষেপ গ্ৰহণৰ পৰিকল্পনা কৰা হৈছে। উক্ত অনুষ্ঠানত অতিথিৰূপে স্থানীয় কে'বাজনো ফুটবল খেলুৱৈৰ লগতে পশ্চিম গোৱালপাৰা বিধানসভা সমষ্টিৰ বিধায়ক পবিত্ৰ ৰাভা উপস্থিত থাকিব বুলি প্ৰকাশ কৰে সংবাদমেলত।

# বৰমা কলেজত খেলো ইণ্ডিয়া কাৰ্যসূচী

**অগ্ৰদূত বাৰ্তা**

**বৰমা, ২৫ আগষ্ট ঃ** বৰমা মহাবিদ্যালয়ত এনএছএছৰ উদ্যোগত আজি এক সংবাদমেল অনুষ্ঠিত হয়। আগন্তুক ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উপলক্ষে বৰমা মহাবিদ্যালয়ত 'খেলো ইণ্ডিয়া' কাৰ্যসূচীৰ আয়োজন কৰা হৈছে বুলি জনায় উদ্যোক্তাসকলে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'ফিট আৰু ক্ৰীড়ামুখী ৰাষ্ট্ৰ' গঢ়াৰ দৃষ্টিভংগীৰে এই কাৰ্যসূচী লোৱা হৈছে। অহা ২৭ আগষ্টত প্ৰধানমন্ত্ৰী মোদীয়ে দিনৰ ১০ বজাত দেশৰ ১৬০০ বিভিন্ন স্থানত আঠ লাখ যুৱ সমাজক ভাৰ্চুৱেলী সম্বোধন কৰিব। বাগ্‌সা জিলাৰ ভিতৰত কেটেগৰী 'এ'ত অন্তৰ্ভুক্ত একমাত্ৰ শিক্ষানুষ্ঠান বৰমা মহাবিদ্যালয়তো অহা ২৭ আগষ্টত খেলো ইণ্ডিয়া কাৰ্যসূচী অনুষ্ঠিত হ'ব। এই সন্দৰ্ভত আজি বৰমা মহাবিদ্যালয়ত ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰণালয়ৰ অধীনস্থ এনএছএছৰ উদ্যোগত এখন সংবাদমেল অনুষ্ঠিত হয়। সংবাদমেলত বৰমা মহাবিদ্যালয় ৰাষ্ট্ৰীয় সেৱা আঁচনি বিষয়া (এনএছএছ) ড° ৰাতুল দাস উপস্থিত থাকি খেলো ইণ্ডিয়া কাৰ্যসূচীৰ উদ্দেশ্য, গুৰুত্ব আৰু ক্ৰীড়া, ফিটনেছ আৰু যুৱ অংশগ্ৰহণৰ প্ৰচাৰৰ বিষয়ে অৱগত কৰে। তেওঁ প্ৰধানমন্ত্ৰী মোদীয়ে অনুষ্ঠানত আৰ্চাৰী খেলুৱৈ ৰিতু স্বৰ্গীয়াৰী, নম্ৰতা বড়ো আৰু জাইক্লুং বড়োক সম্বৰ্ধনা জনাব বুলি উল্লেখ কৰাৰ লগতে যিসকল খেলুৱৈ ইতিমধ্যে সোণ বা ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে সেইসকলক নিমন্ত্ৰণ জনোৱা হৈছে বুলি কয়। তেওঁ লগতে উক্ত কাৰ্যসূচীত প্ৰায় ৩০০ ছাত্ৰ-ছাত্ৰী (খেলুৱৈ) উপস্থিত থাকিব বুলি উল্লেখ কৰে।



# কাইলৈ অভয়াপুৰী কলেজত যুৱ সমাজক ভাৰ্চুৱেলী সম্বোধন কৰিব প্ৰধানমন্ত্ৰীয়ে

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ২৫ আগষ্ট ঃ** আগন্তুক ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উপলক্ষে বঙাইগাঁও জিলাৰ অভয়াপুৰী মহাবিদ্যালয়তো অহা ২৭ আগষ্টত 'মাই ভাৰত-ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস ২০২৬, যুৱ সংযোগ অনুষ্ঠান' শীৰ্ষক এক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰণালয়ৰ আহ্বানত দেশৰ লগতে ৰাজ্যখনৰ নিৰ্বাচিত শিক্ষা প্ৰতিষ্ঠানৰ ভিতৰত বঙাইগাঁও জিলাৰ অভয়াপুৰী মহাবিদ্যালয়তো ৰাষ্ট্ৰীয় সেৱা যোজনা গোটৰ উদ্যোগত উক্ত অনুষ্ঠানৰ আয়োজন কৰিছে। দিৱস উপলক্ষে ভাৰ্চুৱেল মাধ্যমেৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ক্ৰীড়া ক্ষেত্ৰত বিকাশ, যুৱ সৱলীকৰণ, শৃংখলাবদ্ধ জাতি নিৰ্মাণ আৰু ২০৪৭ৰ বিকশিত ভাৰত সংকল্পৰ সমান্তৰালভাৱে ২০৩৬ৰ অলিম্পিক আয়োজনৰ লক্ষ্যৰে দেশৰ যুৱকসকলক উদ্দেশ্যি বক্তব্য ৰাখিব। উক্ত অনুষ্ঠানলৈ অভয়াপুৰী বিধানসভা সমষ্টিৰ বিধায়ক ভূপেন ৰায়ক আমন্ত্ৰণ জনোৱা হৈছে। অনুষ্ঠানত উপস্থিত থাকিব ক্ৰীড়া ক্ষেত্ৰখনৰ মাধ্যমেৰে বঙাইগাঁও জিলালৈ সুনাম কঢ়িয়াই অনা ভৱেন বৰ্মন আৰু তেওঁৰ গুৰু বিতু কুমাৰ দাস।

# দ্বিতীয় বাছনিৰ খেলুৱৈক বিদায় দি ভাৰতৰ প্ৰেমজিত সিঙৰ অঘটন

**গুৱাহাটী, ২৫ আগষ্ট ঃ** গুৱাহাটীৰ চচলস্থিত অসম টেনিছ সন্থাৰ কমপ্লেক্সত চলি থকা আইটিএফ ৱ'ৰ্ল্ড টেনিছ মাষ্টাৰ্ছ এমটি ২০০ প্ৰতিযোগিতাখনৰ আজি দ্বিতীয় দিনত পুৰুষৰ লগতে মহিলাৰো খেল অনুষ্ঠিত হৈছে। মহিলাৰ ৰাউণ্ড ৰবীন লীগ মেচত ৩৫ বছৰ ঊৰ্ধ্বৰ একক শাখাত ছাইলী ত্ৰিবেদীয়ে ৬-৪, ৭-৬(৩), ১০-৩ ব্যৱধানত ৰাণী কৌড় মাড়বাক পৰাস্ত কৰে। ইফালে, মহিলাৰ ৪৫ বছৰ ঊৰ্ধ্বৰ একক শাখাত নাজনীন ৰহমানে ৬-১, ৬-৩ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে ববিতা মোহন লাংথাছাক। আনহাতে, ৩৫ বছৰ ঊৰ্ধ্বৰ ডাবলছ শাখাত ছাইলী ত্ৰিবেদী আৰু ববিতা লাংথাছা যুটিয়ে ৰাণী কৌড় আৰু নাজনীন ৰহমানক ৩-৬, ৬-২, ১২-১০ৰ ব্যৱধানত পৰাস্ত কৰে।



ইফালে, পুৰুষৰ ৩৫ বছৰ ঊৰ্ধ্বৰ ডাবলছৰ প্ৰি-কোৱাৰ্টাৰত ইন্দ্ৰ কুমাৰ সিং আৰু প্ৰেমজিত সিঙে ৬-১, ১-০ত ছাহিদুল আলম আৰু সিদ্ধাৰ্থ শংকৰ যুটিক পৰাস্ত কৰে। এই শাখাৰে আন এখন খেলত প্ৰাৰ্থ প্ৰতীম গগৈ আৰু অলকেশ শইকীয়াই ৬-১, ৬-২ৰ ব্যৱধানত পৰাস্ত কৰে জয়ন্ত চক্ৰৱৰ্তী আৰু ভাৰ্গৱ ৰণদ্বীপক। ইপিনে, আন্তঃৰাষ্ট্ৰীয় টেনিছ ফেডাৰেছন (আইটিএফ)ৰ স্বীকৃত বিশ্ব ৰেংকিঙৰ ছিনিয়ৰ প্ৰতিযোগিতাখনৰ পুৰুষৰ ৩৫ বছৰ ঊৰ্ধ্বৰ একক শাখাৰ প্ৰি-কোৱাৰ্টাৰত আজি অঘটন ঘটাই প্ৰেমজিত সিঙে ৬-২, ৬-২ৰ ব্যৱধানত পৰাস্ত কৰে দ্বিতীয় বাছনিৰ বিনোদ সেৱাক।

# ঘগ্ৰাপাৰৰ ৰেজেক আলী ফুটবলত ডিচিডিৰ জয়লাভ



**অগ্ৰদুত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২৫ আগষ্ট ঃ** ঘগ্ৰাপাৰ আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত ঘগ্ৰাপাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত চলি থকা ৰেজেক আলী সোঁৱৰণী প্ৰাইজমানি চলন্ত ট্ৰফী ফুটবল প্ৰতিযোগিতাত আজিৰ খেল গুৱাহাটীৰ নৱজ্যোতি ক্লাব আৰু ৰঙাপানীৰ ডিচিডি ক্লাবৰ মাজত অনুষ্ঠিত হয়। তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক খেলখন নিৰ্ধাৰিত সময়ত ২-২ গ'লত অমীমাংসিতভাৱে সমাপ্ত হয়। ফলত টাইব্ৰেকাৰ পদ্ধতি অৱলম্বন কৰাত ডিচিডিয়ে ৫-৪ গ'লৰ ব্যৱধানত জয়লাভ কৰে। অহা ২৭ আগষ্টত মুকালমুৱা এফচি বনাম গুৱাহাটী চিটি এফচিৰ মাজত খেল অনুষ্ঠিত হ'ব বুলি উদ্যোক্তা সমিতিৰ সভাপতি তফিকুৰ ৰহমান আৰু সম্পাদক বিজয় স্বৰ্গীয়াৰীয়ে জনাইছে।

# প্ৰক্ষালন এফচি কোৱাৰ্টাৰত

**অগ্ৰদূত বাৰ্তা**

**বাইহাটা চাৰিআলি, ২৫ আগষ্ট ঃ** কমলপুৰ জনপ্ৰিয় ক্লাবৰ উদ্যোগত কমলপুৰ মিনি ষ্টেডিয়ামত চলি থকা ২৯ সংখ্যক বংশীধৰ কলিতা সোঁৱৰণী চলন্ত ট্ৰফী তথা ধৰ্মেশ্বৰ ডেকা সোঁৱৰণী ৰাণাৰ্ছআপ ট্ৰফী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত প্ৰথমখন প্ৰি-কোৱাৰ্টাৰ ফাইনেলত বাইহাটা চাৰিআলিৰ প্ৰক্ষালন এফচিয়ে কামৰূপ এফচিক ছাডেন ডেথৰ সহায়ত সামগ্ৰিকভাৱে ৬-৫ গ'লৰ ব্যৱধানত পৰাভূত কৰে। এই জয়ৰ সুবাদত প্ৰক্ষালনে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। খেলখন নিৰ্ধাৰিত সময়ত ১-১ গ'লত অমীমাংসিত হৈছিল। আৰম্ভণিতে খেলখন উদ্বোধন কৰে পূবপাৰ মদাৰতোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ উদয় চন্দ্ৰ ডেকাই।

# নগাঁও বেডমিণ্টন দল ঘোষণা



**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ২৫ আগষ্ট ঃ** ডিব্ৰুগড়ত অহা ২৭ আগষ্টৰ পৰা দুই ছেপ্টেম্বৰলৈকে অনুষ্ঠিত হ'বলগীয়া য়'নেক্স ছানৰাইজ ৭৪ সংখ্যক সদৌ অসম আন্তঃজিলা বেডমিণ্টন চেম্পিয়নশ্বিপত অংশগ্ৰহণ কৰিবৰ বাবে নগাঁও ক্ৰীড়া সংস্থাৰ সাধাৰণ সম্পাদক তপন কুমাৰ দাসে নগাঁও জিলা দলটো ঘোষণা কৰিছে। দলৰ খেলুৱৈসকল হ'ল— সুজল নেওগ, মণিৰাজ বৰা, মৃন্ময় কেওট, সৌৰভ বৰুৱা (জুনিয়ৰ ল'ৰা), আয়না শইকীয়া (জুনিয়ৰ ছোৱালী), নিহাল আহমেদ, বৰ্ণৱ কলিতা (অধিনায়ক), চিহাম ফাৰহাদ, কাব্যদ্বীপ কাশ্যপ (ছিনিয়ৰ পুৰুষ) আৰু আনশ্ৰাহ ৰহমান (ছিনিয়ৰ মহিলা)। নগাঁও ক্ৰীড়া সংস্থাৰ বেডমিণ্টন শাখাৰ সম্পাদক অনিল দাসে লগতে জনোৱা মতে, উল্লেখিত দলটোৰ স'তে ৰাজশেখৰ দাস প্ৰশিক্ষক আৰু দেৱজিৎ বৰা মেনেজাৰৰূপে আছে।



গোলকীয় উষ্ণতাৰ অন্যতম কাৰণ হৈছে মিথেন গেছ। উদ্যোগ-শিল্পৰ বিকাশৰ লগে লগে এই গেছৰ পৰিমাণ আৰু বৃদ্ধি পাইছে। অৱশ্যে শিল্পায়নৰ পূৰ্বে পৰিস্থিতি কেনেকুৱা আছিল? এই বিষয়ত বিজ্ঞানীসকলে ইমানদিনে কেৱল অনুমানেই কৰিছিল। এইবাৰ সেই অনুমান 'সত্য' প্ৰমাণিত হ'ল। বিজ্ঞানীসকল নিশ্চিত হৈছে যে উদ্যোগ-শিল্পৰ বিকাশৰ বহু আগৰে পৰাই ক্ৰান্তীয় অঞ্চলবোৰ আছিল পৃথিৱীৰ মিথেন গেছৰ প্ৰধান উৎস।

# ক্ৰান্তীয় অঞ্চলেই মিথেন গেছৰ প্ৰধান উৎস!

## বিজ্ঞানীৰ ইমানদিনৰ অনুমানক সত্য প্ৰমাণ কৰিলে আন্দেছ পৰ্বতমালাৰ বৰৰ খণ্ডই

**নিউজ ব্যুৰ'**
**নিউ য়ৰ্ক, ২৫ আগষ্ট ঃ** গোলকীয় উষ্ণতাৰ অন্যতম কাৰণ হৈছে মিথেন গেছ। উদ্যোগ-শিল্পৰ বিকাশৰ লগে লগে এই গেছৰ পৰিমাণ আৰু বৃদ্ধি পাইছে। অৱশ্যে শিল্পায়নৰ পূৰ্বে পৰিস্থিতি কেনেকুৱা আছিল? এই বিষয়ত বিজ্ঞানীসকলে ইমানদিনে কেৱল অনুমানেই কৰিছিল। এইবাৰ সেই অনুমান 'সত্য' প্ৰমাণিত হ'ল। বিজ্ঞানীসকল নিশ্চিত হৈছে যে উদ্যোগ-শিল্পৰ বিকাশৰ বহু আগৰে পৰাই ক্ৰান্তীয় অঞ্চলবোৰ আছিল পৃথিৱীৰ মিথেন গেছৰ প্ৰধান উৎস।

কাৰ্বন-ডাই অক্সাইডৰ পাছত যি গ্ৰীণ হাউছ গেছ পৃথিৱীত সবাতোকৈ বেছি পৰিমাণে পোৱা যায়, সেয়া হৈছে মিথেন। গ্ৰীণ হাউছ গেছ হৈছে যিবোৰ গেছে সূৰ্যৰ তাপ শোষণ কৰি বায়ুমণ্ডলৰ উষ্ণতা বৃদ্ধি কৰে। কাচেৰে তৈয়াৰী গ্ৰীণহাউছ বা নাৰ্ছাৰীৰ দৰে এই গেছবোৰেও সূৰ্যৰ তাপক পৃথিৱীৰ পৰা ঘূৰি যোৱাটো ৰোধ কৰে। কাৰ্বন-ডাই অক্সাইডৰ তুলনাত প্ৰায় ২৮ গুণ তাপ ধৰি ৰাখিব পাৰে মিথেনে।

সম্প্ৰতি পৃথিৱীত ক্ৰান্তীয় অঞ্চলেই সবাতোকৈ বেছি সৃষ্টি হয়। উদ্যোগ-শিল্পৰ যিমান উন্নতি হৈছে, তাৰ সমান্তৰালকৈ বতাহত মিথেৰ নিৰ্গমনো বৃদ্ধি পাইছে; কিন্তু শিল্পায়নৰ পূৰ্বে? তেতিয়া কি আছিল মিথেন গেছৰ প্ৰধান উৎস? মন কৰিবলগীয়া যে শিল্পৰ বিকাশ ভিন্ন স্থানত ভিন্ন সময়ত ঘটিছে। এই ক্ষেত্ৰত গৱেষণাত ব্ৰিটেইনত শিল্পায়নৰ আগৰ সময়খিনিক বুজোৱা হৈছে, অৰ্থাৎ ১৭৬০ৰ আগৰ সময়খিনি। বিজ্ঞানীসকলৰ অনুমান আছিল যে তেতিয়াও ক্ৰান্তীয় অঞ্চলতেই সবাতোকৈ বেছি মিথেন সৃষ্টি হৈছিল। কাৰণ সেই অঞ্চলত তাপমাত্ৰা বেছি। প্ৰচুৰ বৃষ্টিপাতো হয়। ফলত আৰ্দ্ৰতাৰ কাৰণে সেই অঞ্চলবোৰত মিথেন গেছ বেছিকৈ উৎপন্ন হয়। ক্ৰান্তীয় অঞ্চলৰ জলভূমি, মেনগ্ৰোভ (উপকূলীয় লৱণাক্ত) অৰণ্যত থকা বেক্টেৰিয়াই জৈৱ পদাৰ্থ পচাই প্ৰচুৰ পৰিমাণৰ মিথেন গেছ উৎপন্ন কৰে। সেইবাবেই বিজ্ঞানীসকলে অনুমান কৰিছিল যে শিল্পায়নৰ পূৰ্বেও ক্ৰান্তীয় অঞ্চলেই হয়তো মিথেনৰ প্ৰধান উৎস আছিল। অৱশ্যে এই বিষয়ত তেওঁলোকৰ হাতত কোনো নিৰ্দিষ্ট প্ৰামাণিক তথ্য নাছিল।

প্ৰাচীন কালৰ বায়ুমণ্ডল কেনেকুৱা আছিল সেয়া বুজিব পাৰি 'আইচ কোৰ' বিশ্লেষণ কৰি। 'আইচ কোৰ' হৈছে হিমবাহ খনন কৰি তুলি অনা নলীৰ আকাৰৰ দীঘলীয়া বৰফৰ টুকুৰা, যাৰ ভিতৰত সেই হিমবাহৰ হেজাৰ হেজাৰ বছৰৰ পুৰণি স্তৰ আছে। এই 'আইচ কোৰ'ৰ মাজত আবদ্ধ হৈ থাকে প্ৰাচীন কালৰ বতাহৰ কণিকা। সেইবোৰ বিশ্লেষণ কৰি অতীতৰ জলবায়ু, গ্ৰীণ হাউছ গেছ, বতৰসহ বিভিন্ন বিষয়ত জানিব পাৰে বিজ্ঞানীসকলে। যদিও ইমান দিনে যিমানবোৰ 'আইচ কোৰ' পোৱা গৈছে, তাৰ অধিকাংশই পোৱা গৈছে গ্ৰীণলেণ্ড আৰু এণ্টাৰ্কটিকাৰ পৰা। এই দুই স্থান বিষুৱৰেখাৰ পৰা বহু দূৰত অৱস্থিত। আনহাতে, অধিকাংশ মিথেন গেছ উৎপন্ন হয় ক্ৰান্তীয় অঞ্চলতহে।

সম্প্ৰতি প্ৰাচীন কালৰ মিথেনৰ উৎসক কেন্দ্ৰ কৰি থকা সন্দেহ দূৰ কৰিছে আন্দেছ পৰ্বতমালাৰ এটুকুৰা বৰফে। পেৰুত আন্দেছ পৰ্বতমালা (ক্ৰান্তীয় অঞ্চলত অৱস্থিত পৰ্বত)ৰ নেভাডো উয়াছকাৰান পৰ্বতশৃংগৰ পৰা পোৱা এক 'আইচ কোৰ' বিশ্লেষণ কৰি চাইছে এদল বিজ্ঞানীয়ে। এই গৱেষণাত নেতৃত্ব দিছে অহায়' ষ্টেট ইউনিভাৰচিটি বাৰ্ড পোলাৰ এণ্ড ৰিছাৰ্চ ক্লাইমেট চেণ্টাৰৰ গৱেষক কাৰা লামাণ্টিয়াই। তেওঁলোকে সেই বৰফৰ টুকুৰাত আবদ্ধ হৈ থকা বতাহৰ কণিকাৰ পৰা প্ৰায় দুহেজাৰ বছৰৰ মিথেন গেছৰ তথ্য সংগ্ৰহ কৰিছে। গৱেষণাত দেখা গৈছে যে শিল্পায়নৰ পূৰ্বে ক্ৰান্তীয় অঞ্চলেই আছিল মিথেন গেছৰ প্ৰধান প্ৰাকৃতিক উৎস। অৱশ্যে যিমান ভবা হৈছিল, তাতকৈ বেছি মিথেন গেছ নিৰ্গত হৈছিল সেই সময়ত।

কম্পিউটাৰ মডেলৰ মাধ্যমেৰে বিশ্লেষণ কৰি দেখা গৈছে যে মেৰু অঞ্চলৰ পৰা যি পৰিমাণৰ মিথেন উৎপন্ন হয়, ক্ৰান্তীয় অঞ্চলত তাৰ প্ৰায় ২৪ শতাংশ বেছি মিথেন উৎপন্ন হয়। লামাণ্টিয়া আৰু তেওঁ সহযোগীসকলৰ এই গৱেষণা সম্প্ৰতি 'নেচাৰ' প্ৰত্ৰিকাত প্ৰকাশ পাইছে। গৱেষণাত দেখা গৈছে যে খ্ৰীষ্টাব্দ গণনাৰ আৰম্ভণিৰে পৰা ১৮৫০ পৰ্যন্তদুই মেৰুৰ তুলনাত ক্ৰান্তীয় অঞ্চলতেই মিথেন গেছৰ ঘনত্ব বেছি আছিল। ইয়াৰ বাবে তেওঁলোকে গ্ৰীণলেণ্ডৰ জিআইএছপি২ 'আইচ কোৰ' আৰু এণ্টাৰ্কটিকাৰ ডব্লিউএআইএছ ডিভাইডৰ 'আইচ কোৰ'ৰ স'তে আন্দেছৰ পৰা পোৱা 'আইচ কোৰ'ৰ তুলনা কৰি চায়। তাতেই দেখা গ'ল যে আন্দেছৰ নমুনাত গ্ৰীণলেণ্ডতকৈ ৪৬ গুণ আৰু এণ্টাৰ্কটিকাতকৈ ৯৪ গুণ বেছি মিথেন আছিল। গৱেষণা অনুসৰি, ১৭৫০ত বতাহত যি পৰিমাণৰ মিথেন আছিল, এতিয়া সেয়া প্ৰায় ১৬০ শতাংশ বৃদ্ধি পাইছে।





# চাহৰ কাপ হাতত লৈ কিশোৰৰ সৰল হাঁহি এতিয়া সকলোৰে পৰিচিত

## সামাজিক মাধ্যমত ভাইৰেল হোৱা অৰুণৰ জীৱন কিন্তু মুঠেই মসৃণ নহয়

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৫ আগষ্ট ঃ** হাতত চাহৰ কাপ লৈ হাঁহিত ফাটি পৰিছে এজন কিশোৰ। তেওঁৰ সেই সৰল হাঁহিৰ অবিহনে যেন সামাজিক মাধ্যমত কোনো ধৰণৰ ধেমেলীয়া ভিডিঅ' সম্পূৰ্ণ নহয়। প্ৰায় সকলো ক্ৰিয়েটৰেই কৌতুকপূৰ্ণ ভিডিঅ'ৰ কোনো নহয় কোনো অংশত তেওঁৰ হাঁহিৰ দৃশ্য ব্যৱহাৰ কৰে। ফলত সামাজিক মাধ্যমত মগ্ন হৈ থকা এই প্ৰজন্মৰ প্ৰায় সকলোৰে বাবে তেওঁ পৰিচিত। যদিও এই কিশোৰজন প্ৰকৃততে কোন বা তেওঁৰ হাঁহিৰ আঁৰত লুকাই থকা অশেষ যন্ত্ৰণাৰ কথা কিন্তু অধিকাংশ লোকেই নাজানে।

প্ৰাপ্ত তথ্য অনুসৰি, সেই কিশোৰজনৰ নাম অৰুণ কুমাৰ। শৈশৱৰ পৰাই তেওঁৰ কোনো সংগী নাছিল। নাছিল পৰিয়াল। ফলত তেওঁ পঢ়া-শুনা কৰাৰ কোনো সুযোগেই নাপালে। বৰঞ্চ পেটৰ তাড়নাত শৈশৱতে তেওঁ এখন ট্ৰাকৰ খালাচীৰ কাম কৰিবলৈ বাধ্য হয়। নেহৰু নামৰ এজন ট্ৰাক চালকৰ লগত তেওঁ কাম কৰিছিল। স্বাভাৱিকভাৱেই দীঘলীয়া ভ্ৰমণৰ মাজতে ৰাস্তাৰ কোনো ঠাইত নামি তেওঁলোকে খোৱা-বোৱা কৰিবলগীয়া হয়। সেইদৰে এদিন ৰাস্তাৰ দাঁতিত থিয় দি চাহ পান কৰাৰ সময়ত কিবা কাৰণত কিশোৰজন হাঁহিত ফাটি পৰিছিল। সেই মুহূৰ্তৰে ভিডিঅ' সংগ্ৰহ কৰি সামাজিক মাধ্যমত প'ষ্ট কৰে ট্ৰাক চালক নেহৰুৱে। ইয়াতে কপাল ফুলিল অৰুণৰ। নিশাৰ ভিতৰতে ভাইৰেল হৈ পৰে তেওঁৰ সেই সৰল হাঁহি। সামাজিক মাধ্যমত অৰুণ কেন্দ্ৰ কৰি মানুহৰ উন্মাদনা দেখি তেওঁৰ বাবে কিবা কৰাৰ কথা চিন্তা কৰিলে নেহৰুৱে। ইয়াৰ পাছতে ট্ৰাক চালকজনে নিজৰ ধনেৰে কিতাপ-বহী কিনি দি অৰুণৰ পঢ়া-শুনাৰ ব্যৱস্থাও কৰি দিয়ে। কামৰ সমান্তৰালকৈ কিশোৰজনে মন দি অধ্যয়নো অব্যাহত ৰাখে। চলিত বছৰতে দশম শ্ৰেণীৰ পৰীক্ষাত উত্তীৰ্ণ হৈছে অৰুণ। ফলত সাৰ্থক হৈছে অৰুণ আৰু নেহৰুৰ যৌথ সংগ্ৰাম।





# স্বাধীনতাৰ ৭৯ বছৰৰ পাছতো বাঁহৰ সাঁকোৰেই আহ-যাহ

## 'আমাক একো নালাগে, এখন দলং বনাই দিয়ক'

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**নগাঁও, ২৫ আগষ্ট ঃ** দেশ স্বাধীন হোৱাৰ সুদীৰ্ঘ ৭৯ বছৰৰ পাছতো যাতায়াত ব্যৱস্থাৰ কোনো উন্নয়ন নহ'ল নগাঁও জিলাৰ ধিং সমষ্টিৰ কেতবোৰ অঞ্চলৰ। সমষ্টিটোত এনে কিছু অঞ্চল আছে য'ত পকী দলঙতো দূৰৈৰ কথা এখন কাঠৰ দলঙৰ বাবেও ৰাইজে চৰকাৰক কাকুতি-মিনতি কৰি থাকিবলগীয়া হৈছে। এখন দলঙেই তচ্‌নচ্ কৰিছে ধিঙৰ বিভিন্ন চৰৰ ছাত্ৰ-ছাত্ৰীৰ সপোন। নগাঁও জিলাৰ ধিং চহৰৰ পৰা প্ৰায় পাঁচ কিলোমিটাৰ উত্তৰ-পূবে অৱস্থিত এখন ঠাই দুই নম্বৰ কান্ধুলিমাৰী। ইয়াৰ পৰাই একাধিক সুঁতিৰ ওপৰৰ বাঁহৰ সাঁকো পাৰ হৈ জিলাখনৰ কমলসুঁতি, কাতিমাৰী, কালাটাপো, ৰাণীটাপো পশ্চিম, পশ্চিম মাইছবালি, দুই নম্বৰ কান্ধুলিমাৰী চৰ, কুট্ৰামাৰী, তিনতিকীয়া, ৰাণী টাপো, পূব বিন্দ্ৰে, মুছলিম টাপো প্ৰমুখ্যে বিভিন্ন চৰৰ ছাত্ৰ-ছাত্ৰীয়ে ধিঙৰ বিভিন্ন হাইস্কুল, উচ্চতৰ মাধ্যমিক বিদ্যালয়, মহাবিদ্যালয়ত অধ্যয়ন কৰিবলৈ আহে। ঠিক একেদৰে, ধিঙৰ পৰাও চৰৰ বিভিন্ন প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা কৰিবলৈ নিতৌ বহু শিক্ষকে এই সুঁতিৰ ওপৰৰ বাঁহৰ সাঁকো পাৰ হৈ যাব লাগে। কমলসুঁতি চৰলৈ যোৱা পথৰ দুটাকৈ সুঁতিৰ ওপৰত স্থানীয় ৰাইজে গাঁঠিৰ ধন খৰচ কৰি বাঁহেৰে নিৰ্মাণ কৰি লৈছে দুখনকৈ বাঁহৰ সাঁকো। এখন সাঁকো আছে দুই নম্বৰ কান্ধুলিমাৰীত আৰু আনখন নতুন কমলসুঁতিত। এই বাঁহৰ সাঁকোৰেই এতিয়া ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আহ-যাহ কৰি থাকিবলগীয়া হৈছে। তদুপৰি এই দুৰ্বল বাঁহৰ সাঁকোৰ ওপৰেদি নিতৌ চৰৰ কৃষকে কুইন্টলে কুইন্টলে পাচলি ধিং, মৈৰাবাৰী, ডুমডুমীয়া আদি বজাৰলৈ সৰবৰাহ কৰি থকা পৰিলক্ষিত হৈছে। দুই নম্বৰ কান্ধুলিমাৰীত থকা বাঁহৰ সাঁকোখন স্থানীয় ৰাইজে টকা পইছা তুলি বাঁহ কিনি নিৰ্মাণ কৰি লৈছে। ইয়াৰ ওপৰেৰে আহ-যাহ কৰোতে কোনো ধৰণৰ ধন আদায় দিব নালাগে। কিন্তু নতুন কমলসুঁতিত থকা বাঁহৰ সাঁকোখন দুজনমান লোকে ব্যৱসায়িক ভিত্তিত নিৰ্মাণ কৰি তাৰ ওপৰেৰে আহ-যাহ কৰা প্ৰতিজন লোকৰ পৰাই ধন সংগ্ৰহ কৰি আহিছে। খৰালি কালত দুই নম্বৰ কান্ধুলিমাৰীৰ সুঁতিটো শুকাই যোৱাত এই শিক্ষকসকলৰ লগতে ছাত্ৰ-ছাত্ৰী, ৰাইজে বাঁহৰ সাঁকোখনৰ তলেদিয়েই আহ-যাহ কৰে। চৰৰ ছাত্ৰ-ছাত্ৰীৰ লগতে চৰত শিক্ষকতা কৰা শিক্ষকসকল, কৃষকসকলৰ যাতায়াতী সুবিধাৰ বাবেই দুই নম্বৰ কান্ধুলিমাৰীৰ সুঁতিৰ ওপৰত থকা বাঁহৰ সাঁকোখনৰ ঠাইত আৰু নতুন কমলসুঁতিত থকা বাঁহৰ সাঁকোখনৰ ঠাইত একোখনকৈ কাঠৰ দলং নিৰ্মাণ কৰি দিবলৈ ৰাইজে সংশ্লিষ্ট বিভাগক দাবী জনাইছে। দুই নম্বৰ কান্ধুলিমাৰী, কমলসুঁতি আৰু ইয়াৰ আশে-পাশে থকা অঞ্চলৰ ৰাইজে অতি আক্ষেপেৰে কয়, 'আমাৰ ইয়াৰ ল'ৰা ন্যায়াধীশ হৈছে, বিডিঅ' হৈছে, ডাক্তৰ হৈছে কিন্তু আমি এখন বাঁহৰ সাঁকোৰেই এতিয়াও আহ-যাহ কৰি থাকিবলগীয়া হৈছো। আমাক একো নালাগে, এখন দলং লাগে।' উল্লেখ্য যে কালি ধিং সমষ্টিৰ বিধায়ক মেহবুব মোক্তাৰে লহকৰ জিলা পৰিষদ সমষ্টিৰ সদস্য বাবুল আলীক লগত লৈ দুই নম্বৰ কান্ধুলিমাৰী আৰু নতুন কমলসুঁতিত থকা বাঁহৰ সাঁকো দুখন পৰিদৰ্শন কৰে। লগতে স্থানীয় ৰাইজৰ স'তে বাৰ্তালাপ কৰে। বিধায়ক মোক্তাৰে ৰাইজক কয় যে যাতায়াতৰ ক্ষেত্ৰত ৰাইজে ভোগ কৰি অহা দুৰ্ভোগৰ অন্ত পেলোৱাৰ বাবে অচিৰেই কাৰ্য ব্যৱস্থা গ্ৰহণ কৰা হ'ব।



অহা ২৮ আগষ্টত ৰাখী পূৰ্ণিমা। সেইদিনা দেশজুৰি পালিত হ'ব ৰাখী বন্ধন উৎসৱ। ভ্ৰাতৃসকলৰ মংগল কামনা কৰি ভগ্নীসকলে হাতত ৰাখী পিন্ধায়। অথচ কেতিয়াবা চিন্তা কৰি চাইছেনে নে সদায় কিয় ভ্ৰাতৃৰ সোঁ হাততে ৰাখী পিন্ধোৱা হয়? বহুতেই কিন্তু ইয়াৰ অন্তৰালৰ কাৰণ নজনাকৈয়ে কেৱল এক ৰীতি বুলি ভাবিয়েই পালন কৰে।

# ভ্ৰাতৃৰ সোঁ হাততে কিয় ৰাখী পিন্ধোৱা হয়?

## ইয়াৰ নেপথ্যত আছে এক বিশেষ কাৰণ

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৫ আগষ্ট ঃ** অহা ২৮ আগষ্টত ৰাখী পূৰ্ণিমা। সেইদিনা দেশজুৰি পালিত হ'ব ৰাখী বন্ধন উৎসৱ। ভ্ৰাতৃসকলৰ মংগল কামনা কৰি ভগ্নীসকলে হাতত ৰাখী পিন্ধায়। অথচ কেতিয়াবা চিন্তা কৰি চাইছেনে নে সদায় কিয় ভ্ৰাতৃৰ সোঁ হাততে ৰাখী পিন্ধোৱা হয়? বহুতেই কিন্তু ইয়াৰ অন্তৰালৰ কাৰণ নজনাকৈয়ে কেৱল এক ৰীতি বুলি ভাবিয়েই পালন কৰে। অৱশ্যে ইয়াৰ এক বিশেষ কাৰণো আছে। হিন্দু ৰীতি অনুসৰি, কিবা দিয়া বা গ্ৰহণ কৰাৰ বাবে সোঁ হাতখনেই ব্যৱহাৰ কৰা হয়। আনকি আশীৰ্বাদ দিয়া, কোনো নিয়ম-নীতি পালন কৰা, যিকোনো কাম কৰা বা দায়িত্ব পালনৰ বাবেও এই সোঁ হাতখন ব্যৱহাৰ কৰা হয়। সেয়ে ৰাখীও সোঁ হাততে পিন্ধোৱা হয়। ভ্ৰাতৃৰ সোঁ হাতত ৰাখী পিন্ধাই মনত পেলাই দিয়া হয় যে তেওঁ যি কাম কৰিছে সেয়া কৰাৰ আগতে যেন ভালকৈ বিবেচনা কৰে। ভগ্নীৰ প্ৰতি যেন দায়িত্ব নাপাহৰে। সদায় যাতে তেওঁলোকক সুৰক্ষা প্ৰদান কৰে। ভ্ৰাতৃৰ হাতখনে যেন সকলো সময়তে ভগ্নীসকলক চম্ভালি ৰাখে, সন্মান জনায় আৰু সহায় কৰে। ৰাখীক ৰক্ষাৰ প্ৰতীক বুলিও গণ্য কৰা হয়। ভগ্নীসকলে ভাতৃৰ মংগল কামনা কৰি সেয়া হাতত পিন্ধাই দিয়ে। সোঁ হাততে পিন্ধায়, যাতে কিবা কৰিবও যাওঁতে ভ্ৰাতৃৰ কোনো বিপদ নহয়। সোঁ হাতৰ ধৰ্মৰ স'তেও সম্পৰ্ক আছে। কেৱল ধৰ্মই নহয়; দায়িত্ব, কৰ্ম, ব্যৱহাৰ, শৃংখলাৰ স'তেও সোঁ হাতৰ সম্পৰ্ক আছে। লগতে ইতিবাচক শক্তি আৰু উদ্যম যাতে বৃদ্ধি পায়, সেয়াও বুজায়। উল্লেখ্য যে অহা ২৮ আগষ্টত ৰাখী পিন্ধোৱাৰ বাবে শুভ সময় হৈছে পুৱা ৫-৫৭ৰ পৰা ৯-৪৮ বজা।

# তেজপুৰত অবৈধ খননৰ ফলত সৃষ্ট গভীৰ খাৱৈত পৰি কিশোৰৰ মৃত্যুত ক্ষোভ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ২৫ আগষ্ট ঃ** তেজপুৰৰ গেৰেকী বিলৰ এটা গভীৰ খালত পৰি যোৱা দেওবাৰৰ পৰা সন্ধানহীন হৈ থকা স্থানীয় গৌৰৱজ্যোতি বৰুৱা (১৪) নামৰ এজন কিশোৰৰ মৃতদেহ আজি উদ্ধাৰ হোৱা শোকাৱহ ঘটনাই স্থানীয় ৰাইজক ক্ষুব্ধ কৰি তুলিছে। স্থানীয় ৰাইজে প্ৰকাশ কৰা অনুসৰি, আজি দিনৰ প্ৰায় ১১ বজাত কিশোৰজনৰ মৃতদেহ খালটোৰ পানীত ওপঙি থকা অৱস্থাত ৰাইজে দেখিবলৈ পায় আৰু এই বিষয়ে তেজপুৰ আৰক্ষীক অৱগত কৰে। পাছত ঘটনাস্থলীত আৰক্ষী উপস্থিত হোৱাৰ পাছত মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে তেজপুৰ কনকলতা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। স্থানীয় ৰাইজে আশংকা কৰা মতে, যোৱা দেওবাৰে এই খালত কেঁকোৰা আৰু মাছ ধৰিবলৈ অহা কিশোৰজনে এই অংশত থকা অতি গভীৰ খালটোৰ বিষয়ে অনুমান কৰিব নোৱৰাৰ বাবেই তেওঁ পিছলি ইয়াত সোমাই পৰে। তেতিয়াৰে পৰাই তেওঁ সন্ধানহীন হৈ আছিল বুলি কয় কিশোৰজনৰ আত্মীয়ই। আনহাতে, ৰাইজে ক্ষোভেৰে কয় যে প্ৰকৃততে এই গোপচাৰ ভূমিৰ যেনি-তেনি একাংশই জধে-মধে আৰু অবৈধভাৱে বালি আৰু মাটি খনন চলাই আহিছে। খৰালি বহুকেইখন এক্সকেভেটৰৰ সহায়ত ইয়াত অবৈধ খনন চলায় ভালেসংখ্যক অচিনাকি লোকে। ট্ৰাকে ট্ৰাকে বালি আৰু মাটি কঢ়িয়াই নিয়া এই অবৈধ খননৰ ফলত এই গোপচাৰত সৃষ্টি হোৱা গভীৰ খালত একোডাল বাঁহ ডুব যাব বুলিও কয় ক্ষোভিত লোকে। উল্লেখ্য যে স্থানীয় কুশল বৰুৱাৰ পুত্ৰ গৌৰৱৰ দৰে এজন নিৰীহ কিশোৰৰ মৃত্যুৰ বাবে এই বাধাহীন অবৈধ খননকে জগৰীয়া কৰি ক্ষোভিত একাংশ লোকে কয় যে তদুপৰি বিয়লিৰে পৰা ইয়াত নিতৌ জুৱা আৰু ড্ৰাগছৰ এক বৃহৎ আড্ডাও হয়। বিভিন্ন অঞ্চলৰ পৰা আগমন ঘটা একাংশই এইদৰে এই অংশৰ পৰিৱেশ তথা পৰিস্থিতি বিনষ্ট কৰাৰ বিপৰীতে মাজে-সময়ে ইয়াত আৰক্ষীয়ে টহল দিয়ে যদিও আৰক্ষীৰ আগমনৰ পূৰ্বেই এনেসকলে পলায়ন কৰে। কিন্তু ইয়াৰ মাজতে আজি এই সকলোবোৰৰ পৰাই আঁতৰি থকা এজন কিশোৰৰ অকাল মৃত্যুক সাবটিবলগীয়া হ'ল বুলিও কয় একাংশ ক্ষোভিত লোকে। তেওঁলোকে লগতে অঞ্চলটোত চলা এই সকলো অবৈধ কাৰ্যকলাপৰ বিৰুদ্ধে আৰক্ষী, প্ৰশাসনক কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনোৱাৰ লগতে স্থানীয় ৰাইজো ওলাই আহি এনে দুষ্কাৰ্যত বাধা দিয়াৰো পোষকতা কৰে। উল্লেখ্য যে তেজপুৰৰ মৰাভৰলীকে ধৰি একাধিক অঞ্চলত চলা এনে অবৈধ খননৰ ফলত সৃষ্ট গভীৰ খালত পৰি চলিত বছৰতে শিশু আৰু কিশোৰসহ কে'বাজনৰো অপমৃত্যু ঘটিছে।






**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ৯১০১২৩৮০০৩ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com